## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


| | | |
|---|---|---|
| ❒ ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ চতুৰভাৱে সীমিত পুনৰ মিত্ৰজোঁটেৰে কৌশলাত্মক দিশৰ পিনে | অসীমা গোৱেল | ৩ |
| ❒ ২০১৪ বৰ্ষৰ জুলাইৰ কেন্দ্ৰীয় বাজেট ঃ এক অৱলোকন | চৰণ সিং, সাৰদা ছিম্পী | ১০ |
| ❒ ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ ভাল উৎপাদন কিন্তু ফচল ৰখাৰ নিঃকিন ব্যৱস্থা | ৰবীন্দ্ৰ এইচ ঢোলাকিয়া | ১৬ |
| ❒ ৰে'ল বাজেট ২০১৪ ঃ বাস্তৱৰ দিশে | এছ শ্ৰীৰামন | ২২ |
| ❒ দিল্লীত যমুনা পৰিষ্কাৰকৰণ ঃ বৰ্তমানৰ পৰিস্থিতি আৰু সমাধান ব্যৱস্থা | ড° দীপশিখা শৰ্মা | ২৫ |
| ❒ কেন্দ্ৰীয় বাজেটৰ আন্তঃগাঁথনি আৰু শক্তি খণ্ডৰ সন্দৰ্ভত এক পৰ্যালোচনা | হিৰণময় ৰয়, অনিল কুমাৰ | ৩০ |
| ❒ ২০১৪-১৫ৰ বাজেটত বিনিয়োগ বিন্যাস | শশাঙ্ক ভিদে | ৩৩ |
| ❒ সেৱা প্ৰদান উন্নত কৰিবলৈ নাগৰিকৰ সৈতে সহযোগিতা ঃ বি আৰ টি এছ, আহমেদাবাদৰ শিক্ষা | ড° মনীষা বাৰ্মা | ৩৫ |
| ❒ দাৰিদ্ৰ্য আৰু অপৰিপুষ্টি সম্পৰ্কীয় আঁচনি ঃ উত্তম ফলাফলৰ বাবে গুৰুত্বপূৰ্ণ বিষয় | আশা কাপুৰ মেহতা, সঞ্জয় প্ৰতাপ | ৩৯ |
| ❒ কেন্দ্ৰীয় বাজেট ২০১৪-১৫ ঃ উত্তৰ-পূবলৈ দিয়া আৱণ্টন | ড° গৌৰাঙ্গ কুমাৰ শৰ্মা | ৪৫ |
| ❒ ৰে'ল বাজেট ঃ ২০১৪-১৫ | নৰকান্ত বৈশ্য | ৪৭ |
| ❒ কেন্দ্ৰীয় বাজেটত কৃষিখণ্ড | মনোৰঞ্জন বণিক্য | ৫০ |
| ❒ গ্ৰাম্য উন্নয়ন ঃ বাজেট ২০১৪-১৫ | মনোজ দত্ত | ৫১ |
| ❒ লখিমপুৰ জিলাৰ পৰ্যটনৰ সমল আৰু পৰ্যটন উদ্যোগ বিকাশৰ সম্ভাৱনা | যতীন শইকীয়া | ৫৩ |
| ❒ সামূহিক পৰিৱেশ গঠনত ভূজলৰ প্ৰভাৱ | ড° অৰ্পণ দত্ত | ৫৫ |
| ❒ উত্তম অনুশীলন | আজৰা খাতুন | ৫৭ |
| ❒ উদ্ভাৱনী যাত্ৰা | | ৫৯ |
| ❒ শিশুৰ নৈতিকতা গঠনত পৰিয়াল আৰু শিক্ষাৰ ভূমিকা | অৰুণিমা বৰা | ৬১ |
| ❒ উদ্যান শস্যৰ উন্নয়ন আৰু স্ব-নিয়োজন | অঞ্জন বৰা | ৬২ |
| ❒ মস্তিষ্কৰ মাৰাত্মক বেমাৰ— আলঝেইমাৰ | ড° প্ৰদীপ কুমাৰ দাস | ৬৭ |
| ❒ ভাৰতৰ কৃষিৰ বিকাশ আৰু সমস্যা | জয়ন্ত কুমাৰ শৰ্মা | ৭০ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **ৰাজেশ কে ঝা**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 45 No. 6**
**পঞ্চশচত্বাৰিংশ বৰ্ষ ঃ ষষ্ঠ সংখ্যা**
**আগষ্ট ঃ ২০১৪**


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে, কে, বি, পথ, নিউ কলনি গৃহ নং ৭, চেনিকুঠি
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ জ্যোতি প্ৰিণ্টাৰ্চ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

## এই সংখ্যাৰ প্ৰসংগত

# নিৰৱিচ্ছিন্নতা আৰু পৰিৱৰ্তন

এখন দেশৰ অৰ্থনৈতিক ব্যৱস্থাপনা সময়ৰ ৰাজনৈতিক বাস্তৱৰ পৰা পৃথক কৰি চাব নোৱাৰি। এই প্ৰসংগত আমি ২০১৪ চনৰ মে' মাহত শাসনলৈ অহাৰ পাচত চৰকাৰৰ নীতি ঘোষণাৰ বিষয়েও মনোযোগ দিব লাগিব। ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাজেট হ'ল নতুন চৰকাৰৰ প্ৰথম প্ৰধান নীতিৰ ঘোষণা। ভাৰতীয় সমৰ্থনৰ সবল সফলতাৰ ঢৌত উঠি নতুন চৰকাৰে শাসনভাৰ লোৱা ৪৫ দিনৰ ভিতৰত বাজেটখন উত্থাপন কৰিছে। কেন্দ্ৰত শাসনভাৰ লোৱা নতুন চৰকাৰৰ ওপৰত হোৱা বহু প্ৰত্যাশাৰ বাবে এই বাজেটখন প্ৰস্তুত কৰাটো স্পষ্টভাৱে আছিল প্ৰচুৰ শ্ৰমসাধ্য। যোৱা তিনিটা দশকৰ পাচত এটা ৰাজনৈতিক দলে প্ৰথমবাৰৰ বাবে নিজাকৈ পূৰ্ণ সংখ্যা গৰিষ্ঠতা লাভ কৰি শাসনত প্ৰতিষ্ঠিত হৈছে। মিত্ৰজোঁট ৰাজনীতিত থকা সমস্যাবোৰ আঁতৰ হৈছে আৰু চৰকাৰে দেশৰ অৰ্থনৈতিক দূৰদৃষ্টিৰ সুৰতে ডাঙৰ নীতি পৰিৱৰ্তনৰ বাবে ব্যাপক সমৰ্থন লাভ কৰিছে। সি যি কি নহওক, ভাৰতৰ দৰে বহুমাত্ৰিক আৰু জটিলতা থকা দেশ এখনৰ কাৰণে বিভিন্ন বিকল্প সাৱধানে পৰীক্ষা কৰাৰ অবিহনে কোটি কোটি মানুহৰ অদৃষ্টত প্ৰভাৱ পেলাব পৰা পৰিৱৰ্তন সধাটো সিমান উজুও নহয় আৰু বিবেচনাপূৰ্ণও নহয়। ২০১৪-১৫ বৰ্ষৰ বাজেট হ'ল যিটো কৰিব পাৰি তাৰে সঠিক প্ৰচেষ্টা। তাৰ মাজত সঠিক মনোযোগ আৰু অতীতৰ পৰা নিৰৱিচ্ছিন্নতাৰ লগতে ইয়াৰ পৰিৱৰ্তনৰ স্পষ্ট ইচ্ছা প্ৰকট হৈছে।

চৰকাৰে সন্মুখীন হোৱা প্ৰধান প্ৰত্যাহ্বান আছিল অৰ্থনৈতিক বিকাশ অনুপ্ৰাণিত কৰা আৰু বিত্তীয় স্থিৰতা নিশ্চিত কৰা। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকশিত হাৰ বিগত দুটা বিত্তীয় বছৰত ৪.৫ আৰু ৪.৭ শতাংশলৈ অৱনমিত হৈছে। অৰ্থনীতিৰ এই মন্থৰতা পণ্য উৎপাদন, নিৰ্মাণ খণ্ড, খনি আৰু পৰিবহণ খণ্ডত অতি দৃশ্যমান হৈছে। বিকাশৰ হাৰৰ অৱনতি বৰ্দ্ধিত বেতন বৃদ্ধি মূলধন উৎপাদন হাৰ (আই চি অ' আৰ)ত প্ৰতিফলিত হৈছে। ২০০৯-১১ বৰ্ষৰ কালছোৱাত ৪.১ শতাংশ হোৱাৰ বিপৰীতে বিকাশৰ মন্থৰতা আৰু সমৰ্থ ব্যৱহাৰৰ ঘাটি হোৱাৰ ফলত বিগত দুটা বছৰত আই চি অ' আৰ উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। সেয়েহে বিনিয়োগ আৰু উৎপাদন সামৰ্থ বৃদ্ধিক অনুপ্ৰাণিত কৰাটো নতুন বাজেটখনৰ প্ৰধান নীতি আছিল। জনসমাৱেশৰ ভিতৰ বা জনসমাৱেশৰ বাহিৰ সম্পৰ্কত বিতৰ্ক হ'লে ৰাজহুৱা ব্যয়ৰ প্ৰভাৱ অব্যাহত থাকে। চৰকাৰে ৰাজহুৱা, ব্যক্তিগত অংশীদাৰত্ব প্ৰত্যক্ষ বিদেশী বিনিয়োগ আৰু আন প্ৰতিষ্ঠানিক ব্যৱস্থাৰ জৰিয়তে বেচৰকাৰী বিনিয়োগ বৃদ্ধি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ সফল ৰূপায়ণৰ বাবে নতুন বাজেটখনত বিনিয়োগ মৈত্ৰীপূৰ্ণ নীতি আৰু প্ৰতিষ্ঠানিক বাতাবৰণৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে।

অস্থায়ী কৰ ঋণৰ উচ্চ সীমা ১০০ কোটিৰ পৰা ২৫ কোটি টকালৈ হ্ৰাস, দ্ৰুত সিদ্ধান্ত গ্ৰহণৰ প্ৰতিশ্ৰুতি, বীমা আৰু প্ৰতিৰক্ষাত বিদেশী প্ৰত্যক্ষ বিনিয়োগ, পশ্চাৎ কৰ ব্যৱস্থাৰ বিষয়ে ঘোষণা আদিৰ দৰে উদগনিমূলক ব্যৱস্থা বাজেটত লোৱা হৈছে।

উদগনিমূলক বিকাশৰ লক্ষ্য আৰু বিত্তীয় সুস্থিৰতা ৰক্ষাৰ মাজত বিনিময়ৰ সম্ভাৱনা আছে। দুয়োটাৰে মাজত ভাৰসাম্য আৱিষ্কাৰ কৰাৰ ভিতৰতে যাদুটো লুকাই আছে। কৰ ৰাজহ বৃদ্ধি কৰি আৰু ৰাজসাহায্য কমাই বিত্তীয় ঘাটি নিয়ন্ত্ৰণ কৰিবলৈ বাজেটখনে লক্ষ্য স্থিৰ কৰিছে। চলিত বিত্তীয় বৰ্ষত বিত্তীয় ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ ৪.১%ত ৰখাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰাৰ লগতে ২০১৫-১৬ বিত্তীয় বৰ্ষত ৩.৬% প্ৰক্ষেপ কৰা হৈছে আৰু ২০১৬-১৭ বৰ্ষত ৩% শতাংশলৈ হ্ৰাস কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। একে সময়তে মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হিচাপে সৰ্বমুঠ কৰ ৰাজহ ২০১৩-১৪ বৰ্ষৰ ১০.২ শতাংশৰ বিপৰীতে ২০১৬-১৭ বৰ্ষত ১১.২ শতাংশলৈ বৃদ্ধিৰ প্ৰক্ষেপ কৰা হৈছে। কৰ ভেটি বিস্তৃত কৰি বিশেষকৈ তথ্য প্ৰযুক্তি ব্যৱস্থা ব্যৱহাৰ কৰি সেৱা কৰ আৰু কৰ সংগ্ৰহ ব্যৱস্থাৰ দক্ষতা বৃদ্ধি কৰাটো অধিক কৰৰ অন্ত পেলোৱাৰ কৌশল হ'ব পাৰে। ইয়াৰ লগতে উত্তম লক্ষ্য নিৰ্দ্ধাৰণ আৰু সুৰুঙা হ্ৰাস কৰি মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ২ শতাংশৰ ভিতৰতে ৰাজসাহায্য ৰাখিবলৈ অভিপ্ৰায় আছে।

সি যি কি নহওক, মূল্যবৃদ্ধি, নিয়োগ, স্বাস্থ্য, শিক্ষা, পথ, বিদ্যুৎ, সংগতিপূৰ্ণ আৰু সামাজিক আৰু ৰাজনৈতিক বাতাবৰণ, সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ ন্যায়সংগত অৰ্থনৈতিক স্থিতি আদিৰ দৰে অৰ্থনৈতিক বিষয়সমূহৰ সন্দৰ্ভত প্ৰভাৱ বিস্তাৰ কৰা এই সকলোবোৰ পৰিসংখ্যা আৰু তালিকা সাধাৰণ লোকৰ পৰিপ্ৰেক্ষাত মৌলিক প্ৰশ্ন হৈ আছে। কোনো ৰাজহুৱা নীতিৰ সফলতাৰ বিচাৰ জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে এই উদ্দেশ্যসমূহ নিশ্চিতকৰণত লাভ কৰা প্ৰাপ্তিৰ দ্বাৰাহে কৰিব পাৰি। উৎপাদন বৃদ্ধি, চাকৰি, মানৰ সামৰ্থ্য বৃদ্ধিৰ জৰিয়তে 'সক্ৰিয় অন্তৰ্ভুক্তি'ৰ পথ বোধহয় গ্ৰহণ কৰিলে 'সামগ্ৰিক বিকাশ' আৰ্হিত বৈ যোৱা অসম্পূৰ্ণতা লাভ কৰিব পৰা যাব।

# ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ চতুৰভাৱে সীমিত পুনৰ মিত্ৰজোঁটেৰে কৌশলাত্মক দিশৰ পিনে

**অসীমা গোৱেল***

এখন নতুন চৰকাৰৰ প্ৰথম বাজেটে স্পষ্টকৈ এখন ছবি দাঙি ধৰে আৰু সেই ছবিৰ অন্তৰ্নিহিত কাম-কাজবোৰ ৰূপায়ণৰ বাবে কিছুমান আঁচনিৰ আভাস দিব বুলি আশা কৰা যায়। সেই মতে সেই আশা-আকাংখ্যাবোৰ পূৰণ কৰাৰ ক্ষেত্ৰত উচ্চ বিকাশ গতি, নিয়োগ, ভাল সা-সুবিধা, আন্তঃগাঁথনি আৰু প্ৰশাসনৰ কথা কোৱা হয়; কিন্তু বাজেটত উল্লেখ কৰা ব্যৱস্থাৱলীয়ে কেনেদৰে সেইবোৰ প্ৰাপ্ত কৰিব বুলি আশা কৰিছে তাক স্পষ্টভাৱে সদৰি কৰা নাই।

এইটো দুৰ্ভাগ্যজনক, কিয়নো বাজেটখনত পৰিৱৰ্তন সধাৰ অনেক পথ আছে। অৱশ্যে সেই বিষয়ে সামান্য ইংগিত নিদিয়া নহয়। আলাপ-আলোচনাৰ দিশত সেইবোৰ ফলাফলৰ উন্নতি সাধনৰ প্ৰয়াস জাৰি আছে আৰু তাৰেই আভাস তলত দিয়া হ'ল।

**বিকাশৰ মূল অৰ্থনৈতিক স্তৰ**

মূল অৰ্থনৈতিক স্তৰতেই বিনিয়োগৰ বিভিন্ন ধৰণৰ সূত্ৰপাত ঘটে আৰু সঞ্চয়ৰ ক্ষেত্ৰতো পথৰ সূচনা হয়। এই আটাইবোৰে মূৰকত বিকাশৰ গতি বৃদ্ধি কৰে। ১নং তালিকাৰ প্ৰথম কলমত বৰ্তমান বাজেটৰ আনুমানিক বাজেট হিচাপ তথা অন্তৰ্বৰ্তী বাজেটৰ মাজৰ শতাংশ হাৰৰ প্ৰভেদ দেখুওৱা হৈছে। ইয়াৰ পৰা পূৰ্বৰ চৰকাৰৰ বাজেটৰ পৰা আঁতৰি আহি পুনৰগাঁথনি প্ৰক্ৰিয়াৰ ইঙ্গিত বুজা যায়। দ্বিতীয় কলমত ২০১৩-১৪ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপতকৈ ২০১৪-১৫ বৰ্ষৰ জুলাইৰ আনুমানিক বাজেটত যি বৃদ্ধি দেখুওৱা হৈছে সেইটোৱে ব্যয়ৰ আশান্বিত দিশটো দাঙি ধৰে। এই দিশটোৱেই অৰ্থনীতিত প্ৰভাৱ পেলাব। তৃতীয় কলমত অন্তৰ্বৰ্তী বাজেটত থকা একে আশ্বাসকেই পোৱা যায়। চতুৰ্থ কলমটো হ'ল আশ্বাসৰ সম্ভাৱনীয়তাৰ ইঙ্গিত বাহক; কিয়নো ইয়াত প্ৰকৃত কাৰ্যকৰণৰ স্বৰূপ প্ৰাপ্ত কৰা হয়। ২০১২-১৩ বৰ্ষৰ প্ৰকৃত স্থিতিতকৈ ২০১৩-১৪ বৰ্ষৰ পুনৰবৰ্দ্ধিত বাজেটত হোৱা পৰিৱৰ্তন দেখা যায়।

প্ৰথম কলমত চলিত বাজেটখনৰ নিৰন্তৰ প্ৰয়াসৰ বিষয়টো চকুত পৰে। এয়া অন্তৰ্বৰ্তী বাজেটত দিয়া আশ্বাসক চেৰাই বিভিন্ন ধৰণৰ উৎপাদনমূলক ব্যয় বৃদ্ধি কৰিবৰ বাবে কাম জাৰি আছে। পৰিকল্পনা, ৰাজহ ব্যয় আৰু পৰিকল্পনাৰ বাহিৰত মূলধন সৃষ্টিৰ ক্ষেত্ৰত (চতুৰ্থ কলম) পূৰ্বৰ বৃদ্ধিৰ তুলনাত দুই নম্বৰ কলমত যথেষ্ট বৃদ্ধিৰ আশ্বাস আছে।

ৰাজহুৱা বিনিয়োগৰ ক্ষেত্ৰত সীমিত স্থিতিৰ বাহিৰেও অৱনমিত হোৱা ব্যক্তিগত বিনিয়োগৰ গতিক পুনৰ ঘূৰাই অনা বিভিন্ন ব্যৱস্থা আছে— যাৰ দ্বাৰা উৎপাদনশীলতাৰ গতি সঞ্চাৰ হ'ব পাৰে। প্ৰস্তুত খণ্ডৰ লেহেমীয়া গতিক পুনৰ সবল কৰিবলৈ এইটো প্ৰয়োজনীয় বিষয়। এইবোৰ ব্যৱস্থাৰ ভিতৰত ধৰা হৈছে বিনিয়োগৰ বাবে অস্থায়ী কৰ ঋণ আৰু তাত আছে বিনিয়োগ বানচ (এলাৱেঞ্চ)। ২৫ কোটি টকাৰ বিনিয়োগলৈকে এই সুবিধা দিয়া হ'ব। ইয়াৰ পূৰ্বে এনে পৰিমাণ আছিল ১০০ কোটি টকা। উক্ত সুবিধাই অতি ক্ষুদ্ৰ তথা ক্ষুদ্ৰ প্ৰস্তুত উদ্যোগসমূহক উপযুক্ত কৰি তুলিব। চৰকাৰী-বেচৰকাৰী অংশীদাৰিত্ব আৰু আনকি থলুৱা স্তৰত খৰতকীয়া সিদ্ধান্ত নিৰ্ণয়ৰ আশ্বাস প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া হয়। তাৰ বাবে ৰাজ্যবোৰৰ স'তে সমৰ্থন লাভ কৰি এই কামত আগবঢ়া হ'ব। তথ্য প্ৰযুক্তি সমৰ্থিত "e-BIZ ছিঙ্গল উইণ্ডো" ব্যৱস্থাই উদ্যোগ আৰু বহু ঔদ্যোগিক কৰিড'ৰ তথা শাখা প্ৰশাখাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সেৱা সমন্বয় সাধন কৰিব— যাতে সেইবোৰে সহজতে বিকাশ লাভ কৰিব পাৰে।

প্ৰতিৰক্ষা উৎপাদন আৰু বীমাৰ দৰে কৌশলাত্মক খণ্ডত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক উৎসাহিত কৰিবৰ অৰ্থে পোনপটীয়াকৈ বিনিয়োগ, ঘৰুৱা চাকৰি, প্ৰযুক্তি আৰু বিত্তত বৃদ্ধি কৰা হ'ব। এই প্ৰত্যক্ষ বিনিয়োগৰ সীমা ২৬ৰ পৰা ৪৯ শতাংশলৈ বৃদ্ধি কৰা হৈছে— যাতে পৰিচালনামূলক কাম-কাজ আৰু নিয়ন্ত্ৰণ ভাৰতৰ হাততেই থাকে। অন্যান্য ৰেহাই ব্যৱস্থা কেইটামান ক্ষেত্ৰত দিয়া হৈছে। সেয়া হ'ল গৃহ নিৰ্মাণ কৰিবলগীয়া ক্ষেত্ৰ

***অসীমা গোৱেল মোম্বাইস্থিত আই জি আই ডি আৰ-ৰ অধ্যাপিকা। নিজৰ কৰ্মক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে তেওঁ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহু বঁটা লাভ কৰিছে।**

তালিকা-১ ঃ **বাজেটৰ মূল অংক** (শতাংশ বৃদ্ধি)

| | পুনৰ গাঁথনি | প্ৰত্যাশিত প্ৰভাৱঃ বৰ্তমানৰ বা. হিচাপ | আশান্বিত প্ৰভাৱ অন্তৰ্ৱৰ্তী বা. হিচাপ | সম্ভাৱনীয়তা |
|---|---|---|---|---|
| | অন্তৰ্ৱৰ্তী বা. হিচাপৰ ওপৰৰ বাজেট | পূৰ্বৰ পুনৰ বৰ্দ্ধিত বাজেটতকৈ বৃদ্ধি বাজেট | | ২০১২-১৩ৰ প্ৰকৃত হিচাপতকৈ পূৰ্বৰ পুনৰ বৰ্দ্ধিত হিচাপ |
| | ১ | ২ | ৩ | ৪ |
| ৰাজহ ঘাটিৰ সমানুপাত | -৩.৩৩ | -১২.১২ | -৯.০৯ | -৮.৩৩ |
| বিত্তীয় ঘাটিৰ সমানুপাত | ০.০০ | -১০.৮৭ | -১০.৮৭ | -৪.১৭ |
| প্ৰাথমিক ঘাটিৰ সমানুপাত | ০.০০ | -৩৮.৪৬ | -৩৮.৪৬ | -২৭.৭৮ |
| অ-পৰিকল্পিত ব্যয় | ৫.১৭ | ২০.৭২ | ১৪.৭৯ | ৫.৭৯ |
| মুঠ পৰিকল্পিত ব্যয় | ৪.০০ | ২০.৯০ | ১৬.৮০ | ১৪.৯৭ |
| পৰিকল্পনা ৰাজহ ব্যয় | ২.৫৪ | ২১.৯৬ | ১৮.৯৪ | ১২.৯৫ |
| পৰিকল্পনা মূলধনী ব্যয় | ৭.৪৭ | ১৭.১৮ | ৯.০৪ | ২২.৮২ |
| মুঠ ৰাজহ ব্যয় | ১৫.৮০ | ১২.৮৬ | -২.৫৪ | ১২.৭৭ |
| মূলধনী সম্পদ সৃষ্টিৰ বাবে মঞ্জুৰি | ১৪.৬৮ | ২১.৬১ | ৬.০৪ | ১৯.৪৬ |
| অ-পৰিকল্পিত ৰাজহ ব্যয় | ০.৬২ | ৮.৪৬ | ৭.৭৯ | ১২.৪০ |
| ৰাজসাহায্য | ১.৯৪ | ২.০১ | ০.০৮ | -০.৬১ |
| সমাজ সেৱা (শিক্ষা, স্বাস্থ্য ইত্যাদি) | ২.০৩ | -০.৪০ | -২.৪০ | ২০.১৭ |
| মুঠ মূলধনী ব্যয় | ৬.৩৯ | ১৮.৮০ | ১১.৬৬ | ১৪.৪১ |
| ৰাজহ প্ৰাপ্তি | ১.৯৪ | ১৫.৫৯ | ১৩.৪০ | ১৭.০৬ |
| মূলধন প্ৰাপ্তি | ১.৫২ | ৭.৮৩ | ৬.২২ | ৫.৬৬ |

**উৎস ঃ** ৱেবছাইটত প্ৰাপ্ত বাজেট ডাটাৰ পৰা নিৰ্ণিত।

তথা মূলধনৰ ব্যৱস্থা— বিশেষকৈ কম খৰচী ঘৰ আৰু মহানগৰৰ (স্মাৰ্ট চিটী) কাৰণে।

ঘৰুৱা সঞ্চয়ক উৎসাহিত কৰিবৰ কাৰণে বিনিয়োগৰ অৰ্থে অতিৰিক্ত বিত্ত ব্যৱস্থা। কৰ ৰেহাইৰ বাবে উপযুক্ত ৰাজহুৱা ভৱিষ্যনিধি সীমা বৃদ্ধি, সহজ ন' ইয়'ৰ কাষ্টমাৰ বিধি আৰু ছিঙ্গল অপাৰেটিং ডিমেট একাউন্ট-এ বিত্তীয় সঞ্চয় কাৰ্যক উৎসাহিত কৰিব। ৰিয়েল ইষ্টেট ইনভেষ্টমেণ্ট ট্ৰাষ্টৰ দৰে প্ৰতিষ্ঠানক অতিক্ৰম কৰিব পৰা কৰৰ মৰ্যাদা প্ৰদান কৰা হ'ব আৰু ঘৰুৱা পাইকাৰী ব্যৱস্থাত ৰাজহুৱা খণ্ডৰ বেংকৰ নিৰ্বিনিয়োজনে ঘৰুৱা বিষয়ক ইকুইটী বজাৰলৈ ঘূৰাই আনিব। দীৰ্ঘকালীন আন্তঃগাঁথনিত পুঁজি প্ৰদান কৰিবলৈ বেংকসমূহে সহজ পাব আৰু আনকি দীৰ্ঘকালীন পুঁজি বৃদ্ধি কৰিবলৈও অনুমতি লাভ কৰিব। এই ক্ষেত্ৰত নিম্নতম ষ্টেটিউট'ৰী লিকুইডিটী ৰেচিঅ', কেছ ৰিজাৰ্ভ ৰেচিঅ'ৰ প্ৰয়োজনীয়তাৰ সীমা হ্ৰাস কৰিব।

বৃহৎ কৰৰ বোজা বহন কৰা বেতনভোগী শ্ৰেণীৰ লোকসকলক কিছু ৰেহাই দিয়া হয় আৰু আনপিনে কিছু উদ্যোগে (নিৰ্দিষ্ট ধৰণৰ) আবকাৰী ৰেহাই পায়। এই ব্যৱস্থাই মুদ্ৰাস্ফীতিৰ পৰা কৰ স্খলনৰ হেতু প্ৰাপ্ত ক্ষতিপূৰণৰ বাহিৰেও উদ্যোগৰ

চাহিদা বৃদ্ধি কৰিব। অধিক বিকাশৰ গতি উজ্জীৱিত হোৱাৰ লগে লগে সঞ্চয় কৰ ঋণখিনি (ছেভিং টেক্স ক্রেডিট) কৰ বৃদ্ধিৰে উদ্যোগৰ পৰা আদায় কৰা উচিত।

খাদ্যৰ মুদ্ৰাস্ফীতি হ্ৰাস কৰাৰ ক্ষেত্রত কাৰ্য ব্যৱস্থা মজুত খাদ্য বিক্ৰীৰ ওপৰত নিৰ্ভৰশীল। এই ক্ষেত্রত বাজেটত এপিএমচি আইন সংশোধন কৰিবৰ কাৰণে ৰাজ্যসমূহৰ স'তে নিকটভাৱে কাম কৰাত গুৰুত্ব দিয়া হৈছে। লগতে কৃষি বিপণন অৱস্থাকো উন্নত কৰিবৰ অৰ্থে অন্যান্য পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। তেনে বিপণন ব্যৱস্থাৰ ভিতৰত আছে পণ্যাগাৰসমূহৰ উন্নতি সাধন কৰা আৰু ভাৰতীয় খাদ্য নিগমৰ পুনৰ গাঁথনি কৰা। কৃষিৰ ক্ষেত্রত হস্তক্ষেপ কৰা বিষয়বোৰৰ প্ৰতি সঠিকভাৱে আলোকপাত কৰা হৈছে। আন্তঃগাঁথনি উন্নত কৰাই হ'ল ইয়াৰ লক্ষ্য আৰু সেই আন্তঃগাঁথনিৰ ভিতৰত আছে জলসিঞ্চন, জলচ্ছেদ বিকাশ, বিদ্যুতৰ ক্ষেত্রত ফীডাৰ পৃথকীকৰণ ব্যৱস্থা, পথ আৰু গৃহ। এনৰেগাৰ কাৰণে আবণ্টন অব্যাহত ৰখা হ'ব আৰু সম্পদ সৃষ্টিৰ প্ৰতিও মন দিবলৈ ঠিক কৰা হৈছে। কৃষি ঋণ প্ৰদান সুবিধাৰ ব্যৱস্থা চলি থাকিব। গ্ৰাম্য শিল্পোদ্যমৰ বাবে এটা পুঁজিয়ে খাদ্য ভাণ্ডাৰ আৰু সংসাধনত সহায় কৰিব পাৰে।

যোৱা বছৰৰ জ্বলন্ত স্থিতিৰ নিৰ্বাপন ব্যৱস্থাই চলিত হিচাপ ঘাটি হ্ৰাস কৰে আৰু টকাটোৰ মূল্য শক্তিশালী কৰে; ঘৰুৱা বিত্তীয় সঞ্চয়ো বৃদ্ধি কৰে। ঘৰুৱা বজাৰবোৰলৈ গুৰুত্ব আনে। এইবোৰ হ'ল দেয়-ধনৰ ভাৰসাম্য বজাই ৰখাৰ দীৰ্ঘম্যাদী ব্যৱস্থা। যি ক্ষেত্রত ঘৰুৱা বিত্তীয় বজাৰবোৰত গুৰুত্ব আৰোপ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে, তেনে ক্ষেত্রত বিত্তমন্ত্ৰীয়ে বিদেশী ঋণৰ সোঁত আৰু উদাৰীকৰণ নকৰাটো ভাল হৈছে। ঘৰুৱা যোগানৰ ক্ষেত্রত থকা বাধাবোৰ আঁতৰ কৰাৰ পাছতহে এইটো কাম কৰা উচিত। ঘৰুৱা ব্যৱসায়ৰ পৰিৱেশ উন্নত কৰিবলৈ লোৱা সিদ্ধান্তই ৰপ্তানিক উৎসাহিত কৰিব। এটা ৰপ্তানি উৎসাহ প্ৰদান অভিযান প্ৰতিষ্ঠা কৰা হ'ব আৰু বিশেষ অৰ্থনৈতিক মণ্ডলকো উৎসাহিত কৰা হ'ব।

**বাধা-বিঘিনিৰ সমাধান**

আগৰ বাজেটবোৰত বিত্তীয় ব্যয়ৰ ক্ষেত্রত যি ব্যৱস্থা লোৱা হৈছিল সি বিভিন্ন খাদ্য-সম্ভাৰৰ বাবে চাহিদা বৃদ্ধি কৰিছিল, কিন্তু কৃষিৰ ক্ষেত্রত আৰোপ কৰা সীমাবদ্ধতাই যোগানৰ সমতা ৰক্ষা কৰাত বাধা দিছিল। দৈনন্দিন ব্যৱহাৰৰ অৰ্থে চৰকাৰে যি বৃহৎ পৰিমাণৰ চাহিদা সামগ্ৰী হস্তান্তৰ কৰিছিল সেইটোৱে মুদ্ৰাস্ফীতিত সংযোগ সাধন কৰিছিল। ইয়াৰ পৰা যি শিকনি লাভ কৰা হয় সেইটোৱে অৰ্থনীতিৰ বাধা-বিঘিনি অতিক্ৰম কৰাকৈ চৰকাৰৰ ব্যয় তথা যোগানৰ সহঁাৰি প্ৰদানৰ ক্ষেত্রত সীমাবদ্ধ ৰূপত মোকলাই দিয়া কাৰ্য বৰ কাৰ্যকৰী হ'ব পাৰে। সেয়ে বিত্তীয় সুদৃঢ়কৰণৰ গুণগত দিশ ব্যয়ৰাশি হ্ৰাস কৰাতকৈ অধিক গুৰুত্বপূৰ্ণ বিষয়। দ্বিতীয়তঃ ক্ষমতাৰ বিস্তৃতকৰণৰ স'তেহে হস্তান্তৰ কাৰ্য মিলাই কৰা উচিত।

দুটা কাৰণে ৰাজহুৱা বিনিয়োগ বৃদ্ধিত সীমাৱদ্ধতা আনি দিয়ে। প্ৰথমতঃ উপযুক্তভাৱে ব্যয় কৰিবলৈ পদ্ধতিটো ঠিক কৰোঁতে সময় লাগে— বিশেষকৈ যদিহে ব্যয়ৰ দিশটো পৰিৱৰ্তন কৰিব লাগে। দ্বিতীয়তঃ পুঁজিৰ বাধাই ৰাজহুৱা বিনিয়োগৰ বৃদ্ধিত অন্তৰায় সৃষ্টি কৰে— যদিহে অন্যান্য চৰকাৰী খৰচ-পাতিৰ পৰিমাণ কমি নাহে। বিনিয়োগৰ দিশত চৰকাৰৰ ব্যয় প্ৰণালীৰ পৰিৱৰ্তন সাধিবৰ বাবে বাজেটত যি প্ৰয়াস কৰা হয় সেয়া সীমিত অৱস্থাত থাকে; কিয়নো ৰাজহ ব্যয়ৰ ওপৰত তেনে ধৰণৰ অধিক হিচাপী ব্যৱস্থা নাই। কিছুমান কৰ ৰেহাইৰ ব্যৱস্থা আছে আৰু বিত্তীয় ঘাটিৰ লক্ষ্য বজাই ৰখা হয় (১নং তালিকা দ্ৰষ্টব্য)।

ৰাজসাহায্যসমূহ একে ধৰণৰ কৰা সন্দৰ্ভত অৱলোকন কৰা ব্যয় ব্যৱস্থাপনা আয়োগৰ প্ৰতিবেদন এতিয়া পোৱা হোৱা নাই; কিন্তু ইতিমধ্যে তেওঁলোকে তাৰ পৰিমাণ বৃদ্ধি কৰে। সাৰৰ ক্ষেত্রত ৰাজসাহায্য বৃদ্ধি কৰিব লগা হোৱা হেতুকেই তেনে কৰা হয়। ইয়াৰ মুঠ পৰিমাণ ২ শতাংশ জিডিপিত সীমিত কৰা হয়। কিন্তু তথাপি এতিয়াও উপযুক্তভাৱে পুঁজি প্ৰদান কৰা হোৱা নাই যেন লাগে। বাজেটৰ আনুমানিক বিত্তীয় ঘাটিৰ লক্ষ্য প্ৰাপ্ত কৰিবৰ বাবে অন্তৰ্বৰ্তীকালীন বাজেটে কিছুমান ব্যয়ৰ ক্ষেত্রত মান্তি হয়, ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰক বৃহৎ অংশৰ ডিভিডেণ্ড দিবলৈ জোৰ কৰে আৰু মূলধনী ব্যয় বহুখিনি কৰ্তন কৰে। তথাপি এনে কম অভিলাসী লক্ষ্যৰে বজাৰসমূহে কাম কৰিবলৈ সুখী হ'ব।

অৱশ্যে দীৰ্ঘকালীন বিত্তীয় সুদৃঢ়কৰণৰ প্ৰতি থকা দায়বদ্ধতা বেচ ইতিবাচক— বিশেষকৈ ভাৰতীয় প্ৰসঙ্গত— য'ত আমি চৰকাৰৰ অত্যধিক ব্যয়ৰ দ্বাৰা বহিঃঋণেৰে প্ৰলোভিত হৈছিলো তাৰ পৰা অলপতেহে উদ্ধাৰ পাইছো। কিন্তু কমদিনীয়া ব্যৱস্থাত লাগি থাকিলে সুদৃঢ়কৰণ ব্যৱস্থাক উন্নত কৰাৰ সুযোগ হেৰুৱাব পাৰে। বিত্তীয়

সুদৃঢ়কৰণৰ ক্ষেত্ৰত গুণগত দিশ আৰু নিষ্ঠাৰ বিষয়হে অধিক গুৰুত্বপূৰ্ণ। যোগান পক্ষৰ কাৰণসমূহে মুদ্ৰাস্ফীতিৰ গতি-বিধিত প্ৰভাৱ পেলায়। পিছে বিশ্বৰ ভিতৰত আমি সৰ্বাধিক নিবনুৱা যুৱকৰ অন্যতম দেশ হোৱাৰ বাবে তাৰ পৰা সকাহ পাবলৈ অধিকৰূপে কাম কৰিব লাগিব। বহু পাশ্চাত্যৰ দেশে কৰাৰ দৰে আমিও বিকাশৰ গতি আৰম্ভ কৰিব লাগিব।

বিকাশৰ ক্ষেত্ৰত কাৰ্যতঃ জয়-পৰাজয় খেলৰ দৰেই। কিন্তু এতিয়া এই প্ৰক্ৰিয়া ভালদৰে প্ৰতিষ্ঠিত। ঘৰুৱা আশাবাদ পুনৰুজ্জীৱিত হৈছে বাবেই এনে হৈছে। আন্তৰ্জাতিক দৃশ্যপটতো বিকাশক গতিয়ে ভূমিকা গ্ৰহণ কৰিছে। তেলৰ মূল্য নৰম হৈছে আৰু এটা শক্তিশালী টকা তথা ডিজেলৰ মূল্যৰ স্বয়ংক্ৰিয় বৃদ্ধিয়ে ৰাজসাহায্যৰ পৰিমাণ হ্ৰাস কৰিব। নিৰ্বিনিয়োজনৰ পৰা অধিক সম্পদ বৃদ্ধি কৰিব পাৰি। স্পন্দিত ঘৰুৱা ষ্টক মাৰ্কেটৰ বাবেই এনে হোৱাটো সম্ভৱ। অন্তৰ্বৰ্তীকালীন বাজেটৰ প্ৰক্ষেপিত আশাবাদী ৰাজহ প্ৰাপ্তিক ৰখা হয়, কিন্তু সেইবোৰৰ বহুতো সম্ভৱনাৰ দিশো আছে; কিয়নো সেয়া যোৱা বিত্তীয় বৰ্ষৰ ১৭.১ শতাংশৰো কিছু তলত আছে। তাৰ হাৰ হ'ল ১৫.৬ শতাংশ। এনে ধৰণৰ কামৰ বাবে কঠিন অৱস্থালৈ যোৱাটোৱেই অধিক ভাল। পিছে তাতো আশংকা নথকা নহয়। সেয়া হ'ল পুৰণি অনুৎপাদনমূলক কৌশলৰাজি, যেনে বিকাশক আঘাত কৰি লক্ষ্যত উপনীত হ'বলৈ বিনিয়োগৰ ক্ষেত্ৰত কৰ্তন কৰাটো। আৰু তেনে কৰ্তনে মুদ্ৰাস্ফীতি বৃদ্ধি কৰাৰেই সম্ভাৱনা অধিক।

দ্বিতীয় বিষয়টো হ'ল ক্ষমতা অনুযায়ী হস্তান্তৰ সীমিত কৰা। হস্তান্তৰকৰণৰ বাবে পৰিকাঠামো পুনৰ ডিজাইন কৰি তেনে ক্ষমতাৰ গাঁথনিয়ে এনে কাৰ্য সাধন কৰিব আৰু তাৰ লগতে সমান সা-সুবিধাও আগবঢ়াব। এখন স্থায়ী চৰকাৰৰ নিজ ম্যাদ কালৰ আৰম্ভণিতে উৎপাদনশীলতাৰ দিশৰ পিনে যাবলৈ খৰতকীয়াভাৱে কাম কৰাৰ অধিক স্বাধীনতা থাকে। যথাযথ অৱস্থাৰ পৰা ফালৰি কাটি যোৱাৰ আশংকা থাকিলেও তাক গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিলে নিৰ্বাচনত প্ৰাপ্ত কৰা জনাদেশক ভীষণভাৱে ভুল বুজাটোহে হ'ব।

### সৰ্বাত্মক দিশৰ সক্ৰিয়তা

ভোটদাতাসকলে ভাল জনসেৱা বিচাৰে। সেইবোৰ হ'ল আন্তঃগাঁথনি, পানী, অনাময়, স্বাস্থ্য আৰু শিক্ষা। এইবোৰে কাম-কাজৰ সুবিধা আগবঢ়ায়। ৰাজনৈতিক পদ্ধতিৰ পণ্ডিতসকলৰ মতে এনেবোৰ সেৱাৰ বহুল প্ৰাপ্তিৰ নিশ্চিতকৰণ হ'ল গণতন্ত্ৰই সমৃদ্ধি সাধন পৰিৱেশ সৃষ্টি কৰাৰ পথ। ভাৰতৰ মিশ্ৰিত জনসাধাৰণ আৰু ভোটবেংকে এখন মঞ্চৰ যোগান ধৰে আৰু সেই মঞ্চত দৃঢ়ভাৱে থিয় হোৱাসকলেই এতিয়া কাম চলাইছে।

গণ মাধ্যমে সজাগতা সৃষ্টি কৰা ক্ৰমে এচাম মধ্যবিত্ত শ্ৰেণীৰ লোকে গা কৰি উঠে। গ্ৰামাঞ্চলৰ চহৰমুখী প্ৰব্ৰজনে বৃহৎ সংখ্যক নতুন মধ্যবিত্ত শ্ৰেণীৰ লোক সৃষ্টি কৰে আৰু দেশখনৰ জনগাঁথনিত যুৱকৰ অংশ বৃদ্ধি পায়। এই সকলো শ্ৰেণীৰ লোকেই পূৰ্বৰ তুলনাত ভাল কৰ্ম পৰিৱেশ লাভ কৰে। আনকি কম উপাৰ্জনৰ শ্ৰেণীৰ লোকেও লাভৱান হোৱাৰ উপযোগী হয়, কিয়নো মোটা অংকৰ দৰমহাৰ চাকৰি কৰিবলৈ পোৱা যায়।

পূৰ্বৰ সৰ্বাত্মক দিশৰ বিকাশ মন্ত্ৰৰ তুলনাত নতুন মন্ত্ৰ "সৰ্বাত্মক সক্ৰিয়তা" হোৱা উচিত। বৰ্দ্ধিত উৎপাদন আৰু চাকৰিৰ জৰিয়তে এনে হোৱা দৰকাৰ। কেৱল দুখীয়া লোকৰ বাবে শিক্ষা আৰু পৰিপুষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেনেবোৰ কাম পোনপটীয়াকৈ সাধন কৰিব লাগে। তদুপৰি ভাল অনাময় ব্যৱস্থা আৰু জলৰাশিৰ জৰিয়তে উৎপাদনশীল শক্তি বৃদ্ধি কৰি দৰিদ্ৰতা ৰোধৰ অতি উপযুক্ত আঁচনিৰূপে গণ্য কৰা প্ৰয়োজন।

আন্তঃগাঁথনি, বাসগৃহ আৰু জল— এই তিনিটা দিশৰ প্ৰতি গুৰুত্ব দিয়াৰ কথা বোধগম্য হৈছে। ই বহু নাগৰিকৰ বাবে জীৱন ধাৰণ ভালেখিনি সহজ কৰি তুলিব। ২নং তালিকাৰ প্ৰথম আৰু দ্বিতীয় কলমত বাসগৃহ আৰু জলসিঞ্চনৰ বাবে ব্যয় পৰিমাণ ভালেখিনি বৃদ্ধি হোৱা দেখুৱাইছে।

### খণ্ডসমূহ

এ গোৱেলে খৰচ-পাতি হিচাপী কৰা সন্দৰ্ভত সমাধানৰ বিষয়ে যুক্তি দৰ্শায়। তথাপি এইটো কোৱা সমীচিন যে বৰ্দ্ধিত বিকাশৰ গতি-প্ৰকৃতিলৈ চাই চৰকাৰী আঁচনিবোৰ পুনৰ গাঁথনি কৰিব লাগে যাতে সেইবোৰে মানৰ ক্ষমতাৰ গঢ়-গঠনকে ধৰি বহল পৰিৱেশ সংযোজন কৰিব পাৰে। দ্বিতীয়তঃ ব্যয় কৰা প্ৰতিটো টকালৈ চাই বিকাশ আৰু নিয়োগৰ ক্ষেত্ৰত থকা বাধাসমূহৰ উপশম ঘটাবলৈ সাৱধানেৰে ব্যয় সাধন কৰাৰ লক্ষ্য গ্ৰহণ কৰিব লাগে। ইয়াৰ বাবে প্ৰয়োজন খণ্ডসমূহৰ ব্যয়ৰ ক্ষেত্ৰত ধনৰ পুনৰ আবণ্টন কৰা।

আন্তঃগাঁথনি খণ্ডসমূহত আবণ্টন-ৰাশি তুলনামূলকভাৱে ওপৰলৈ আৰু সামাজিক খণ্ড তথা মন্ত্ৰালয়সমূহত তললৈ গতি কৰা চিহ্ন পৰিস্ফূট হয় (২নং তালিকা দ্ৰষ্টব্য)। কিন্তু এইবোৰ

তালিকা-২ ঃ **কেন্দ্ৰীয় পৰিকল্পনা আৰু খণ্ড স্তৰৰ আবণ্টন** (শতাংশ বৃদ্ধি)

| | পুনৰ গাঁথনি | প্ৰত্যাশিত প্ৰভাৱঃ আনুমানিক বাজেট | প্ৰত্যাশিত প্ৰভাৱ ঃ অন্তৰ্বৰ্তী আনুমানিক বাজেট | সম্ভাৱনীয়তা |
|---|---|---|---|---|
| | অন্তৰ্বৰ্তী আনুমানিক বাজেটৰ ওপৰত বাজেট হিচাপ | পুনৰ বৰ্দ্ধিত বাজেটতকৈ বৃদ্ধি আনুমানিক বাজেট | | প্ৰকৃত ২০১২-১৩ বৰ্ষতকৈ পূৰ্বৰ পুনৰ বৰ্দ্ধিত আনুমানিক হিচাপ |
| | ১ | ২ | ৩ | ৪ |
| কেন্দ্ৰৰ পৰিকল্পনা আবণ্টন | ৪.২২ | -২১.১০ | -২৪.২৯ | ২৩.২০ |
| বহিঃ বাজেট | -০.০৯ | -৩.৭৬ | -৩.৬৭ | ৩২.৯৮ |
| বাজেট সমৰ্থন | ৯.১৫ | -৩৩.৬৩ | -৩৯.২০ | ১৬.৯৮ |
| **খণ্ডসমূহ** | | | | |
| কৃষি | ১৫.৪৬ | -৩৪.৩২ | -৪৩.১২ | ৩.০৯ |
| গ্ৰাম্য বিকাশ | ৬.২০ | -৯৩.৯১ | -৯৪.২৭ | ১৩.৯৪ |
| জলসিঞ্চন | ২৪.৪৫ | ২৮৭.২৮ | ২১১.২১ | ৫.৬৯ |
| শক্তি | ১.৭৪ | -৬.৯৯ | -৮.৫৮ | ৩৫.২৯ |
| উদ্যোগ আৰু খনিজ | ৪.১৬ | ১১.১৮ | ৬.৭৪ | ৮.৯৩ |
| পৰিবহণ | ৪.৬৬ | ৬.৫৮ | ১.৮৪ | ২০.৪৫ |
| যোগাযোগ | -০.০৮ | ৩৯.৩৯ | ৩৯.৫০ | ৪৮.৪০ |
| বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ | ৭.৮৮ | ৩৮.৪৩ | ২৮.৩২ | ১২.৬৭ |
| **মন্ত্ৰণালয়সমূহ** | | | | |
| সমাজ সেৱা | ৫.৭৩ | -৫১.৬৯ | -৫৪.৩১ | ২০.৪৯ |
| মানৱ সম্পদ বিকাশ | ৫.৩৩ | -৭১.৪৩ | -৭২.৮৮ | ১১.৪০ |
| স্বাস্থ্য | ৯.০৬ | -৬৭.৫৮ | -৭৩.২৭ | ১১.৭১ |
| খোৱাপানী আৰু অনাময় | ০.০০ | -৯৮.০৮ | -৯৮.০৮ | -৭.৪৩ |
| স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ৯.০৬ | -৬৭.৫৮ | -৭০.২৭ | ১১.৭১ |
| বাসগৃহ আৰু চহৰৰ দৰিদ্ৰতা উপশম | ০.০০ | ৭৭.৬৩ | ৭৭.৬৩ | ৩৩.২৯ |
| মানৱ সম্পদ বিকাশ | ৫.৩৩ | -৭১.৪৩ | -৭২.৮৮ | ১১.৪০ |
| স্কুলীয়া শিক্ষা তথা সাক্ষৰতা বিভাগ | ৭.০২ | -৯৩.৭০ | -৯৪.১১ | ১০.৩০ |
| উচ্চ শিক্ষা বিভাগ | ৫.০০ | -০.০২ | -৪.৭৮ | ১৫.৬৭ |
| শ্ৰম আৰু নিয়োগ | ২২.৮৭ | -৫৩.২২ | -৬১.৯৩ | -০.২৩ |
| জল সম্পদ | ৮৫.৪৩ | ৩৬৩.৫৭ | ১৫০.০০ | ৩৬.৪৫ |
| মহিলা আৰু শিশু বিকাশ | ১১.২৫ | -৯৪.৫৭ | -৯৫.১২ | ৭.৩৬ |

**উৎস ঃ** প্ৰাপ্ত বাজেট পৰিসংখ্যাৰ পৰা নিৰ্ণিত।

ঘাইকৈ অন্তৰ্ৱৰ্তী বাজেটত কৰা হৈছিল আৰু বৰ্তমানৰ বাজেটে পৰিৱৰ্তনৰ গতি অব্যাহত ৰাখে। বোধহয় আগৰ চৰকাৰখনে এই আৱণ্টনৰাশিয়ে অৰ্থনীতিত চাপ পেলোৱাটো উপলব্ধি কৰিব পাৰিছিল অথবা এইবোৰ কৰ্তন কৰিবলৈ সহজ বুলি ভাবিছিল কিম্বা সেই মন্ত্ৰণালয়বোৰত ব্যয় কৰাৰ ক্ষমতাৰ অভাৱ বুলি ধৰি লৈছিল। কিন্তু চতুৰ্থ কলম এইটো দেখুওৱা হৈছে যে মন্ত্ৰালয়বোৰে পূৰ্বতেই অনেক ধনৰাশি ব্যয় কৰে।

আমোলাতান্ত্ৰিক পদ্ধতিয়ে খৰতকীয়াকৈ বিস্তৃত পৰিৱৰ্তন সাধন কৰা মস্কিল কৰি তোলে। কিন্তু বৰ্তমানৰ চৰকাৰখনে সামাজিক খণ্ডৰ বাবে প্ৰকৃততেই আবণ্টনৰাশি বৃদ্ধি কৰিছে। এই কাম ৰাজহ ব্যয়ৰ অধীনত অহা মূলধনী পুঁজি গঠনৰ বাবে মঞ্জুৰিৰ ক্ষেত্ৰত অধিক বিকাশ গতি সঞ্চাৰকৰণেৰে কৰিছে (১নং তালিকা দ্ৰষ্টব্য) আৰু লগতে শ্ৰমিক উন্মেষ খণ্ডসমূহৰ বাবে আবণ্টনৰাশি বৃদ্ধি কৰিছে। তেনে খণ্ডবোৰৰ ভিতৰত উল্লেখনীয় হ'ল বস্ত্ৰ, পৰ্যটন আৰু নিৰ্মাণ খণ্ড।

ৰূপায়ণ কৰাটোও এক ধৰণৰ মূল কথা হ'ব আৰু আশা কৰা হৈছে যে এই কাৰ্য বৰ্তমান চৰকাৰৰ সন্তোষৰ বিষয় হ'ব। কিন্তু তাক নিশ্চিতভাৱে ল'ব নোৱাৰি। পৰিকল্পিত কেন্দ্ৰীয় আঁচনিৰ আবণ্টনৰাশিৰ উপলব্ধিকৰণত যি তাৰতম্য ঘটে তাৰ আধাৰত যুগুতোৱা সূচাংকত তেতিয়াৰ চৰকাৰবোৰৰ স্থান দেখুওৱা হৈছিল; আৰু সেই হিচাপত কংগ্ৰেছ শ্ৰেষ্ঠ আছিল (-০.৬)। তাৰ পাছত আহি পৰিছিল ইউ পি এ-১ চৰকাৰ (-৩)। এন ডি এ আছিল তৃতীয় স্থানত (-৭.১)। পিছে ইউ পি এ-২ চৰকাৰখনে অধিক বেয়া কৰিছিল (-৯.৯৭)। এতিয়া অতীতৰ কাৰ্যাৱলী ভংগ কৰিবৰ বাবে প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব আৰু যি আশ্বাস দিয়া হৈছে তাক ৰাখিবলৈও তৎপৰতা দেখুৱাব লাগিব।

**পদ্ধতিগত উৎসাহ-উদগনি**

এইবোৰ কাৰ্য সমৰ্থবান কৰি তুলিবলৈ খৰতকীয়া সিদ্ধান্ত নিৰ্ণয় পদ্ধতিৰ প্ৰয়োজন আছে। অচল প্ৰশাসনীয় গাঁথনিয়ে বিলম্ব হোৱাৰ পথ প্ৰশস্ত কৰে। এইটো ২০০৯ চনত স্পষ্ট হৈ উঠিছিল। তেতিয়া কাৰ্য সাধন কৰিব নোৱাৰা বেংকৰ ঋণ বৃদ্ধি পাইছিল, কিয়নো আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কাম বিলম্ব হৈছিল। ইয়াৰ অন্তৰালত বৃহৎ দুৰ্নীতি জড়িত আছিল। এই কথা কেগৰ প্ৰতিবেদনত ধৰা পৰিছিল। কমনৱেল্থ গেমছৰ প্ৰস্তুতিয়ে তাক ২০১০ চনত পৰিস্ফুট কৰিছিল। কাজেই যেতিয়া দুৰ্নীতি আৰু কেন্দ্ৰীয় তদন্ত সংস্থাৰ (চি বি আই) অনুসন্ধান কাৰ্যই বিলম্বৰ সৃষ্টি কৰে সেইবোৰ চৰকাৰ অচল অৱস্থাত আহি পৰাৰ ডাঙৰ কাৰণ নহয়। কিন্তু এই বিষয়টো বাজেটত সমাধান কৰা হোৱা নাই।

বৰ্তমানৰ চৰকাৰখনত যদিও মন্ত্ৰীৰ সংখ্যা পূৰ্বৰ চৰকাৰৰ তুলনাত কমোৱা হৈছে, তথাপি বাজেট আবণ্টনৰাশি এতিয়াও ৪৯টা মন্ত্ৰণালয়ৰ কাৰণে কৰা হৈছে। ইউ পি এ চৰকাৰৰ কালত এনে মন্ত্ৰণালয়ৰ সংখ্যা আছিল ৫০টা। খৰচ বচাবৰ কাৰণে আঁচনি আৰু মন্ত্ৰণালয়-সমূহৰ সমতা ৰাখিবলৈ কোনো ধৰণৰ বিশেষ প্ৰয়াস পৰিলক্ষিত হোৱা নাই। ইয়াৰ পৰিৱৰ্তে সামান্য ধৰণৰ প্ৰাৰম্ভিক মূলধনেৰে বহুতো নতুন আঁচনি ঘোষণা কৰা হৈছে। বিত্তমন্ত্ৰীয়ে অৱশ্যে উপযুক্তভাৱে ব্যয় সাধনৰ ক্ষেত্ৰত চৰকাৰৰ অসমৰ্থতাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাৰম্ভিক আবণ্টনত নিৰ্দিষ্টভাৱে কামত আগবাঢ়িছে। ভালদৰে কামত ব্যৱহাৰ কৰাৰ সামৰ্থ্য থকাসকলৰ প্ৰতি অধিক আবণ্টনেৰে উৎসাহিত কৰাত গুৰুত্ব দিছে। কিন্তু প্ৰতিষ্ঠানগত পৰিৱৰ্তন সাধন কৰা কামত সমৰ্থন যোগাবৰ কাৰণে ৰূপায়ণৰ নিশ্চয়তা কৰাটো আৱশ্যক। আৰু তেনে ৰূপায়ণৰ বাবেই প্ৰশাসন কাৰ্যৰ উন্নতি সাধনৰ অৰ্থে নতুন প্ৰযুক্তিক গুৰুত্ব দিয়া হ'ব।

অৰ্থহীন বা অমূলক উদগনি ব্যৱস্থাই ভাৰতীয় জনসেৱাৰ গুণগত দিশত আঘাত হানে। উদাহৰণ স্বৰূপে ক'বলৈ গ'লে যিমান ৰাজসাহায্য দিয়া হয় তাৰ অধিক ভাগেই সঠিকভাৱে কামত খটুওৱা নহয়, বৰং সমস্যাৰহে সৃষ্টি হয়। আবণ্টনৰ প্ৰকৃত উদ্দেশ্যৰ সলনি বিপথ-গামী হোৱাৰ উপক্ৰম কৰে। নিম্নতম সমৰ্থন মূল্য আৰু যিবোৰ ৰাজসাহায্য খাদ্য-শস্যৰ ওপৰত আলোকপাত কৰা হয় সেইটোৱে চাহিদাৰ স'তে ভাৰসাম্য ৰাখিবলৈ প্ৰকৃত উৎপাদনৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা নোযোগায়। বৰং উৎপাদনৰ গতিধাৰা শাক-পাচলি আৰু প্ৰ'টিনজাতীয় সামগ্ৰীৰ দিশৰ পিনে পৰিৱৰ্তন হৈছে। ইন্ধন তেলৰ ৰাজ-সাহায্যই শক্তি সঞ্চয়ৰ বিকল্প ব্যৱস্থাক বাধা দিয়ে। ডিজেল আৰু কেৰাচিনৰ দৰে ইন্ধনত 'ক্ৰছ ছাবছিডাইজেচন' ব্যৱস্থাই প্ৰদূষণ আৰু দুৰ্নীতিৰ সৃষ্টি কৰে। সামাজিক ক্ষেত্ৰত দীৰ্ঘ কালৰ পাছত ভীষণ ধৰণৰ প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে এইক্ষেত্ৰত পাঞ্জাৱত দেখা দিয়া বৰ্দ্ধিত কেঞ্চাৰৰ ঘটনাৱলীলৈ আঙুলিয়াব পাৰি। ৰাজসাহায্যসমূহ একে ধৰণৰ কৰিবৰ বাবে প্ৰয়োজন প্ৰত্যক্ষ উপাৰ্জন হস্তান্তৰকৰণ কাৰ্যক বৰ্দ্ধিতভাৱে ব্যৱহাৰ কৰাটো।

অধিক লেন-দেনৰ খৰচ হ্ৰাস কৰাৰ প্ৰয়াস ইয়াত পৰিস্ফূট— বিশেষকৈ কৰ গাঁথনি আৰু প্ৰশাসন এলেকাত। তেনেদৰে অনুৎপাদনমূলক বিতৰ্কিত ব্যৱস্থাৰ সম্ভাৱনীয়তাকো গুৰুত্ব নিদিবলৈ বিচৰা হৈছে। স্বচ্ছতা আৰু সৰলীকৰণৰ প্ৰতি দায়বদ্ধতা আছে আৰু ওজৰ-আপত্তি শুনা তথা প্ৰয়োজন সাপেক্ষে বিষয় বিশেষৰ সংশোধন কৰাৰ প্ৰতি আগ্ৰহ আছে। কৰ সম্বন্ধীয় মোকৰ্দমা, অনিশ্চয়তা স্থিতি আদি বিষয়বোৰৰ উপশম ঘটাবলৈ ন্যায়িক আৰু প্ৰশাসনীয় পৰিৱৰ্তনৰ প্ৰতি সচেষ্ট; আৰু তেনেদৰে আবাসিক কৰদাতাসকলেও কৰ সম্বন্ধীয় সিদ্ধান্ত আগতীয়াকৈ পাব পাৰে। উদ্যোগৰ স'তে নিয়মীয়াকৈ আলোচনা কৰিবৰ বাবে এখন উচ্চস্তৰীয় কমিটী গঠন কৰা হ'ব আৰু আপত্তি দৰ্শোৱা বিষয়বোৰৰ প্ৰত্যুত্তৰ দিব। মূলধন লাভ সংক্ৰান্তীয় মিউচুৱেল ফাণ্ডৰ উপাৰ্জনৰাশিত আয়কৰ আৰোপ কৰা নহয়, কিন্তু পুঁজি অৱস্থানৰ বিতৰ্কিত বিষয়ৰ বাবে উদগনি ব্যৱস্থা আঁতৰাই দিয়া হ'ব।

কৰ ৰাজহৰ ক্ষেত্ৰত বৃদ্ধি হোৱা সৰহখিনি ধন সেৱাসমূহৰ কৰ আধাৰৰ বৃদ্ধিৰ পৰাই আহে। ভাৰতৰ বৃহৎ জনসংখ্যাৰ আকাৰলৈ চাই কম হাৰ আৰু বহল আধাৰৰ দৰ্শন ৰজিতা খায় আৰু সুস্থ পৰিৱেশৰ আৱশ্যকতা পূৰণ কৰে। অৱশ্যে ভাৰতৰ কোটিপতি শ্ৰেণীৰ লোকে দেশখনৰ বিকাশৰ বাবে অধিক বৰঙণি যোগোৱাত কোনো বাধা নাই। চলিত অস্থায়ী উপ-কৰ সম্পত্তিশালীসকলৰ ওপৰত আৰোপ কৰা ব্যৱস্থাক উচ্চ অৱস্থাসম্পন্ন সকললৈ পৰ্যবসিত কৰা উচিত আৰু তাক স্থায়ী কৰা প্ৰয়োজন। প্ৰযুক্তি, টি আই এন-ৰ ডাটা আধাৰিত তথ্য আৰু জিএছটি-ৰ জৰিয়তে নিৰন্তৰ কৰ আৰোপৰ বিষয়বোৰে ভাৰতৰ নিম্ন কৰ আধাৰ বিস্তৃত কৰাত সহায় কৰিব পাৰে। চীনৰ ২০ শতাংশৰ তুলনাত ভাৰতীয় লোকৰ ৩ শতাংশইহে কৰ দিয়ে। কাজেই ইয়াৰ সম্ভাৱনা প্ৰচুৰ আছে।

**সামৰণি**

যদিও চল-চাতুৰিৰ ব্যৱস্থাসমূহ কৌশলাত্মক দিশৰ স'তে মিলে তথাপি এই সমতাৰ গতি এতিয়াও সীমিত হৈ আছে; কিয়নো ভিন ভিন বিষয় আৰু কাৰ্যপন্থা ভালদৰে সমন্বিত কৰি সেইবোৰে একেলগে লগ লাগি কেনেদৰে কাম কৰিব সেই বিষয়ে সঠিক ৰূপত দাঙি ধৰিবলৈ বাকী আছে। এয়া দুৰ্ভাগ্যজনক, কিয়নো বিভিন্ন ধৰণৰ বিনিয়োগৰ মাত্ৰা বৃদ্ধি কৰিবৰ বাবে ল'ব লগা ব্যৱস্থাই বিকাশৰ গতি বৃদ্ধি কৰিব আৰু চাকৰিৰ সা-সুবিধাও বঢ়াব। তেনেদৰে সেই বিনিয়োগ কাৰ্যত বিত্তৰ পৰিমাণ উন্নত বিকাশ আৰু নিয়োগৰ ক্ষেত্ৰক আৰু সবল কৰি তুলিব। তদুপৰি নিয়োগ উন্মেষ খণ্ড, আন্তঃগাঁথনি, বাসগৃহ, কৃষি বিপণন আৰু শস্যৰ চাল-চলনৰ ওপৰত কৰা আলোকপাতে স্থিতি আৰু দৃঢ় কৰিব। ৰাজহুৱা ব্যয় আৰু সেৱাৰ গঢ়-গঠন তথা উদগনিৰ ক্ষেত্ৰতো সামান্য আৰম্ভণি পৰিলক্ষিত হয়। বিকাশৰ গতিত বৰঙণি যোগোৱাৰ বাহিৰেও এইবোৰে সম স্থিতি প্ৰদানৰ ক্ষেত্ৰত সহায় কৰিব; আৰু তেনে ব্যৱস্থাই অৰ্থনীতিক বাধা জন্মাবলৈ নিদিব। চৰকাৰী ব্যয়ৰ গঠন প্ৰণালীয়ে অধিক খৰচৰ পিনে ঢাল খুৱায় আৰু সেই ব্যৱস্থাই পূৰ্বতে মুদ্ৰাস্ফীতি বৃদ্ধি কৰিছিল।

কিন্তু বাজেট ভাষণে এনেবোৰ কাহিনী পৰিষ্কাৰকৈ কোৱা নাই; তাৰ পৰিবৰ্তে পূৰ্বৰ কালছোৱাৰ ধাৰাকে বজাই ৰাখি আৰু তাৰ আঁতৰত থাকি প্ৰত্যেকৰ বাবে নিজস্বভাৱে ভাবিবলৈ সমল আগবঢ়াইছে। পিছে তাক নিৰ্দিষ্টভাৱে বেকত কৰাৰ অপাৰগতাই বুজি উঠাৰ ক্ষেত্ৰতো অপাৰগতাকে সূচাব পাৰে। এয়া হ'ল বিপজ্জনক কথা, কিয়নো ৰাজনীতিয়ে সাধাৰণতেই পৰিৱৰ্তন সাধানৰ প্ৰকৃত সুযোগ হেৰুৱাই দিয়াব পাৰে। সেয়ে একোটা সচেতন প্ৰক্ৰিয়া সদায়েই ভালদৰে ৰূপায়িত কৰা যায়। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# ২০১৪ বৰ্ষৰ জুলাইৰ কেন্দ্ৰীয় বাজেট ঃ এক অৱলোকন

**চৰণ সিং***
**সাৰদা ছিম্পী***


**পটভূমি**

২০১৪ চনৰ জুলাইৰ কেন্দ্ৰীয় বাজেট এক কঠিন অৰ্থনৈতিক পৰিস্থিতিৰ পটভূমিত তৈয়াৰ কৰা হয়। গোলকীয় স্তৰত অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ গতি খৰতকীয়া নহয় আৰু বিত্তীয় বজাৰৰ স্থিতিও স্থিৰ নহয়। ই চি বি-য়ে অলপতে নেতিবাচক সুতৰ হাৰ ঘোষণা কৰে আৰু আমেৰিকাই নিজ আঁচনিৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। বিকশিত দেশসমূহৰ দৃশ্যপট হতাশাজনক। ব্ৰিক্‌ছ দেশসমূহে বিকাশৰ ক্ষেত্ৰত স্থিৰ গতিধাৰা অনুসৰণ কৰা নাই। প্ৰাৰম্ভিক বছৰকেইটাত গোলকীয় অৰ্থনৈতিক সংকটৰ পৰা তুলনামূলকভাৱে হাত সাৰি থকা দেশসমূহৰ ভিতৰত ভাৰত অন্যতম আছিল; কিন্তু ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষত অৰ্থনীতিৰ বৃদ্ধিৰ হাৰ ৫ শতাংশ স্তৰলৈ পৰি আহে। বিকাশৰ এই নিম্ন গতিধাৰা অৰ্থনীতিৰ সকলো খণ্ডতে দেখা যায়। সেই খণ্ডকেইটা হ'ল— কৃষি, উদ্যোগ আৰু সেৱা। ইয়াৰ নিৰাশাজনক বিকাশ গতিৰ লগে লগে মুদ্ৰাস্ফীতি ক্ৰমান্বয়ে বাঢ়ি যায়। পিছে সমুদায় বিক্ৰী মূল্য সূচ্যাংকৰ পৰিমাপত ২০১৩-১৪ বৰ্ষত গড় হিচাপে মুদ্ৰাস্ফীতি হাৰ ৬ শতাংশলৈ পৰি আহিলেও সন্তোষজনক স্তৰৰ ওপৰত থকা বুলি ক'ব পাৰি। অৱশ্যে অধিক খাদ্য মুদ্ৰাস্ফীতি হোৱা বিষয়টো এতিয়া উদ্বেগৰ কাৰণ হৈ আছে। আনপিনে কিছু নীতি ব্যৱস্থা বলবৎ ক্ৰমে সোণৰ আমদানি ৰোধকৰণত প্ৰভাৱ পৰে আৰু ফলস্বৰূপে টকাটোৰ মূল্যমান পৰি অহা হেতু ভাৰতৰ ৰপ্তানিক উৎসাহিত কৰাত সহায় কৰিছে। এয়া ২০১৩-১৪ বৰ্ষৰ এটা উল্লেখনীয় বিষয়। সেই প্ৰভাৱৰ ফলতেই বৰ্তমান পুঁজিৰ হিচাপ ঘাটি ২০১২-১৩ বৰ্ষৰ ৪.৭ শতাংশ জিডিপি-ৰ পৰা সাৰ পাই ২০১৩-১৪ বৰ্ষত ১.৭ শতাংশত স্থিত হয় (১নং গ্ৰাফিক চিত্ৰত দ্ৰষ্টব্য)।

**বিত্তীয় গতি নিৰ্দ্ধাৰক**

নতুন এন ডি এ চৰকাৰৰ নীতি বিষয়ক স্থিতিৰ মূল উদ্দেশ্য ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত প্ৰতিবিম্বিত হৈছে। সেয়া হ'ল কম পৰিসৰৰ চৰকাৰ আৰু সৰ্বাধিক প্ৰশাসন। উক্ত পটভূমিলৈ চাই যোৱা জুলাই মাহৰ বাজেটত যি প্ৰয়াস কৰিবলৈ লোৱা হৈছে সেয়া হ'ল ঘাটিসমূহক ধৰি ৰখা আৰু অধিক ঋণৰ দিশটোক আকোৱালি নোলোৱা। এয়া বাস্তৱিকতেই প্ৰশংসনীয় বিষয় (১নং তালিকা দ্ৰষ্টব্য)। বাজেটৰ লক্ষ্য হ'ল পৰৱৰ্তী ৩-৪ বছৰ কালত নিৰন্তৰ বিকাশ হাৰ ৭ৰ পৰা ৮ শতাংশ লাভ কৰা আৰু লগতে নিয়ন্ত্ৰণসূচক পুঁজিৰ ঘাটিৰ ভিতৰত নিজকে স্থিত কৰা তথা বিত্তীয়

১নং গ্ৰাফিক চিত্ৰ ঃ **চলিত হিচাপ ঘাটি (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হাৰত)**




**উৎস ঃ** ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া

*লেখকদ্বয় বেংগালুৰুৰ আই আই এম-ৰ ইকন'মিকছ আৰু ৰিছাৰ্চ এছ'চিয়েটৰ আৰ বি আই চেয়াৰ প্ৰফেছাৰ

ঘাটি হ্ৰাস কৰি মুদ্ৰাস্ফীতিৰ নিম্ন স্তৰত খোজ পেলোৱা। বিত্তীয় সুদৃঢ়কৰণৰ বাবে পৰিকল্পিত লক্ষ্য হ'ল ২০১৫-১৬ বৰ্ষৰ ভিতৰত বিত্তীয় ঘাটিক ৩.৬ শতাংশলৈ নমাই অনা তথা ২০১৬-১৭ চনৰ কালছোৱাত এই ঘাটি ৩ শতাংশত স্থিত কৰা।

শক্তিশালী ভেটি সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেনেদৰে বিভিন্ন উপায়েৰে নিয়োগ সঞ্চাৰ আৰু সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ প্ৰতিও গুৰুত্ব দিছে। ভাৰতত বৃহৎ সংখ্যক লোকে জীৱিকা নিৰ্বাহৰ বাবে— বিশেষকৈ গ্ৰামাঞ্চলত— কৃষিৰ ওপৰত

১নং তালিকা ঃ **জিডিপিৰ শতাংশ হিচাপত ঘাটি**

| বৰ্ষ | পুনৰবৰ্দ্ধিত ঘাটি | মুঠ বিত্তীয় ঘাটি | ঘাটি |
|---|---|---|---|
| ১৯৮০-৮১ | ১.৪ | ৫.৭ | ৩.৯ |
| ১৯৯০-৯১ | ৩.৩ | ৭.৮ | ৪.১ |
| ২০০০-০১ | ৪.১ | ৫.৭ | ০.৯ |
| ২০১০-১১ | ৩.৩ | ৪.৯ | ১.৮ |
| ২০১২-১৩ | ৩.৬ | ৪.৯ | ১.৮ |
| ২০১৩-১৪ (পুনৰবৰ্দ্ধিত হিচাপ) | ৩.৩ | ৪.৬ | ১.৩ |
| ২০১৪-১৫ (পুনৰবৰ্দ্ধিত হিচাপ) | ৩.০ | ৪.১ | ০.৮ |

**উৎস ঃ** ৰিজাৰ্ভ বেংক আৰু কেন্দ্ৰীয় বাজেট

অৰ্থনীতিৰ লেহেমীয়া গতিয়ে ২০১৩-১৪ বৰ্ষত কৰৰ দিশৰ পৰা ৰাজহত প্ৰভাৱ পেলায়; কিন্তু ই পুনৰুদ্ধাৰ গতি লাভ কৰাৰ লগে লগে চলিত বৰ্ষত কিছু ইতিবাচক বিকাশ আশা কৰা যায় (২নং তালিকা দ্ৰষ্টব্য)। ব্যয় শিতানৰ ক্ষেত্ৰত প্ৰতিৰক্ষাৰ আবণ্টনৰাশি একেদৰে থাকে আৰু মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হাৰ হিচাপে সুত আদায়ৰ পৰিমাণ হ্ৰাস পাব বুলি ধৰা হয়; কিন্তু ৰাজসাহায্যৰ ক্ষেত্ৰত ই বাঢ়ি যাব। তাৰ ঘাই কাৰণ হ'ল খাদ্যৰ বাবে প্ৰদান কৰা ৰাজসাহায্য (৩নং তালিকা দ্ৰষ্টব্য)।

**নিৰ্দিষ্ট বিষয়ৰ নীতি ঘোষণা**

কেন্দ্ৰীয় বাজেটে কৃষি আৰু আন্তঃগাঁথনিৰ বিকাশ সাধনৰ অৰ্থে নিৰ্ভৰ কৰে; আৰু সেই কথালৈ লক্ষ্য ৰাখি কৃষিক প্ৰতিযোগিতামূলক তথা লাভজনক কাম কৰি তুলিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ অৰ্থে বাজেটত গুৰুত্ব আৰোপ কৰা হৈছে। তাৰ ইঙ্গিতসূচক কাৰ্যৰূপে এইকেইটা বিষয় উল্লেখ কৰিব পাৰি— কিষাণ টেলিভিছনৰ ব্যৱস্থা, পণ্যাগাৰ আন্তঃগাঁথনি পুঁজি, মূল্য স্থিৰকৰণ পুঁজি, কিষাণ বিকাশ পত্ৰ আৰু নাবাৰ্ডত দীৰ্ঘকালীন গ্ৰাম্য ঋণদান পুঁজি। দ্বিতীয় সেউজ বিপ্লৱত প্ৰৱেশ কৰাৰ ইচ্ছা আছে— যাৰ উদ্দেশ্য হ'ল অধিক উৎপাদনশীল কাৰ্যৰ প্ৰতি আলোকপাত কৰা। এই সকলোবোৰেই হ'ল অৰ্থনীতিত কৃষিখণ্ডক উৎসাহিত কৰাৰ নিষ্ঠাবান প্ৰয়াসৰ ইঙ্গিত।

বাসগৃহ নিৰ্মাণ আৰু ভূ-সম্পত্তি হ'ল অৰ্থনৈতিক বিকাশৰ মূল খণ্ডস্বৰূপ। এই উদ্যোগটোৱে নিয়োগ সৃষ্টি আৰু চাহিদা বৃদ্ধিৰ সম্ভাৱনা দাঙি ধৰে। তদুপৰি অন্যান্য সংশ্লিষ্ট খণ্ডৰ ওপৰতো এই উদ্যোগৰ ইতিবাচক প্ৰভাৱ আছে। বিনিয়োগ প্ৰকল্পৰ বাবে ব্যাপক আকাৰত পুঁজি আকৰ্ষণ কৰাৰ উদ্দেশ্যে বিত্তমন্ত্ৰীয়ে 'ৰিয়েল ইষ্টেট ইনভেষ্টমেণ্ট ট্ৰাষ্ট' আৰু 'ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট ট্ৰাষ্ট'ক প্ৰয়োজনীয় উৎসাহ প্ৰদানৰ ইচ্ছা প্ৰকাশ কৰে। যিহেতু আন্তঃগাঁথনিমূলক

২নং তালিকা ঃ **জিডিপিৰ শতাংশ হিচাপে নিৰ্বাচিত বিত্তীয় ইঙ্গিত সূচী**

| বৰ্ষ | কৰ প্ৰাপ্তি | সুত আদায় | ৰাজসাহায্য | প্ৰতিৰক্ষা |
|---|---|---|---|---|
| ১৯৮০-৮১ | ৯.১ | ১.৮ | ১.৪ | ২.৫ |
| ১৯৯০-৯১ | ১০.১ | ৩.৮ | ২.১ | ২.৭ |
| ২০০০-০১ | ৯.০ | ৪.৭ | ১.৩ | ২.৩ |
| ২০১০-১১ | ১০.৩ | ৩.১ | ২.৩ | ২.০ |
| ২০১২-১৩ | ১০.৬ | ৩.৩ | ২.০ | ১.৮ |
| ২০১৩-১৪ (পুনৰবৰ্দ্ধিত হিচাপ) | ১০.২ | ৩.৩ | ২.২ | ১.৮ |
| ২০১৪-১৫ (পুনৰবৰ্দ্ধিত হিচাপ) | ১০.৪ | ৩.১ | ২.৬ | ১.৮ |

**উৎস ঃ** ৰিজাৰ্ভ বেংক আৰু কেন্দ্ৰীয় বাজেট

৩নং তালিকা ঃ **প্ৰধান ৰাজসাহায্যসমূহ** (কোটি টকা হিচাপত)

| সবিশেষ | ২০১২-১৩ | ২০১৩-১৪ পুনৰবৰ্দ্ধিত হিচাপ | ২০১৪-১৫ আনুমানিক বাজেট |
|---|---|---|---|
| প্ৰধান ৰাজসাহায্য | ২৪৭৪৯৩ | ২৪৫৪৫২ | ২৫১৩৯৭ |
| সাৰ ৰাজসাহায্য | ৬৫৬১৩ | ৬৭৯৭২ | ৭২৯৭০ |
| খাদ্য ৰাজসাহায্য | ৮৫০০০ | ৯২০০০ | ১১৫০০০ |
| পেট্ৰ’লজাত সামগ্ৰীৰ ৰাজসাহায্য | ৯৬৮৮০ | ৮৫৪৮০ | ৬৩৪২৭ |
| সুতৰ ক্ষেত্ৰত ৰাজসাহায্য | ৭২৭০ | ৮১৭৫ | ৮৩১৩ |
| অন্যান্য ৰাজসাহায্য | ২৩১৬ | ১৮৯০ | ৯৪৭ |
| সৰ্বমুঠ ৰাজসাহায্য | ২৫৭০৭৯ | ২৫৫৫১৬ | ২৬০৬৫৮ |

**উৎস ঃ** ৰিজাৰ্ভ বেংক আৰু কেন্দ্ৰীয় বাজেট

প্ৰকল্পসমূহত বহু পৰিমাণৰ সময় আৰু যথেষ্ট সম্পদৰাজিৰ প্ৰয়োজন হয়, সেই কাৰণে ভূ-সম্পত্তি বিনিয়োগ ন্যাস আৰু আন্তঃগাঁথনি বিনিয়োগ ন্যাসে যথেষ্ট পৰিমাণৰ বিত্ত আন্তঃগাঁথনিৰ আৱশ্যক বিকাশক উদ্বুদ্ধ কৰিবলৈ গোটাব পাৰে। আন্তঃৰাষ্ট্ৰীয় বিত্তৰ সুবিধা গ্ৰহণ কৰাতো ই পিছ পৰি নাথাকে।

বাসগৃহৰ ক্ষেত্ৰত ভাৰতত ভীষণ ধৰণে নাটনিয়ে দেখা দিয়ে। ২০১২ চনত চহৰ অঞ্চলত এই নাটনিৰ সংখ্যা আছিল প্ৰায় ১৯ নিযুত। সেয়ে বাসগৃহ আৰু চহৰৰ দৰিদ্ৰতা উপশম মন্ত্ৰালয়ৰ কাৰণে কেন্দ্ৰীয় পৰিকল্পনাৰ আবণ্টন-ৰাশি দুগুণ কৰা হৈছে আৰু বিত্তমন্ত্ৰীয়েও কম খৰচৰ বহনক্ষম বাসগৃহ বিষয়ক এটা অভিযান আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰিছে। নেচনেল হাউছিং বেংকে ইয়াৰ গুৰি ধৰিব।

অৰ্থনীতিৰ বৃদ্ধি আৰু বিকাশ সাধনৰ এটা সুফল হ’ল লোকসকলে ভালদৰে জীৱন নিৰ্বাহ কৰিবলৈ আৰু উপযুক্ত সা-সুবিধাসমূহ গ্ৰহণ কৰিবলৈ জাগি উঠা ইচ্ছা। সেয়ে এশখন স্মাৰ্ট চিটিৰ বিকাশ আৰু তাৰ ফলত আৰম্ভ হোৱা আধুনিকীকৰণৰ কাম-কাজে ইতিবাচকভাৱে সা-সম্পত্তি গঢ়ি তোলা তথা সামগ্ৰিকভাৱে আন্তঃগাঁথনিত ইতিবাচক প্ৰভাৱ পেলাব। আনহাতে ই আধুনিক যোগাযোগৰ ক্ষেত্ৰত অধিক বিনিয়োগৰ পথ প্ৰশস্ত কৰিব আৰু এই প্ৰক্ৰিয়াত টেলিসংযোগে খণ্ড তথা তথ্য প্ৰযুক্তি আন্তঃগাঁথনিৰ উন্নতি সাধন হ’ব।

সামগ্ৰী আৰু সেৱা কৰৰ ক্ষেত্ৰত সামৰি লোৱা বয়বস্তুৰ বাবদ যি শিথিলতা প্ৰদানৰ কথা ঘোষণা কৰা হৈছে সেই ব্যৱস্থাই এইটো অৰ্থ কৰিছে যে ইয়াৰ ৰূপায়ণ কাৰ্য সু-নিয়াৰি আৰু খৰতকীয়া হ’ব। একেধৰণৰ হাৰ আৰু সামগ্ৰী তথা সেৱা কৰৰ পৰ্যবেক্ষণত সহজ প্ৰক্ৰিয়াই কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ বাবে ভাল স্থিতি প্ৰদান কৰিব। পৌৰ ঋণৰ বাধ্যবাধকতাৰ সুবিধাই কেৱল আন্তঃগাঁথনিমূলক প্ৰকল্প তথা পৌৰ নিকায়সমূহৰ বাবেই বিত্তৰ পথ প্ৰশস্ত নকৰিব, তাৰ উপৰি ই থলুৱা সংস্থানবোৰকো শক্তিশালী কৰিব। “স্বস্থ ভাৰত” অভিযানে ভাৰতীয় লোকৰ স্বাস্থ্যৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব আৰু বিশেষকৈ শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিব; কিয়নো ই পোনপটীয়াভাৱে ডায়েৰীয়াৰ দৰে ৰোগসমূহ নিয়ন্ত্ৰণ কৰাত সহায় কৰিব।

আন এটা উল্লেখনীয় বিষয় হ’ল মহিলা কৰ্মবাহিনীৰ বাবে নিৰাপত্তা আৰু সুৰক্ষা প্ৰদানৰ বাবে কৰা বিভিন্ন ঘোষণাৱলী। “বেটী বাচাও, বেটী পঢ়াও যোজনা”ৰ দৰে বিষয়বোৰো ইয়াত আছে। এইবোৰে কন্যা সন্তানৰ প্ৰতি মৰ্যাদা প্ৰদান আৰু অন্তঃকৰণেৰে আঁকোৱালি লোৱাত সহায় কৰিব; আৰু সেই সন্তানৰ প্ৰতি আগবঢ়োৱা শিক্ষাৰ সুবিধাৰ ফলত সফলতা লাভ কৰি আমাৰ অৰ্থনীতি গঢ়ি তোলাত বৰঙণি যোগাব। তেনে ব্যৱস্থাই দেশৰ আধাভাগ কৰ্মবাহিনীক বিকাশ প্ৰক্ৰিয়াত বিশ্বাসৰে অংশগ্ৰহণ কৰিবলৈ উৎসাহ প্ৰদান কৰিব।

**বাজেটৰ অৰ্থনৈতিক প্ৰভাৱ**

কেন্দ্ৰীয় বাজেটৰ প্ৰভাৱৰ বিষয়ে বিশ্লেষণ কৰিবলৈ গ’লে অৰ্থনীতিক কোঙা কৰিবলৈ লোৱা মূল অৰ্থনৈতিক বিষয়বোৰ বিবেচনা কৰি চাওকচোন। আৰু সেই বিষয়কেইটাৰ নিৰ্বাচন চলি থকা কালত বিস্তৃতভাৱে আলোচনাৰ সমল হৈ পৰিছিল। অৰ্থনৈতিক বিকাশ, নিয়োগ আৰু মুদ্ৰাস্ফীতি আছিল সেইকেইটা বিষয়। বাজেটে এই তিনিওটা বিষয় গুৰুত্ব সহকাৰে লৈছে আৰু তাৰ সমাধানৰ পথো মুকলি কৰিছে।

দেশত বিকাশে গতি লাভ কৰিব; কাৰণ বাসগৃহ আৰু নিৰ্মাণ খণ্ডক বিভিন্ন আঁচনিৰ জৰিয়তে উৎসাহ প্ৰদান কৰিবলৈ লোৱা হৈছে। তেনে আঁচনিৰ ভিতৰত আছে ভূ-সম্পত্তি আৰু আন্তঃগাঁথনি বিনিয়োগ ন্যাস, গৃহ নিৰ্মাণৰ বাবে কৰৰ ক্ষেত্ৰত উদগনি,

নেচনেল হাউছিং বেংকৰ জৰিয়তে বহনক্ষম গৃহৰ বাবে অধিক আবণ্টন, স্মাৰ্ট চিটিৰ বাবে আবণ্টন আৰু প্ৰথম তথা দ্বিতীয় শ্ৰেণীৰ চহৰবোৰত নতুন বিমান বন্দৰ। আনপিনে ২০৯টা উদ্যোগৰ স'তে বাসগৃহৰ আন্তঃযোগসূত্ৰ থকাৰ কাৰণে ঔদ্যোগিক উৎপাদনে বৰ্দ্ধিত বিকাশত বৰঙণি যোগাব। এই বিকাশ বৃদ্ধি সাধন ব্যৱস্থাৱলীয়ে ইতিবাচকভাৱে দেশত নিয়োগ পৰিস্থিতিৰ দিশত প্ৰভাৱ পেলাব। ইয়াৰ বাহিৰেও পৰ্যটনক উৎসাহিত কৰিবলৈ লোৱা ব্যৱস্থাই হোটেল, বিনোদন, পৰিবহণ আৰু বিমান উদ্যোগত পোনপটীয়াভাৱে নিয়োগৰ সুবিধা আগবঢ়াব। তদুপৰি অন্যান্য বাণিজ্যিক কাম-কাজবোৰ আছেই।

২০১৪ চনৰ ১৫ আগষ্টত সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ সবলীকৰণৰ অৰ্থে প্ৰচলন কৰিব লগা ফাইনেন্সিয়েল ইনক্লুজন মিছনে বিশেষকৈ গ্ৰাম্য খণ্ডৰ দুখীয়া লোকৰ অৰ্থে বিত্তীয় সেৱা বিস্তৃত কৰাত সহায় কৰিব। এই অভিযানৰ ৰূপায়ণ কালত প্ৰযুক্তিৰ ব্যৱহাৰে বেংকিং খণ্ডত নিয়োগ সঞ্চাৰত বিভিন্ন ধৰণে উদগনি যোগাব। তেনে উদগনিৰ ভিতৰত হ'ব হিচাপ-বহী খোলা, বিত্তীয় সাক্ষৰতা ভাবক বিয়পাই তোলা আৰু গ্ৰামাঞ্চলবোৰত বৰ্দ্ধিতভাৱে বিত্তীয় সেৱাৰ যোগান ধৰা।

ইয়াৰ অতিৰিক্ত আৰু দুটা ব্যৱস্থা আছে— যদিও সেয়া কল্যাণ উন্মেষ সাধন ধৰণৰ তথাপি এইবোৰে নিয়োগ বৃদ্ধি কৰাত বৰঙণি যোগাব। তেনে এটা পথ হ'ল বীমা খণ্ডত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ বৃদ্ধি। মুঠ ঘৰুৱা উৎপাদনৰ দিশৰ পৰা বীমা প্ৰিমিয়াম চাবলৈ গ'লে ভাৰতত ৪ শতাংশতকৈও কম। অথচ যোৱা দশকটোত চৰকাৰে ইয়াৰ উন্নীতকৰণৰ অৰ্থে বিভিন্ন প্ৰয়াস কৰিছিল। তেনে প্ৰচেষ্টাৰ ভিতৰত এটা আছিল ব্যক্তিগত বীমা কোম্পানীবোৰক ভাৰতত কাম কৰিবলৈ অনুমতি প্ৰদান কৰা। ২৫ শতাংশতকৈ কম জনসংখ্যাৰ পৰা বীমা সম্প্ৰসাৰণ সম্ভাৱনাৰ দিশটো উজলাই তুলিছে সম্প্ৰতি জীৱন বীমাৰ অধীনত সামৰি লোৱা সেই সকল লোকৰ গতিধাৰাই চাই। এইটোৱে ইয়াকে বুজাইছে যে ভাৰতৰ দৰে তৰুণ জনগাঁথনিৰ দেশ এখনত অধিক নিয়োগৰ সা-সুবিধা সৃষ্টি হোৱাটো।

তৰুণ আৰু গতিশীল জনসংখ্যাৰ দেশখনে "ৱাৰ মেম'ৰিয়েল" অথবা "ষ্টেচু অব ইউনিটি" প্ৰাপ্তিৰ দৰে সৰল সিদ্ধান্ত হ'ল বেচ জাতীয়তাবাদী মনোভাব। এইবোৰক ৰাষ্ট্ৰীয় স্মৃতিস্তম্ভ আৰু পৰ্যটন থলীৰূপে বিকাশ কৰিব পাৰি— যাৰ দ্বাৰা বাণিজ্য আৰু নিয়োগক উৎসাহিত কৰিব। তৎকালীনভাৱে নতুন আই আই টি, আই আই এম, সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, কৃষি তথা উদ্যানশস্য বিশ্ববিদ্যালয় প্ৰতিষ্ঠান খুলিবলৈ লোৱা বিষয়টোৱে ভাৰত আৰু বিদেশত তৰুণচামৰ নিয়োগ যোগ্যতা প্ৰদানত উৎসাহিত কৰিব। এনে আঁচনিৰ অধীনত প্ৰতিখন ৰাজ্যতে আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান খোলাৰ দীৰ্ঘকালীন উদ্দেশ্যও প্ৰশংসনীয় বিষয়।

যোৱা কেইটামান মাহত এইটো পৰিলক্ষিত হয় যে ভাৰতত হোৱা মুদ্ৰাস্ফীতি, বিশেষকৈ খাদ্য মুদ্ৰাস্ফীতিৰ বিষয়টো হ'ল যোগানৰ দিশৰ এটা পৰিঘটনা; এয়া কোনো সোপাটিলা মুদ্ৰা নীতিৰ কাৰণে হোৱা নাই। সেয়ে যোগানৰ দিশৰ চিন্তা দূৰ কৰিবলৈ কৃষি আৰু গ্ৰাম্য খণ্ডৰ কাম-কাজবোৰক উৎসাহিত কৰা হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল পণ্যগাৰ ব্যৱস্থাৰ কাম-কাজ। ভাৰতৰ খাদ্য নিগমৰ সংস্কাৰ আৰু অনিয়ম, হৰলুকি আদি বিষয়বোৰ বন্ধ কৰিবলৈ ৰাজহুৱা বিতৰণ পদ্ধতিৰ কাম-কাজৰ সংস্কাৰ সাধন কৰা ঘোষণাই কৃষিজাত সামগ্ৰীৰ মূল্য ধৰি ৰখাত সহায় কৰিব। এনে মূল্যবৃদ্ধি ভাৰতত মুদ্ৰাস্ফীতিৰ কাৰণে জগৰীয়া।

**নীতি বিষয় সন্দৰ্ভত পৰামৰ্শ**

ইয়াত উল্লেখ কৰা বাজেটখন হ'ল এখন অনন্য বাজেট। এই বাজেটে অৰ্থনীতিৰ বিকাশৰ প্ৰক্ৰিয়া পুনৰুজ্জীৱিত কৰি তোলাৰ ক্ষেত্ৰত অংশগ্ৰহণমূলক ভাৱ-চিন্তাৰ উদ্ৰেক কৰিবলৈ প্ৰয়াস কৰিছে। সেয়ে বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত কেইটামান পৰামৰ্শ আগবঢ়োৱা হ'ল—

(ক) খাদ্য ৰাজসাহায্য সন্দৰ্ভত খাদ্য প্ৰণালীকৰণৰ বিতৰণ ব্যৱস্থাই প্ৰকৃততে খাদ্য আৰু পৰিপুষ্টি সাধনৰ পৰ্যায় নাপায়গৈ। কাজেই এই ক্ষেত্ৰত স্থানীয় কৰ্তৃপক্ষৰ ভূমিকা বৃদ্ধি কৰাটো বাঞ্চনীয়। থলুৱা এলেকা সম্বন্ধে থকা কৰ্তৃপক্ষৰ জ্ঞান আৰু অভিজ্ঞতাৰ সদ ব্যৱহাৰ কৰা প্ৰয়োজন। তেতিয়াহে প্ৰকৃত অভাৱী লোকসকলক চিনাক্ত কৰিব পৰা যাব।

(খ) কিষাণ বিকাশ পত্ৰ পুনৰ প্ৰচলনৰ ক্ষেত্ৰত বিষয়টো সতৰ্কতাৰে বিবেচনা কৰা প্ৰয়োজন; কিয়নো পূৰ্বৰ কিষাণ বিকাশ পত্ৰ প্ৰচলন কালত অ-কিষাণ ব্যক্তিসকলেও বিপুল সংখ্যাত অংশগ্ৰহণ কৰাৰ উদাহৰণ আছে। সেই দেখি ইয়াৰ পুনৰ প্ৰচলনৰ বিষয়টোৰ সন্দৰ্ভত সঠিক ৰূপৰ সম্ভাৱনীয়তা আৰু

বিত্তীয় ব্যৱস্থাৰ উপকাৰিতাৰ বিষয়ে আলোচনা কৰিবলৈ বহু লোকেই ওলাই আহিব পাৰে।

(গ) প্ৰতি ঘৰৰ দুটা বেংক একাউণ্ট সহ "ফাইনেন্সিয়েল ইনক্লুজন মিছন" আৰু প্ৰাৰম্ভিক অৱস্থাত কিছু ধনৰাশি বেংকত জমা কৰি বেংকত প্ৰথম সুবিধা লোৱাৰ বিষয়টো পৰিচিত কৰাত সফল হ'ব পাৰে; কিন্তু ইয়াত বহুতো স্পৰ্শকাতৰ বিষয়ো আছে। সেয়ে তাৰ পৰা হাত সাৰিবলৈ প্ৰতিজন ভাৰতীয়ৰ ক্ষেত্ৰত একোটা পৰিচয় প্ৰদান নম্বৰ (আইডেণ্টিটি নাম্বাৰ) নথকা হেতু বিশেষ সতৰ্কতা অৱলম্বন কৰিব লাগিব— যাতে তেনে নতুন হিচাপ-বহী খোলা ব্যক্তিজনক যি পৰিমাণৰ ঋণ প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে সেইটো অন্য লোকে জানিব নোৱাৰে।

(ঘ) বৰ্তমানে চলি থকা ৰাজহুৱা বিতৰণ পদ্ধতিক উপযুক্তভাৱে সক্ৰিয় কৰি তোলা বিষয়টোও বিবেচনা কৰাৰ আৱশ্যক আছে যাতে পাঁচ লাখতকৈ অধিক সুলভ মূল্যৰ দোকানৰ জৰিয়তে নতুন সা-সামগ্ৰী বিতৰণ কৰিব পাৰি। তেনে সামগ্ৰীৰ ক্ষেত্ৰত, যেনে— পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অৰ্থে চাবোন আৰু সুস্থ জীৱন নিৰ্বাহৰ বাবে অত্যাৱশ্যকীয় ঔষধ-পাতি আৰু আঁঠুৱাৰ দৰে সা-সঁজুলি আগবঢ়োৱা কথাটোও ভবা দৰকাৰ।

(ঙ) কৰ্পোৰেট সামাজিক দায়িত্বৰ (কৰ্পোৰেট ছ'চিয়েল ৰেছ্পনছিবিলিটি) অধীনত যি ধনৰাশি ব্যয় কৰা হয় তাক বিকাশ আৰু নিয়োগৰ উদ্দেশ্যৰ বাবে কামত লগাব পাৰি— যদিও এয়া সমূহীয়া উন্নয়নৰ অৰ্থে জনহিতৈষী কাম। কোম্পানী আইন, ২০১৩ মতে কিছুমান নিৰ্দিষ্ট কোম্পানীয়ে নিজে অৰ্জন কৰা লাভৰ ২ শতাংশ সেই কৰ্পোৰেট দায়িত্বৰ কাম-কাজৰ বাবে ব্যৱহাৰ কৰিব লগা হয়। এই কৰ্পোৰেট দায়িত্বৰ বিধিসমূহ সেইবোৰ কোম্পানীৰ ক্ষেত্ৰত প্ৰযোজ্য, যিবোৰৰ কমেও ৫০০ কোটি টকা আছে অথবা ১,০০০ কোটি টকাৰ কাৰবাৰ কৰে কিম্বা এটা বিত্তীয় বছৰত ৫ কোটি টকা লাভ পায়। এই সামাজিক দায়িত্বৰ কাম-কাজ বিস্তৃত পৰিসৰৰ আৰু ইয়াক সংশ্লিষ্ট কোম্পানীয়ে নিজাববীয়াকৈ বিভিন্ন প্ৰক্ৰিয়াৰে অথবা লাভৰ কথা চিন্তা নকৰা (নন-প্ৰফিট) সংগঠনক বিত্তীয় সুবিধা আগবঢ়াই ৰূপায়ণ কৰিব পাৰে। উদ্যোগ সূত্ৰ মতে ভাৰতত প্ৰায় ৬০০০টা কোম্পানীয়ে কৰ্পোৰেট সামাজিক দায়িত্বৰ অধীনত কাম কৰিব লাগিব। ৫ কোটি টকাতকৈ অধিক উপাৰ্জন কৰা ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগবোৰেও সেইটো কৰিব লাগিব। চি এছ আৰ-ৰ অধীনৰ আনুমানিক ধনৰাশি ২০,০০০ কোটি টকাৰ পৰা প্ৰায় এক লাখ কোটি টকালৈকে হয়। সেই দেখি ৰাষ্ট্ৰ নিৰ্মাণত উপযুক্তভাৱে চি এছ আৰ-ক কামত লগাবৰ কাৰণে চৰকাৰে তাৰ গণনা কাৰ্য অথবা নিৰ্দিষ্ট এলেকাত সম্পদৰাজিক কামত লগাবৰ অৰ্থে নিয়ামক প্ৰাধিকৰণৰ কথা বিবেচনা কৰি চাব পাৰে।

(চ) উপযুক্তভাৱে কাৰ্য সাধন কৰিব নোৱাৰাকৈ এনেয়ে পৰি থকা সম্পত্তিলৈ চাই যি অতিৰিক্ত ঋণ পুনৰুদ্ধাৰ ট্ৰাইবুনেল ঘোষণা কৰা হৈছে, সেইবোৰে পৰিকল্পনা প্ৰস্তুত কৰা তথা উপযুক্তভাৱে সজীৱ কৰি তোলা কাৰ্যত সহায় কৰা উচিত। এনেবোৰ ট্ৰাইবুনেল শক্তিশালী কৰা আৱশ্যক— যাতে অধিক ফলপ্ৰসূ কাৰ্য সাধন কৰিব পাৰে। অৱশ্যে বেংক প্ৰতিষ্ঠানসমূহৰ মাজত এটা সাধাৰণ ধাৰণা বিৰাজমান হৈ আছে যে এনে ঋণ উদ্ধাৰ ট্ৰাইবুনেলসমূহ উপভোক্তা অনুকূল তথা বেংকিং পদ্ধতিৰ বাবে যথেষ্ট পৰিমাণৰ ধনৰাশি উদ্ধাৰ কৰাত সফল হোৱা নাই।

(ছ) নতুন প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয় স্থাপন কৰি যুৱকসকলক শিক্ষিত কৰি তোলাৰ উদ্দেশ্যক শক্তিশালী কৰিব পাৰি, যদিহে বিদেশৰ বিশ্ববিদ্যালয়সমূহক ভাৰতত কাৰ্য সম্প্ৰদান কৰিবলৈ সন্মতি দিয়া হয়। তদুপৰি তৰুণসকলে বিদেশলৈ প্ৰব্ৰজন কৰাৰ বহু পথ বিচাৰি পায়; পিছে উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ অভাৱৰ হেতু কম দৰমহাৰ চাকৰিকে কৰিব লগা হয়। এই ক্ষেত্ৰত চৰকাৰে নিৰ্দিষ্ট বিষয়ৰ দক্ষতা গঢ়ি তোলা কথাটো বিবেচনা কৰিব পাৰে আৰু জনশক্তি প্ৰয়োজন হোৱা দেশবোৰলৈ তেনে যুৱকক প্ৰব্ৰজন কৰাত সুবিধা কৰি দিয়া বিষয়টোও চিন্তা কৰিব পাৰে। মানৱ শক্তি প্ৰয়োজন হোৱা দেশবোৰৰ বিশ্ববিদ্যালয়সমূহক কিছুমান দক্ষতাৰ বিষয় তথা প্ৰয়োজনীয় পেছাদাৰী কাম-কাজৰ ক্ষেত্ৰত আমাৰ যুৱক-সকলক প্ৰশিক্ষণ প্ৰদান কৰিবৰ কাৰণে আমন্ত্ৰণ কৰিব পাৰে। এনেধৰণৰ সু-প্ৰশিক্ষণপ্ৰাপ্ত যুৱকে বিদেশলৈ গৈ কাম কৰা কথাটোৱে দুটা গুৰুত্বপূৰ্ণ দিশত সেৱা আগবঢ়াব

পাৰে। এটা হ'ল দেশখনৰ ব্ৰেণ্ড এম্বেছেদৰ ৰূপে আৰু আনটো হ'ল শকত ধনৰাশি প্ৰেৰণৰ উৎস হিচাপে এই সেৱা একোটা উল্লেখনীয় বিষয় হ'ব পাৰে।

**সামৰণি**

কেন্দ্ৰীয় বাজেটখন প্ৰায় ছসপ্তাহৰ ভিতৰত যুগুতাই উলিওৱা হৈছে। কৌশলাত্মক দিশৰ চিন্তা-চৰ্চা কৰোঁতা-জনে এই কাৰ্য সাধন কৰিছে তথা দীৰ্ঘ কাল সেৱা আগবঢ়োৱা সাংসদে সৰ্বাধিক সহযোগ আৰু নিম্নতম প্ৰতিৰোধ দৃষ্টিভঙ্গীক এই ক্ষেত্ৰত অনুধাৱন কৰিছে। আৰু সম্ভৱতঃ সেয়া হ'ল কঠিন অৰ্থনৈতিক পৰিস্থিতিত এটা সঠিক পদক্ষেপ।

পাৰ হৈ যোৱা মাহকেইটাত চলিত হিচাপ ঘাটি বাঢ়ি যোৱা কাৰণে সোণ আমদানিৰ ক্ষেত্ৰত বাধা দান ব্যৱস্থা কঠোৰ আছিল আৰু সেয়ে আমদানি শুল্ক লাঘৱ কৰা তথা সোণৰ বজাৰক পুনৰুজ্জীৱিত কৰাৰ সুবিধা দিয়াৰ ক্ষেত্ৰত নতুন চৰকাৰৰ পৰা আশা কৰা হৈছিল। পিছে যোৱা জুলাই মাহত সংসদত উপস্থাপন কৰা বাজেটত স্বৰ্ণৰ বিষয়টো উল্লেখ কৰা নহ'ল। বিত্তমন্ত্ৰীয়ে সোণৰ ক্ষেত্ৰত চৰকাৰৰ নীতি সম্বন্ধে ব্যাখ্যা কৰিবলৈ এই সুবিধা গ্ৰহণ কৰিব পাৰিলেহেঁতেন।

আনহাতে জনসংখ্যাৰ মাজত এটা নীৰৱ ভাগ আছে; আৰু সেয়া হ'ল বয়োজ্যেষ্ঠ লোকসকল। এওঁলোকে চৰকাৰৰ প্ৰায়বোৰ নীতি-পদ্ধতিত অৱহেলিত হৈ থাকে। ভাৰতত ১১ কোটিতকৈ অধিক বয়োজ্যেষ্ঠ লোক আছে আৰু তেওঁলোক ৬০ বছৰ বয়সৰ উৰ্দ্ধৰ। এই সকলৰ ভিতৰত সাধাৰণতে মহিলাসকলৰ যতন লোৱাৰ জৰুৰী আৱশ্যকতা আছে। এওঁলোকৰ প্ৰায় ৯০ শতাংশ অসংগঠিত খণ্ডৰ স'তে জড়িত। কিন্তু কোনো সামাজিক নিৰাপত্তা কাৰ্যসূচীয়ে এওঁলোকক স্পৰ্শ কৰা নাই। দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ প্ৰায় ৩ কোটি বয়োজ্যেষ্ঠ লোকে প্ৰায় ৫০০ টকাৰ বৃদ্ধ বয়সৰ পেঞ্চন পায়। বাকী ৮ কোটি জ্যেষ্ঠ লোকে নিজেই জীয়াই থাকিবৰ কাৰণে চিন্তা কৰিব লাগে। জনস্বাস্থ্য প্ৰতিকাৰ পদ্ধতি দুৰ্বল আৰু অনুপযুক্ত হোৱা হেতুকে বয়োজ্যেষ্ঠ লোকসকলৰ বাবে চিকিৎসাৰ প্ৰতি কমেইহে সুচল প্ৰৱেশ ঘটে। এই কথা বহু গৱেষণা অধ্যয়নৰ পৰা জানিব পৰা গৈছে। ইয়াৰ বিপৰীতে ইউৰোপৰ বহু দেশত স্বাস্থ্যৰ ক্ষেত্ৰত বয়স সংক্ৰান্তীয় ব্যয় জিডিপি-ৰ ৮-১০ শতাংশ; কিন্তু ভাৰতত এয়া ১ শতাংশতকৈ কম। সেয়ে বয়োজ্যেষ্ঠ-সকলক সহায় কৰিবলৈ সহজ-সৰলভাৱে প্ৰয়াস কৰিব পাৰে; আৰু তাৰ ভিতৰত সাৰ্বজনীন পেন্সন তথা সাৰ্বজনীন বীমাৰ দিহা কৰিব পাৰে। ইয়াৰ ধনৰাশিৰ পৰিমাণ সন্মানজনক হোৱা উচিত— যাতে তেওঁলোকে মৰ্যাদা সহকাৰে জীৱনৰ অন্তিম কালছোৱা অতিবাহিত কৰিব পাৰে। এই পেঞ্চন বয়সৰ লগে লগে বৃদ্ধি কৰিব পাৰে— বিশেষকৈ মহিলাসকলৰ ক্ষেত্ৰত। ভাৰতৰ পৰিৱৰ্তিত জনগাঁথনি সন্দৰ্ভত দুটা বিষয় সমাধান কৰা আৰু বয়স সংক্ৰান্তীয় বিত্তীয় অৱস্থা অধ্যয়ন কৰিবলৈ অতি নিষ্ঠাৰে চিন্তা কৰিব পৰা এটা গোটৰ আৱশ্যক। দ্বিতীয়তঃ চিকিৎসা বিষয়ক gerontology বিজ্ঞানৰ বিকাশ সাধন কৰাৰ আৱশ্যক আছে। ভাৰতত এই বিষয়টো এতিয়াও অৱহেলিত হৈ আছে।

নতুন চৰকাৰৰ বাজেটখন পূৰ্বৰ চৰকাৰৰ একে অনুক্ৰম যেনেই লাগে; কিন্তু বিশ্লেষণাত্মকভাৱে যেতিয়া পৰীক্ষা কৰি চোৱা হয় তেতিয়া বহু বিষয়েই ক'ব লগা থাকে। ইয়াক ৰূপায়ণ কৰিলে ভাৰতীয় নীতি আৰু কাম-কাজৰ ক্ষেত্ৰত চিন্তাধাৰাৰ পৰিৱৰ্তনৰ সূচনা হ'ব আৰু এয়া অতি কম দিনৰ ভিতৰতেই সাধন হ'ব, কাৰণ ই অৰ্থনীতিৰ বিভিন্ন শাখাত বিস্তৃত পৰিৱৰ্তনৰ বাবে প্ৰস্তাৱ কৰিছে।

বিত্তমন্ত্ৰীয়ে বাজেটখনৰ ভাৰসাম্য ৰাখিবলৈ সঠিক দৃষ্টিভঙ্গী অৱলম্বন কৰিছে— যিটো অন্যান্য দেশবোৰে কৰে। সেই বাজেটৰ দিনটো হয় একোটা ঘটনাবিহীন দিন আৰু বিত্তীয় নীতি তৈয়াৰ কৰাটো হৈ পৰে এটা নিয়মীয়া কাৰ্য। মুদ্ৰা নীতি ব্যৱস্থা, অপৰিপুষ্টিৰ দৰে অন্যান্য কল্যাণ উন্মেষ সাধন বিষয়বোৰৰ ঘোষণাই বেচ তাৎপৰ্য বহন কৰিছে। এখন আয়োগৰ জৰিয়তে ৰাজসাহায্যৰ দৰে চৰকাৰৰ ব্যয়সমূহ ক্ৰমাগতভাৱে একে ধৰণৰ কৰাটোৰে বিত্তীয় বিষয়ৰ প্ৰতি গুৰুত্ব প্ৰদানৰ কথা সূচাইছে। এনেবোৰ বিষয় সীমিত সময়সীমাৰ ভিতৰত চিন্তা কৰি বাজেট যুগুতাই উলিওৱা হৈছে। বিত্তৰ প্ৰাপ্ত পৰিসৰ থকা সত্বেও অতিৰিক্ত ঋণ আৰু অধিক ঋণ ব্যয়ৰ বাধ্যবাধকতাক প্ৰতিৰোধ কৰা বিষয়টোৰে বিত্তীয় সুদৃঢ়কৰণৰ দায়বদ্ধতাকে প্ৰদৰ্শন কৰিছে। বাজেট নীতি তৈয়াৰ কৰাৰ ক্ষেত্ৰত পৰিপক্ক দৃষ্টিভঙ্গী আৰোপ কৰা হৈছে। এয়া যি জনাদেশ লাভ কৰা হৈছিল সেই মতে উপযুক্তভাৱে তাল-মিল ৰাখি আগবঢ়াব পাৰিলেহেঁতেন। কিন্তু ই বিত্তীয় গতিধাৰা আৰু গভীৰতালৈ চাইহে বাজেট উপহাৰ দিছে। সেই অৰ্থত ক'বলৈ গ'লে বাজেটখন প্ৰকৃততেই প্ৰশংসাৰ যোগ্য। ই চিৰাচৰিত গতি ভংগ কৰি অধিক সংস্কাৰ সাধনৰ বাবে এটা পথৰ সূচনা কৰিছে আৰু তাকো ঐক্যমত গঢ়ি তুলি। ❐

# ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ ভাল উৎপাদন কিন্তু ফচল ৰখাৰ নিঃকিন ব্যৱস্থা

**ৰবীন্দ্ৰ এইচ ঢোলাকিয়া***

এই বাজেটখন ঘাইকৈ চলিত বিত্তীয় বৰ্ষৰ বাকী আঠ মাহ কালৰ বাবেহে যুগুতোৱা হয়। কিবা বিশেষ পৰিৱৰ্তন সাধনৰ পৰিসৰ আৰু চলিত বৰ্ষৰেই ফেব্ৰুৱাৰীত দাঙি ধৰা অন্তৰ্ৱৰ্তী বাজেটৰ পৰা যথেষ্টভাৱে আঁতৰি অহাৰ সুবিধা ইয়াত সীমিত। আনপিনে বৰ্তমান চৰকাৰৰ প্ৰথম বাজেটখনৰ পৰা সাধাৰণ ৰাইজে বহুখিনি আশা কৰিলেও সেই ক্ষেত্ৰত অৰ্থনীতিবিদ আৰু বিশেষজ্ঞ-সকলে বিত্তমন্ত্ৰীৰ ক্ষেত্ৰত থকা বাধাৰ কথা উল্লেখ কৰিছে। পূৰ্বৰ চৰকাৰে বিত্তীয় বিষয়ত যি প্ৰতিশ্ৰুতি দিছিল সেই পিনৰ পৰা বৰ্তমানৰ বিত্তমন্ত্ৰীয়ে সন্মুখীন হোৱা কঠিনতা মন কৰিব লাগিব। তদুপৰি আগৰ চৰকাৰখনে কেইবাখনো আইন গ্ৰহণ কৰিছিল— যাৰদ্বাৰা জনগণক শিক্ষা, নিয়োগ আৰু খাদ্য নিৰাপত্তাৰ অধিকাৰ দিবলৈ ঠিক কৰা হৈছিল; আৰু সেয়ে বাজেটৰ এনেবোৰ বিষয়ৰ ক্ষেত্ৰত বৈশিষ্ট্যপূৰ্ণ পৰিৱৰ্তন সাধন কৰাৰ স্বাধীনতা বিত্তমন্ত্ৰীৰ হাতত সীমিত আছিল। তাক অতিক্ৰম কৰিবৰ বাবে কাৰ্যসূচীবোৰৰ আঁচনি আৰু ৰূপায়ণৰ ক্ষেত্ৰত আইনবোৰ সংশোধন নকৰিলে সেয়া সম্ভৱ হৈ নুঠে। আমাৰ সংসদীয় আৰু ন্যায়িক পদ্ধতিলৈ চাই এনে কৰিবলৈ সময় লাগিব আৰু এতিয়াৰ বাজেটত সেইবোৰ বিষয় শীঘ্ৰে অন্তৰ্ভুক্ত কৰিব পৰা নাযায়। মুঠৰ ওপৰত ৪৫ দিন হ'ল অতি কম সময়— যিখিনি সময়ত চিন্তা-চৰ্চা কৰি সংস্কাৰ আৰু সংশোধন কৰাটো সম্ভৱ নহয়। এনেবোৰ বিষয়ত অনাহকত খৰধৰ লগোৱাতকৈ সতৰ্কতাৰে কাম কৰাটোহে সমীচিন।

এয়া হ'ল বৰ্তমান চৰকাৰক উপস্থাপন কৰিবলৈ জনাদেশ দিয়া পাঁচখন বাজেটৰ ভিতৰত প্ৰথম বাজেট। সেয়ে এই বাজেটখনক এই প্ৰসঙ্গতহে অৱলোকন আৰু মূল্যাংকন কৰিব লাগিব। বাজেটখন মূল্যাংকন কৰিবৰ বাবে দ্বিতীয় বিষয়টো হ'ল বৰ্তমানে চলি থকা আৰু পৰিৱৰ্তিত অৰ্থনৈতিক পৰিৱেশ, যাক কেন্দ্ৰ কৰি বাজেটখন উপস্থাপন কৰা হৈছে, কিয়নো সেই পৰিৱেশেহে লক্ষ্য আৰু সমাধান কৰিব লগা গুৰুত্বপূৰ্ণ দিশসমূহ ঠিক কৰিব।

**অৰ্থনৈতিক পৰিৱেশ আৰু বাজেট ব্যৱস্থা**

যোৱা দহ বছৰ কাল অৰ্থনৈতিক স্থিতিৰ ক্ষেত্ৰত বহু আলোচনা-বিলোচনা আৰু বিভিন্ন ছবি দাঙি ধৰা হয়। আৰু সেই কালছোৱাত ইয়াৰ সামগ্ৰিক বৃদ্ধি হাৰ ৪.৫ আৰু ৪.৭ শতাংশলৈ অৱনমিত হৈছিল। অৱশ্যে এই বছৰবোৰত গড় হিচাপে কৃষিৰ বৃদ্ধিৰ হাৰ আছিল প্ৰায় ৩ শতাংশ। সেয়া বেয়া নাছিল। কিন্তু খনিজ খণ্ডৰ নেতিবাচক বৃদ্ধি গতি আছিল। প্ৰস্তুত খণ্ড আৰু নিৰ্মাণ কাম-কাজত কাৰ্যতঃ অচল অৱস্থা তথা পৰিবহণ খণ্ডত ভালেখিনি হ্ৰাস ঘটিছিল।

উপভোক্তা মূল্য সূচাংক লেখত মুদ্ৰাস্ফীতিৰ গতি বহুখিনি উচ্চ স্তৰত অব্যাহত থাকে যাৰ ফলত এনে ধাৰণাৰ অৱতাৰণা হয় যে অৰ্থনীতি বেয়া ধৰণে বান্ধ খাই আছে। তাৰ পৰা সকাহ পোৱাৰ উপায় নাই। দেয় ধনৰ ভাৰসাম্যৰ ক্ষেত্ৰত চলিত অৰ্থৰ ঘাটিয়ে ৩ শতাংশ জিডিপি অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদনৰ সীমা চেৰাই যায়; আৰু যোৱা বছৰৰ ১.৭ শতাংশলৈ অৱনমিত হোৱাৰ আগতে উচ্চ স্তৰৰ হাৰ চলি থাকে। অৱনমিত গতি সম্ভৱ হয় আমদানিৰ পৰিমাণ হ্ৰাস আৰু ৰপ্তানিৰ যথাযথ অৱস্থাৰ বাবে।

অৰ্থনীতিৰ প্ৰায়ভাগ উৎপাদনমূলক কাম-কাজত যথাযথ অৱস্থা আৰু বৃদ্ধিৰ হাৰ যথেষ্টভাৱে পৰি অহাৰ কাৰণে দক্ষ আৰু অদক্ষ শ্ৰমিকৰ নিয়োগো যথেষ্টভাৱে হ্ৰাস পোৱাৰ পথ প্ৰশস্ত কৰিব। ৰপ্তানিৰ কাম-কাজো ইয়াত ধৰা হৈছে। এইটো অনুমান কৰা হৈছে যে উৎপাদন বৃদ্ধিত ১ শতাংশ অৱনতিয়ে নিয়োগৰ ক্ষেত্ৰত প্ৰায় ০.১৮ শতাংশলৈ হ্ৰাসৰ গতি হ'ব আৰু দৰিদ্ৰতাৰ মাজত বসবাস কৰা লোকৰ সংখ্যা প্ৰায় ০.১৯ শতাংশলৈ বৃদ্ধি পাব। ইয়াৰ অৰ্থ হ'ল বিকাশ গতিত ১ শতাংশ পইণ্টৰ ক্ষতিয়ে প্ৰায় ১২ লাখ লোকে চাকৰি হেৰুওৱাৰ

***ৰবীন্দ্ৰ এইচ ঢোলাকিয়া আহমেদাবাদৰ ইণ্ডিয়ান ইন্সটিটিউট অৱ মেনেজমেণ্টৰ অৰ্থনীতি বিভাগৰ অধ্যাপক। তেওঁ ষষ্ঠ কেন্দ্ৰীয় দৰ্মহা আয়োগৰ সদস্যও আছিল।**

পথ মুকলি কৰিব আৰু একেই সংখ্যাৰ লোকক দৰিদ্ৰতাৰ সীমাৰেখাৰ তললৈ ঠেলি দিব। উচ্চ গতিৰ উপভোক্তা মূল্য সূচাংকৰ ক্ষেত্ৰত দেখা দিয়া মুদ্ৰাস্ফীতিয়ে দুখীয়া লোকসকলৰ বাবে অৱস্থা আৰু শোচনীয় কৰি তুলিব।

বিকাশৰ গতিত উৎসাহ তথা দৰিদ্ৰতা হ্ৰাস কৰিবলৈ ব্যয়ৰ পৰিসৰ পৰিব্যাপ্ত কৰিবৰ কাৰণে চৰকাৰৰ হাতত কোনো বিত্তীয় ব্যৱস্থাৰ সুবিধা নাই; কাৰণ অৰ্থ-কড়িৰ ক্ষেত্ৰত বদান্যতা আৰু অনুৎপাদনমূলক কিছুমান জনবাদী ব্যৱস্থাৰ হেতু ভীষণ ধৰণে বিত্তীয় স্থিতিত আঘাত পৰে। গতিকে বিত্তমন্ত্ৰীয়ে তেওঁৰ পূৰ্বসূৰীৰ দ্বাৰা চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত বান্ধি দিয়া বিত্তীয় সুদৃঢ়কৰণৰ বাবে থিৰ কৰা লক্ষ্যকেই গ্ৰহণ কৰাৰ বাহিৰে আন কোনো বিকল্প নাই। তথাপি নিয়োগ আৰু দৰিদ্ৰতাৰ দিশটোলৈ চাই সমাজৰ ওপৰত যি লেহেমীয়া বিকাশ গতি বিৰাজ কৰে তাৰ পৰা অব্যাহতি পাবৰ বাবে অধিক ব্যয়ৰ বিষয়টো বিবেচনা কৰি বিত্তমন্ত্ৰীয়ে অৰ্থনৈতিক বৃদ্ধি সাধনক উৎসাহিত কৰিবৰ অৰ্থে অধিক গুৰুত্ব প্ৰদান কৰিব লগা হয়। আৰু তাৰ কাৰণে বিত্তীয় শৃংখলা বজাই ৰখা আৰু লগতে মুদ্ৰাস্ফীতিৰ গতিক তললৈ অনা বিষয়টোৰ প্ৰতি মন দিব লগা হয়। পিছে এইটো কৰিব পৰা যাব একমাত্ৰ ভাৰতীয় অৰ্থনীতিত বিনিয়োগকাৰীসকলৰ আস্থাক পুনৰ ঘূৰাই আনি আৰু ঘৰুৱা কাম-কাজ কৰ্পোৰেট তথা ৰাজহুৱা খণ্ডক অধিক সঞ্চয়ৰ বাবে উৎসাহিত কৰি।

### চকুৰ পচাৰতে বাজেট

- ❒ পৰিকল্পনা বহিৰ্ভূত ব্যয় ১২,১৯,৪৯২ কোটি টকা
- ❒ অনাকৰ ৰাজহ ২,১২,৫৪৪ কোটি টকা
- ❒ ৰাজহ ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ ২.৯ কোটি টকা
- ❒ দেশত ৬০টা অতিৰিক্ত আয়কৰ সেৱা কেন্দ্ৰ স্থাপন হ'ব
- ❒ প্ৰত্যক্ষ কৰ হ্ৰাসৰ ফলত ৰাজহ ঘাটি হ'ব ২২,২০০ কোটি টকা
- ❒ ব্যক্তিগত কৰ ৰেহাইৰ উৰ্দ্ধ সীমা আগতকৈ ৫০ হাজাৰ টকা বৃদ্ধি
- ❒ আয়কৰ আইনৰ ৮০ 'চি' অনুচ্ছেদৰ অধীনত বিনিয়োগৰ সীমা ১.৫ লাখলৈ বৃদ্ধি
- ❒ ৬০ বছৰৰ উৰ্দ্ধৰ কৰদাতাৰ বাবে ২.৫ লাখৰ পৰা ৩ লাখ টকালৈ কৰ ৰেহাই
- ❒ এডুকেশ্বন ছেছ ৩ শতাংশহে সীমাবদ্ধ
- ❒ ক্ৰীড়াৰ বিকাশৰ বাবে ৪০০ কোটি টকা
- ❒ মণিপুৰত ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰ বাবে ১০০ কোটি টকা
- ❒ প্ৰতিৰক্ষা খণ্ডত ৪৯ শতাংশ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ
- ❒ সেনাবাহিনীৰ বাবে নিৰ্দ্ধাৰিত 'এক পদ এক পেন্সন' আঁচনিৰ বাবে অতিৰিক্ত ১,০০০ কোটি টকা আবণ্টন
- ❒ একতা বিধিৰ (ৰাষ্ট্ৰীয় প্ৰকল্প) বাবে ২০০ কোটি টকা আবণ্টন
- ❒ পাঁচটা পৰ্যটন চাৰ্কিটৰ বিকাশৰ বাবে ৫২০ কোটি টকা আবণ্টন
- ❒ ৫ লাখ ভূমিহীন কৃষকলৈ 'নাবাৰ্ড'ৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদান
- ❒ উন্নত গো-প্ৰজনন আৰু মাছৰ বৃদ্ধিৰ বাবে ৫০ কোটি টকা
- ❒ প্ৰতিঘৰ মানুহলৈ দিনটোৰ ২৪ ঘণ্টাই বিশুদ্ধ খোৱাপানী যোগানৰ প্ৰতিশ্ৰুতি
- ❒ অনুসূচিত জাতিৰ উন্নয়নৰ বাবে ৫০,৫৪৮ কোটি টকা
- ❒ প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাৰ বাবে ১৪,৩৮৯ কোটি টকা আবণ্টন

### বাজেটৰ প্ৰত্যাশা

সাম্প্ৰতিক চৰকাৰৰ প্ৰথম বাজেটখনৰ পৰা ব্যৱসায়ী, বিনিয়োগকাৰী আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰেডিট ৰেটিং এজেন্সিসমূহে ভৱিষ্যত সংস্কাৰৰ বহল দিশৰ কাৰণে লক্ষ্য কৰিব। বিকাশক উৎসাহিত কৰা তথা মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ বাবে কি কৌশল অৱলম্বন কৰিব তাৰ ওপৰতো চকু দিব। নীতি পৰিকাঠামোৰ ক্ষেত্ৰত কিমান স্থিৰতা বজাই ৰাখিব তথা চৰকাৰী প্ৰশাসনত স্বচ্ছতা আৰু কৰ্মক্ষমতা বৃদ্ধিৰ বাবে কিমান প্ৰয়াস কৰিব সেয়াও লক্ষ্যৰ বিষয় হ'ব। ইয়াৰ লগতে চৰকাৰী কৰ ৰাজহলৈ অধিক পৰিমাণে বৰঙণি যোগোৱা মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে কিছু সকাহ পোৱাটোও আশা কৰে।

বাজেটত ২০১৩-১৪ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাৰ প্ৰতি কোনো বিশেষ বিষয় উল্লেখ নকৰিলেও বাজেট যুগুতাবৰ কাৰণে পেছাদাৰী দৃষ্টিভঙ্গীৰে যিকোনো বিত্তমন্ত্ৰীৰ বাবে দিক্ দৰ্শনকাৰী নথিৰূপে সাধাৰণতে ইয়াক ধৰি লয়। উক্ত সমীক্ষাই ভাৰতীয় অৰ্থনীতিৰ কেবাটাও বিষয় সম্পৰ্কে বাজেটখন উপস্থাপন কৰাৰ প্ৰাক্ কালত বিশ্লেষণ দাঙি ধৰে। লগতে ই নীতি, প্ৰতিষ্ঠান আৰু প্ৰক্ৰিয়াসমূহৰ ক্ষেত্ৰত সংস্কাৰ সাধন ব্যৱস্থা হাতত লোৱাৰ

কৌশল তথা মানচিত্ৰৰ বিষয়ে আভাস দিয়ে। ভাৰতীয় অৰ্থনীতিৰ সমীক্ষাত কৰা সেই উল্লেখ্য বিষয়বোৰ হ'ল— শক্তি, দুৰ্বলতা, সুযোগ-সুবিধা আৰু সন্মুখত আহি পৰা ভাবুকি। উক্ত সমীক্ষাই বাস্তৱিকতেই ইয়াৰ কৰণীয় কাৰ্যৰ সমল দাঙি ধৰে; আৰু এই ক্ষেত্ৰত প্ৰথম বাজেটখনত সকলো বিষয় যে সমাধান কৰিব পৰা নাযায় সেইটো স্পষ্টভাৱে বেকত কৰে। প্ৰকৃততে ই পৰৱৰ্তী পাঁচ বছৰ কালৰ কাৰণে অগ্ৰগতি আৰু সংস্কাৰৰ বাবে পথৰ আভাস দিয়ে। বিত্তমন্ত্ৰীয়ে যদি দুই-তিনি শাৰী অতিৰিক্ত বাক্য দাঙি ধৰিলেহেঁতেন তেনেহ'লে তেওঁক অনাৱশ্যক সমালোচনা কৰাৰ পৰা হাত সাৰিব পাৰিলেহেঁতেন। তেওঁৰ দুঘণ্টাজোৰা দীঘলীয়া ভাষণ কালত অৰ্থনৈতিক সমীক্ষাত পৰামৰ্শ আগবঢ়োৱা পথকেই অনুসৰণ কৰিবলৈ চৰকাৰৰ দায়বদ্ধতা তথা সম্পূৰ্ণৰূপে সেই বিষয়বোৰ মানি ল'ব বুলি উল্লেখ কৰা হ'লেই তৰ্কৰ ওৰ পৰিলহেঁতেন।

অৱশ্যে সমীক্ষাত উল্লেখ কৰা বহু পৰামৰ্শ বিত্তমন্ত্ৰীয়ে বিশেষভাৱে সদৰি নকৰাকৈ গ্ৰহণ কৰে, আৰু যদি সমীক্ষা আগবঢ়োৱা অন্যান্য বিষয়বোৰ মূলতঃ গ্ৰহণ কৰিম বুলি উদাৰভাৱে ব্যাখ্যা কৰিলেহেঁতেন তেনেহ'লে ভৱিষ্যৎ সংস্কাৰৰ বাবে বহল দৃষ্টিভংগীৰ ক্ষেত্ৰত চৰকাৰৰ স্পষ্টতা থকা কথাটো বুজিব পৰা গ'লহেঁতেন। সমীক্ষাত স্পষ্টভাৱে কোৱা হৈছে যে বিধি-নিয়ম, প্ৰতিষ্ঠান আৰু প্ৰক্ৰিয়াসমূহ পূৰ্বৰ কেন্দ্ৰীয় পৰিকল্পনা দৰ্শনৰ পৰা গ্ৰহণ কৰা স্থিতিৰ পৰিৱৰ্তন সাধন হ'ব লাগিব। কাৰণ সেই স্থিতিত উদাৰমুখী বজাৰভিত্তিক দৰ্শনক গ্ৰহণ কৰিবলৈ অনুমতি নিদিলে তেনে কাম কৰা নিষেধ আৰু বজাৰৰ ক্ষেত্ৰত দেখা দিয়া অপাৰগতাক শুধৰাবলৈ তেনে কাম-কাজবোৰ কৰিবলৈ অনুমতি দিয়া নহয়। এই বিষয়বস্তু আৰু অৰ্থনীতিৰ শাসন সন্দৰ্ভত প্ৰয়োজনীয় পৰিৱৰ্তনৰ বাবে তাৰ যুক্তিযুক্ত পৰিণামৰ বিষয়ে সমীক্ষাত বৰ ভালদৰে বৰ্ণনা কৰা হয়।

বিত্তমন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত নীতি পৰিকাঠামোৰ স্থায়িত্ব বজাই ৰখা— বিশেষকৈ কৰ নীতি আৰু আনুক্ৰমিক নীতি পৰিৱৰ্তন এৰাই চলাৰ ক্ষেত্ৰত আশ্বাস দাঙি ধৰে। সেই একেদৰে বৰ্তমানৰ চৰকাৰখনে নীতিৰ ক্ষেত্ৰত আহি পৰা জড়তা ছিন্ন কৰিবলৈ খৰতকীয়াকৈ আগবাঢ়ি ওলাই আহিছে আৰু এই বাজেটৰ বাহিৰত থকা দীৰ্ঘ দিনৰ পৰা পৰি থকা প্ৰকল্পবোৰৰ ক্ষেত্ৰত সন্মতি লাভ কৰিবৰ কাৰণে বিভিন্ন উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। অৰ্থনৈতিক বিকাশক পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰি বিত্তমন্ত্ৰীয়ে বাজেটত বহুতো ব্যৱস্থা ৰাখিছে।

**অৰ্থনৈতিক বিকাশ পুনৰুজ্জীৱিত-কৰণৰ ব্যৱস্থা**

বছৰটোৰ অৰ্থনৈতিক বিকাশ হ'ল সঞ্চয় পুঁজিৰ বিনিয়োগৰাশিক অধিকতৰ উৎপাদন কাম-কাজৰ বাবে ৰূপান্তৰ সাধন কৰাৰ ফলবিশেষ। যি অতিৰিক্ত মূলধনী পুঁজি থাকে তাকো উপযুক্ত কামত লগোৱাৰ আৱশ্যক হয়। অতিৰিক্ত মূলধনী পুঁজিৰ বাবদ কিমান উৎপাদনশীল স্তৰ প্ৰাপ্ত কৰা হৈছে তাক বৰ্দ্ধিত মূলধনেৰে কিমান উৎপাদন প্ৰাপ্ত কৰা হয় তাৰ সমানুপাত হিচাপত মাপ কৰা হয়। এই সমানুপাত হিচাপে এটা অতিৰিক্ত গোটে উৎপাদন সাধন কৰিবলৈ কিমান পুঁজি বিনিয়োগ কৰাৰ প্ৰয়োজন তাৰ লেখ দাঙি ধৰে। ২০০৯-১১ বৰ্ষৰ কালছোৱাত আমাৰ বিনিয়োগৰ গড় হিচাপৰ হাৰ আছিল ৩৬.৭ শতাংশ আৰু বিকাশ হাৰ আছিল ৯ শতাংশ। সেই হিচাপত চাবলৈ গ'লে বৰ্দ্ধিত মূলধনী পুঁজিৰ উৎপাদন আছিল ৪.১। অৰ্থাৎ প্ৰায় ৪.১ শতাংশ বিনিয়োগ-ৰাশিয়ে মুঠ ঘৰুৱা উৎপাদনত ১ শতাংশ বৃদ্ধি সঞ্চাৰ কৰিব। পূৰ্বৰ বছৰবোৰতো যেতিয়া আমাৰ বিকাশ হাৰ আছিল প্ৰায় ৮ৰ পৰা ৯ শতাংশৰ ভিতৰত তেতিয়া বৰ্দ্ধিত মূলধনী পুঁজিৰ বাবদ হোৱা উৎপাদন আছিল প্ৰায় ৪ৰ পৰা ৪.১ শতাংশ। পিছে যোৱা তিনি বছৰত নীতিৰ স্থবিৰ গতি অনুভৱ কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে বৰ্দ্ধিত মূলধনী পুঁজিৰ সমানুপাত হাৰ যথেষ্ট পৰিমাণে বৃদ্ধি পায়। যিমানখিনি ক্ষমতা আছ তাক কমভাৱে কামত লগোৱাৰ কাৰণেই তেনে হয়। ফলস্বৰূপে আমাৰ বিনিয়োগৰ হাৰ ৩৪-৩৫ শতাংশলৈ বৃদ্ধি হ'বলৈ ধৰে; কিন্তু আনপিনে বিকাশ হাৰ প্ৰায় ৪.৫ আৰু ৬ শতাংশৰ ভিতৰত অৱনমিত হয়।

খৰতকীয়া আৰু নিশ্চিত কাৰ্য ব্যৱস্থাই বৰ্দ্ধিত মূলধনী পুঁজি আৰু উৎপাদন সমানুপাতৰ হাৰ হ্ৰাস কৰাত সুফল দিব আৰু তাৰ দ্বাৰাই আনকি বিনিয়োগৰ একেই হাৰতেই বিকাশ হাৰ সোনকালে বৃদ্ধি পাব। বাজেটৰ আওতাৰ বাহিৰত এয়া ইতিমধ্যে হৈছেই। অৱশ্যে বাজেটে বিকাশ সাধন কৰাত যথেষ্ট উৎসাহিত কৰে। অৰ্থনীতিত সঞ্চয়ক উৎসাহিত কৰি সেয়া সম্ভৱ কৰি তোলে। এয়া কেৱল কৰ ৰেহাইৰ জৰিয়তে ঘৰুৱা খণ্ডতেই নহয়, নিৰ্দিষ্ট উৎসাহমূলক ব্যৱস্থাৰে কৰ্পোৰেট খণ্ডতো ইয়াক সাধন কৰে। চৰকাৰী

খণ্ডলৈ উত্তম বিত্তীয় শৃংখলা তথা উন্নত ব্যৱসায়ৰ পৰিৱেশৰ হেতু অধিকতৰ সঞ্চয় প্ৰাপ্ত কৰিব। ৰাজসাহায্য কৰ্তন কৰাৰ ক্ষেত্ৰত কিছু কঠিন সিদ্ধান্ত গ্ৰহণ মৰ্মেও অনাকাংখিত ব্যতিক্ৰমী ঘটনাৱলী হ্ৰাস কৰিব আৰু লগতে উদ্যোগসমূহলৈ অধিক ৰাজহ অনাত বৰঙণি যোগাব।

অধিক সঞ্চয়ৰ হাৰে পুঁজিসমূহক পুষ্ট কৰি তুলিব। সুতৰ হাৰৰ ওপৰত থকা চাপ হ্ৰাস কৰিব। যিহেতু বাজেটত কঠোৰ আৰু প্ৰত্যাহ্বানমূলক বিত্তীয় ঘাটিৰ লক্ষ্যৰ প্ৰতি গুৰুত্ব দিয়া হ'ব, সেই কাৰণে অধিক পৰিমাণৰ বিনিয়োগযোগ্য সম্পদ লাভ হ'ব— যাৰ দ্বাৰা ৰাজহুৱা খণ্ডই উৎপাদনমূলক বিনিয়োগৰ পথ প্ৰশস্ত কৰিব। এই ব্যৱস্থাৰ জৰিয়তেও সুতৰ হাৰৰ ওপৰত চাপ হ্ৰাস কৰিব। ই অৰ্থনীতিৰ ক্ষেত্ৰখনত ঘৰুৱা তথা বিদেশৰ বিনিয়োগ উভয়কে উৎসাহিত কৰিব। সুস্থিৰ নীতিৰ পৰিকাঠামোৰ প্ৰতি থকা আশ্বাস তথা পশ্চাৎ অনুক্ৰমিক (ৰেট্ৰ'স্পেক্টিভ) কোনো নীতি অন্তৰ্ভুক্ত নকৰিবলৈ কৰা দায়বদ্ধতাই বিনিয়োগ-কাৰীসকলৰ ক্ষেত্ৰত থকা নীতি সম্পৰ্কিত আশংকা হ্ৰাস কৰিব।

সেই একেদৰে ব্যয়ৰ ক্ষেত্ৰখনতো বিভিন্ন ঘোষণাৱলী আছে। যিবোৰে অৰ্থনীতিৰ বিকাশৰ গতিক উৎসাহিত কৰিব। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— ৮৫০০ কিলোমিটাৰ পথ নিৰ্মাণ, বিশেষ অৰ্থনৈতিক মণ্ডল, বৰ্দ্ধিত পৰিমাণৰ কয়লা যোগান, ১০০ খন নতুন চহৰ নিৰ্মাণ, বস্ত্ৰ আৰু ভূ-সম্পত্তিৰ প্ৰতি উৎসাহ প্ৰদান ব্যৱস্থা। তেনেদৰে পণ্যাগাৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, জাহাজ, বিমান বন্দৰ, পুনৰ ব্যৱহাৰযোগ্য শক্তিকে ধৰি বিদ্যুৎ শক্তি, পেট্ৰ'ল তথা প্ৰাকৃতিক গেছ, বেংক ব্যৱস্থা, প্ৰতিৰক্ষা উৎপাদন আৰু পৰ্যটন খণ্ডই অৰ্থনৈতিক কাম-কাজত প্ৰকৃততেই উৎসাহ যোগাব আৰু তাৰ দ্বাৰা বিকাশ গতিৰ পথ মুকলি হ'ব।

**মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ**

যিহেতু ভাৰতত এইটো সু-স্বীকৃত যে চলিত উপভোক্তা বিষয়ক মুদ্ৰাস্ফীতি ঘাইকৈ যোগান দিশৰ কাৰণৰ দ্বাৰা হয়— বিশেষকৈ খাদ্য খণ্ডত; আৰু সেই বাবে বাজেটত আবণ্টন ৰাশি যোগান ধৰিবলৈ বিশেষ প্ৰচেষ্টা কৰা হৈছে। মজুত ক্ষমতা বৃদ্ধি কৰি ফল-মূল, শাক-পাচলি আৰু খাদ্যশস্যৰ ক্ষয়-ক্ষতি হ্ৰাস কৰিবলৈ বিচৰা হৈছে। লগতে কৃষকসকলক অধিক স্বাধীনতা প্ৰদান কৰিবলৈ এপিএমচি ব্যৱস্থাৰ সংস্কাৰ সাধিবলৈও আশ্বাস দিয়া হৈছে। এয়া অৰ্থনৈতিক সমীক্ষাত আগবঢ়োৱা পৰামৰ্শৰ মতেই একে ব্যৱস্থা কৰিবলৈ লোৱা হৈছে। বাজেটত এইটো অনুমান কৰি লোৱা হৈছে যে সকলো ব্যৱস্থা আৰু বাজেটৰ বাহিৰত লোৱা ব্যৱস্থাৱাজিৰেও বৰ্তমান স্তৰৰ ৪.৭ শতাংশৰ পৰা প্ৰায় ৬ শতাংশলৈ বিকাশ হাৰ উন্নীত কৰা সম্ভৱ হ'ব। এয়া ৰক্ষণমূলক পদক্ষেপ হ'ব পাৰে, কিন্তু এই বিত্তীয় বৰ্ষৰ মাত্ৰ আঠটা মাহহে বাকী আছে; সেয়ে তেনে কাৰ্য গ্ৰহণ কৰা যুক্তিসংগত যেনেই লাগে। যদি চাৰি মাহৰ ভিতৰত বিকাশ হাৰে গতি লাভ কৰে, তেনেহ'লে যোগানৰ ক্ষেত্ৰত থকা বাধাসমূহ যথেষ্টভাৱে হ্ৰাস কৰিব আৰু তাৰ ফলত মূল্যৰ ওপৰত পৰা হেঁচা লাঘৱ হ'ব।

তাৰ পাচতেই সামগ্ৰিক চাহিদাৰ নিয়ন্ত্ৰণ বিষয়টো আহি পৰে। ভাৰতত যথাযথভাৱে কিন্তু ভুলক্ৰমে পৰিস্থিতিৰ জোৰা মাৰিবলৈ ৰিজাৰ্ভ বেংকে সুতৰ হাৰ বৃদ্ধি কৰাৰ প্ৰতি ব্যগ্ৰ হোৱা কথাটো বিবেচনা কৰে বুলি কোৱা হয়। কিন্তু সঠিক স্থিতি হ'ল এই যে চৰকাৰৰ বিত্ত নীতিয়েহে অৰ্থনৈতিক ক্ষেত্ৰখনৰ সামগ্ৰিক চাহিদা পূৰণত অধিকভাৱে প্ৰভাৱান্বিত কৰে। চৰকাৰৰ মুঠ ব্যয়ৰ পৰিমাণ পূৰ্বৰ ১৪ শতাংশৰ পৰা মাত্ৰ ১৩.৭ শতাংশ মুঠ ঘৰুৱা উৎপাদনলৈ হ্ৰাস কৰি বৰ্তমানৰ বাজেটখনত ব্যক্তিগত খণ্ডৰ ব্যয় বঢ়াবৰ বাবে খালী ঠাইৰ সৃষ্টি কৰিছে। কৰ ৰেহাই ব্যৱস্থাই ব্যক্তিগত সঞ্চয় বৃদ্ধিৰ পথ প্ৰশস্ত কৰিব। তেনেদৰে বিত্তীয় ঘাটি পূৰ্বৰ ৪.৬ শতাংশ (জিডিপি) পৰা ৪.১ শতাংশলৈ হ্ৰাস কৰাৰ হেতু মুঠ চাহিদাৰ গতি নিম্নগামী কৰিব। আৰু ই নিশ্চয়কৈ প্ৰত্যাশিত মুদ্ৰাস্ফীতি অৱনমিত হোৱাৰ বাট মুকলি কৰিব আৰু তাৰ ফলস্বৰূপে থকা সময়ত প্ৰকৃত মুদ্ৰাস্ফীতিৰ গতি তললৈ যাব।

**বিত্তীয় শৃংখলা**

যিকোনো বাজেটতে বিত্তীয় শৃংখলা হ'ল অতি গুৰুত্বপূৰ্ণ বিষয়। বৰ্তমানৰ বাজেটৰ কাৰণেতো আৰু অধিক। ক্ৰেডিট ৰেটিং এজেন্সি আৰু আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীসকলৰ চকুত অৰ্থনৈতিক ভেটিত খেলি-মেলি সৃষ্টি কৰা ব্যৱস্থাবোৰৰ ক্ষেত্ৰত সঠিক পদক্ষেপ গ্ৰহণ কৰি অৰ্থনীতিক আগুৱাই লৈ যোৱাৰ সামৰ্থ্য বিত্তীয় শৃংখলাৰ ওপৰতেই নিৰ্ভৰ কৰিছে। সেয়ে বিত্তীয় দায়িত্ব আৰু বাজেট ব্যৱস্থাপনা, চমুকৈ এফ আৰ বি এম আইনৰ (ফিচ্‌কেল ৰেছপনছিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট) পুনৰবৰ্দ্ধিত লক্ষ্য প্ৰাপ্ত কৰিবৰ কাৰণে বিত্তমন্ত্ৰীয়ে বিত্তীয় সুদৃঢ়কৰণৰ পথৰ প্ৰতি সচেষ্ট হোৱাটো আৱশ্যক। ই সৰ্বমুঠ বিত্তীয় হিচাপ ঠাৰৰ কৰিবলৈ আৰু লক্ষ্য সাধনৰ প্ৰতি দায়বদ্ধ হ'বলৈ তিনি বছৰৰ আঁচনি তৈয়াৰ কৰাত

**চলিত বজাৰৰ মূল্যত জিডিপি-ৰ শতাংশ হাৰ হিচাপে মুঠ বিত্তীয় ধনৰাশি**

| বিষয় | ২০১৩-১৪ (পুনৰবৰ্দ্ধিত) | ২০১৪-১৫ (বাজেট হিচাপ) | ২০১৫-১৬ (লক্ষ) | ২০১৬-১৭ (লক্ষ) |
|---|---|---|---|---|
| মুঠ কৰা ৰাজহ | ১০.২ | ১০.৬ | ১০.৯ | ১১.২ |
| প্ৰকৃত কৰ ৰাজহ | ৭.৪ | ৭.৬ | ৭.৪ | ৭.৬ |
| অ-কৰ ৰাজহ | ১.৭ | ১.৪ | ১.৪ | ১.২ |
| সৰ্বমুঠ ব্যয় | ১৪.১ | ১৩.৭ | ১৩.১ | ১২.৫ |
| ৰাজসাহায্য | ২.৩ | ২.১ | ১.৭ | ১.৬ |
| ৰাজহ ঘাটি | ৩.৩ | ২.৯ | ২.২ | ১.৬ |
| মূলধনী সম্পদৰ বাবে মঞ্জুৰী | ১.৩ | ১.৩ | ২.২ | ১.৬ |
| উপযুক্ত আৰ ডি | ২.০ | ১.৬ | ২.২ | ১.৬ |
| নিৰ্বিনিয়োগ + পুনৰুদ্ধাৰ | ০.৩ | ০.৬ | ০.৭ | ০.৭ |
| বিত্তীয় ঘাটি | ৪.৬ | ৪.১ | ৩.৬ | ৩.০ |
| ঋণ/জিডিপি | ৪৬.০ | ৪৫.৪ | ৪৩.৬ | ৪১.৫ |

**উৎস ঃ** মধ্যকালীন বিত্তীয় নীতি বিবৃতি তথা চকুৰ পচাৰতে বাজেটৰ পৰা নিৰ্দ্ধাৰণ কৰা।

সহায় কৰিব। এই পথটো বিস্তৃত পৰিসৰৰ কাৰণে ২০১৪ চনৰ ফেব্ৰুৱাৰীত উপস্থাপন কৰা অন্তৰ্বৰ্তীকালীন বাজেটত উল্লেখ কৰা হৈছিল। পিছে সেই অনুশীলনত বিস্তৃত বিশ্লেষণৰ অভাৱ আছিল। সেয়া হয়তো অস্পষ্ট কাৰণতেই তেনেদৰে ৰখা হৈছিল। কাজেই বৰ্তমানৰ নতুন চৰকাৰখনৰ বাবে সেয়া প্ৰকৃততেই প্ৰত্যাহ্বানমূলক বিষয়। পিছে বিত্তমন্ত্ৰীয়ে এই প্ৰত্যাহ্বানক সাহসেৰে গ্ৰহণ কৰিছে।

তিনি বছৰীয়া বিত্তীয় লক্ষ্যত চৰকাৰৰ বহুতো নীতিৰ সিদ্ধান্ত থাকে— যিবোৰ সিদ্ধান্তই ব্যৱসায়ী, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীসকলক এই দেশখনৰ সুযোগ-সুবিধাসমূহৰ প্ৰতি নিৰ্দ্ধাৰণ কৰাত সহায় কৰিব।

বিত্ত মন্ত্ৰীয়ে তেওঁলোকৰ দলৰ ৰাজনৈতিক দৰ্শনৰ অনুক্ৰমেই বিত্তীয় প্ৰত্যাহ্বানক গ্ৰহণ কৰে। ক্ষুদ্ৰ চৰকাৰক এই দলটোৱে বিশ্বাস কৰে, কিন্তু উপযুক্ত আৰু অধিক প্ৰশাসনৰ ওপৰত গুৰুত্ব দিয়ে। এখন চৰকাৰৰ আকাৰৰ বাবে সাধাৰণতে ব্যৱহাৰ কৰা মাপকাঠি হ'ল জিডিপি-ৰ প্ৰতি মুঠ চৰকাৰী ব্যয়ৰ সমানুপাতৰ হাৰ। এই সন্দৰ্ভত উল্লেখ কৰা তালিকাখনত এই সমানুপাত হাৰ বছৰৰ পাছত বছৰ ধৰি ধীৰ গতিৰে অৱনমিত হোৱাটো দেখুওৱা হৈছে। ১৪ শতাংশৰ পৰা এই বিত্তীয় বৰ্ষত ১৩.৭ শতাংশলৈ অৱনমিত কৰা হৈছে আৰু ২০১৬-১৭ বৰ্ষৰ ভিতৰত ইয়াৰ হাৰ হ'বগৈ ১২.৫ শতাংশ। চৰকাৰী ব্যয়ৰ হ্ৰাস পৰিমাণে সেৱাসমূহৰ হ্ৰাসক প্ৰতিনিধিত্ব নকৰিবও পাৰে, কিয়নো চৰকাৰী-বেচৰকাৰী অংশীদাৰিত্বৰ প্ৰকল্পসমূহৰ জৰিয়তে ব্যক্তিগত খণ্ডকো জড়িত কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। সেয়ে চৰকাৰে অনাৱশ্যকভাৱে খৰচ নকৰাৰ অভিপ্ৰায় ঘোষণা কৰিছে আৰু ব্যক্তিগত খণ্ডৰ ব্যয়ৰ বাবে সুবিধা সৃষ্টি নকৰাৰ কথাও কৈছে।

মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হাৰ হিচাপে মুঠ কৰ ৰাজহ ২০১৩-১৪ বৰ্ষৰ ১০.২ শতাংশৰ পৰা ২০১৬-১৭ বৰ্ষত ১১.২ শতাংশলৈ বৃদ্ধি হ'ব বুলি কোৱা কথাটোৰ অৰ্থ কৰ হাৰ উৰ্দ্ধগামী হোৱাটো নহ'বও পাৰে। সেৱা কৰ আৰু চাইবাৰ কৰৰ ক্ষেত্ৰত কৰৰ ভেটি বহলাই তাক প্ৰাপ্ত কৰাৰহে অধিক সম্ভাৱনা আছে। ইয়াৰ দ্বাৰা পদ্ধতিটোক যথেষ্ট সক্ষম কৰি যুক্তিসংগত ধাৰা প্ৰদান কৰিবলৈ বিচৰা হৈছে। বিত্তমন্ত্ৰীয়ে ৰক্ষণশীলভাৱে আশা কৰাতকৈ অৰ্থনীতি অধিকভাৱে পুনৰ গতি লাভ কৰিলে তেওঁ মধ্যৱৰ্তী শ্ৰেণীক সকাহ দিয়াৰহে আশ্বাস দিছে। তাৰ বাবে তেওঁ সুকীয়া সম্পদৰাজি ব্যয় কৰাটো

নিবিচাৰে। বিত্তমন্ত্ৰীয়ে অনুমান কৰা মতে কৰ ৰাজহ বৃদ্ধি হোৱাটো অতীতৰ তথ্য-পাতিলৈ চাই সম্ভৱ হ'ব যেন লাগে।

ৰাজসাহায্য হ'ল অতি প্ৰাসংগিক ব্যয়ৰ বিষয়। লগতে ঋণৰ বাবদ সুত আদায় দিয়া কামটো আছেই। যি ক্ষেত্ৰত বিত্তীয় শৃংখলাই বিত্তীয় ঘাটিত ক্ৰমাগত হ্ৰাসৰ নিশ্চয়তা কৰিব, তেনে ক্ষেত্ৰত ঋণ তথা মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাতৰ হাৰ যথেষ্টভাৱে অৱনমিত হ'বলৈ বাধ্য। তদুপৰি এবাৰ মুদ্ৰাস্ফীতি আশা কৰে মতে পৰি আহিলে চৰকাৰৰ বাবে ঋণৰ হাৰো কমি আহিব। ফলস্বৰূপে কম সুতৰ হাৰ আৰু কম ঋণ তথা জিডিপিৰ সমানুপাত হাৰ কমিলে জিডিপি-ৰ শতাংশ হাৰ হিচাপে সুত আদায় দিয়াৰ পৰিমাণো হ্ৰাস পোৱাৰ সম্ভাৱনা আছে।

বিত্তীয় ব্যৱস্থাপনা কাম-কাজৰ বাবে ৰাজাসাহায্য এটা ডাঙৰ প্ৰত্যাহ্বানৰ বিষয়ৰূপে থিয় দিছে। খাদ্য, সাৰ আৰু পেট্ৰ'লজাত সামগ্ৰীৰ ৰাজসাহায্য মুঠ ২.৬ হাজাৰ কোটি টকাৰ ভিতৰত যি ২.৫ হাজাৰ কোটি টকা হয়। তাৰ পৰা পেট্ৰ'লজাত সামগ্ৰীৰ ৰাজসাহায্য ২০১৩-১৪ বৰ্ষৰ ০.৮৫৪৮০ হাজাৰ কোটি টকাৰ পৰা ২০১৪-১৫ বৰ্ষত ০.৬৩৪২৭ হাজাৰ কোটি টকালৈ কৰ্তন কৰা হ'ব। আন দুটাৰ ক্ষেত্ৰত ৰাজসাহায্য সামান্যভাৱে বাঢ়িব পাৰে— যাতে এই বিত্তীয় বৰ্ষত ৰাজসাহায্যৰ সামগ্ৰিক বৃদ্ধি কিছু পৰিমাণে ধৰি ৰাখিব পৰা যায়। যোৱা বছৰতকৈ ইয়াৰ পৰিমাণ হ'ব ১.৫ শতাংশ। পৰৱৰ্তী বৰ্ষত অৱশ্যে এই ৰাজসাহায্য ৪ শতাংশ অৱনমিত হ'ব আৰু তাৰ পাছত ৫ শতাংশ হ'বগৈ। ইয়াৰ ফলত ৰাজসাহায্যৰ ক্ষেত্ৰত ব্যয়ৰ পৰিমাণ ২০১৩-১৪ বৰ্ষৰ ২.৩ শতাংশ মুঠ ঘৰুৱা উৎপাদনৰ পৰা ২০১৬-১৭ বৰ্ষত ১.৬ শতাংশলৈ কমি আহিব। ইয়াক প্ৰাপ্ত কৰিবৰ বাবে বৰ্তমানৰ বাজেটত ৰাজহুৱা ব্যয় পৰিচালনা আয়োগক প্ৰতিষ্ঠা কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এই আয়োগ বিভিন্ন ৰাজসাহায্যক সুনিয়াৰি কৰি উপযুক্ত-ভাৱে লক্ষ্য সাধনৰ কামত নিয়োগ কৰিব, যিবোৰ সুৰুঙা আছে তাক বন্ধ কৰিব আৰু সংস্কাৰ সাধনেৰেই সমগ্ৰ প্ৰক্ৰিয়াক গতি দান কৰিব।

গতিশীল আঁচনিখনৰ আন এটা উল্লেখযোগ্য সফলতা হ'ল অহা বছৰৰ পৰা (২০১৫-১৬ বৰ্ষ) ৰাজহ ঘাটি শূন্যৰ ঘৰত প্ৰাপ্ত কৰাটো। পুনৰ বৰ্দ্ধিত বিত্তীয় দায়িত্ব আৰু বাজেট ব্যৱস্থাপনাৰ লক্ষ্য হ'ল উপযুক্তভাৱে ৰাজহ ঘাটি পূৰণৰ ব্যৱস্থা কৰা। মূলধনী সম্পদ সৃষ্টি কৰিবৰ বাবে কেন্দ্ৰৰ পৰা দিয়া মঞ্জুৰিসমূহৰ কিয়দংশ কাটি প্ৰাপ্ত কৰা হয়। কিন্তু পুঁজিৰ অৰ্থে লক্ষ্য কৰা গতিশীল বাজেটৰ অৰ্থ হ'ল মূলধনী সম্পদ সৃষ্টি কৰি মুঠ ঘৰুৱা উৎপাদনৰ (জিডিপি) হাৰ বৃদ্ধি কৰা— যাতে পৰৱৰ্তী বছৰটোত এই বিত্তীয় বৰ্ষৰ ১.৩ শতাংশৰ পৰা ২.২ শতাংশলৈ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধি কৰিব পাৰি। বিত্তমন্ত্ৰীয়ে উল্লেখ কৰাৰ দৰে এই কাৰ্য সাধন কৰা হ'ব মঞ্জুৰি দান কৰা কাৰ্যসূচীবোৰক পুনৰ গঢ়-গঠন দি। তেনে কাৰ্যসূচীৰ ভিতৰত উল্লেখযোগ্য হ'ল মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আইন। এনে ধৰণৰ আঁচনিবোৰত ব্যয়-উন্মেষ কৰাতকৈ উৎপাদনমূলক মূলধনী সম্পদ সৃষ্টি কৰাৰ ওপৰতহে আলোকপাত কৰা হ'ব।

**সামৰণি**

এই বাজেটখন বাস্তৱিকতেই এটি প্ৰত্যাহ্বানমূলক অনুশীলন। ইয়াক কেৱল ৪৫ দিনৰ ভিতৰতেই তৈয়াৰ কৰিব লগা হোৱা নাই, তদুপৰি অৰ্থনীতিত দেখা দিয়া বিত্তীয় আৰু মূল আৰ্থিক স্থিতিত খেলি-মেলি হোৱা অৱস্থা দূৰ কৰি স্পষ্ট ৰূপত গতি প্ৰদান কৰা। সাম্প্ৰতিক পৰিৱেশত অৰ্থনীতিৰ বাবে প্ৰয়োজন হোৱা বিষয়বোৰৰ ওপৰত আধাৰ কৰি বিত্তমন্ত্ৰীয়ে বান্ধি দিয়া লক্ষ্য প্ৰাপ্ত কৰিবৰ কাৰণে বাজেটত বহু প্ৰাসংগিক আৰু বৈশিষ্ট্যপূৰ্ণ প্ৰস্তাৱ দাঙি ধৰা হৈছে। কিন্তু দুৰ্ভাগ্যক্ৰমে এইখন তেওঁৰ প্ৰথম বাজেট হোৱা হেতুকে বিত্তমন্ত্ৰীয়ে প্ৰস্তাৱবোৰ ভালদৰে জুকিয়াই লৈ উপযুক্তভাৱে উপস্থাপন কৰিব নোৱাৰিলে। তেওঁ আগবাঢ়ি যাবৰ বাবে আৰু এই চৰকাৰখনৰ নীতিসমূহৰ ভৱিষ্যৎ দিক্ দৰ্শনৰ অৰ্থে অৰ্থনৈতিক সমীক্ষাক বিস্তাৰিতভাৱে উল্লেখ কৰাটো উচিত আছিল। কিন্তু তেওঁ সেইটো নকৰিলে। ফলস্বৰূপে তেওঁৰ দৃষ্টিভংগীৰ অভাৱ তথা ভৱিষ্যৎ দিক্ দৰ্শনৰ ক্ষেত্ৰত অস্পষ্টতা আছে বুলিহে যুক্তি আৰোপ কৰা হ'ল। কিন্তু ইয়াৰ বিপৰীতে তেওঁ প্ৰকৃততে বাজেটখনৰ বাবে সমীক্ষাত আগবঢ়োৱা বহু পৰামৰ্শ অনুসৰণ কৰে। অৱশ্যে তেওঁ এই ক্ষেত্ৰত তাৰ স্বীকৃতি দিয়া নাছিল।

বাজেটখনৰ সামগ্ৰিক প্ৰভাৱ আৰু বিত্তীয় সুদৃঢ়কৰণৰ বাবে গতিশীল আঁচনিৰ প্ৰতিৰূপ, বিনিয়োগ ভাৱধাৰা আৰু ব্যৱসায় সংক্ৰান্তীয় পৰিৱেশৰ ওপৰত অধিক ইতিবাচক হ'ব। বিকাশক পুনৰুজ্জীৱিতকৰণ তথা মুদ্ৰাস্ফীতিৰ গতি ৰোধ কৰাৰ ক্ষেত্ৰতো ই ফলদায়ক হ'ব। আন্তঃৰাষ্ট্ৰীয় ৰেটিং এজেন্সিবোৰেও এই বাজেটখন বিনিয়োগ পৰিৱেশৰ বাবে অতি ইতিবাচক ৰূপত পাব লাগে। ইয়াৰ বাহিৰেও যদিহে অৰ্থনীতিয়ে মূৰ দাঙি উঠে আৰু সেইটো হোৱাৰেই সম্ভাৱনা আছে, তেনেহ'লে সেই প্ৰতিষ্ঠানবোৰে নিজৰ অধিক সুবিধা গ্ৰহণ কৰাৰ আশা আছে— যাৰ দ্বাৰা বিনিয়োগ আৰু কাৰ্য ৰূপায়ণে সাৰ্থক ৰূপ ধাৰণ কৰিব। ❐

# ৰে'ল বাজেট ২০১৪ ঃ বাস্তৱৰ দিশে

**এছ শ্ৰীৰামন***

সংসদত অলপতে দাখিল কৰা ৰে'ল বাজেটৰ বিষয়ত মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। এই বাজেটৰ বিষয়ত 'সুন্দৰ আৰম্ভণি', 'বাস্তৱতাৰ নিৰ্দেশ' আৰু 'শুদ্ধ দিশত দৃঢ় পদক্ষেপ' আদি প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। আনহাতে পূৰ্বৰ বাজেটসমূহৰ দৰে এই বাজেটত দৰিদ্ৰ শ্ৰেণীটোক উপেক্ষা কৰা বুলিও প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। প্ৰথমতে, ৰে'লমন্ত্ৰীয়ে উল্লেখ কৰা প্ৰত্যাহ্বানসমূহ আৰু তাৰ পিছত কেইটামান উল্লেখযোগ্য প্ৰস্তাৱৰ ওপৰত চকু ফুৰোৱা হৈছে।

**বিষয়সমূহ**

এই বাজেটত প্ৰথমবাৰৰ কাৰণে প্ৰকৃত প্ৰত্যাহ্বানসমূহক দৃষ্টিগোচৰ কৰাইছে। দেশৰ বিভিন্ন ঠাইত বিশেষকৈ সামগ্ৰী পৰিবহণৰ কাৰণে ৰে'লৰ দৰে সুচল পৰিবহণ ব্যৱস্থাৰ আজিও প্ৰসাৰ ঘটা নাই। ই বিকাশৰ ক্ষেত্ৰৰ গভীৰ প্ৰত্যাহ্বান— যিটো পূৰ্বতে বহুবাৰ নীতি প্ৰণয়নকাৰীসকলক আঙুলিয়াই দিয়া হৈছিল। অনুন্নত অঞ্চলসমূহৰ বিকাশৰ বৃহৎ পৰিকল্পনাৰ অংশ হিচাপে এই প্ৰস্তাৱত সঁহাৰি তথা চৰকাৰী সমৰ্থন প্ৰয়োজন। ইয়াৰ কাৰণে ক্ৰমাৎ হ্ৰাস পাই অহা বাজেট আৱণ্টন বৃদ্ধি কৰাৰ লগতে আন্তঃপুঁজি সংগ্ৰহ আৰু কাৰ্যকৰী তথা যুক্তিসংগত শুল্ক ব্যৱস্থাও ৰূপায়ণ কৰিব লাগিব। এই যুক্তিসংগত শুল্ক ব্যৱস্থা নোহোৱাটো প্ৰধান বিষয় হিচাপে আঙুলিয়াই দিয়া হৈছে। ৰে'ল বিভাগৰ দৰে বহু উৎপাদনমুখী উদ্যোগৰ ক্ষেত্ৰত আৰু উদ্যোগৰ অৰ্থনৈতিক চৰিত্ৰৰ পৰা পৃথক ভালেমান বিষয়ৰ সৈতে নীতি নিৰ্দ্ধাৰণকাৰীসকল মুখামুখি হ'ব লগা হৈছে। মূল্য নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত নিৰ্দিষ্ট ক্ষেত্ৰৰ পৰ্যায় তথা সুবিধা পোনপটীয়া ব্যৱস্থা গ্ৰহণ কৰাত সহায়ক নহয়। বৰ্দ্ধিত অৰ্থনীতিত সামান্য মূল্যবৃদ্ধিয়ে উদ্যোগটোৰ ক্ষতি নকৰে। তদুপৰি কাৰ্যকৰী অৰ্থনীতিৰ সহযোগী ব্যয়ৰ ক্ষেত্ৰৰ অংশগ্ৰহণে প্ৰতি উৎপাদনৰে পাৰ্থক্যও ৰাখিব নোৱাৰে যাতে ই খেয়াল খুচিমতে নহয়। তেনে ব্যৱস্থা সামান্য মূল্য বৃদ্ধিৰ বিকল্প হ'ব নোৱাৰে যিহেতুকে প্ৰতিযোগিতাৰ ক্ষেত্ৰখনত যুক্তিসংগত মূল্যৰ তাৎপৰ্য আছে। সুদৃঢ় মূল্যমান নিৰূপণ নীতিও আছে। যিবোৰে অৰ্থনৈতিক কাৰ্যকুশলতা বৃদ্ধি কৰাৰ লগতে সংস্কাৰৰ ক্ষেত্ৰত বাধা-বিঘিনিসমূহো দূৰ কৰিব পাৰে। এই সূত্ৰসমূহে ৰে'ল বিভাগৰ সকলো অনাৰোপিত স্থিৰ তথা সাধাৰণ মূল্যকে চাহিদা অনুযায়ী উপভোক্তা সেৱাত প্ৰদান কৰিব পাৰিব। প্ৰতিটো সেৱাকে সামান্য উৰ্দ্ধমূল্যত ৰাখি মূল্য আৰু প্ৰয়োজনীয়তাৰ দক্ষ অৰ্থনীতি আগবঢ়াই নিব পাৰিব। সেয়ে চাহিদাৰ পৰিসৰ যি ক্ষেত্ৰত অধিক সেই ক্ষেত্ৰত সামান্য মূল্যবৃদ্ধিৰ প্ৰয়োজন। অৱশেষত এই সূত্ৰসমূহৰ ফলত মূল্যৰ এটা গাঁথনি তৈয়াৰ হয়। যিটোৱে পিছলৈ মূল্য হ্ৰাসকৰণত সহায় কৰিব আৰু ৰে'লসেৱা প্ৰসাৰণত সহায়ক হ'ব। সেৱা মূল্যমান নীতি হিচাপে জনাজাত এই সূত্ৰসমূহ অন্য দেশৰ লগতে ভাৰতীয় ৰে'ল ব্যৱস্থাতো প্ৰয়োগ কৰা হৈছে। পথ পৰিবহণ ব্যৱস্থাৰ ব্যাপক প্ৰসাৰৰ লগে লগে শুল্কৰ ক্ষেত্ৰৰ পাৰ্থক্যও যথেষ্ট কমি আহিছে আৰু পূৰ্বতকৈ ৰাজহো হ্ৰাস পাইছে। তথাপি ৰে'ল বিভাগৰ স্বাৰ্থৰ পৰিপন্থী হোৱাকৈ সামগ্ৰী পৰিবহণ শুল্কও এটা সীমাৰ বাহিৰলৈ বৃদ্ধি কৰিব নোৱাৰি। বৰ্তমান ৰে'ল বিভাগৰ শুল্ক নিৰ্দ্ধাৰণ পদ্ধতি যে যুক্তিসংগত নহয় সেইটো প্ৰমাণিত হৈছে সা-সামগ্ৰী পৰিবহণৰ কাৰণে পথ পৰিবহণৰ প্ৰতি অধিক ঢাল খোৱাটোত। উচ্চ পৰ্যায়ৰ কমিটীখনৰ পৰামৰ্শ অনুযায়ী যোৱা তিনিটা দশকত সা-সামগ্ৰীৰ পৰিবহণ শুল্ক যথেষ্ট বৃদ্ধি কৰা হৈছে। বাজেটত উল্লেখ কৰা হৈছে যে যাত্ৰী ভাড়া আৰু প্ৰতি যাত্ৰীৰ বিপৰীতে প্ৰতি কিলোমিটাৰত ব্যয় যথেষ্ট কম ৰখা হৈছিল যিটো ২০০০-০১ আছিল ১০ পইচা আৰু ২০১২-১৩ত হৈছেগৈ ২৩ পইচা। তদুপৰি সা-সামগ্ৰী পৰিবহণ শুল্কৰ তুলনাত যাত্ৰীৰ ভাড়াও যথেষ্ট কম বৃদ্ধি পাইছে। কিছু সময়লৈ ইয়াক শুধৰাব লাগিব। অৱশ্যে ইয়াৰ বাবে বিভিন্ন সেৱা শুল্কৰ হিচাপ-নিকাচো শুদ্ধ হ'ব লাগিব। এইবোৰৰ জৰিয়তেহে

*এছ শ্ৰীৰামন মুম্বাই বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ পৰিবহণ অৰ্থনীতিৰ ৰালচান্দ হিৰাচান্দ প্ৰফেছাৰ

## চকুৰ পচাৰতে ৰেল বাজেট

- ❒ যাত্ৰীভাৰা আৰু মালভাৰা বৃদ্ধিৰ প্ৰস্তাৱ নাই
- ❒ মুম্বাই-আহমেদাবাদৰ মাজত বুলেট ট্ৰেইন
- ❒ ৫৮ খন নতুন ৰে'ল, ৯১ খন ৰে'লৰ যাত্ৰাৰ সম্প্ৰসাৰণ
- ❒ নতুন দিল্লী, মুম্বাই, চেন্নাই, কলকাতাৰ মাজত নতুন দ্ৰুতবেগী ৰে'ল
- ❒ দেশৰ ৯টা খণ্ডত ১৬০-২০০ কিলোমিটাৰলৈ ৰে'লৰ বেগ বৃদ্ধিৰ পৰিকল্পনা
- ❒ ধৰ্মীয় স্থানক সংযোগ কৰি নতুন পৰ্যটক ৰে'ল
- ❒ প্ৰতি মিনিটত ৭,২০০ অনলাইন টিকট বুকিং
- ❒ ম'বাইল ফোন, ডাকঘৰৰ জৰিয়তে ৰে'লৰ টিকট বুকিং
- ❒ ৰে'লৰ মহিলা যাত্ৰীৰ সুৰক্ষাৰ বাবে দবাত মহিলা ৰে'ল সুৰক্ষা জোৱানৰ নিয়োগ, চাৰি হাজাৰ মহিলা জোৱানক সাজু
- ❒ দেশৰ সকলো গুৰুত্বপূৰ্ণ ষ্টেচনতে শাৰীৰিক-ভাৱে দুৰ্বল আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে বেটাৰী চালিত গাড়ীৰ ব্যৱস্থা
- ❒ সকলো গুৰুত্বপূৰ্ণ ষ্টেচনতে ফুড ক'ৰ্ট স্থাপন, এছ এম এছ, ফোনযোগে খাদ্য অৰ্ডাৰৰ সুবিধা প্ৰদান
- ❒ প্ৰতিটো গুৰুত্বপূৰ্ণ ষ্টেচনতে চি চি টিভি কেমেৰা স্থাপন
- ❒ বিশেষ শ্ৰেণীৰ ৰে'লৰ বিনামূলীয়া ৱাইফাই সুবিধা
- ❒ ৫,৪০০ মানুহবিহীন ৰে'লৰে ক্ৰছিঙৰ বিলুপ্তি সাধন
- ❒ ৰে'লৰে বিশ্ববিদ্যালয় স্থাপন
- ❒ ৰে'লৰ সমস্যা নিৰ্ণয়ৰ বাবে আণ্টাছনিক ব্যৱস্থা প্ৰৱৰ্তন
- ❒ ৰে'লযাত্ৰীৰ সুৰক্ষাৰ বাবে ১৭ হাজাৰ আৰ পি এ জোৱানৰ নিয়োগ
- ❒ ৰে'লত যান্ত্ৰিক কাপোৰ ধোৱাৰ ব্যৱস্থা
- ❒ ৰে'লৰ আয়ৰ প্ৰতিটো টকাৰ ৪৫ পইচা যাত্ৰীৰ সুবিধাৰ্থে ব্যয়
- ❒ ৰে'লৰে প্ৰকল্পত এফ ডি আই-ৰ আগমন
- ❒ দূৰণিবটীয়া ৰে'লত স্বয়ংক্ৰিয়কৈ বন্ধ হোৱা দুৱাৰৰ ব্যৱস্থা কৰা

যুক্তিসংগত মূল্য নিৰ্দ্ধাৰণ নীতি প্ৰস্তুত কৰিব পৰা যাব। সমাজ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ৰাজ সাহায্যৰ বাণিজ্যিক আৰু সামাজিক সম্ভাৱনীয়তাক গণ্য কৰা নহ'ব। অৰ্থনীতিবিদসকলে সামাজিক সুফলসমূহৰ বিতৰণৰ সৈতে পুঁজি আবণ্টনভিত্তিক সামঞ্জস্যৰ কোনো যুক্তি নাই বুলি ঐক্যমত প্ৰকাশ কৰিছে। ৰে'ল পৰিবহণক অন্য পৰিবহণ ব্যৱস্থাতকৈ অধিক পৰিৱেশ অনুকূল বুলি ধৰি লৈ মূল্যমান নিম্ন কৰি ৰখা আৰু ইয়াৰ ফলত হোৱা লোকচানৰ জোৰা মাৰিবলৈ পৰিৱেশ প্ৰতিকূল পৰিবহণ ব্যৱস্থাৰ মূল্যবৃদ্ধি আৰু কৰ বৃদ্ধিৰ সহায় ল'ব লাগিব। অন্য অৰ্থত ৰাজাসাহায্য ব্যৱস্থাৰ সমাপ্তি ঘটাব লাগিব।

**বাজেট প্ৰস্তাৱসমূহ**

বহুতো আঁচনি আৰু প্ৰকল্প অসম্পূৰ্ণ হৈ থকা তথা বহুতৰ কামেই আৰম্ভ নোহোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰায়-পৰিকল্পনা-বন্দৰৰ ঘোষণা কৰাটো প্ৰকৃততেই আদৰণীয়োগ্য। ২০০৯ চনত ৰে'ল বিভাগে প্ৰকাশ কৰা শ্বেতপত্ৰত অসংখ্য প্ৰকল্প আৰু আঁচনিৰ উল্লেখ কৰা হৈছিল যদিও সেইবোৰৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ কৰা নহ'ল। এতিয়া সেইবোৰৰ বিষয়ে বিতং পৰ্যালোচনা চলাই যিবোৰ প্ৰকৃততে প্ৰয়োজনীয় সেইখিনিৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা আৰু যিবোৰৰ প্ৰয়োজনীয়তা কম বা যিবোৰৰ কামেই আৰম্ভ হোৱা নাই সেইবোৰ বাদ দিয়া উচিত। সীমামূৰীয়া অঞ্চল, অনুন্নত অঞ্চল-সমূহৰ সৈতে সংযোগ তথা অধিক সামগ্ৰী পৰিবহণ ব্যৱস্থাৰ বিষয়সমূহক অগ্ৰাধিকাৰ দিব লাগিব। তদুপৰি অধিক যাত্ৰী আহ-যাহ কৰা পথসমূহত ৰে'লৰ গতি বৃদ্ধি কৰা আৰু হাই স্পীড ৰে'লগাড়ী প্ৰৱৰ্তন কৰাটোৰ কেনো যুক্তি দেখা পোৱা নাযায়। যিহেতুকে এনে প্ৰস্তাৱসমূহ অধিক ব্যয়সাপেক্ষ সেয়ে বিদেশী বিনিয়োগৰ সম্ভাৱনা থাকিলেও এতিয়াই এইবোৰৰ প্ৰয়োজন বুলি ভবা নাযায়। ইয়াৰ বিকল্প হ'ব ৰাষ্ট্ৰীয় ঘাইপথৰ দৰেই ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ। এইটো সৰ্বজনবিদিত যে সোণালী চতুৰ্ভূজৰ দৰে ৰাষ্ট্ৰীয় ঘাইপথৰ ভালেমান অংশ এতিয়াও অসম্পূৰ্ণ আৰু ৰাজহুৱা কোষৰ বৃহৎ পৰিমাণৰ পুঁজিৰ প্ৰয়োজন। ইয়াৰ কাৰণ হৈছে আশা কৰা ধৰণে পৰিবহণ বৃদ্ধি নোপোৱাটো, যদিও পূৰ্বানুমানত ই যথেষ্ট বৃদ্ধি পাব বুলি দেখুওৱা হৈছিল। বুলেট ট্ৰেইনৰ ক্ষেত্ৰত অৱশ্যে যাত্ৰীৰ সংখ্যাৰ পৰা অনুমান কৰিব পাৰি যে ইয়াত পুঁজি বিনিয়োগৰ কোনো অসুবিধা নহ'ব। ইয়াৰ বাণিজ্যিক সফলতাই অনা-চৰকাৰী খণ্ডসমূহক বিনিয়োগৰ ক্ষেত্ৰত উৎসাহিত কৰিব। বিভিন্ন সামগ্ৰীৰ পৰিবহণ কৰা বিশেষকৈ দীৰ্ঘ দূৰত্বৰ ৰে'লসেৱা ব্যৱস্থা বৰ্তমান

অধিক উন্নত কৰাৰ প্ৰয়োজন আৰু এনে পৰিবহণৰ কাৰণে পৃথক ৰে'ল লাইনৰো প্ৰয়োজন। চহৰাঞ্চল আৰু আন্তঃ আঞ্চলিক যাত্ৰী পৰিবহণ ব্যৱস্থাৰ প্ৰসাৰ ঘটোৱা আৰু নিয়াৰি কৰাটোও আৱশ্যক। এনে ব্যৱস্থা বুলেট ট্ৰেইনতকৈও অধিক ফলপ্ৰসূ হ'ব।

নতুন ৰে'ল প্ৰৱৰ্তনৰ ক্ষেত্ৰত জনসমৰ্থন আদায়ৰ কাৰণে পূৰ্বৰ পৰম্পৰাকে অটুত ৰখা হৈছে। বিশেষজ্ঞ-সকলৰ মতে এই ক্ষেত্ৰতো অধিক প্ৰয়োজনীয়তা থকা ক্ষেত্ৰকহে অগ্ৰাধিকাৰ দিয়া উচিত। যাত্ৰী সেৱা আৰু পৰিবহণ সেৱাৰ ক্ষেত্ৰত যিহেতুকে প্ৰায় একেধৰণৰ সা-সুবিধাই আগবঢ়োৱা হয় সেয়ে নতুন ৰে'লসেৱা প্ৰৱৰ্তনে এনে সুবিধা সমানে আগবঢ়োৱাত প্ৰভাৱ পেলাব। কেতবোৰ বিশেষ পথত বিশেষকৈ হ্ৰস্ব দূৰত্বৰ পথত ৰে'লতকৈ পথ পৰিবহণ ব্যৱস্থাহে অধিক উপযোগী। চহৰ অঞ্চলৰ সেৱাৰ ক্ষেত্ৰত যাত্ৰীসকলে পোনপটীয়া সংযোগ ব্যৱস্থাকহে আদৰণি জনায়। বিশেষকৈ মহানগৰসমূহত ৰে'লসেৱাৰ সৈতে আন পৰিবহণ ব্যৱস্থাৰ সমন্বয় সাধন কৰাৰ প্ৰচেষ্টা লোৱা হৈছিল যদিও ই কোনো প্ৰগতি লাভ কৰাটো পৰিলক্ষিত নহ'ল। এনে ব্যৱস্থাত ৰে'ল বিভাগে স্থানীয় সেৱা প্ৰদানকাৰী সংস্থাৰ আস্থা লাভ কৰিব পাৰিব লাগিব। কিন্তু এইটো বুজা নাযায় যে বাংগালুৰুৰ দৰে নগৰত চহৰ সেৱাৰ সম্ভাৱনীয়তাৰ বিষয়ে ৰে'ল বিভাগে কিয় চিন্তা কৰিব লাগে, যি ক্ষেত্ৰত এনে সেৱাৰ নীতি নিৰ্দ্ধাৰণ চহৰ উন্নয়ন মন্ত্ৰণালয়ৰ অধীনত আৰু সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত স্থানীয় বিষয়া বা ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ ভিত্তিত হ'ব বুলি বহু আগতেই সিদ্ধান্ত লোৱা হৈছে। প্ৰণিধানযোগ্য যে স্থানীয় সেৱাৰ কাৰণে ভাৰতীয় ৰে'লৰ দৰে কেন্দ্ৰীয় সংস্থাক জড়িত কৰাতকৈ স্থানীয়ভাৱেই ইয়াক কৰা উচিত।

প্ৰকল্প সমন্বয়ৰক্ষী গোটৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰা হৈছে। এইটোৰ অতিকৈ প্ৰয়োজন কিয়নো প্ৰকল্প পৰ্যায়ত ৰাজ্য চৰকাৰসমূহৰ সৈতে সমন্বয় কম হোৱাৰ কাৰণেই প্ৰকল্প ৰূপায়ণত অবাবতে বহু সময় নষ্ট হয় আৰু প্ৰকল্প ব্যয়ো যথেষ্ট বৃদ্ধি পাই গৈ থাকে। নতুনকৈ প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰীয় পৰিবহণ বিকাশ নীতি প্ৰস্তুত কমিটীৰ প্ৰস্তাৱ অনুযায়ী নীতি আৰু ৰূপায়ণৰ ক্ষেত্ৰত সমন্বয় সাধনৰ কাৰণে কেন্দ্ৰীয় সমন্বয়ৰক্ষী কৰ্তৃপক্ষ গঠন হোৱাটো প্ৰয়োজন। এনে কৰ্তৃপক্ষ গঠন কৰাত ভাৰতীয় ৰে'ল বিভাগে আগভাগ ল'ব পাৰে। বিনিয়োগ বৃদ্ধিৰ প্ৰস্তাৱসমূহক আগবঢ়াই নিবলৈ ৰে'ল বিভাগে ট্ৰাক সেৱা উদ্যোগৰ সৈতে সমন্বয় ৰক্ষা কৰাটোও সমানেই গুৰুত্বপূৰ্ণ হ'ব।

সংস্কাৰৰ দিশত নীতি প্ৰস্তুতকৰণক ৰূপায়ণৰ বিষয়টোৰ পৰা পৃথক কৰা হৈছে। অৱশ্যে ই নতুন কথা নহয় এটা পুৰণি পৰামৰ্শ। সুপৰিকল্পিত প্ৰস্তুতিৰে ইয়াক আৰম্ভ কৰিব লাগিব। ই ৰে'ল বিভাগৰ বিভিন্ন কাৰ্যপন্থাক ৰূপায়ণৰ পৰ্যায়ত পৃথক পৃথক কৰাৰ সম্ভাৱনাও আছে। এনে প্ৰচেষ্টাই নিশ্চয়কৈ ৰে'ল বিভাগক নিগমলৈ আৰু পিছলৈ অনা-চৰকাৰী খণ্ডলৈ যোৱাত সহায় কৰিব। কিয়নো বিগত সময়ছোৱাত উৎপাদনী দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে ব্যক্তিগতকৰণৰ পোষকতা কৰি অহা হৈছিল। কল্যাণৰ দিশৰ পৰা আৰু সামাজিক বোজাৰ বিষয়ে বিবেচনা কৰিলে দেশখনৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনত ৰে'ল বিভাগে পেলোৱা প্ৰভাৱৰ বিষয়ত যি ক্ষতিৰ সন্মুখীন হৈ আহিছে তাৰ তুলনাত সম্ভাব্য লাভ নিশ্চয়কৈ অধিক হ'ব। কিন্তু ৰে'ল বিভাগৰ ব্যৱস্থাপকসকলৰ বৃহত্তৰ ৰাজহুৱা স্বাৰ্থ (সমাজ কল্যাণ)ৰ পৰম্পৰাগত প্ৰচেষ্টা পৰিত্যাগ কৰিব লাগিব। সম্পত্তিৰ অধিকাৰৰ সূত্ৰৰ ওপৰত ভিত্তি কৰি, য'ত ব্যৱস্থাপক-সকলে অংশীদাৰৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি সম অংশীদাৰিত্বৰে ব্যক্তিগত খণ্ডৰ সহযোগিতা নিশ্চিত কৰি ৰে'ল বিভাগক ৰাজহুৱা নিগম হিচাপে প্ৰতিষ্ঠা কৰাটো উচিত হ'ব। ব্যৱস্থাপনা পদ্ধতি আৰু পৰিচালন পদ্ধতিত দক্ষতা বৃদ্ধিৰ কাৰণে অতিকৈ প্ৰয়োজনীয় প্ৰযুক্তিবিদ্যাৰ প্ৰৱৰ্তনেৰে ই সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব আৰু বিত্তীয় বজাৰখনত সংস্থাটোক প্ৰতিযোগিতাৰ সুবিধা দিব।

শেষত, এইটো স্পষ্ট যে বাজেটখন বহু প্ৰতিশ্ৰুতিপূৰ্ণ কিন্তু এইবোৰৰ ৰূপায়ণৰ কোনো ব্যাখ্যা নাই। পৰৱৰ্তী বাজেটত এইবোৰ স্পষ্ট হোৱা দৰকাৰ। যিয়েই নহওক ৰে'ল বিভাগৰ সৰ্বাংগীন বিকাশ প্ৰাথমিক উদ্দেশ্য নিশ্চয়কৈ হ'ব লাগিব। ❒

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# দিল্লীত যমুনা পৰিষ্কাৰকৰণ ঃ বৰ্তমানৰ পৰিস্থিতি আৰু সমাধান ব্যৱস্থা

**ড° দীপশিখা শৰ্মা***

**১. প্ৰস্তাৱনা**

বিশ্বৰ ভালেমান ডাঙৰ নদীয়েই প্ৰদূষিত হৈ পৰিছে। যেনে— ইউৰোপৰ ৰাইন, ফ্ৰান্সৰ চেইন, আমেৰিকাৰ মিনেচটা আদিও প্ৰদূষণৰ কবলত পৰিছে। নদী প্ৰদূষণৰ প্ৰভাৱ ভাৰততো পৰিছে আৰু গংগা আৰু ব্ৰহ্মপুত্ৰ আদিও প্ৰদূষিত হৈছে। প্ৰৱৰ্তিত আন্তঃগাঁথনি আৰু নীতি ৰূপায়ণৰ বিফলতাৰ কাৰণেই এই নদীসমূহ প্ৰদূষিত হৈছে। ৰাষ্ট্ৰসংঘৰ বিশ্ব জল নিৰ্দ্ধাৰণ আঁচনিৰ স'তে বিশ্বৰ ২২৭ খন বৃহৎ নদীৰ জলপ্ৰবাহ বান্ধ আদিয়ে ৬০ শতাংশ বাধাগ্ৰস্ত কৰিছে আৰু নদীৰ নামনিত সোঁত কমি যোৱাৰ কাৰণে গেদ আৰু সাৰবিলাক ভালদৰে পৰিবাহিত হ'ব পৰা নাই। ফলত পানীৰ গুণাগুণ হ্ৰাস পোৱাৰ লগতে পৰিৱেশৰ ওপৰতো কুপ্ৰভাৱ পৰিছে। তেনেকৈয়ে ৰাজধানী চহৰ দিল্লীত প্ৰতিদিনে প্ৰায় ৩ বিলিয়ন লিটাৰ দূষিত পানী নিষ্কাষিত হয় আৰু ইয়াৰে আধাখিনিহে পৰিষ্কাৰ কৰা হয়, বাকীখিনি যমুনাত পেলোৱা হয় যিখিনি গংগী নদীলৈকো যায়। গংগী নদীৰ পানীৰ পূৰ্বৰ গুণাগুণ ঘূৰাই অনাৰ কাৰণে পৰিষ্কাৰকৰণৰ চৰকাৰী আঁচনি এখন ১৯৮৫ চনত আৰম্ভ কৰা হৈছিল, দুটা পৰ্যায়ত সম্পূৰ্ণ কৰাৰ বাবে। প্ৰথম পৰ্যায়টো আৰম্ভ হয় ১৯৯৩ত। এই আঁচনি জাপান বেংক ফৰ ইণ্টাৰনেচনেল ক'অপাৰেচন, ৰাষ্ট্ৰীয় নদী সংৰক্ষণ সঞ্চালকালয় (পৰিৱেশ আৰু বন মন্ত্ৰণালয়ৰ অধীনৰ)ৰ বিত্তীয় সাহায্যৰে ৰূপায়ণ কৰা হৈছে আৰু ইয়াত উত্তৰ প্ৰদেশ জল নিগম, হাৰিয়ানাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ, দিল্লী জল বৰ্ড তথা দিল্লী পৌৰ নিগম প্ৰকল্প ৰূপায়ণ সংস্থা হিচাপে আছে। এই আঁচনিৰ অধীনত হাৰিয়ানা, উত্তৰ প্ৰদেশ আৰু দিল্লী আছে। প্ৰথম পৰ্যায়ৰ কাম এপ্ৰিল ২০০২তে সম্পূৰ্ণ হ'ব লাগিছিল যদিও ২০০৩লৈকে চলিল। প্ৰথমে ১৫ খন চহৰ প্ৰদূষণমুক্তকৰণৰ কাৰণে বাছি লোৱা হৈছিল। ইয়াত হাৰিয়ানাৰ ৬ খন, উত্তৰ প্ৰদেশৰ ৮ খন আৰু দিল্লীৰ ১ খন চহৰ আছিল আৰু এই আঁচনিৰ কাৰণে জাপানৰ বেংকটোৱে ১৭.৭৭ বিলিয়ন য়েন অনুমোদন দিছিল (হাৰিয়ানা-৬ বিলিয়ন য়েন, উত্তৰ প্ৰদেশ ৮ বিলিয়ন য়েন, দিল্লী ৩.৭৭ বিলিয়ন য়েন)। ১৯৯৬ৰ এপ্ৰিলত উচ্চতম ন্যায়ালয়ে হাৰিয়ানাৰ অতিৰিক্ত আৰু ৬ খন চহৰ সামৰি ল'বলৈ নিৰ্দেশ দিয়ে যিটোৰ পুঁজি যোগান ধৰে পৰিৱেশ আৰু বন মন্ত্ৰণালয়ে। অৰ্থাৎ প্ৰথম পৰ্যায়ত মুঠ ২১ খন চহৰ সামৰি লোৱা হয়। ২০০৩ৰ মাৰ্চত দৈনিক ৭৫৩ নিযুত লিটাৰ পানী পৰিষ্কাৰ কৰিব পৰা প্ৰকল্প সম্পূৰ্ণ হয়। প্ৰথম পৰ্যায়ৰ প্ৰকল্পৰ অনুমোদিত ব্যয় আছিল ৫০৯ কোটি টকা। এই প্ৰকল্পত জাপানী সাহায্যৰ ৩০০ কোটি টকা বৈ যায় যিখিনি ১৫ খন চহৰৰ আঁচনিৰ বিভিন্ন কামত ব্যয় কৰা হয় আৰু আঁচনিখন ২০০৩ৰ ফেব্ৰুৱাৰীলৈ সম্প্ৰসাৰণ কৰা হয়। পৰ্যায়টোৰ সম্প্ৰসাৰিত কামৰ কাৰণে ২০০১ৰ মে'ত অতিৰিক্ত ২২২ কোটি টকা উলিয়াই দিয়া হয়। তদুপৰি ইণ্ডো-জাপানীজ কনচালটেণ্ট কনচৰ্টিয়ামক ৪ কোটি ৫ লাখ টকা মাচুল আদায় দিয়ে। সেয়ে প্ৰথম পৰ্যায়ৰ প্ৰকল্পত মুঠ ব্যয় হয় ৭৩২ কোটি টকা। এই কাম্য আঁচনিৰ বিত্ত যোগানত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে সম অংশীদাৰিত্ব গ্ৰহণ কৰে। অৱশ্যে ৰাজ্যসমূহে তেওঁলোকৰ পুঁজি যোগান ৩০ শতাংশ বৃদ্ধি কৰাৰ পিছত কেন্দ্ৰীয় চৰকাৰে ২০০১ত পুঁজি যোগান দুগুণলৈ বৃদ্ধি কৰে। প্ৰথম পৰ্যায়ত কাম-কাজৰ পিছতো কিন্তু আশানুৰূপ ফল লাভ নহ'ল। দেখা গ'ল যে পানী পৰিষ্কাৰকৰণৰ ক্ষেত্ৰত দিল্লী চৰকাৰে প্ৰতিষ্ঠা কৰা ক্ষমতাৰ পূৰ্ণ প্ৰয়োগ কৰিব পৰা নগ'ল।

সেয়ে এই ক্ষেত্ৰত আশানুৰূপ ফল লাভৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্ৰণালয়ে ২০০৪ৰ ডিচেম্বৰত ইয়াৰ দ্বিতীয় পৰ্যায়ৰ কাম আৰম্ভ কৰে আৰু ২০০৮ৰ ছেপ্তেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হয়। ২০০৩ৰ ৩১ মাৰ্চত জাপানী বেংটোৱে পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ সৈতে এখন নতুন ঋণ চুক্তি স্বাক্ষৰ কৰে আৰু প্ৰকল্পটোৰ মুঠ ব্যয়ৰ ৮৫ শতাংশ বন অৰ্থাৎ ১৩৩৩ কোটি য়েন ঋণত অনুমোদন জনায়। এই দ্বিতীয় পৰ্যায়ত প্ৰকল্পটোৰ কাৰণে বাজেট অনুমোদিত ধনৰ পৰিমাণ আছিল ৬২৪ কোটি টকা। যথা সময়ত প্ৰকল্পটো সম্পূৰ্ণ নোহোৱাত সময়সীমা ২০১১ৰ মাৰ্চলৈকে বঢ়াই দিয়া হয়। ইয়াৰ পানী পৰিশোধন ক্ষমতা আছিল দৈনিক ১৮৯ নিযুত লিটাৰ পানী পৰিষ্কাৰকৰণ আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ আঁচনি কোনো এখন ৰাজ্যতে সম্পূৰ্ণ নোহোৱাৰ কাৰণে সময় বৃদ্ধি

*ড° দীপশিখা শৰ্মা হাৰিয়ানা গুৰগাঁওস্থিত উইন ডি ফৰ্চ ব্যৱস্থাপনা সেৱা সংস্থাৰ ডব্লিউ আৰ এ ব্যৱস্থাপক

কৰিব লগা হোৱাটো তলৰ তালিকা-১ত প্ৰকাশ কৰা হৈছে।

আশ্চৰ্যজনক কথাটো হৈছে ইমান বিনিয়োগ আৰু সময়ৰ প্ৰয়োগ হোৱা সত্ত্বেও কিন্তু প্ৰদূষণৰ পৰিমাণ বৃদ্ধিহে পাই গ'ল। ১৯৮০ৰ বিঅ'ডি ল'ড দৈনিক ১১৭ টনৰ পৰা বৃদ্ধি পাই ২০০৮ত হয়গৈ দৈনিক ২৭০ টন।

তালিকা-২ত ১৯৯৬ আৰু ২০০৯ বিভিন্ন ঠাইৰ পানীৰ গুণাগুণ দেখুওৱা হৈছে।

দ্বিতীয় পৰ্যায়ৰ প্ৰগতিৰ পাচত কেন্দ্ৰীয় চৰকাৰে ২০১১ৰ ডিচেম্বৰত ইয়াৰ তৃতীয় পৰ্যায়ৰ কাৰণে অনুমোদন জনায় আৰু ১৬৫৬ কোটি টকাৰ ব্যয় দিল্লীত সোমাইছে আৰু দিল্লীত পানী যোগানৰ কাৰণে ৱাজিৰাবাদত এটা বান্ধ নিৰ্মাণ কৰাৰ পাচত নদীখনৰ পানীৰ সোঁত যথেষ্ট হ্ৰাস পাইছে। ইয়াৰ পাচতে ঘৰুৱা তথা ঔদ্যোগিক ক্ষেত্ৰৰ যথেষ্ট অপৰিশোধিত পানী নদীখনত পৰে। এই বান্ধটোৰ পৰা ২৫ কিলোমিটাৰমান বৈ যোৱাৰ পাচতে জলসিঞ্চনৰ কাৰণে আছে আগ্ৰা কেনেল আৰু ওখ্‌লা বান্ধ। ফলত শুকান বতৰছোৱাত এই বান্ধত প্ৰায় পানী নাথাকেই। এই বান্ধৰ পাচতেই নদীখনত পূব দিল্লী, নয়দা আৰু চাহিবাবাদ অঞ্চলৰ ঘৰুৱা আৰু ঔদ্যোগিক অপৰিষ্কাৰ পানী পৰে। শেষত প্ৰায় ১৩৭০ কিলোমিটাৰ বৈ অহাৰ পাচত আন সৰু-সুৰা নদীৰ এই নদীৰ পানী ঘৰুৱা, ঔদ্যোগিক আৰু জলসিঞ্চনৰ কামত প্ৰয়োগ কৰা হয়।

**২.১ দিল্লীৰ পানী আৰু প্ৰদূষিত পানী**

ৰাজধানী চহৰ দিল্লীৰ পানীৰ প্ৰধান উৎস হৈছে তিনিটা— ভূভাগৰ পানী, ভূগৰ্ভস্থ পানী আৰু বৰষুণৰ পানী। ঘৰুৱাভাৱে আৰু উদ্যোগ আদিত উৎপন্ন প্ৰদূষিত পানীখিনি নৰ্দমাৰ জৰিয়তে নদীত পৰেগৈ। কিন্তু কৃষিক্ষেত্ৰৰ পানীখিনি মাটিত সোমাই ভূগৰ্ভস্থ পানীৰ সৈতে মিহলি হয়। বাৰিষাৰ সময়ত হোৱা বানপানীয়েও ওপৰভাগৰ দূষিত পদাৰ্থখিনি বোৱাই নি নদীখনত পেলায়। চহৰখনলৈ যোগান ধৰা পানীখিনিৰ ৮০ শতাংশ পানীয়েই

**তালিকা-১ ঃ প্ৰকল্প পৰ্যায় ১ আৰু ২ত ৰাজ্য অনুযায়ী বিনিয়োগ আৰু আঁচনি**

| | পৰ্যায়-১ | | | পৰ্যায়-২ | | |
|---|---|---|---|---|---|---|
| | দিল্লী | হাৰিয়ানা | উত্তৰ প্ৰদেশ | দিল্লী | হাৰিয়ানা | উত্তৰ প্ৰদেশ |
| অনুমোদিত ব্যয় (বিলিয়ন ডলাৰ) | ১.৮১ | ২.৪২ | ২.৪২ | ৪.৬৯ | ৬.৩৪ | ১.১৫ |
| ভাৰত চৰকাৰে প্ৰদান কৰা পুঁজি (বিলিয়ন টকা) | ১.৭৭ | ১.৭৮ | ২.৪০ | ১.২১ | ০.৪৮ | ০.৫৮ |
| অনুমোদিত আঁচনি | ১২ | ১১১ | ১৪৬ | ১১ | ১৬ | ৫ |
| সম্পূৰ্ণ হোৱা আঁচনি | ১২ | ১১১ | ১৪৬ | ০ | ৬ | ১ |

ধাৰ্য কৰে। ইয়াত যমুনা নদীৰ দিল্লীছোৱাৰ ওপৰত গুৰুত্ব দিয়া হয়।

**২. দিল্লীত যমুনা নদী**

যমুনাৰ দিল্লীৰ অংশটোৱেই হৈছে আটাইতকৈ বেছি প্ৰদূষিত (তালিকা-৩)

তালিকা-৩ অনুযায়ী প্ৰকল্প পৰ্যায় ১ আৰু ২ সম্পূৰ্ণ হোৱাৰ পাচতো নদীখনৰ পানী আৱশ্যকীয় মানত উপনীত হ'ব পৰা নাই। পানীৰ গুণাগুণ আৰু বৃহৎ ব্যয় তথা সময়ৰ পৰিপ্ৰেক্ষিতত আঁচনিখন নতুনকৈ যুগুত কৰাটো প্ৰয়োজন। নদীখনে ২২৪ কিলোমিটাৰ বৈ অহাৰ পাচত পাল্লা গাঁৱত পানী পায় আৰু এলাহাবাদৰ প্ৰয়াগত ভূগৰ্ভস্থ নদী সৰস্বতী তথা গংগাৰ সৈতে মিলিত হয়। দেশৰ মুঠ মাটিকালিৰ ১০.৭%ই এই নদী অৱবাহিকাৰ অধীনত। নদীখনত থকা ৫টা বান্ধে গোটেই বছৰটোৱেই পানীৰ সোঁত অস্থিৰ কৰি ৰাখে। অক্টোবৰৰ পৰা জুনৰ ভিতৰত নদীখন বহু ঠাইত প্ৰায় শুকাই থাকে অৱশ্যে বাৰিষাৰ সময়ছোৱাত এই স্থানসমূহত বানপানী হয়। সমগ্ৰ অৱবাহিকাটোত প্ৰায় ৬ নিযুত হেক্টৰ ভূমিত নদীখনৰ পৰা জলসিঞ্চন কৰা হয়। প্ৰদূষিত হয় আৰু এইখিনি ১৭টা এছ টি পি আৰু ১৩টা চি ই টি পি-ত পৰিশোধন কৰি পানীখিনি নদীখনত পেলোৱা হয়। নদীখনৰ দিল্লীৰ ওচৰৰ ৱাৰ্জৰাবাদ বেৰেজৰ পিছৰখিনিত ১৩টা নৰ্দমাৰ জৰিয়তে দূষিত পানী পৰাৰ কাৰণে নদীখনৰ পানীও অতিকৈ প্ৰদূষিত হৈছে। চহৰখনৰ দৈনিক ৬৫৫.৫ মিলিয়ন গেলন দূষিত পানী ওলাই আৰু ইয়াৰে কেৱল ৩১৬.৭ মিলিয়ন গেলন পানীহে পৰিশোধন কৰা হয়। ইয়াৰ পৰা স্পষ্ট হয় যে ট্ৰিটমেণ্ট প্লেণ্টবোৰৰ ক্ষমতাৰ

**তালিকা-৩ ঃ দিল্লীৰ নিজামুদ্দিনত যমুনাৰ পানী প্ৰদূষণৰ বাৰ্ষিক গড়**

| বছৰ | ডি অ' (মিঃগ্ৰাঃ/লিটাৰ) | বি ডি অ' (মিঃগ্ৰাঃ/লিটাৰ) | টি টি (এমপিএন/১০০ মিঃলিঃ) |
|---|---|---|---|
| ১৯৯৫ | ৩.৪ | ৯.৬ | ৩৮৬০৯১ |
| ২০০৫ | ১.৬ | ১০.০০ | ১২২০০০০০ |
| ২০০৯ | ০.০ | ২৩.০০ | ২২৫১৬৬৬০ |
| ষ্টেণ্ডাৰ্ড | ২.৪ | ≤ ৩ | ৫০০০ |

পূৰ্ণ ব্যৱহাৰ হোৱা নাই। এই প্লেন্টবোৰৰ অধীনৰ নৰ্দমাবোৰ তলত দিয়া ধৰণৰ।

তদুপৰি নদীখনত হিন্দন নদীৰে বৈ অহা আবৰ্জনা আৰু দূষিত পদাৰ্থও পৰেহি। নজফগড় নৰ্দমাৰে মুঠ প্ৰদূষিত পানীৰে ৭২.৭% বৈ আহে। প্ৰদূষিত পানীৰ কৰনেচন পিলাৰ প্লেন্টত প্ৰতিদিনে ৩৭.৭ নিযুত গেলন কেশপুৰ প্লেন্টত ১৯.৯১ নিযুত গেলন, ৰিমালাত ৫ নিযুত গেলন আৰু সেন নাৰ্ছিং হ'ম প্লেন্টত ২.২ নিযুত গেলন পৰিশোধিত হয়। দিল্লীৰ ২০২১ মাষ্টাৰ প্লেন অনুযায়ী ট্ৰিটমেণ্ট আৰু পৰিশোধন ক্ষমতা বৃদ্ধি কৰিব বিচৰা হৈছে যিটোৰ জৰিয়তে যমুনাত পৰা দূষিত পানীৰ পৰিমাণ হ্ৰাস কৰিব। প্ৰতিটো মণ্ডলতে প্ৰস্তাৱিত সেউজ-খণ্ডৰ বিষয়টোও বিবেচনা কৰা হৈছে। এনে অঞ্চলসমূহ কৃষি তথা বৃক্ষৰোপণ আদি কামত প্ৰয়োগ কৰিব পৰা যাব। নদী প্ৰদূষণ ৰোধ কৰিবলৈ আন কেতবোৰ প্ৰস্তাৱো সন্নিৱিষ্ট কৰা হৈছে।

**৩. দিল্লীত যমুনা পৰিষ্কাৰকৰণ পদক্ষেপ**

★ এছ টি পি, চি ই টি পি-ৰ ক্ষমতা বৃদ্ধিকৰণ

★ ইণ্টাৰচেপ্তৰ চিবাৰেজ ছিষ্টেম

★ টাৰচিয়েৰি ট্ৰিটমেণ্ট প্ৰকল্প প্ৰতিষ্ঠা


★ পৰিশোধন আৰু পুনৰ ব্যৱহাৰ-যোগ্যকৰণ

★ নদীৰ প্ৰবাহ বৃদ্ধি

এই সমূহ পদ্ধতিয়েও আশানুৰূপ ফল দিব বুলি ক'ব পৰা নাযায়। এই ক্ষেত্ৰত প্ৰয়োজন হ'ব আন্তঃৰাজ্যিক নদী বিবাদ সমাধানেৰে নদীখনত পানীৰ প্ৰবাহ বৃদ্ধি কৰা। আবৰ্জনা কম কৰা আৰু দূষিত পানী নদীখনত পৰাটো কম কৰিব পাৰিলেহে নদীৰ পানীভাগৰ প্ৰদূষণ হ্ৰাস পাব। নদীখনৰ দিল্লীৰ অংশত অধিক দূষিত পানীৰ কাৰণে 'গ' শ্ৰেণীভুক্ত হ'ব পৰা নাই আৰু সেয়ে এই শ্ৰেণীলৈ অহাৰ প্ৰচেষ্টা চলোৱাটো আৱশ্যক।

**তালিকা-২ ঃ যমুনা নদীৰ পানীৰ গুণাগুণ (মাৰ্চ-জুনৰ গড়)**

| | ১৯৯৬ | | ২০০৯ | |
|---|---|---|---|---|
| | ডিঅ' মিঃগ্ৰাঃ/লিটাৰ | বিঅ'বি মিঃগ্ৰাঃ/লিটাৰ | ডি অ' মিঃগ্ৰাঃ/লিটাৰ | বিঅ'বি মিঃগ্ৰাঃ/লিটাৰ |
| **হাৰিয়ানা** | | | | |
| তাজেৱালা | ১১.৭০ | ১.২০ | ৯.২২ | ১.২৫ |
| কালানেৰে | ১০.৪০ | ১.০৫ | ৯.১০ | ২.৩৩ |
| চোনিপট | ৯.৭৫ | ৩.০০ | ৭.৬০ | ৭.০০ |
| **দিল্লী** | | | | |
| নিজামুদ্দিন | ০.৩০ | ২৫.০০ | ০.০ | ২৩.০০ |
| **উত্তৰ প্ৰদেশ** | | | | |
| আগ্ৰা কেনেল | ০.৩৫ | ২৬.৫০ | ০.০০ | ১৪.৭৫ |
| মাঝাৱালী | ০.৫০ | ২২.০০ | ২.৭৫ | ১৬.৭৫ |
| মথুৰা | ৮.১০ | ৪.০০ | ৫.২৮ | ৮.৫০ |
| মথুৰা ডি/এছ | ৮.৫০ | ২.৫০ | ৬.৩০ | ৮.৭৫ |
| আগ্ৰা ডি/এছ | ১.৬৫ | ৯.০০ | ৪.৬৭ | ১৬.২৫ |
| উড়ি | ৯.৭১ | ২.০০ | ৯.০০ | ১.০০ |
| ঔৰায়া মুহিকা | ৮.১৪ | ৫.০০ | ১১.০৫ | ৪.৭৫ |



যমুনা নদী ঃ (ক) অববাহিকা মেপ (খ) প্ৰদূষণৰ ভিত্তিত পৃথকীকৰণ (গ) বেৰেজৰ স্থান

ইয়াৰ পৰা স্পষ্ট হ'ল যে দিল্লীৰ পৰাই নদীখন সৰ্বাধিক প্ৰদূষিত হৈছে আৰু দিল্লীৰ পিছতে আছে আগ্ৰা আৰু মথুৰা।

**তালিকা-৪ ঃ চিৱেজ ট্ৰিটমেণ্ট প্লেণ্ট, দিল্লী**

| মণ্ডল | সামৰা নৰ্দমা | চিৱেজ ট্ৰিটমেণ্ট প্লেণ্ট | কাৰ্যকাৰিতা |
|---|---|---|---|
| শ্বাহাদৰা | শ্বাহাদৰা | যমুনা বিহাৰ | ক্ষমতাৰ আংশিক ব্যৱহাৰ |
| ৰিমালা ৰোহিনী | নজফগড় | কন্দলী | ” |
| | | নাৰেলা | ” |
| | | ৰিমালা | ” |
| | | ৰোহিনী | ” |
| ওখলা | খাইবাৰ পাছ, আই এছ বি টি, যোৰি গেট, দিল্লী গেট, মহাৰাণী বাগ টুঘলকাবাদ আদি | বসন্ত কুঞ্জ ১ আৰু ২ | ” |
| | | মেহৰোলি | ” |
| | | ওখলা | ” |
| | | সেন নাৰ্ছিং হোম | সম্পূৰ্ণ ব্যৱহাৰ |
| | | দিল্লী গেট | ” |
| কেমপুৰ | নজফগড় | পাপ্পন কালান | স্থাপন হোৱা নাই |
| | | নজফগড় | ” |
| | | কেশপুৰ | ” |
| | | নিলথি | ” |
| কৰনেচন পিলাৰ | নজফগড় | কৰনেচন পিলাৰ (১, ২, ৩) | ” |
| | | অক্সাইডেচন পণ্ড টিমাৰপুৰ | সম্পূৰ্ণ ব্যৱহাৰ |

## ৪. অনুমোদনাৱলী

যমুনা পৰিষ্কাৰকৰণ আঁচনিখন প্ৰকৃততেই আদৰণীয়োগ্য। কিন্তু ইয়াৰ সফল ৰূপায়ণৰ কাৰণে প্ৰয়োজন হ'ব অধিক কাৰিকৰী বিদ্যাৰ প্ৰয়োগ আৰু নদীখনলৈ পৰিষ্কাৰ পানীৰ প্ৰবাহ নিশ্চিত কৰা। তলত কেতবোৰ ব্যৱস্থাৰ কথা লিখা হৈছে যিবোৰৰ জৰিয়তে নদীখন পৰিষ্কাৰ কৰি ৰাখিব পৰা যাব।

### ৪.১ দূষিত পানী নিষ্কাষণ ব্যৱস্থা উন্নীতকৰণ

এই উদ্দেশ্যে সমগ্ৰ মহানগৰখনতেই নৰ্দমাৰ ব্যৱস্থা কৰিব লাগিব আৰু আবৰ্জনা তথা লেতেৰা পানী নদীখনত পৰিব নোৱাৰাকৈ সকলোখিনি বেয়া পানী পৰিশোধন কৰিব লাগিব। ইয়াৰ কাৰণে বৰ্তমানৰ চিৱেজ ট্ৰিটমেণ্ট প্লেণ্টসমূহৰ ক্ষমতা অধিক বৃদ্ধি কৰিব লাগিব। প্ৰয়োজন সাপেক্ষে বিকল্প নৰ্দমা ব্যৱস্থাও প্ৰস্তুত কৰিব লাগিব আৰু চিৱেজ পাম্পিং ষ্টেচনসমূহত ২৪ ঘণ্টাই বিজুলী যোগান নিশ্চিত কৰিব লাগিব। নদীৰ পাৰৰ অংশ পৰিৱেশ অনুকূল সেউজ অঞ্চল হিচাপে আৰু ইয়াত বৃক্ষৰোপণ তথা ফোৰাৰা আদিৰে উদ্যান হিচাপে গঢ় দিব লাগিব।

### ৪.২ জলধাৰণ বৃদ্ধি আৰু প্ৰদূষণৰ উৎস নিৰ্মূলকৰণ

নদীখনত বাৰিষাৰ সময়ত জমা কৰি ৰখা পানীখিনি খৰালি কালত ববলৈ এৰি দিব পাৰিলে এই কাৰ্যত সফলতা লাভ হ'ব। নদীখনৰ উপনৈ তথা জানজুৰিত কৃত্ৰিমভাৱে বতাহ প্ৰবহণ কৰি পানীৰ বিশুদ্ধতা আনিব লাগিব। প্ৰদূষণ দূৰ কৰাৰ প্ৰচেষ্টা চলোৱাৰ আগতে এটা আৰ্হি প্ৰস্তুত কৰিলে পৰিকল্পনাকাৰী-সকলে কোনো কৰ্ম আঁচনি ৰূপায়ণৰ আগতেই ইয়াৰ কাৰ্য-কাৰিতাৰ বিষয়ে আভাস পাব। পৰিশোধিত পানীভাগ জলসিঞ্চন, উদ্যান শস্য, উদ্যোগ আদিত কামত লগোৱাৰ উপৰিও শক্তিকেন্দ্ৰৰ টাৱাৰ শীতলিকৰণতো ব্যৱহাৰ কৰিব পৰা যায়। তদুপৰি কৃষি ক্ষেত্ৰ, মানুহ আৰু জীৱ-জন্তুৰে গাধোৱা পানীত দেৱ-দেৱতাৰ মূৰ্তি বিসৰ্জন দিয়াৰ দৰে প্ৰদূষণ ৰোধ কৰিববৈলে পদক্ষেপ গ্ৰহণো অতি গুৰুত্বপূৰ্ণ। চহৰখনত বৰষুণৰ পানী মজুত ৰখাৰ ব্যৱস্থা আৰু চহৰাঞ্চলত নলা-নৰ্দমা উন্নত কৰিও নদীখনৰ প্ৰদূষণৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিব পৰা যায়। খেতিপথাৰৰ পৰা পোন-পটীয়াকৈ নদীত পৰা পানীখনি ফিল্টাৰ আদিৰ জৰিয়তে শোধন কৰি নদীলৈ প্ৰবাহিত হ'বলৈ দিয়াটো অতি প্ৰয়োজন। ❐

# কেন্দ্ৰীয় বাজেটৰ আন্তঃগাঁথনি আৰু শক্তি খণ্ডৰ সন্দৰ্ভত এক পৰ্যালোচনা

**হিৰণময় ৰয়***
**অনিল কুমাৰ***

বৰ্তমান চৰকাৰৰ প্ৰথমখন বাজেটত পুঁজিৰ নাটনিত ভোগা আন্তঃগাঁথনিলৈ নিৰন্তৰভাৱে দীৰ্ঘকালীন পুঁজি যোগানৰ এটা দিশ সূচনা কৰিছে আৰু সেই অনুযায়ী আন্তঃগাঁথনি বিনিয়োগ ন্যাস (ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেন ট্ৰাষ্ট) আৰু সা-সম্পত্তি বিনিয়োগ ন্যাস (ৰিয়েল ইষ্টেট ইনভেষ্টমেণ্ট ট্ৰাষ্ট) সৃষ্টিৰ ছবিও উজলাই তুলিছে। গোলকীয় বজাৰত প্ৰতিযোগিতা কৰিবৰ উদ্দেশ্যে বিত্ত মন্ত্ৰালয়ে এইবোৰ ন্যাসৰ বাবে বিভিন্ন কৰ উদগনি প্ৰদানৰ প্ৰস্তাৱ কৰিছে আৰু সেয়া খৰতকীয়া পৰিকাঠামো, বিনিয়োগ অনুকূল তথা চৰকাৰী-বেচৰকাৰী শক্তিশালী অংশীদাৰিতা ভাবৰ স'তে ৰজিতা খুৱাই এই কামত আগবাঢ়ি যাব— যাতে ভাৰতৰ বাবে অতি গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহ ব্যাপক আকাৰত গঢ়ি তুলিব পৰা যায়।

ন্যাসত থকা বিনিয়োগকাৰীসকলে কোম্পানীসমূহৰ দৰেই মূলধন লাভৰ ক্ষেত্ৰত একেই সুবিধা পাব। তদুপৰি আন্তঃগাঁথনি প্ৰকল্পসমূহত যি ধনৰাশি বিনিয়োগ কৰি উপাৰ্জন লাভ কৰিব তাত কৰ আৰোপ কৰা নহ'ব আৰু তেনে ধৰণৰ অন্য প্ৰকল্পতো কৰ লগোৱা নহ'ব আৰু টা লক্ষ্যণীয় বিষয় হ'ব ন্যাসে লাভ কৰা লাভাংশখিনি ন্যাসৰ ইউনিট গৰাকীৰ মাজত বিলাব পাৰিব আৰু তাৰ বাবে কোনো কৰ আদায় দিব লগা নহয়। লগতে এইবোৰ লাভাংশৰে আয় সঞ্চাৰিত আন্তঃগাঁথনিমূলক যোজনা নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰতো সমৰ্থবান কৰি তুলিব পাৰে। এই খণ্ডৰ ওপৰত চৰকাৰে আন্তঃগাঁথনি বিনিয়োগ ন্যাস আৰু সা-সম্পত্তি বিনিয়োগৰ কাৰণে কৰ মুক্ত যোগান ব্যৱস্থা প্ৰস্তাৱ কৰি অতি স্পষ্টাভাৱে আলোকপাত কৰিব বিচাৰিছে।

বাজেটত গ্ৰাম্য আন্তঃগাঁথনি বিকাশ পুঁজিৰ (ৰুৰেল ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপমেণ্ট ফাণ্ড) ধনৰাশিৰ পৰিমাণ আৰু অতিৰিক্ত ৫০০০ কোটি টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে। এয়া অন্তৰ্বৰ্তী বাজেটত ধৰা ২৫,০০০ কোটি টকাতকৈ অধিক। দেশৰ কৃষি আৰু গ্ৰাম্য খণ্ডত আন্তঃগাঁথনি সৃষ্টি কৰাই হ'ল ইয়াৰ উদ্দেশ্য। অতিৰিক্ত আবণ্টনে নিশ্চয়কৈ গ্ৰাম্য বিকাশ সাধনৰ ক্ষেত্ৰত অধিক গতি প্ৰদান কৰিব।

পণ্যাগাৰৰ সা-সুবিধা বৃদ্ধি কৰিবৰ অৰ্থেও ব্যৱস্থা ৰখা হৈছে— যাতে কৃষিজাত উৎপাদন সামগ্ৰী দীৰ্ঘ দিন বৰ্তি থাকিব পাৰে আৰু তাৰ লগতে কৃষকৰ উপাৰ্জন ক্ষমতা যথাক্ৰমে বাঢ়ি যায়। সেয়ে দেশত বিজ্ঞানসন্মত পণ্যগাৰৰ সা-সুবিধা প্ৰদানৰ অৰ্থে বিষয়টো যে কিমান প্ৰয়োজন তালৈ ধ্যান দি ২০১৪-১৫ বৰ্ষৰ কালছোৱাৰ বাবে ৫,০০০ কোটি টকাৰ আবণ্টন কৰা হৈছে।

কিছুমান অতি গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিৰ ক্ষেত্ৰত ভাৰত চৰকাৰী-বেচৰকাৰী অংশীদাৰীতাৰ বৃহৎ বজাৰৰূপে প্ৰকাশ লাভ কৰিছে। তেনেবোৰ আন্তঃগাঁথনি হ'ল, যেনে— বিমান বন্দৰ, বন্দৰ আৰু ঘাইপথ। এইবোৰক গোলকীয় বিকাশৰ এক আৰ্হিৰূপে চোৱা হৈছে। পিছে ভাৰতত এনে অংশীদাৰিতাৰ পৰিকাঠামোত দুৰ্বলতাও নথকা নহয়। আৰু সেই দুৰ্বলতা হ'ল বিবাদমান সমস্যাবোৰ শীঘ্ৰে দূৰ কৰি বিকাশৰ ক্ষেত্ৰত আহি পৰা কঠিনতাবোৰৰ প্ৰতি সমুচিতভাৱে ধ্যান নিদিয়াটো। তেনে কঠিনতা দূৰীকৰণৰ অৰ্থে এক প্ৰতিষ্ঠান স্থাপন কৰা হ'ব। চৰকাৰী-বেচৰকাৰী অংশীদাৰীতা কাৰ্যঘাই সূতিলৈ অনাত সমৰ্থ প্ৰদান কৰা এই প্ৰতিষ্ঠানক কোৱা হ'ব "3 P's India"। ৫০০ কোটি টকাৰ এক পুঁজিৰে ইয়াক পৰিচালনা কৰা হ'ব।

যোলটা নতুন বন্দৰ প্ৰকল্প নিৰ্মাণৰ বিষয়েও প্ৰস্তাৱ কৰা হৈছে। এই কামত বন্দৰ যোগাযোগ ৰক্ষা কৰাত আলোকপাত কৰা হ'ব; কিয়নো বেপাৰ-বাণিজ্যক উৎসাহিত কৰা আৰু নিয়োগ সঞ্চাৰৰ বাবে ই হ'ল এক গুৰুত্বপূৰ্ণ বিষয়। ভাৰতৰ নিয়ন্ত্ৰিত টনেজ ব্যৱস্থাক (টন ক্ষমতাৰ ক্ষেত্ৰত) উৎসাহিত কৰিবৰ উদ্দেশ্যেও এক নীতি তৈয়াৰ কৰা হ'ব। প্ৰথম পৰ্যায়ত টুটিকৰিণৰ

*লেখকদ্বয় ডেৰাডুনৰ ইউনিভাৰ্চিটি অব পেট্ৰোলিয়াম এণ্ড এনাৰ্জি ষ্টাডিজ প্ৰতিষ্ঠানত অৰ্থনীতি তথা বিদ্যুৎ ব্যৱস্থাপনা বিষয়ত শিক্ষাদানৰ লগত জড়িত।

বহিঃ পোতাশ্ৰয় প্ৰকল্প বিকাশৰ অৰ্থে ১১,৬৩৫ কোটি টকা আবণ্টন কৰা হ'ব। তেনেদৰে কান্দলা আৰু জে এন পি টি-ত 'ছেজ' অৰ্থাৎ বিশেষ অৰ্থনৈতিক মণ্ডলো বিকাশ কৰা হ'ব। ইয়াৰ বাহিৰেও চলিত বিত্তীয় বৰ্ষত ভাৰতৰ জাহাজ উদ্যোগৰ উত্তৰোত্তৰ বিকাশ সাধিবলৈ এক বিস্তৃত নীতি ঘোষণা কৰা হ'ব। আনহাতে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ মহানগৰবোৰত নতুন বিমান বন্দৰৰ কাম আৰম্ভ কৰা হ'ব; আৰু সেই কাম ভাৰতৰ বিমান বন্দৰ প্ৰাধিকৰণ (এয়াৰপোৰ্ট অথ'ৰিটি অব ইণ্ডিয়া) অথবা চৰকাৰী-বেচৰকাৰী অংশীদাৰিতাৰে ৰূপায়ণ কৰা হ'ব।

পথ খণ্ডত বিপুল বিনিয়োগৰ প্ৰয়োজন আছে। বিত্তমন্ত্ৰীয়ে ইয়াৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যসমূহৰ ৰাস্তা-পদূলিৰ নিৰ্মাণৰ অৰ্থে ৩৭,৮৮০ কোটি টকা বিনিয়োগ কৰাৰ প্ৰস্তাৱ কৰিছে। ইয়াৰ ভিতৰত উত্তৰ-পূবৰ বাবে ৩,০০০ কোটি টকা ৰাখিবলৈ থিৰ কৰা হৈছে। চলিত বিত্তীয় বৰ্ষত ৮৫০ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ লক্ষ্য প্ৰাপ্ত কৰা হ'ব। ঔদ্যোগিক কৰিড'ৰৰ বিকাশৰ সমান্তৰালভাৱে নিৰ্বাচিত এক্সপ্ৰেছ ঘাইপথৰ কামো চৰকাৰে আৰম্ভ কৰিব। প্ৰকল্প যুগুতোৱাৰ কাৰণে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৫০০ কোটি টকাৰ এক পুঁজি সুকীয়াকৈ ৰাখিব।

এতিয়ালৈকে শক্তি খণ্ডৰ বিষয়টো যিমান দূৰ জড়িত আছে সেই ক্ষেত্ৰত বিদ্যুতৰ কৰ প্ৰতি ইউনিটত ৩.৫ পইচা বৃদ্ধি হ'ব বুলি ধৰা হৈছে। তাৰ কাৰণ হ'ল কয়লাৰ ওপৰত 'সেউজ উপ-কৰ' (গ্ৰীণ চেছ) দুগুণ কৰি প্ৰতি টনত ১০০ টকালৈ কৰিবলৈ লোৱা হৈছে। বাজেটত সৌৰ আৰু বায়ু শক্তিৰ যন্ত্ৰপাতি ঘৰুৱাভাৱে নিৰ্মাণ কৰা কামক উৎসাহিত কৰিবলৈ ১০০০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। বিদ্যুৎ কোম্পানীবোৰেও ১০ বছৰৰ কৰবিহীন (টেক্স হলিডে') সুবিধা প্ৰাপ্তিত উৎসাহিত হৈছে। এই সুবিধা ৮০-১ক ধাৰাৰ অধীনত সকলোবোৰ ইউনিটলৈকে দিয়া হৈছে— যিবোৰে ২০১৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত শক্তি উদ্ৰেক, সংবহন আৰু বিতৰণৰ কাম আৰম্ভ কৰিব। বিত্তমন্ত্ৰীয়ে ৪,০০০ মেগাৱাট পৰ্যন্ত কেইখনমান ৰাজ্যত সৌৰশক্তি সংযন্ত্ৰ নিৰ্মাণৰ বাবে ৫০০ কোটি টকা আবণ্টন কৰিছে। উক্ত ৰাজ্যকেইখন হ'ল— ৰাজস্থান, গুজৰাট, তামিলনাডু আৰু জম্মু-কাশ্মীৰৰ লাডাখ। ৫০০ কোটি টকাৰ আন এক পুঁজি ১ লাখ সৌৰ পাম্পচেট চালু কৰিবৰ কাৰণে ৰখা হৈছে। এই পাম্পচেটবোৰে বিদ্যুৎ ৰাহি কৰিব আৰু ডিজেলৰ বাবদ দিয়া ৰাজসাহায্যকো বচাব। প্ৰতিটো প্ৰকল্পৰ পৰা ১ মেগাৱাট পৰ্যন্ত শক্তি উদ্ৰেক কৰিবৰ বাবে "চ'লাৰ পেনেল"ৰ অৰ্থে ১০০ কোটি টকা ব্যয় কৰা হ'ব। এই "চ'লাৰ পেনেল" বনাবৰ বাবে ব্যৱহৃত তামৰ তাঁৰ, চিট আদিৰ ওপৰত ঘৰুৱা প্ৰস্তুতকাৰীসকলে আমদানি শুল্কৰ ক্ষেত্ৰত পোৱা সুবিধা নিশ্চিত কৰিবৰ অৰ্থে ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ লগতে উইন্দ জেনেৰেটৰৰ বাবে বিয়েৰিং বনাবৰ কাৰণে যে কিছুমান ধাতৱ সামগ্ৰী আমদানি কৰাৰ বাবদ শুল্ক আৰোপ কৰা হয় তাকো হ্ৰাস কৰা হৈছে। কিন্তু ঘৰুৱা প্ৰস্তুতকাৰীসকলে ক'ব খোজে যে এই ৰেহাই তেনেই কণ আৰু অনেক পলমকৈ দিয়া হৈছে। তেওঁলোকৰ মনত এই আশংকাও জাগি উঠিছে যে বিভিন্ন দেশৰ পৰা আমদানি কৰি আনিব পৰা যায়, কিন্তু এই ক্ষেত্ৰত সৰহ পৰিমাণে ব্যয় কৰিব পৰা সকলৰহে লাভৰ মুখ দেখিবলৈ পাব।

পৰিষ্কাৰ আৰু অধিক উপযুক্ত তাপ বিদ্যুৎ শক্তি উৎপাদনত উৎসাহিত কৰিবৰ বাবে প্ৰাৰম্ভিক অৱস্থাত ১০০ কোটি টকা আবণ্টন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এয়া এখন নতুন আঁচনিৰ প্ৰস্তুতি কাৰ্যৰূপে ধৰা হ'ব আৰু সেই আঁচনিখনক কোৱা হয় "আলট্ৰা মডাৰ্ণ চুপাৰ ক্ৰিটিকেল ক'ল বেছদ থাৰ্মাল পাৱাৰ টেকনোলজী" অৰ্থাৎ অত্যাধুনিক অধিক গুৰুত্বপূৰ্ণ কয়লাভিত্তিক তাপ বিদ্যুৎ প্ৰযুক্তি।

কেন্দ্ৰীয় বাজেটত কয়লা খণ্ডৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। ঘৰুৱা উৎপাদন বৃদ্ধিৰ বাবে বিক্ষিপ্ত ব্যৱস্থা য'ত গুণ নিয়ন্ত্ৰণ আৰু পৰিৱেশ ৰক্ষাৰ কথাও ভবা হৈছে। ইয়াৰ ভিতৰত টুকুৰা-টুকুৰ কৰি কয়লাৰ যোগান তথা 'ৱাচাৰি' (পখালি লোৱা) ব্যৱস্থাৰ প্ৰতিষ্ঠাপন কৰা উল্লেখযোগ্য বিষয়। বিত্তমন্ত্ৰীৰ বাজেটত খণ্ডটোত আহি পৰা বৰ্তমানৰ স্থবিৰতা গতিক দূৰ কৰা কথাও উল্লেখ কৰা হয়। বিদ্যুৎ সংযন্ত্ৰসমূহলৈ পৰ্যাপ্ত পৰিমাণৰ কয়য়া যোগান ধৰা হ'ব— যাতে বন্ধ হৈ থকা বিনিয়োগ কামত লগাব পাৰি। কিছুমান তেনে সংযন্ত্ৰ ইতিমধ্যে চালু কৰা হৈছে কিম্বা ২০১৫ চনৰ মাৰ্চৰ ভিতৰত উৎপাদন আৰম্ভ হয়। তদুপৰি কয়লা যোগানৰ স'তে জড়িত বিষয়বোৰ তাল-মিল ৰাখি একে ধৰণৰ কৰাৰ কামো চলি আছে। এনে ব্যৱস্থাই কয়লাৰ পৰিবহণ বৃদ্ধি কৰিব আৰু বিদ্যুতৰ ব্যয়ো হ্ৰাস কৰিব।

বিদ্যুৎ খণ্ডত "আলট্ৰা মেগা" সৌৰশক্তি প্ৰকল্পৰ কাম হাতত ল'বলৈও প্ৰস্তাৱ কৰা হৈছে। এই ক্ষেত্ৰত জড়িত থকা ৰাজ্যকেইখন হ'ল ৰাজস্থান, গুজৰাট, তামিলনাডু আৰু জম্মু-কাশ্মীৰৰ লাডাখ অঞ্চল। ইয়াৰ বাবে

৫০০ কোটি টকা সুকীয়াকৈ ৰখা হৈছে। কৃষি খণ্ডৰ বাবে ৪০০ কোটি টকা সৌৰশক্তি চালিত এখন আঁচনিৰ বাবে ধাৰ্য কৰা হৈছে। সেই আঁচনিখনত আছে সৌৰশক্তিৰ দ্বাৰা চলোৱা কৃষি ক্ষেত্ৰৰ পাম্পচেট আৰু এক লাখটা পাম্পক শক্তি প্ৰদানৰ অৰ্থে ওৱাটাৰ পাম্পিং ষ্টেচনৰ প্ৰতিষ্ঠাপন/১০০ কোটি টকাৰ এক অতিৰিক্ত পুঁজি খালসমূহৰ পাৰত ১ মেগাৱাট সৌৰ পাৰ্ক বিকাশৰ অৰ্থে ৰখা হৈছে। দেশত পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ সুবিধা অৰ্থে চলিত বিত্তীয় বৰ্ষতেই গ্ৰীণ এনাৰ্জি কৰিড'ৰ প্ৰকল্প ৰূপায়ণৰ কাম খৰতকীয়া কৰা হ'ব।

আলোচ্য বাজেটখনত কয়লাৰ তৰপত থকা মিথেন ভাণ্ডাৰৰ উদঘাটন আৰু উৎপাদন কৰিবলৈ ভবা হৈছে। এনে ক্ষেত্ৰসমূহৰ পৰা উৎপাদন অধিক কৰিবৰ বাবে আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰাৰ সম্ভাৱনাৰ বিষয়ে মনোনিৱেশ কৰি কামত লগোৱা হ'ব। ইয়াৰ বাহিৰেও 'পি এন জি' ব্যৱস্থাক কামত লগোৱা হ'ব, কিয়নো ইয়াক বিতৰণ কৰিবলৈ পৰিষ্কাৰ আৰু বেচ উপযুক্তও। দেশখনত সম্প্ৰতি ১৫০০ কিলোমিটাৰ গেছ পাইপ লাইনৰ ব্যৱস্থা আছে। পিছে গেছ গ্ৰিড সম্পূৰ্ণ কৰিবলৈ আৰু ১৫০০ কিলোমিটাৰ পাইপ লাইনৰ প্ৰয়োজন। উপযুক্ত চৰকাৰী-বেচৰকাৰী অংশীদাৰিতা আৰ্হি অৱলম্বন কৰি এই পাইপ লাইনবোৰৰ বিকাশ সাধিবৰ বাবে বাজেটত প্ৰস্তাৱ কৰা হৈছে। ই ঘৰুৱা তথা আমদানিকৃত গেছৰ ব্যৱহাৰ বৃদ্ধি কৰাত সহায় কৰিব আৰু অদূৰ ভৱিষ্যতে যিকোনো শক্তি উৎসৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাসকৰণতো কামত আহিব।

খনিজ খণ্ডত বিনিয়োগ সাধনৰ ক্ষেত্ৰতো এই বাজেটখনত উৎসাহ প্ৰদান কৰিবলৈ লোৱা হৈছে। উদ্যোগৰ প্ৰয়োজনীয়তাখিনি উপযুক্তভাৱে পূৰণ কৰিবৰ অৰ্থে খনিজ অনুসন্ধান, উদঘাটন আদি কামবোৰতো লাগি থাকিবলৈ গুৰুত্ব আৰোপ কৰা হৈছে; আৰু তাৰ বাবে যাতে পৰিৱেশ ৰক্ষাৰ দিশত কোনো হানি-বিঘিনি নহয় তাৰ প্ৰতিও ধ্যান দিয়া হ'ব।

ৰাজ্যসমূহলৈ সৰহ পৰিমাণে ৰাজহ লাভ ক্ষেত্ৰত ভালেকেইখন ৰাজ্যৰ পৰা খনিজৰ ওপৰত ৰয়েলিটি হাৰ পুনৰবৰ্দ্ধিত কৰিবৰ বাবে অনুৰোধ আহিছিল। তিনি বছৰৰ পাছত ৰয়েলিটি পুনৰ বৃদ্ধি কৰিব পাৰি। পূৰ্বতে এই বৃদ্ধি ২০০৯ চনৰ আগষ্টত কৰা হৈছিল। এতিয়া আন এক পুনৰবৰ্দ্ধনৰ সময় হ'ল আৰু তাকেই সাধন কৰিবৰ বাবে বিত্তমন্ত্ৰীয়ে আশ্বাস দিছে।

আন্তঃগাঁথনি আৰু শক্তি খণ্ডৰ কাৰণে ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ওপৰত উল্লেখ কৰা সকলো ব্যৱস্থাই এই খণ্ডবোৰৰ ক্ষেত্ৰত দীৰ্ঘকালীন তথা ভাৰতীয় অৰ্থনীতিৰ সামগ্ৰিক বিকাশ সাধনৰ বাবে এক গতি প্ৰদান কৰিছে। ❐


**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

ছেপ্টেম্বৰ ২০১৪ — **নগৰ পৰিকল্পনা**

অক্টোবৰ ২০১৪ — **অনানুষ্ঠানিক খণ্ড**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ২০১৪-১৫ৰ বাজেটত বিনিয়োগ বিন্যাস

**শশাঙ্ক ভিদে***

**বৃহৎ অৰ্থনীতিৰ ক্ষেত্ৰত নতুন নীতিৰ পদক্ষেপ**

২০১৪-১৫ৰ বাজেটে সমাধান কৰিব লগা ডাঙৰ প্ৰত্যাহ্বানসমূহ হৈছে বাৰ্ষিক জিডিপি বৃদ্ধি গতানুগতিকভাৱে ৭-৮ শতাংশৰ যথেষ্ট তলৰ থকাৰ পৰিপ্ৰেক্ষিতত নতুন চৰকাৰক বছৰটোৰ কাৰণে এটা বিত্তীয় গাঁথনি প্ৰস্তুত কৰি দিয়া। ঔদ্যোগিক উৎপাদন স্থবিৰ হৈছে, আন্তঃগাঁথনিমূলক প্ৰকল্পবোৰৰ প্ৰগতি আশানুৰূপ নহয় আৰু মূলধনী বজাৰো নিৰাশাজনক। দুৰ্বল মৌচুমী বতাহ আৰু ইন্ধনৰ মূল্যবৃদ্ধিয়ে মূল্যমানৰ সুস্থিৰতাত বাধা জন্মাইছে। সেয়ে বাজেটৰ মূল লক্ষ্য হ'ব বিত্তীয় অস্থিৰ অৱস্থা নিয়ন্ত্ৰণ কৰা। বিকাশৰ আৰম্ভণিতে উচ্চ বাজেট ঘাটিও এটা জটিল বিষয় হৈ পৰিছে। কৰ লাভৰ সীমিত পৰিৱৰ্তনৰ পিছত দেখা গৈছে, প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত ৰাজহ ২২,২০০ কোটি টকা হেৰুৱাব লগা হৈছে। পৰোক্ষ কৰৰ ক্ষেত্ৰত ৭৫২৫ কোটি টকাৰ কৰ ৰাজহ বৃদ্ধি হ'ব যদিও তাৰ পাচতো ১৪,৬৭৫ কোটি টকাৰ ব্যৱধান থাকিব আৰু এইখিনিৰ কাৰণে পৰোক্ষ কৰৰ পৰিসৰ বৃদ্ধি কৰিব লাগিব। মুঠতে বিত্তীয় সুস্থিৰতাৰ লক্ষ্যত উপনীত হ'বলৈ ৰাজহ বৃদ্ধিৰ অতিকৈ প্ৰয়োজন আৰু ইয়াৰ কাৰণে বিকাশ ত্বৰান্বিত হ'ব লাগিব। বাজেটত প্ৰকাশিত কেন্দ্ৰীয় চৰকাৰৰ ব্যয় ১৭.৯ লাখ কোটি টকাৰ অৰ্থ হৈছে জনমূৰি ব্যয় ১৫ হাজাৰ টকা। ই হৈছে ২০১৪-১৫ৰ জিডিপি-ৰ ১৩.৯ শতাংশ। মুঠ ব্যয়ৰ সৈতে ৰাজ্যসমূহৰ ব্যয়ো ধৰিলে ই হ'বগৈ জিডিপি-ৰ ২০ শতাংশ অধিক অৰ্থাৎ জনমূৰি ২০,০০০ টকা। যিহেতুকে এই ব্যয়ৰ কেৱল আধামানহে ৰাজ্যৰ কৰৰ পৰা সংগ্ৰহ হ'ব সেয়ে বিত্ত আহৰণৰ আন উপায় গ্ৰহণ কৰিব লাগিব আৰু সম্পদ ব্যৱহাৰত দক্ষতা আনিব লাগিব। ২০০৮ৰ বিশ্ব বিত্ত সংকটৰ আগতে জিডিপি-ৰ অনুপাত ২ শতাংশ অৱনমিত হোৱাৰ উল্লেখ কৰি বিত্তমন্ত্ৰীয়ে কয় যে ইয়াৰ প্ৰতিকাৰৰ অৰ্থে ব্যয় ব্যৱস্থা উন্নীতকৰণৰ কাৰণে ইয়াক নিয়াৰি কৰিব লাগিব। এই বাজেটে উল্লেখযোগ্য অৰ্থনৈতিক বিকাশ ঘটাব বুলি আশা কৰা হৈছে, যিটোৱে সামাজিক খণ্ডৰ বিকাশৰ কাৰণে সম্পদ বৃদ্ধিৰ লগতে কৰ্ম-সংস্থানৰো সৃষ্টি কৰিব। সেয়ে পূৰ্বৰ চৰকাৰে ফেব্ৰুৱাৰীত দাখিল কৰা অন্তৰ্বৰ্তী বাজেটৰ সৈতে এই বাজেটৰ বিশেষ পাৰ্থক্য নাই। বিত্তীয় ঘাটিৰ পৰিমাণ জিডিপি-ৰ ৪.১ শতাংশতে থাকিব যদিও অহা দুটা বছৰত ইয়াক ৩ শতাংশলৈ হ্ৰাস কৰিব পৰা যাব।

**অগ্ৰাধিকাৰৰ নতুন ক্ষেত্ৰ**

বাজেটত ব্যয় নিয়ন্ত্ৰণ আৰু ৰাজহ সংগ্ৰহ বৃদ্ধিৰ উপৰিও নীতিৰ পৰিৱৰ্তন, এইবোৰৰ পৰিচালনা আৰু আঁচনিবোৰৰ কৌশলো প্ৰকাশ পাইছে। বিত্তমন্ত্ৰীয়ে স্পষ্ট কৰি দিছে যে এয়া এটা দীঘলীয়া যাত্ৰাৰ আৰম্ভণিহে আৰু ইয়াৰ পদক্ষেপ-সমূহ দিশ নিৰ্দেশকহে। সেয়ে ইয়াৰ হ্ৰস্ব আৰু দীৰ্ঘকালীন লক্ষ্যসমূহ বোধগম্য হ'ব লাগিব। এই সন্দৰ্ভত যোৱা বছৰৰ তুলনাত পৰিকল্পনা বহিৰ্ভূত আৰু ৰাজহ ব্যয়তকৈ পৰিকল্পিত ব্যয় আৰু মূলধনী ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰা হৈছে। বাজেটখন বিনিয়োগ ব্যয় বৃদ্ধি কৰিব বিচৰা হৈছে। যোৱা বছৰতকৈ সুদৰ পৰিমাণ বৃদ্ধি দেখুওৱা হৈছে। বিত্তীয় ঘাটি নিয়ন্ত্ৰণত ৰখাৰ উদ্দেশ্যে ২০১২-১৩ আৰু ২০১৩-১৪ত এই সুদৰ পৰিমাণ বৃদ্ধি পাইছিল যদিও হিচাপ নবীকৰণত ইয়াক কম দেখুওৱা হৈছিল। ৰাজসাহায্য ব্যৱস্থাও ২০১৩-১৪ৰ পৰ্যায়তে ৰখা হৈছে যদিও অধিক সুফল লাভৰ অৰ্থে লক্ষ্য নিৰ্দ্ধাৰণ উন্নত কৰা হৈছে। আগৰটো বছৰৰ দৰেই ব্যয় বৃদ্ধিৰ পৰিমাণ ১২.৯ শতাংশত ৰাখি নিৰ্বিনিয়োগ ৰাজহ যোৱা বছৰৰ তুলনাত ৩৭,৫০০ কোটি বৃদ্ধি কৰি মুঠ বিত্তীয় ঘাটি প্ৰায় ৫৩০০০ কোটিলৈ হ্ৰাস কৰিব বিচৰা হৈছে। বিত্তীয় ঘাটি হ্ৰাস কৰাৰ লক্ষ্যত উপনীত হ'বলৈ লোৱা পদক্ষেপ দুটা হৈছে, ব্যয় বৃদ্ধি নিয়ন্ত্ৰণ আৰু ৰাজহুৱা খণ্ডৰ সম্পদৰ ক্ষেত্ৰত বিনিয়োগ বন্ধ কৰি বৃহৎ পৰিমাণৰ ৰাজহ সংগ্ৰহ।

**বিনিয়োগৰ বিকাশ**

শক্তিশালী ৰাজনৈতিক, ন্যায়-পালিকা আৰু প্ৰশাসন হৈছে দেশখনৰ

*শশাঙ্ক ভিদে এন চি এ ই আৰ-ৰ জ্যেষ্ঠ গৱেষণা উপদেষ্টা

গৰিমা যি উদ্যোগ বিকাশ আৰু সকলো ক্ষেত্ৰতে ভাৰসাম্য ৰক্ষাত সহায়ক হৈছে। আঞ্চলিক তথা সামাজিক বৈষম্য থকা সত্ত্বেও অৰ্থনৈতিক নীতিসমূহক আগবঢ়াই নিয়াৰ হকে উমৈহতীয়া কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীতে উচ্চ হাৰৰ বিকাশ, অধিক কৰ্মসংস্থান আৰু অধিক উপাৰ্জনৰ বিষয়ো সন্নিৱিষ্ট আছে। ইয়াত অনা-চৰকাৰী খণ্ডৰ বিনিয়োগত উৎসাহ দিয়া হৈছে যদিও এই ক্ষেত্ৰত সামগ্ৰিকভাৱে বিনিয়োগ বাতাবৰণৰ বিকাশ ঘটোৱাৰ প্ৰচেষ্টা চলোৱা হৈছে। নতুন কৰ ব্যৱস্থা পূৰ্বৰ পৰা প্ৰভাৱী কৰি বাকী পৰি থকা ৪ হাজাৰ কোটি টকা অৰ্থাৎ মুঠ কৰ ৰাজহৰ প্ৰায় আধা ধনৰ বিষয়টোও এটা গুৰুত্বপূৰ্ণ ঘোষণা। বাজেট ঘোষণাৰ পৰা অনুমান কৰিব পৰা যায় যে বিনিয়োগৰ পৰিৱেশ যথেষ্ট উন্নত হ'ব আৰু বহু সুফল পোৱা যাব।

নতুন চৰকাৰৰ অন্য এটা উল্লেখনীয় ঘোষণা হৈছে চৰকাৰ পৰিচালনাত উন্নত ব্যৱস্থা আৰু কাম-কাজ বিশেষকৈ চৰকাৰৰ সৈতে কৰা লেনদেনত জটিলতা নাইকিয়া কৰা। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ কাম-কাজত পোনপটীয়াভাৱে জড়িত হ'ব নোৱাৰে যদিও কেন্দ্ৰৰ উন্নত পৰিচালনাই ৰাজ্যসমূহৰ ওপৰতো নিশ্চয়কৈ প্ৰভাৱ পেলাব। বাজেটত আশ্বাস দিয়া হৈছে যে পৰোক্ষ কৰৰ ক্ষেত্ৰত জি এছ টি পদ্ধতি গ্ৰহণৰ অৰ্থে বিধি প্ৰণয়ন কৰা হ'ব। সংসদৰ প্ৰতিনিধিসকলে এই পদ্ধতি গ্ৰহণত সোনকালেই সমৰ্থন জনোৱা উচিত। কৰ সংশোধনৰ জৰিয়তে ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি হোৱাৰ উপৰিও বিনিয়োগৰ পৰিৱেশো উন্নত হ'ব। বিনিয়োগকাৰীৰ আস্থা বৃদ্ধিৰ দ্বিতীয় ক্ষেত্ৰখন হৈছে এফ ডি আই-ৰ সন্দৰ্ভত চৰকাৰৰ স্থিতি। ব্যৱসায়িক প্ৰতিযোগিতাত প্ৰভাৱ পেলাব পৰাকৈ এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। দেশীয় বজাৰত ইয়াৰ কেনে প্ৰভাৱ পৰিব সেইটো অৱশ্যে স্পষ্ট নহয়। সেয়ে বীমা আৰু প্ৰতিৰক্ষা উৎপাদনৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধিৰ উদ্দেশ্যে এফ ডি আই-ৰ সৰ্বোচ্চ সীমা বঢ়োৱা হৈছে যদিও চহৰাঞ্চলৰ স্থাৱৰ সম্পত্তিৰ ক্ষেত্ৰত এফ ডি আই হ্ৰাস কৰা হৈছে। নিৰ্মাণ সংস্থাসমূহৰ বাণিজ্যৰ ক্ষেত্ৰৰ নিয়ন্ত্ৰণ ব্যৱস্থা শিথিল কৰা হৈছে। এনে ধৰণে বাজেট প্ৰস্তাৱসমূহে বিভিন্ন ক্ষেত্ৰৰ ভালেমান পদক্ষেপ ঘোষণা কৰিছে যিবোৰে ব্যৱসায় বাণিজ্য পূৰ্বতকৈ অধিক দক্ষতাৰে চলাই যাব পৰাৰ আশ্বাস প্ৰদান কৰিছে। ক্ষিপ্ৰ বিকাশ, বিত্তীয় ভাৰসাম্য আৰু নিৰ্দ্ধাৰিত সুফল লাভ তথা এই সুফল-সমূহৰ সমবিতৰণ হ'ব মূল কৌশল। নীতি ৰূপায়ণ যোগাত্মক দিশত আগবঢ়াই নি চৰকাৰে বিনিয়োগৰ সুস্থ পৰিৱেশ গঢ় দিয়াৰ প্ৰয়োজন হ'ব। বিকাশৰ পথত যে বহু অন্তৰায় আছে সেইটো অনস্বীকাৰ্য। ২০০০ বৰ্ষলৈকে হোৱা উচ্চ বিকাশ বিশ্ব বিত্তীয় সংকটে মষিমূৰ কৰিলে যদিও সেই বিকাশৰ সুবিধা গ্ৰহণত সফলতা পোৱা নগ'ল।

**উন্নয়নমুখী আঁচনিসমূহত অনা-চৰকাৰী বিনিয়োগ আৰু অনা-চৰকাৰী খণ্ডৰ সহযোগিতা**

উচ্চ বিকাশৰ অৰ্থে বিনিয়োগ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বিত্তীয় কৌশল ৰূপায়ণত বিনিয়োগ বৃদ্ধিৰ বাবে অনা-চৰকাৰী খণ্ডসমূহৰ ওপৰত আৰু সম্পদ আহৰণৰ কাৰণে ৰাজহুৱা খণ্ডৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব আৰু ব্যয় সংকোচনৰ ব্যৱস্থাও প্ৰয়োজন হ'ব। বাজেটে অনা-চৰকাৰী সঞ্চয়তো উদগনি যোগাব লাগিব। সঞ্চয়ৰ কাৰণে আয়কৰ ৰেহাইৰ ব্যৱস্থাও প্ৰয়োজনীয়। কিষাণ বিকাশ পত্ৰও পুনৰ প্ৰচলিত হৈছে। বাজেটে অনা-চৰকাৰী খণ্ডৰ বিনিয়োগ বৃদ্ধিৰো পদক্ষেপ গ্ৰহণ কৰাৰ পৰামৰ্শ দিছে। বীমা আৰু প্ৰতিৰক্ষা উৎপাদনত এফ ডি আই-ৰ সীমা বৃদ্ধি কৰা হৈছে। কৰ সংক্ৰান্তীয় ভালেমান প্ৰশাসনিক ব্যৱস্থা আৰু সীমা শুল্কৰ ক্ষেত্ৰতো দেশীয় উৎপাদনকাৰীৰ স্বাৰ্থৰ অনুকূল ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আন্তঃগাঁথনি, চহৰ উন্নয়ন আৰু জনসম্পদৰ বিষয়ত ৰাজহুৱা আৰু অনা-চৰকাৰী খণ্ডৰ মাজৰ সহযোগিতাৰ সুবিধা বৃদ্ধি কৰা হৈছে। বিনিয়োগৰ ক্ষেত্ৰত পৰোক্ষ উদগনিসমূহ হৈছে, পুঁজিৰ মূল্য হ্ৰাস, গৃহ ক্ৰয়ৰ ক্ষেত্ৰত কৰ ৰেহাই, বাণিজ্যিক বেংকৰ ঋণদানত এছ এল আৰ আৰু চি আৰ আৰ-ৰ মাচুলৰ বিলুপ্তি ঘটোৱা আদি। বাজেট ভাষণত কৃষি, নিৰ্মাণ উদ্যোগ, চহৰ উন্নয়ন, আন্তঃগাঁথনি আৰু জন-সম্পদৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ১০০ খন স্মাৰ্ট চিটিৰ ধাৰণাটো হয়তো চহৰীয়া ভাৰতক ক্ষিপ্ৰভাৱে আধুনিকী-কৰণৰ পদক্ষেপ। চহৰ অঞ্চলৰ আন্তঃগাঁথনি উন্নয়ন আৰু ইয়াৰ পৰিচালনাৰ মাজত সমন্বয়হীনতাই চহৰ উন্নয়নত ব্যাঘাত জন্মাইছে। বিত্ত যোগান অতি গুৰুত্বপূৰ্ণ যদিও চহৰসমূহৰ প্ৰয়োজনীয়তা পূৰণৰ কাৰণেও কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব লাগিব। কম উপাৰ্জনক্ষমসকলৰ আবাসগৃহৰ প্ৰয়োজনীয়তাৰ প্ৰতিও স্মাৰ্ট চিটিৰ এটা লক্ষ্য হ'ব লাগিব। তদুপৰি পূৰণি চহৰসমূহক পুনৰুজ্জীৱিত কৰি আধুনিক কৰি তুলিব লাগিব। বাণিজ্যিক-ভাৱে সফল কৰি তুলিব পাৰিলেহে চহৰ

**(৬৩ পৃষ্ঠাত চাওক)**

# সেৱা প্ৰদান উন্নত কৰিবলৈ নাগৰিকৰ সৈতে সহযোগিতা ঃ বি আৰ টি এছ, আহমেদাবাদৰ শিক্ষা

ড° মনীষা বাৰ্মা*

এই নিবন্ধত 'আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম' (এ বি আৰ টি এছ) সন্দৰ্ভত আলোকপাত কৰা হৈছে। 'জনমাৰ্গ'ৰূপেও জনাজাত এই ব্যৱস্থা যাত্ৰী তথা নাগৰিকসকলৰ সহযোগত আহমেদাবাদ পৌৰ নিগম (এ এম চি) কৰ্তৃপক্ষই উদ্ভাৱনীমূলক পদ্ধতিৰে প্ৰস্তুত কৰি উলিয়াইছে। 'জনমাৰ্গ' হ'ল জনমুখী চহৰীয়া ৰাজহুৱা পৰিবহণ ব্যৱস্থা। ইতিপূৰ্বে স্থিৰ কৰা অধিক সংখ্যক লক্ষ্য পূৰণ কৰিবলৈ ই সক্ষম হৈছে।

দেশৰ বিভিন্ন স্থানীয় চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক প্ৰকল্পসমূহৰ তথ্যই দেখুৱায় যে পৰিকল্পনা আৰু ৰূপায়ণত নাগৰিকসকলৰ অংশগ্ৰহণ অতি সীমিত। অশোক শ্ৰীনিবাসৰ "পুণে মেট্ৰ' ব্যৱস্থা" (২০১১) আৰু চি ৰামচন্দ্ৰায়াৰ "হায়দৰাবাদ মেট্ৰ' ব্যৱস্থা" (২০০৯)ৰ অধ্যয়নে দেখুৱাইছে যে অধিক সংখ্যক 'নগৰীয়া স্থানীয় সংস্থা'সমূহত সিদ্ধান্তসমূহ কাৰো গাত নলগা, অস্বচ্ছ আৰু অস্থায়ীভাৱে গ্ৰহণ কৰা হয়। 'ডেল্হি বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'তো যাত্ৰীসকলক জড়িত নকৰা বাবে এই ব্যৱস্থা আপাততঃ সম্পূৰ্ণ ফলপ্ৰসূ হোৱা নাই।

'আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'ৰ সফলতা সম্ভৱ হৈছে ৰাজ্যখনে গঢ়ি তোলা যাত্ৰীসকলৰ লগতে নাগৰিকসকলৰ কাৰ্যকৰী আৰু অৰ্থপূৰ্ণ সহযোগিতাৰ বাবে। দেশৰ অন্যান্য মহানগৰ-কেইখনমানত গ্ৰহণ কৰা একেধৰণৰ প্ৰকল্পৰ অভিজ্ঞতাৰ পৰা এই প্ৰকল্প লাভৱান হোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে সহযোগিতামূলক পদ্ধতি এই প্ৰকল্পসমূহত দেখা নাযায়। সামাজিক লক্ষ্য পূৰণ কৰিবলৈ বিচৰা যিকোনো প্ৰকল্পৰ পৰিকল্পনা, নিৰ্মাণ আৰু কাৰ্যপ্ৰণালীৰ স্তৰত এই সহযোগিতাই ৰাজ্যিক সংস্থাসমূহৰ সৈতে যুক্ত হ'বলৈ নাগৰিকসকলৰ বাবে কাঠাম প্ৰদান কৰে। 'আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'ত পৰিলক্ষিত হয় যে এই সহযোগিতাই মহানগৰীৰ বাসিন্দাসকলৰ মাজত আপোন ভাব গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা আগবঢ়ায়। তদুপৰি বাসিন্দাসকলৰ মাজত নাগৰিকত্ব-বোধ অধিক গাঢ় কৰি তোলাৰ ক্ষেত্ৰতো ই বৰঙণি যোগায়।

**তাত্ত্বিক অৱলোকন ঃ নাগৰিকৰ সৈতে সহযোগিতা**

মত বিনিময় আৰু সৰ্বাত্মক শাসনৰ ধাৰণাই নাগৰিকসকলক কেৱল 'ভোটাৰ' আৰু 'অনুচৰ'ৰূপে গণ্য কৰাৰ সলনি 'গুৰিয়াল আৰু নিয়ন্ত্ৰক'ৰূপে স্বীকৃতি দিয়ে। ৰাজ্যখনে নাগৰিকসকলক জড়িত কৰি নীতিসমূহৰ ভিত্তি ব্যাপকতৰ কৰি তোলাৰ লগতে গ্ৰহণযোগ্যতা বৃদ্ধিৰে জনসেৱা উন্নততৰ কৰিব পাৰে। এই ধৰণৰ শাসন প্ৰণালীৰ ভিতৰত পাৰস্পৰিক নিৰ্ভৰশীল কৰ্মীসকলৰ ভিন্নমুখী অগ্ৰাধিকাৰ পৰিৱৰ্তিত হয় মূল্য আৰোপ কৰিবলৈ নীতি নিৰ্বাচনলৈ; যাতে আগ্ৰহৰ বহুমুখিতা সু-সংহত পদক্ষেপলৈ ৰূপান্তৰিত হোৱাৰ লগতে কৰ্মীসকলৰ সেৱাপৰায়ণতা পূৰণ হয় (Kohler Koch and Eising, 1999:5)।

নাগৰিকসকলৰ সৈতে ঘনিষ্ঠ সহযোগিতাই যাত্ৰীসকলৰ প্ৰতি চৰকাৰৰ সহাঁৰিৰ মাত্ৰা বৃদ্ধি কৰাত অৰিহণা যোগায়। ই চৰকাৰৰ দয়াবদ্ধতা নিশ্চিত কৰাত কাৰ্যকৰী পদ্ধতিৰূপে ক্ৰিয়া কৰে। সমমানৰ দায়বদ্ধতাৰ অধিক ব্যাপক শৈলী, য'ত জনসাধাৰণ চৰকাৰৰ মূল ক্ৰিয়াকলাপৰ সৈতে যুক্ত হ'ব পাৰে, বিষমমানৰ দায়বদ্ধতাৰ প্ৰচলিত শৈলীৰ পৰিপূৰকৰূপে জনা যায়। ই চৰকাৰী কাৰ্যবাহী ব্যৱস্থাপনাৰ দায়িত্বৰ ওপৰত ৰাজ্যৰ একচেটিয়া অধিকাৰ ভংগ কৰাত সহায়ক হয় (Goetz and Jenkins, 2001:365) আৰু ই সূক্ষ্ম স্তৰত চৰকাৰী সংস্থাসমূহৰ দায়বদ্ধতা আৰু সঁহাৰি বৃদ্ধি কৰে।

*ড° মনীষা বাৰ্মা ভাৰতীয় প্ৰশাসনীয় সেৱাৰ এগৰাকী বিষয়া

এনে সহযোগিতাই গণতন্ত্ৰৰ বোধ শক্তিশালী কৰিব পাৰে বুলি যুক্তি আগবঢ়োৱা হয়। প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ ভিতৰত বৈধতাৰ সংকট দূৰ কৰিবলৈ নাগৰিকসকলৰ সৈতে ‘সংযোগকাৰী ক্ৰিয়া’ই সহায় কৰে। অৱশ্যে সমাজৰ সৰ্বস্তৰৰ লোকৰ চাহিদা পূৰাবলৈ এয়া যথেষ্ট নহয়। এনে সহযোগিতা মতামত আৰু অগ্ৰাধিকাৰ অথবা বিষয়বস্তুৰ পৰ্যালোচনাৰ সমষ্টি বৰ্জিত। নিউমেন (২০০৫:১৩১)ৰ মতে যোগাযোগকাৰী শৈলী আৰু ‘আগ্ৰহ আৰু পৰিচয়ৰ সূক্ষ্ম তাৰতম্যৰ প্ৰতি অধিক সঁহাৰিমূলক’ বুলি ধৰা হয়।

‘আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’-এ সফল আৰু জনপ্ৰিয় বাছ-ভিত্তিক আন্তঃমহানগৰী পৰিবহণ ব্যৱস্থা আগবঢ়োৱা বাবে বহুকেইটা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। নিউয়ৰ্ক ভিত্তিৰ আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংগঠন ‘আই টি ডি পি’য়ে ২০১০ চনত আগবঢ়োৱা শ্ৰেষ্ঠ ৰাজহুৱা স্থানীয় পৰিবহণ ব্যৱস্থা বঁটা’ অৰ্পণ কৰা দক্ষিণ এছিয়াৰ প্ৰথমখন মহানগৰৰূপে আহমেদাবাদ পৰিগণিত হৈছিল। ২০১০ চনতে ‘ৰাজহুৱা পৰিবহণত উল্লেখনীয় উদ্ভাৱন’ শিতানত যুটীয়াভাৱে দ্বিতীয় শ্ৰেষ্ঠ মহানগৰৰ বঁটা লাভ কৰিছিল আহমেদাবাদে। এই বঁটা আগবঢ়াইছিল ‘আন্তঃৰাষ্ট্ৰীয় পৰিবহণ ফ’ৰাম’ (আই টি এফ) আৰু ‘ৰাজহুৱা পৰিবহণৰ বাবে আন্তঃৰাষ্ট্ৰীয় সংস্থা’ (ইউ আই টি পি)ই। আহমেদাবাদে ২০১০ চনত ‘নগৰীয়া গতিশীলতাৰ উৎকৰ্ষ’ আৰু ২০১১ চনত উদ্ভাৱনী আন্তঃগাঁথনিৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল।

গুজৰাট চৰকাৰে ২০০০ চনত ‘আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’ গঢ় দিছিল। আহমেদাবাদ মহানগৰীৰ নগৰীয়া গতিশীলতা বৃদ্ধি কৰাৰ বাবে এই পদক্ষেপ আগবঢ়োৱা হৈছিল। ২০০৫ চনত এই পৰিকল্পনা আহমেদাবাদ পৌৰ নিগমক কাৰ্যকৰী কৰিবলৈ গতোৱা হৈছিল। মহিলা, শিশু আৰু জ্যেষ্ঠ নাগৰিকৰ প্ৰতি বিশেষ দৃষ্টি ৰাখি আহমেদাবাদৰ সকলো লোকৰ বাবে ৰাজহুৱা গতিশীলতাৰ নিৰাপদ ধৰণ আগবঢ়োৱাৰ বাবে ‘আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’ সাজু হৈছিল। যাত্ৰাৰ সময়, পথ দুৰ্ঘটনা আৰু যানজঁট হ্ৰাস কৰাৰ লগতে গাড়ী ৰখোৱা, পদচাৰী, চাইকেল চালক আৰু পথৰ কাষৰ বিক্ৰেতা আৰু হকাৰৰ বাবে ঠাই সংৰক্ষণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। তদুপৰি মহানগৰীৰ পথ আৰু ভূমিৰ উন্নত ব্যৱহাৰ নিশ্চিত কৰাৰ বাবেও হাত উজান দিছিল। পৰিকল্পিত দৈৰ্ঘ্য ৮৮.৮ কিলোমিটাৰৰ বিপৰীতে এই ব্যৱস্থাৰ ৮৬ কিলোমিটাৰ ২০১১ চনৰ মাৰ্চ মাহত সম্পূৰ্ণ কৰি তোলা হয়। ১৬০ খন বাছেৰে (৬০ খন শীততাপ নিয়ন্ত্ৰিত) এই সেৱা দৈনিক গ্ৰহণ কৰে ১.৫ লক্ষাধিক যাত্ৰীয়ে। ‘আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’এ আধুনিক আৰু আৰামদায়ক বাছেৰে কম ভাড়াতে নিশ্চিত, সময়োপযোগী আৰু দ্ৰুত ভ্ৰমণ সেৱা আগবঢ়ায়। এই সেৱা সহজ, আৰামদায়ক আৰু নিৰাপদ। বাছৰ গতিবেগ ব্যস্ত সময়ত ২৪-২৬ কিলোমিটাৰ/ঘণ্টা আৰু কম ব্যস্ত সময়ত ২৮-৩০ কিলোমিটাৰ/ঘণ্টা। দেশৰ যিকোনো ঠাইৰ বাছসেৱাতকৈ এই গতিবেদ দ্ৰুততম। সকলো বতৰৰ লগত খাপ খোৱাকৈ দূৰদৰ্শীভাৱে নিৰ্মাণ কৰা বাছ আস্থান অতি সুগম। দেশৰ অন্যান্য ঠাইৰ বাছ আস্থানবোৰ এনে সুবিধাযুক্ত নহয়। বয়োজ্যেষ্ঠ, শাৰীৰিক আৰু দৃষ্টিৰ ক্ষেত্ৰত প্ৰত্যাহ্বান থকা লোকৰ ক্ষেত্ৰত হেঁচা-ঠেলা নোহোৱা পৰিৱেশ আৰু নিৰাপত্তা বেছ আকৰ্ষণীয়। যাত্ৰীসকলৰ বাবে আৰামদায়ক আসনৰ ব্যৱস্থা আছে। নিৰাপত্তাৰক্ষীয়ে দিবা-নৈশ যাত্ৰীৰ বাবে সুৰক্ষা আগবঢ়ায়। ‘নৱৰাত্ৰি’ৰ দৰে উৎসৱসমূহত এই বাছসেৱা গভীৰ নিশালৈ চলি থাকে। মহানগৰীখনৰ অধিক সংখ্যক লোকেই এই বাছসেৱা ব্যক্তিগত বাহনতকৈ অধিক পছন্দ কৰে। বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও এই বাছসেৱা বৰ পছন্দৰ।

‘আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’ৰ পৰিকল্পনা আৰু ৰূপায়ণৰ বিভিন্ন স্তৰত আহমেদাবাদ পৌৰ নিগমে নাগৰিকসকলৰ মতামতৰ বাবে তেওঁলোকৰ সহযোগিতা নিবিচৰা হ’লে এই ব্যৱস্থাৰ সাফল্য আৰু জনপ্ৰিয়তা লাভ কৰাটো কঠিন হ’লহেঁতেন।

### এ বি আৰ টি এছ-ৰ আঁচনি আৰু পৰিকল্পনা

আহমেদাবাদ পৌৰ নিগমৰ আঁচনিকাৰসকল প্ৰকল্পটো আৰম্ভ হোৱা সময়ত দুটা ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। প্ৰথমতে, ‘বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’ আপেক্ষিকভাৱে নতুন আছিল, সেয়ে অনুসৰণ কৰিবলৈ দেশত আন কোনো সফল উদাহৰণ নাছিল। দ্বিতীয়তে, মহানগৰীৰ লোকসকলৰ মাজত সজাগতাৰ অভাৱ দেখা গৈছিল। ‘বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’ৰ সুবিধা সন্দৰ্ভত মহানগৰীৰ লোকসকলৰ একাংশৰ মাজত সংশয়ৰ সৃষ্টি হৈছিল। সেই সময়ত চলি থকা ‘ডেল্‌হি বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম’ প্ৰকৃত বি আৰ টি এছ-তকৈ এটা বাছসেৱা পথ যেনহে আছিল আৰু সেয়ে ই সফল আৰ্হিৰূপে দেখা দিয়া নাছিল। ই মহানগৰীখনৰ

পৰিবহণ সমস্যাৰ সমাধান আগবঢ়াব পৰা নাছিল। আহমেদাবাদৰ বাসিন্দাৰ লগতে একাংশ শিক্ষাবিদ আৰু পৰিবহণ বিশেষজ্ঞই আশংকা প্ৰকাশ কৰিছিল যে একে ভুলৰে পুনৰাবৃত্তি হ'ব। কিছুসংখ্যক লোকে মত প্ৰকাশ কৰিছিল যে বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'ৰ পৰিৱৰ্তে মেট্ৰ' ৰে'ল ব্যৱস্থাহে অধিক ফলপ্ৰসূ হ'ব। আন একাংশৰ মতে মহানগৰীৰ দুৰ্বল পৰিবহণ ব্যৱস্থাৰ বাবেই মূলতঃ যানজঁটৰ সমস্যাই মূৰ দাঙি উঠিছে আৰু ৰাস্তা বহলোৱাৰ লগতে প্ৰচলিত ৰাজহুৱা পৰিবহণ বিকল্পৰ উন্নততৰ ব্যৱস্থাপনাই যানজঁটৰ সমস্যা লাঘৱ কৰিব পাৰিব।

তদুপৰি এনে অভিলাষী প্ৰকল্পৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত আহমেদাবাদ পৌৰ নিগমৰ দক্ষতা সন্দৰ্ভতো সকলোৰে আশংকা আছিল। কাৰণ আহমেদাবাদ পৌৰ নিগমে পৰিচালনা কৰা আহমেদাবাদ পৌৰ পৰিবহণ সেৱা (এ এম টি এছ) বহুকেইটা আনুষ্ঠানিক আৰু কাৰ্য সম্পাদন সম্বন্ধীয় সমস্যাৰ সন্মুখীন হৈছিল। ফলত পৰিচালনাৰ অদক্ষতাই দেখা দিয়ে। সকলোৰে মত আছিল যে এ এম টি এছ-ৰ সম্পাদন উন্নত কৰা উচিত। একে আন্তঃগাঁথনিৰে কোনো নিৰ্ণয়সাধ্য লাভ নোহোৱা প্ৰকল্প অনুকৰণ কৰাতকৈ প্ৰচলিত ব্যৱস্থা উন্নত কৰাত গুৰুত্ব প্ৰদান কৰা উচিত বুলি ৰাইজে ভাবে।

এই প্ৰত্যাহ্বানসমূহ দূৰ কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপ অনুসৰি আহমেদাবাদ পৌৰ নিগমৰ এটা দলে 'ডেল্‌হি বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম' পুংখানুপুংখভাৱে অধ্যয়ন কৰিবলৈ লয়। এই প্ৰকল্প ইতিপূৰ্বে স্থিৰ কৰা লক্ষ্য পূৰণ কৰাৰ ক্ষেত্ৰত কিয় ব্যৰ্থ হ'ল সেই বিষয়ে অধ্যয়ন কৰাৰ লগতে আঁচনিৰ স্তৰতে একে ভুলৰ পুনৰাবৃত্তি নকৰিবলৈ দৃঢ়মনা হ'ল। তেওঁলোকে দিল্লী আৰ্হিৰ ব্যৰ্থতাৰ এটা গুৰুত্বপূৰ্ণ কাৰণ চিহ্নিত কৰিবলৈ সক্ষম হ'ল। মহানগৰীৰ লোকসকলৰ অহা-যোৱা কৰাৰ ক্ষেত্ৰত থকা প্ৰয়োজনসমূহ অনুধাৱন কৰিবলৈ সমৰ্থ নোহোৱা বাবেই এই আৰ্হি সফল নহ'ল। এই ব্যৱস্থা যাত্ৰীসকলৰ অগ্ৰাধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত সক্ষম নোহোৱা বাবেও ব্যৰ্থতা স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। মানুহৰ সঁহাৰি উৎসাহব্যঞ্জক কৰাৰ ক্ষেত্ৰতো কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। সেই বাবে তেওঁলোকে ইচ্ছা থাকিলেও সক্ৰিয়ভাৱে এই প্ৰকল্পত অংশগ্ৰহণ কৰিব পৰা নাছিল। এয়া ৰাইজৰ ওপৰত জাপি দিয়া ব্যৱস্থা যেনহে হৈছিল। 'আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'ৰ ক্ষেত্ৰত আহমেদাবাদ পৌৰ নিগমে কাৰ্যকাৰিতা আৰু গ্ৰহণযোগ্যতা বৃদ্ধি কৰিবলৈ যাত্ৰী আৰু অন্য নাগৰিকসকলক সক্ৰিয় সহযোগীৰূপে গণ্য কৰিবলৈ লৈছিল।

**যাত্ৰী আৰু অংশীদাৰসকলৰ বাবে কৰ্মশালা**

আহমেদাবাদ পৌৰ নিগমৰ দলটোৱে নাগৰিকসকলৰ সৈতে ধাৰণাৰ পৰা ৰূপায়ণৰ স্তৰলৈ যুক্ত হ'বলৈ আলোচনাত্মক আৰু পৰামৰ্শমূলক পদক্ষেপ গ্ৰহণ কৰিছিল। ব্যক্তিগত মালিকানাৰ ৰাজহুৱা পৰিবহণ (যেনে ছাক্ৰা, অটোৰিক্সা আৰু বাছ) চাৰিচকীয়া-দুচকীয়াৰ গৰাকীসকলৰ লগতে এ এম টি আৰু গুজৰাট ৰাজ্যিক পথ পৰিবহণ নিগমৰ দৰে অংশীদাৰ আৰু যাত্ৰীসকলৰ বাবে কেইবাটাও কৰ্মশালাৰ আয়োজন কৰা হ'ল। শিক্ষাবিদসকল, ৰাজহুৱা সংস্থাৰ প্ৰতিনিধিবৰ্গ, গুজৰাট আৰু নতুন দিল্লীৰ পৰা নগৰীয়া আন্তঃগাঁথনি আৰু পৰিবহণ বিশেষজ্ঞসকলৰ অংশগ্ৰহণেৰে কৰ্মশালাৰ আয়োজন কৰা হ'ল। এই ব্যৱস্থা উন্নত কৰিবলৈ তেওঁলোকৰ উপলব্ধি সন্দৰ্ভত মতামত বিচৰা হ'ল। এই কৰ্মশালাসমূহত ৰাইজে আঁচনিকাৰ আৰু নগৰীয়া গতিশীলতাৰ বিশেষজ্ঞসকলৰ সৈতে মত বিনিময় কৰিলে। এই মত বিনিময়ে বহুকেইটা উদ্দেশ্য সাধন কৰিবলৈ সক্ষম হ'ল। তেওঁলোকে 'বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'ৰ নতুন ধাৰণা আৰু ইয়াৰ লাভসমূহ অংশীদাৰসকলৰ আগত দাঙি ধৰিলে। আহমেদাবাদ পৌৰ নিগমে বিভিন্ন শ্ৰেণীৰ লোকসকলৰ প্ৰয়োজন সন্দৰ্ভত পোনপটীয়াকৈ জানিব পাৰিলে। আহমেদাবাদ পৌৰ নিগমে অন্যান্য বাণিজ্যিক যান-বাহনৰ গৰাকীসকলৰ সমৰ্থন বিচাৰিলে। যাতে তেওঁলোকে ধৰি নলয় যে বি আৰ টি এছ-এ তেওঁলোকৰ উপাৰ্জনত বিৰূপ প্ৰভাৱ পেলাব। এ এম চি-য়ে এই বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ বুলি গণ্য কৰে, কাৰণ বি আৰ টি এছ-ক নগৰীয়া পৰিবহণৰ সংহত ব্যৱস্থাৰ অংশৰূপে ইতিমধ্যে দেখুওৱা হৈছে। অন্যান্য পৰিবহণ ব্যৱস্থাসমূহকো সংহত ব্যৱস্থাৰ আওতালৈ আনিব পাৰি নেকি এই বিষয়েও পুংখানুপুংখৰূপে আলচ কৰা হ'ল।

**বাছসেৱাৰ পথ নিৰ্বাচন আৰু কৰিড'ৰৰ পৰিকল্পনা**

এ এম চি-য়ে প্ৰথম স্তৰত বাছসেৱাৰ পথৰ আঁচনি প্ৰস্তুত কৰিবলৈ লওঁতে উপভোক্তাৰ মতামত বিচাৰিলে আৰু বিভিন্ন শ্ৰেণীৰ যাত্ৰীসকল লাভৱান হ'ব পৰাকৈ শিক্ষানুষ্ঠান, আবাসিক অঞ্চল আৰু ব্যৱসায়িক এলেকাৰ

ওচৰেৰে যোৱাকৈ এই পথৰ পৰিকল্পনা কৰিলে। এই পথসমূহত পথচাৰী, চাইকেল চালকৰ বাবে সৰু ৰাস্তা আৰু গাড়ী ৰখোৱা স্থানৰো ব্যৱস্থা কৰা হ'ল। ই কাষৰীয়া ভূমিৰ উৎপাদনশীলতা বৃদ্ধি কৰে; কিছুমান ঠাইত বেদখল থকাৰ লগতে উপযুক্তভাৱে ব্যৱহাৰ হোৱা নাছিল। ইয়াৰ ফলত যাত্ৰীসকলৰ মাজত অধিক গ্ৰহণযোগ্যতা পৰিলক্ষিত হ'ল। কাৰণ তেওঁলোক তাৎক্ষণিকভাৱে ইয়াৰ দ্বাৰা উপকৃত হ'ল।

'ডেল্‌হি বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'ৰ পৰা লাভ কৰা তথ্য অনুসৰি বাছসেৱাৰ পথসমূহেৰে সকলো বাছ আৰু বিভিন্ন যান-বাহন চলাচল কৰাৰ ফলত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হয়। এই তথ্যৰ ওপৰত ভিত্তি কৰি কেৱল 'বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম'ৰ বাছসমূহহে চলাচল কৰিব পৰা মধ্যৱৰ্তী কৰিড'ৰ নিৰ্বাচন কৰা হ'ল। ইয়াৰ ফলত 'আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেম' এটা আৱদ্ধ ব্যৱস্থা হৈ পৰিল, যিটো দিল্লীৰ মুক্ত ব্যৱস্থাৰ ঠিক বিপৰীত। অন্য মিশ্ৰিত যান-বাহনৰ বাধা নথকা বাবে বি আৰ টি এছ-এ সুনিশ্চিত আৰু দ্ৰুতগামী সেৱা আগবঢ়াবলৈ সক্ষম হ'ল। বাছ চলাচলৰ ব্যৱধান, সময় আৰু গতিবেগো নিৰীক্ষণ কৰিব পাৰি। তদুপৰি মুক্ত পথেৰে বি আৰ টি এছ বাছৰ সৈতে এ এম টি এছ বাছসেৱাৰ প্ৰতিযোগিতা হ'লহেঁতেন যিটো উৎপাদনশীল নহয়। নিৰ্দিষ্ট কৰিড'ৰেৰে আগবঢ়া বাবে বি আৰ টি এছ বাছ আস্থানসমূহ এনেধৰণে পৰিকল্পনা কৰা হৈছে যে সমান স্তৰৰ ঠাইৰ পৰা বাছত উঠাটো সহজসাধ্য হৈ পৰাৰ লগতে উঠাৰ সময়ো হ্ৰাস হয়। ইয়াৰ ফলত শাৰীৰিক বাধাগ্ৰস্ততা থকা যাত্ৰীয়েও কোনো অসুবিধা নোহোৱাকৈ বাছত অনায়াসে উঠিব পাৰে। কৰ্মশালাত লাভ কৰা উপভোক্তাৰ মতামতৰ ফলত বি আৰ টি এছ বাছ আস্থানসমূহত খটখটি থকা সমতল মঞ্চৰ ব্যৱস্থা ৰখা হয়। তদুপৰি বাছত উঠিব পৰাকৈ সুগম প্ৰৱেশ পথৰ ব্যৱস্থা ৰখা বাবে দৃষ্টিহীনসকলক নিৰ্দেশ দিব পৰাৰো সুবিধা হৈছে।

**উন্নত স্থাপত্য আৰু সহযোগিতাৰ মাধ্যমেৰে পৰিচালনা ব্যৱস্থা ঃ**

অংশগ্ৰহণমূলক পৰিকল্পনাৰে আগবঢ়াৰ পিছত, আহমেদাবাদ পৌৰ নিগমে নিৰ্মাণ কৰা কেইটামান আস্থান (বাছসেৱা মুকলি কৰাৰ পূৰ্বে) প্ৰায় ছমাহৰ বাবে ৰাইজৰ বাবে মুকলি কৰি ৰাখিছিল। এনেদৰে ৰখাৰ কাৰণ হ'ল তেওঁলোকে যাতে আস্থানসমূহলৈ গৈ অধিক সুবিধাজনক আৰু আৰামদায়ক হ'ব পৰাকৈ দিহা-পৰামৰ্শ দিব পাৰে। বাছ আস্থানসমূহৰ বিভিন্ন দিশ সন্দৰ্ভত পৰামৰ্শ দিবলৈ তেওঁলোকক অনুৰোধ জনোৱা হৈছিল। আস্থানসমূহত উপস্থিত থকা বিষয়ববীয়াসকলে তেওঁলোকৰ পৰামৰ্শ পোনপটীয়াকৈ বাণীবদ্ধ কৰিছিল অথবা আস্থানসমূহত মতামত লিপিবদ্ধ কৰিবলৈ পঞ্জীয়ন বহীৰ ব্যৱস্থা কৰিছিল। এনে ব্যৱস্থাৰ জৰিয়তে কেইবাটাও ভুল সংশোধন কৰা হৈছিল। উদাহৰণস্বৰূপে, আহমেদাবাদৰ কঠোৰ গ্ৰীষ্মকালত বাছ আস্থানৰ টিনৰ চালসমূহ অসহনীয়ভাৱে গৰম হৈ পৰে। মতামতৰ ওপৰত ভিত্তি কৰি টিনসমূহৰ সলনি কংক্ৰিট চাদৰ ব্যৱস্থা কৰা হয়। একেদৰে, ষ্টিলেৰে নিৰ্মিত আসনসমূহ গ্ৰীষ্মকালি গৰম হৈ পৰাৰ বিপৰীতে শীতকালি বেছ চেঁচা হোৱাৰ বাবে স্থানীয় বতৰৰ সৈতে খাপ খোৱাকৈ কাঠৰ চকীৰ ব্যৱস্থা কৰা হয়।

একেধৰণে, যেতিয়া ২০১০ বৰ্ষৰ জুন মাহত প্ৰথমছোৱা ১২.৫ কিলোমিটাৰ পথ সাজু হৈ উঠে, আহমেদাবাদ পৌৰ নিগমে তিনি মাহৰ বাবে বিনামূলীয়া বাছসেৱা আগবঢ়ায়। এই সময়ত ১৫ লাখতকৈ অধিক লোকে এই বাছসেৱা ব্যৱহাৰ কৰে। উদ্যোগপতি, সাংবাদিক, ছাত্ৰ-ছাত্ৰী, শিক্ষাবিদ, সাংসদ, বিধায়ক, ধৰ্মীয় নেতা, জ্যেষ্ঠ নাগৰিক, আমোলা, বিশিষ্ট নাগৰিক, চিকিৎসক, ৰাজনীতিবিদ আদিৰ দলৰ বাবে আহমেদাবাদ পৌৰ নিগমে বিশেষ ভ্ৰমণৰ ব্যৱস্থা কৰে। এ এম চি-য়ে এই সময়ছোৱা নতুন ব্যৱস্থাৰ সুবিধাসমূহ প্ৰদৰ্শনৰ বাবে ব্যৱহাৰ কৰাৰ লগতে এই বাছসেৱাৰ মান অধিক উন্নত কৰিবলৈ যাত্ৰীসকলক জড়িত কৰে। এই সময়ছোৱাত এ এম চি-য়ে বাছ চালকসকলৰ কাৰিকৰী দক্ষতা নিৰ্ধাৰণ কৰে। গাড়ীচালনা, নিৰাপদে যাত্ৰী উঠোৱা-নমোৱা, বাছৰ ভিতৰত সংস্থাপন কৰা 'জি পি এছ কনছ'ল্‌ছ' নিয়ন্ত্ৰণ কৰা আৰু বিভিন্ন 'অপাৰেটিং ছিষ্টেম' পৰিচালনা কৰা আদি এই কাৰিকৰী দক্ষতাৰ আওতাত পৰে। এই আখৰাই দিল্লীৰ আৰ্হিৰ সৈতে এ বি আৰ টি এছ-ক তুলনা কৰি ইয়াৰ ব্যৰ্থতা সন্দৰ্ভত ভৱিষ্যৎবাণী কৰা সমালোচকসকলৰ মুখ বন্ধ কৰাৰ লগতে তেওঁলোকক শিক্ষাও প্ৰদান কৰে।

**মতামত জৰীপ**

আৰম্ভণিৰ আখৰাৰ সময়ত এ এম চি-য়ে কেইটামান কথা জানিবলৈ মতামত জৰীপ চলায়। সেইকেইটা হ'ল— নিতৌ কিমান যাত্ৰীয়ে বাছেৰে ভ্ৰমণ কৰে, কোনকেইটা পথ ব্যস্ত, ব্যস্ত সময়, কোন সময়ত আটাইতকৈ বেছি যাত্ৰী উঠে, বিভিন্ন পথত সময় অনুসৰি যাত্ৰীৰ হিচাপ

**(৪৬ পৃষ্ঠাত চাওক)**

# দাৰিদ্ৰ্য আৰু অপৰিপুষ্টি সম্পৰ্কীয় আঁচনি ঃ উত্তম ফলাফলৰ বাবে গুৰুত্বপূৰ্ণ বিষয়

**আশা কাপুৰ মেহতা***
**সঞ্জয় প্ৰতাপ***

নতুন চৰকাৰে ক্ষমতালৈ অহাৰ পাচত দিয়া বহু প্ৰতিশ্ৰুতিৰ ভিতৰত অন্যতম হ'ল— চৰম দাৰিদ্ৰ্য আৰু অপৰিপুষ্টিক ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ দিয়াৰ লগতে স্বাস্থ্য খণ্ডক উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰাৰ আশ্বাস। ২০১৪-২০১৫ বিত্তীয় বছৰৰ বাজেটত ধাৰ্য কৰা পুঁজি বণ্টনৰ ক্ষেত্ৰত উল্লেখ কৰাৰ প্ৰয়োজন যে, বাজেট আৰু অন্যান্য ভাষণত এই বিষয়ে অনুৰণিত হৈছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাচৰে পৰা চৰকাৰে দাৰিদ্ৰ্য মোচন আৰু অপৰিপুষ্টি নিৰ্মূলৰ বাবে বহুসংখ্যক আঁচনি ৰূপায়ণ কৰিছে। এই আঁচনিবোৰৰ অন্যতম সংহত শিশু বিকাশ সেৱা আঁচনি চমুকৈ আই চি ডি এছ চাৰি দশকৰ পূৰ্বে প্ৰৱৰ্তন কৰা হৈছিল। ইয়াৰ ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (এন আৰ এইছ এম) অতি শেহতীয়া আঁচনি। ৰাষ্ট্ৰীয় নিয়োগ সৃষ্টি আঁচনিৰ গুৰুত্বপূৰ্ণ অভিজ্ঞতা ভিত্তিক আন এখন আঁচনি হ'ল— কাম কৰা অধিকাৰ প্ৰদান কৰা এম এনৰেগা (এম জি এন আৰ ই জি এ)।

এই প্ৰবন্ধত দুটা প্ৰশ্নৰ সন্দৰ্ভত আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে। প্ৰথম— যথেষ্ট সংখ্যক কাৰ্যসূচী আৰু আঁচনি গ্ৰহণ কৰা সত্বেও ব্যাপক হাৰত দাৰিদ্ৰ্য কিয় বৰ্তি আছে? দ্বিতীয়তে দুখন ডাঙৰ আঁচনি সংহত শিশু বিকাশ সেৱা আঁচনি আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান ব্যৱহাৰ কৰাৰ সময়ত ভাল ফলাফল লাভ কৰিবলৈ আমি কোনবোৰ গুৰুত্বপূৰ্ণ বিষয়ত মনোযোগ দিয়াৰ দৰকাৰ?

**ব্যাপক দাৰিদ্ৰ্য এতিয়াও এটা বিষয় হৈ আছে কিয়?**

দাৰিদ্ৰ্যৰ বিভিন্ন মাত্ৰা নিৰ্মূল কৰিবলৈ বৃহৎ সংখ্যক কাৰ্যসূচী আৰু আঁচনি পৰিসংখ্যা এক নম্বৰ তালিকাত দিয়া হৈছে। সি যি কি নহওক, ২ নম্বৰ স্তম্ভৰ পৰিসংখ্যাৰ পৰা জানিব পাৰি যে এই কাৰ্যসূচী আৰু আঁচনিবোৰৰ এখনেও পৰিয়ালবৰ্গ বা স্বকীয় নাগৰিকক সাহায্যৰ ন্যূনতম পৰ্যায় প্ৰদান কৰিবলৈ ৰাজ্যৰ ওচৰত প্ৰতিশ্ৰুতিবদ্ধ নহয়। এটা পৰিয়ালে দাৰিদ্ৰ্যৰ সীমাৰেখা অতিক্ৰম কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ বছৰেকীয়া উপাৰ্জনৰ বাবে কৰ্মৰ সুবিধা দান কৰিব পৰাকৈ নিয়োগ আৰু স্বনিয়োজন সৃষ্টি আঁচনিৰ ভিতৰত অন্যতম এম জি এনৰেগাৰ আৰ্হি যুগুতোৱা হোৱা নাই। স্বনিয়োজন আৰু আত্মসহায়ক গোট ভিত্তিক কাৰ্যসূচীৰ ওপৰত ভিত্তি কৰি সৃষ্টি উপাৰ্জনৰ বিপদৰ আশংকা আছে আৰু দাৰিদ্ৰ্য মোচনৰ বাবে উপাৰ্জন সৃষ্টি উপযুক্ত পৰিমাণৰ নহ'ব পাৰে। এই আঁচনিসমূহৰ অংশগ্ৰহণৰ পৰা হোৱা স্বাভাৱিক প্ৰক্ৰিয়াৰে লাভ ব্যক্তি-গৰাকীয়ে বিনিয়োগ কৰাৰ ধৰণ আৰু সেই প্ৰবাহৰ পৰা অহা উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰে।

মহিলা, বৃদ্ধ লোক আৰু বিশেষভাৱে সক্ষম ব্যক্তি দুখীয়া নহ'বও পাৰে। সাধাৰণতে এইসকল লোক হয় অসুবিধাজনক স্থিতিত থাকে বা দুখীয়া। এই সকল লোকৰ দাৰিদ্ৰ্য মোচনৰ বাবে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি বা বিধবা পেন্সন আঁচনি বা বিশেষভাৱে অক্ষম লোকৰ বাবে পেন্সন আঁচনি— যিটো পৰ্যায়ত পেন্সন নিৰ্দ্ধাৰণ কৰা হয়— জীয়াই থাকিবৰ বাবে সেইয়া পৰ্যাপ্ত নহয়।

ৰাজ্য চৰকাৰৰ সমূহ বিভাগ একমুখী হৈ দাৰিদ্ৰ্য মোচনৰ বাবে কেন্দ্ৰীভূত মনোযোগেৰে কাম কৰাৰ বাবে ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অসাৰ হৈছে। ব্যক্তি আৰু পৰিয়াল-সমূহক দাৰিদ্ৰ্যৰ কবলৰ পৰা ওলাই আহিবলৈ মুঠ কাৰ্যসূচী আৰু আঁচনিয়ে সমৰ্থ কৰাটো নিশ্চিত কৰাৰ সামগ্ৰিক প্ৰতিশ্ৰুতি অবিহনে কাৰ্যসূচী আৰু আঁচনিসমূহ ক্ষুদ্ৰ অংশ কৰি বিতৰণ কৰা হৈছে। কোন দৰিদ্ৰ আৰু কিয় দৰিদ্ৰ— এই বিষয়টোৰ পক্ষপাতহীন-ভাৱে সত্যাসত্য নিৰূপণ কৰি চিনাক্ত কৰাটো প্ৰয়োজন। কোন দাৰিদ্ৰ্যৰ কবলৰ পৰা মুক্ত হৈছে আৰু কেনেকৈ হৈছে? পূৰ্বে দুখীয়া নোহোৱা ব্যক্তি কি কাৰণত বৰ্তমান দুখীয়া হৈছে আৰু ইয়াক কেনেদৰে ৰোধ কৰিব পৰা যায়? দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰাৰ বাবেই তেওঁ দৰিদ্ৰ নেকি? নতুবা ভগ্ন স্বাস্থ্য বা নিৰক্ষৰতা বা নৈপুণ্যৰ অভাৱত তেওঁ দুখীয়া হৈছে নেকি? দাৰিদ্ৰ্যৰ কবলৰ পৰা মুক্ত কৰিবলৈ তেওঁলোকক কি বিশেষ হস্তক্ষেপৰ প্ৰয়োজন? প্ৰত্যেক গাঁৱতে

*আশা কাপুৰ মেহতা ইণ্ডিয়ান ইন্সটিটিউট অৱ পাব্লিক এড্মিনিষ্ট্ৰেচনৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা। অজয় প্ৰতাপ একেটা প্ৰতিষ্ঠানৰে গৱেষণা বিষয়া।

১নং তালিকা ঃ **দাৰিদ্ৰ্যমোচন কাৰ্যসূচী আৰু আঁচনি ঃ পৰ্যাপ্ততা আৰু অধিকাৰযোগ্যতা**

| কাৰ্যসূচী/আঁচনি | ই ন্যূনতম সাহায্য আগবঢ়াইছে নে? | কাৰ প্ৰাপ্য, পৰিয়াল নে ব্যক্তিৰ | ই কামৰ লগত সংলগ্ন নে? | শিশু উপকৃত হৈছেনে? |
|---|---|---|---|---|
| **নিয়োগ আৰু স্ব-নিয়োজন** | | | | |
| মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন | নাই | পৰিয়াল | হয় | * |
| স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা | নিৰ্দিষ্ট লাভ নাই | ব্যক্তিগত/এছ.এইচ.জি | হয় | * |
| স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা | | | | |
| নগৰ স্ব-নিয়োজন কাৰ্যসূচী | নিৰ্দিষ্ট লাভ নাই | ব্যক্তিগত | হয় | * |
| নগৰ মজুৰি নিয়োগ কাৰ্যসূচী | নাই | ব্যক্তিগত | হয় | * |
| মহিলাৰ বাবে প্ৰশিক্ষণ আৰু নিয়োগ কাৰ্যসূচীলৈ সমৰ্থন | নাই | ব্যক্তিগত | হয় | * |
| আত্মসহায়ক গোট আৰু ক্ষুদ্ৰ বিত্ত | নিৰ্দিষ্ট লাভ নাই | এইচ.এছ. জি | হয় | * |
| **পৰিপুষ্টি আৰু শিক্ষা** | | | | |
| লক্ষ্যস্বৰূপ ৰাজহুৱা বিতৰণ ব্যৱস্থা | চৰকাৰী সাহায্যৰ খাদ্য | পৰিয়াল | নহয় | * |
| সংহত শিশু বিকাশ সেৱা | নাই | ব্যক্তি | নহয় | হৈছে |
| মধ্যাহ্ন আহাৰ | নাই | ব্যক্তি | নহয় | হৈছে |
| সৰ্বশিক্ষা অভিযান | নাই | ব্যক্তি | নহয় | হৈছে |
| **স্বাস্থ্য আৰু স্বাস্থ্যবীমা** | | | | |
| ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান | নাই | ব্যক্তি | নহয় | হৈছে |
| জননী সুৰক্ষা যোজনা | নাই | ব্যক্তি | নহয় | হৈছে |
| ৰাষ্ট্ৰীয় এইড্‌ছ নিয়ন্ত্ৰণ কাৰ্যসূচী- তৃতীয় | নাই | ব্যক্তি | নহয় | হৈছে |
| আম আদমী বীমা যোজনা | নাই | ব্যক্তি | নহয় | * |
| ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা | নাই | ব্যক্তি | নহয় | * |
| **আন্তঃগাঁথনি আৰু মৌলিক সেৱাসমূহ** | | | | |
| প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা | নাই | সমূহীয়া | নহয় | * |
| ইন্দিৰা আৱাস যোজনা | নাই | পৰিয়াল | নহয় | * |
| মুঠ পয়-প্ৰণালী অভিযান | নাই | পৰিয়াল | নহয় | হৈছে |
| ভাৰত নিৰ্মাণ | নাই | পৰিয়াল/সমূহীয়া | নহয় | * |
| জৱাহৰলাল নেহৰু নগৰ নবীকৰণ অভিযান | নাই | সমূহীয়া | নহয় | * |
| দ্ৰুত গ্ৰাম্য পানী যোগান | নাই | পৰিয়াল | নহয় | হৈছে |
| সংহত জলাচ্ছেদ ব্যৱস্থাপনা কাৰ্যসূচী | নাই | পৰিয়াল | নহয় | * |
| পিছপৰা অঞ্চলত অনুদান পুঁজি | নাই | সমূহীয়া | | |

| কাৰ্যসূচী/আঁচনি | ই ন্যূনতম সাহায্য আগবঢ়াইছে নে? | কাৰ প্ৰাপ্য, পৰিয়াল নে ব্যক্তিৰ | ই কামৰ লগত সংলগ্ন নে? | শিশু উপকৃত হৈছেনে? |
|---|---|---|---|---|
| **বিশেষ গোটৰ বাবে কাৰ্যসূচী** | | | | |
| অনুসূচীত জাতি উপ-আঁচনি আৰু জনজাতি উপ-আঁচনি | নহয় | সমূহীয়া | নহয় | * |
| সংহত শিশু সুৰক্ষা আঁচনি | নহয় | ব্যক্তি | নহয় | হৈছে |
| ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি | নহয় | ব্যক্তি | নহয় | হৈছে |
| কিশোৰী শক্তি যোজনা | নহয় | ব্যক্তি | নহয় | হৈছে |

টোকা ঃ *পৰিয়ালৰ অংশ হিচাপে শিশু উপকৃত হোৱাটো বুজোৱা হৈছে।

উৎস ঃ মেহতা, আশা কাপুৰ আৰু প্ৰতাপ, সঞ্জয় (২০১৪), নীতি আৰু কাৰ্যসূচী ঃ সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান-এ কেনেদৰে কাম কৰিছে, কিয় কৰিব পৰা নাই এই বিষয়ত বিশ্লেষণ। চি পি আৰ চি আই আই পি এ ৱৰ্কিং পেপাৰ ৪৮, আই আই পি এ।

দাৰিদ্ৰ্য মোচন কৰিবলৈ ৰাজ্যৰ প্ৰগতিৰ লিকে কেনেদৰে কাম কৰিব পাৰে? ২০১৪ চনৰ $x\%$ দুখীয়া পৰিয়ালক ২০১৫ বা ২০১৬ চনত দাৰিদ্ৰ্যৰ পৰা মুক্ত কৰা হ'ব বুলি কোনে নিশ্চিতি প্ৰদান কৰিব পাৰে? গাঁও আৰু চহৰসমূহ দাৰিদ্ৰ্যমুক্ত বুলি ঘোষণা কৰিবলৈ এই অভিযানৰ বহনক্ষমতা নিৰূপণ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছেনে? যিসকল লোক বৰ্তমান দুখীয়া নহয় সেই সকলক দাৰিদ্ৰ্যৰ পৰা ৰক্ষা কৰিবলৈ বা দাৰিদ্ৰ্যৰ বিশেষ স্পৰ্শকাতৰতা ৰোধ কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে? এই স্পৰ্শকাতৰতা ব্যক্তি, জীৱিকা, গোট বা ভৌগোলিক অৱস্থানৰ ক্ষেত্ৰত নিৰ্দিষ্ট নেকি? এই বিষয়সমূহৰ সন্দৰ্ভত প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী প্ৰয়োজন হৈ পৰিছে।

## সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান ঃ প্ৰধান কাৰ্যসূচীসমূহ

দাৰিদ্ৰ্য হ্ৰাস কৰাৰ কাৰণে কাৰ্যসূচী আৰু আঁচনিসমূহ অধিক যোগান ৰূপায়ণ কৰাৰ জৰিয়তে ভাল ফলাফল আমি কেনেকৈ পাব পাৰো? গৱেষণা কাকতৰ এই শাখাত মনোযোগ দৰকাৰ হোৱা কিছুমান মূল ৰূপায়ণৰ বিষয় চিনাক্ত কৰিবলৈ দুটা প্ৰধান কাৰ্যসূচী সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ পৰ্যালোচনা কৰা হৈছে। চিনাক্ত হোৱা বহু বিষয় অন্যান্য কাৰ্যসূচী আৰু আঁচনিৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

অপৰিপুষ্টি স্বাস্থ্য-যতনৰ প্ৰতি মনোযোগৰ অভাৱ, প্ৰতিষেধক, প্ৰাক্-প্ৰসৱ আৰু প্ৰসৱোত্তৰ কালৰ যত্ন আৰু জৰুৰী যত্নৰ অভাৱ, প্ৰতিষ্ঠানত প্ৰসৱ কৰোৱাৰ নিম্ন হাৰ, উচ্চ ৰোগৰ চাপ, খাদ্য, পৰিপুষ্টি আৰু স্বাস্থ্য শিক্ষাৰ অভাৱ; কম বয়সত বিবাহ আৰু গৰ্ভৱতী হোৱা, মহিলাৰ মাজত ৰক্তাল্পতা, কম ওজনৰ নৱজাত শিশু; সাংস্কৃতিক অভ্যাসৰ অভাৱ; পানীৰ নিম্ন মান, চাফ-চিকুণতা আদিৰ নিম্ন মান ইত্যাদি বিভিন্ন কাৰকৰ সৃষ্টি। অপৰিপুষ্টি ৰোধৰ ক্ষেত্ৰত এই কাৰকবোৰ চিনাক্ত কৰাৰ সময়ত অপৰিপুষ্টি ৰোধত এই দুখন আঁচনিৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। সংহত শিশু বিকাশ সেৱা অলপতে পুনৰোজ্জীৱিত আৰু শক্তিশালী কৰি তোলা হৈছে আৰু সাৰ্বজনীন কৰি তোলা হৈছে বুলি ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাজেটত উল্লেখ কৰা হৈছে।

২০১৪-১৫ বাজেটত চলিত বৰ্ষৰ বাবে সংহত শিশু বিকাশ সেৱাৰ শিতানত ১৮ হাজাৰ ১৯৫ কোটি টকা ধাৰ্য কৰা হৈছে। আঁচনিখন সাৰ্বজনীন কৰি তুলিবলৈ চৰকাৰে ক্ৰমবৰ্ধনশীল ৭০৭৬টা প্ৰকল্প, ২০ হাজাৰ অংগনবাড়ীৰ দাবীকে ধৰি ১৪ লাখ অংগনবাড়ী কেন্দ্ৰ/ক্ষুদ্ৰ অংগনবাড়ী কেন্দ্ৰৰ বাবে অনুমোদন জনাইছে। সংহত শিশু বিকাশ সেৱাক বৰ্তমান ৰাষ্ট্ৰীয় পৰিপুষ্টি অভিযান (এন এন এম) আৰু বিশ্ব বেংক সাহায্যকৃত আই চি ডি এছ ছিষ্টেম ষ্ট্ৰেংথনিং এণ্ড নিউট্ৰিশ্বন ইমপ্ৰ'ভমেণ্ট প্ৰজেক্ট (আই এছ এছ এন আই পি)ৰ লগত একত্ৰিত কৰা হৈছে। সেই কাৰণে ২০১৪-১৫ বৰ্ষৰ কালছোৱাত এই শিতানত আৱণ্টন ১৮,৬৯১ কোটি টকালৈ বৃদ্ধি কৰা হৈছে (ৰাষ্ট্ৰীয় পৰিপুষ্টি অভিযানৰ বাবে ৩০০ কোটি টকা আৰু আই এছ এছ এন আই পি-ৰ বাবে ১৯৬ কোটি টকা নিৰ্দ্ধাৰণ

কৰা হৈছে। (মিনিষ্ট্ৰি অৱ ফাইনেন্স এ'ক্সপে'নডিচ্চৰ বাজেট ২০১৪-১৫, ভল্‌ইউম ১:৩৯-৪০)।

জনসাধাৰণৰ প্ৰতি সংবেদনশীল হোৱাৰ লগতে জবাবদিহি হোৱা স্বাস্থ্যসেৱা সাৰ্বজনীন ব্যয়সাধ্য কৰা আৰু গুণগত স্বাস্থ্য যতন আগবঢ়োৱাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানক (এন আৰ এইচ এম) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (এন এইচ এম) নামেৰে পুনৰ নামাকৰণ কৰা হৈছে। জনসংখ্যা সুস্থিৰ কৰি ৰখাৰ লগতে শিশু আৰু প্ৰসূতিৰ মৃত্যু হ্ৰাস কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা, প্ৰতিষেধক প্ৰদান ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু মানৱ সম্পদ বিকাশ, চিকিৎসক, নাৰ্চ আৰু অৰ্দ্ধ-চিকিৎসা বাহিনীৰ প্ৰশিক্ষণ গুৰুত্ব সহকাৰে আৰম্ভ কৰা হৈছে। সকলো ৰাজ্যই এই অভিযান আৰম্ভ কৰিছে আৰু সকলো পৰ্যায়তে অতিৰিক্ত ব্যৱস্থাপনা জবাবদিহিতা আৰু আঁচনি সমৰ্থনৰ জৰিয়তে স্বাস্থ্য সেৱা প্ৰদান ব্যৱস্থা পুনৰোজ্জীৱিত কৰা হৈছে। প্ৰত্যেক গাঁৱতে স্বীকৃত সামাজিক স্বাস্থ্য কৰ্মী (আশা) নিয়োগৰ জৰিয়তে স্বাস্থ্য শিক্ষা প্ৰদান কৰি স্পৰ্শকাতৰ গোটসমূহক বুনিয়াদী স্বাস্থ্য যতনৰ কাষ চপাই অনা হৈছে। আয়ুস (এ ৱাই য়ু এছ এইচ) ব্যৱস্থা ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ লগত সংহত কৰা হৈছে (মিনিষ্ট্ৰি অৱ ফাইনেন্স এ'ক্সপে'নডিচ্চৰ বাজেট, ২০১৪-১৫, ভল্‌ইউম ১:৩৯)।

**ভাল ফলাফলৰ বাবে আঁচনি কাৰ্যকৰীকৰণ**

সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান বা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জৰিয়তে কেনেদৰে ভাল ফলাফল লাভ কৰিব পাৰি?

**সংশ্লিষ্ট স্থানৰ মানচিত্ৰ**

বৰ্তমান কোনো গাঁও বা বস্তিৰ কোন ঠাইত অংগনবাড়ী কেন্দ্ৰসমূহ আছে বা সেইবোৰে কাম কৰি আছেনে নাই সেইটো চিনাক্ত কৰাৰ কাৰণে সংশ্লিষ্ট স্থানৰ মানচিত্ৰ অতি উপকাৰী। উচ্চ সম্প্ৰদায়ৰ এলেকাত থকা অংগনবাড়ী কেন্দ্ৰসমূহে দলিত, জনজাতি, সংখ্যালঘু, অন্যান্য পিচপৰা গোষ্ঠী আৰু অতি দৰিদ্ৰ শিশুৰ ক্ষেত্ৰত হেঙাৰৰ সৃষ্টি কৰে। সেইবাবে সংশ্লিষ্ট স্থানৰ মানচিত্ৰৰ সুবিধা জিলা বা উন্নয়ন খণ্ড পৰ্যায়তেই নহয় প্ৰত্যেকখন গাঁৱৰ ভিতৰতো অতি গুৰুত্বপূৰ্ণ। জনসংখ্যাৰ মান অনুসৰি গাঁও বা বস্তি এলেকাত কিমান অংগনবাড়ী কেন্দ্ৰ থকা উচিত? যদি বৰ্তমান চলি থকা কেন্দ্ৰৰ সংখ্যা মানতকৈ কম তেনেহ'লে প্ৰতি গাঁও বা বস্তি অঞ্চলৰ দৰিদ্ৰতম এলেকাত অগ্ৰাধিকাৰ ভিত্তিত অংগনবাড়ী কেন্দ্ৰ স্থাপন কৰিব লাগে। ইয়াৰ সমানে য'ত উপ-কেন্দ্ৰ, জনস্বাস্থ্য কেন্দ্ৰ আৰু স্বাস্থ্য যতন আছে আৰু ব্যৱধান থাকিলে সেইবোৰ নিৰ্মূল কৰাতো সংশ্লিষ্ট স্থানৰ মানচিত্ৰই সহায় কৰে। (মেহতা আৰু প্ৰতাপ ২০১৪ : পৃষ্ঠা ৮৬)

**অধিক সমস্যা বা বেয়াকৈ আক্ৰান্ত খণ্ড আৰু পঞ্চায়তসমূহ**

প্ৰতিখন জিলা, উন্নয়ন খণ্ড আৰু পঞ্চায়তৰ অধিক সমস্যাগ্ৰস্ত ব্যতিক্ৰমী স্থানসমূহত সম্পদ আৰু প্ৰচেষ্টা চলাবলৈ মনোনিৱেশ কৰাটো দৰকাৰ। ইয়াৰ অন্যথা অপৰিপুষ্টি হ্ৰাসকৰণ বা বিশেষ ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ কঠিন হ'ব। উদাহৰণ-স্বৰূপে ৰাষ্ট্ৰীয় পৰ্যায়ত ২005 চনত কুষ্ঠৰোগীৰ হাৰ ১.৪/১০,০০০ৰ পৰা ১/১০,০০০তকৈয়ো কম হাৰলৈ হ্ৰাস পায় (মেহতা আৰু প্ৰতাপ, ২০১৪ ঃ পৃষ্ঠা ৫৩ত উদ্ধৃত এন এল ই পি ২০১৩)। সি যি কি নহওক, সকলো উন্নয়ন খণ্ডত এনেধৰণৰ ফল পোৱা হোৱা নাই। একেদৰে, বহু ঔষধ প্ৰতিৰোধ যক্ষ্মাৰ বৰ্দ্ধিত সংখ্যাৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰা দৰকাৰ। নগৰ অঞ্চলৰ বস্তি এলেকাৰ দৰে বিশেষ এলেকাৰ এনে উদাহৰণ আৰু ব্যক্তিগত খণ্ডত চিকিৎসা কৰি থকা ব্যক্তিক চিনাক্ত কৰা আৰু চিকিৎসা প্ৰদান কৰা দৰকাৰ।

ভৌগোলিকভাৱে বিচ্ছিন্ন আৰু দুৰ্গম অঞ্চলত বাস কৰা লোকৰ স্বাস্থ্য যতনৰ প্ৰয়োজন পূৰ কৰাৰ ক্ষেত্ৰত অসম আৰু কেৰালাত নৌকা চিকিৎসা কেন্দ্ৰই সুন্দৰ সঁহাৰি লাভ কৰিছে। দ্ৰুতভাৱে স্বাস্থ্য যতন আগবঢ়াবলৈ ভ্ৰাম্যমান চিকিৎসা গোট সফলভাৱে ব্যৱহাৰ কৰিব পৰা যায়। সি যি কি নহওক, ২০১২ বৰ্ষত অন্ধ্ৰপ্ৰদেশত ২১৩৪টা ভ্ৰাম্যমাণ চিকিৎসা কেন্দ্ৰৰ ভিতৰত ৪৮৮টা আৰু তামিলনাডুত ৩৮৫টা আৰু ওড়িছাত ৩২৯টা কেন্দ্ৰই সেৱা আগবঢ়ায়।

**আন্তঃগাঁথনি**

আন্তঃগাঁথনিৰ অভাৱ আৰু শৌচাগাৰ বা পানীৰ সুবিধা নথকা আৰু নলাৰ ওপৰত অৱস্থিত অংগনবাড়ী কেন্দ্ৰই কাম কৰিব নোৱাৰে। চৌপাশত পৰিষ্কাৰ-পৰিচ্ছন্নতা, পুতলা, জোখ-মাখৰ মাপকাঠী, মানচিত্ৰ আদিৰ অভাৱে অংগনবাড়ী কেন্দ্ৰৰ চাহিদাত প্ৰভাৱ পেলায় (মেহতা আৰু আলি ২০০৮)। এই অৱস্থাৰ সংশোধন কৰি অংগনবাড়ী কেন্দ্ৰসমূহ আনন্দজনক শিক্ষণথলীলৈ পৰিণত কৰিবলৈ দ্বাদশ পৰিকল্পনাৰ কালছোৱাত প্ৰচেষ্টা চলোৱা হৈছে আৰু

এই কেন্দ্ৰসমূহ চৰকাৰী বিদ্যালয় আৰু উন্নত সুবিধা আৰু আন্তঃগাঁথনিৰে স্থায়ী নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে (দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা, ভলইউম ৩-১৯০)।

অংগনবাড়ী কেন্দ্ৰসমূহ যদি স্থায়ী নিৰ্মাণ আৰু পৰিষ্কাৰ চৌহদত স্থাপন কৰিব পৰা নাযায় তেনেহ'লে ভাড়া ঘৰৰ বাবে পৰ্যাপ্ত পৰিমাণৰ আৱণ্টন নিশ্চয় দিব লাগিব। একেদৰে, পৰ্যাপ্ত পৰিমাণৰ স্বাস্থ্য যতন সেৱাৰ সুলভতা নথকা সমস্যাগ্ৰস্ত জিলা আৰু উন্নয়ন খণ্ডসমূহত উপ-কেন্দ্ৰ আৰু জনস্বাস্থ্য কেন্দ্ৰ কাৰ্যকৰী কৰা আৰু সমগ্ৰ দেশতে ব্যাপক ভৌগোলিক ব্যৱধানৰ বাবে চিকিৎসক, নাৰ্চ আৰু কৰ্মচাৰীৰ নাটনিৰ ক্ষেত্ৰত পুঁজি আৱণ্টনক অগ্ৰাধিকাৰ দিয়া উচিত। জনস্বাস্থ্য সেৱাৰ অভাৱে ৰুগ্ন স্বাস্থ্যৰ বিষয়টো অধিক বিত্তীয় সমস্যাৰ দিশে লৈ যায়। অত্যাৱশ্যকীয় আন্তঃগাঁথনিত ঘাটি আৰু ঔষধৰ প্ৰয়োজনৰ সংশোধন কৰা দৰকাৰ। কোনো ব্যক্তি খৰচ কৰিবলৈ অসমৰ্থ হোৱাৰ বাবে উপযুক্ত চিকিৎসা সেৱাৰ পৰা যাতে বঞ্চিত নহয়। ৰাজ্যই সকলোৰে বাবে বিশেষকৈ স্পৰ্শকাতৰ গোটৰ প্ৰতি বিশেষ দায়িত্ব সহকাৰে মানবিশিষ্ট স্বাস্থ্য যতন (প্ৰতিৰোধ, উৎকৰ্ষক আৰু ৰোগমুক্ত) দায়িত্ব নিশ্চয় গ্ৰহণ কৰিব লাগিব।

**কামৰ বোজা অভিপ্ৰেত আৰু প্ৰশিক্ষণ**

সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান দুয়োটাৰে সফলতাৰ বাবে কৰ্মচাৰীৰ অভিপ্ৰায় আৰু আশ্বাস জটিল বিষয়। খালী হৈ থকা পদসংখ্যা পূৰণ কৰা হ'ব, কামৰ বোজা যুক্তিসিদ্ধ কৰা হৈছে, সমৰ্থিত নিৰীক্ষণ আগবঢ়োৱা হৈছে আৰু স্পৰ্শকাতৰতা আৰু শোষণৰ বিষয়ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শিশু বিকাশ প্ৰকল্প বিষয়া (চি ডি পি অ') নিৰীক্ষক, অংগনবাড়ী কৰ্মী আৰু সহায়কাৰী (এ ডব্লিউ ডব্লিউ আৰু এ ডব্লিউ এইচ) সকলৰ সংহত শিশু উন্নয়ন সেৱাৰ লগত জড়িত নথকা বিষয় আৰু অ-সংহত শিশু উন্নয়ন সেৱাযুক্ত নোহোৱা ঘটনা আদি সংহত শিশু বিকাশ কাৰ্য সমস্যা-জড়িত কৰা বিষয়টোৱে কাৰ্যাৱলীৰ প্ৰাথমিক কৰ্তব্যৰ পৰা আঁতৰাবলৈ সময় লয় (মেহতা, প্ৰতাপ আৰু আলি ২০১২)।

সমূহীয়া স্বাস্থ্য কেন্দ্ৰত সেৱা আগবঢ়োৱা চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী, সহায়কাৰী নাৰ্চ আৰু ধাত্ৰী (এ এন এম) আৰু বিশেষজ্ঞ চিকিৎসকৰ বিষম ঘাটিৰ বিষয়টোৱে মনোযোগ পাব লাগে। বৃহৎ ভৌগোলিক এলেকাত সিঁচৰতি হৈ থকা ২০ৰ পৰা ২৫ অংগনবাড়ী কেন্দ্ৰসমূহত কাৰ্যসাধন চোৱা-চিতা কৰিবলৈ প্ৰতিজন নিৰীক্ষক সমৰ্থ হ'ব বুলি সংহত শিশু বিকাশ কেন্দ্ৰই ধাৰণা কৰে। অপৰিপুষ্টি হ্ৰাসকৰণৰ প্ৰচেষ্টাত আকাংখিত ফলাফল লাভ কৰাৰ ক্ষেত্ৰত নামমাত্ৰ পৰিবহণ ব্যৱস্থা থকা বা কোনো ধৰণৰ পৰিবহণ ব্যৱস্থা নথকা ঠাইত অৱস্থিত অংগনবাড়ী কেন্দ্ৰসমূহ নিৰীক্ষকসকলে নিয়মিতভাৱে পৰিদৰ্শন কৰিব বুলি আশা কৰা হৈছে। নগণ্য যোগাযোগ ব্যৱস্থা থকা ভিতৰুৱা অঞ্চলত অৱস্থিত অংগনবাড়ী কেন্দ্ৰসমূহৰ নিৰীক্ষকসকলৰ সুৰক্ষাৰ বিষয়টোৱেও গুৰুত্ব পাব লাগে আৰু পৰিবহণ ব্যৱস্থা নিশ্চয় কৰিব লাগিব। সফল ৰূপায়ণৰ বাবে নিৰীক্ষকে চোৱা-চিতা কৰা অংগনবাড়ী কেন্দ্ৰ-সমূহৰ সংখ্যা তাৎপৰ্যপূৰ্ণভাৱে নিশ্চয় হ্ৰাস কৰিব লাগিব।

**সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ কৰ্মচাৰীৰ প্ৰশিক্ষণ আৰু দক্ষতা উৎকৰ্ষ সাধনৰ প্ৰয়োজন**

**স্বেচ্ছামূলক কাম আৰু কম দৰমহা**

অংগনবাড়ী কৰ্মী (এ ডব্লিউ ডব্লিউ), অংগনবাড়ী সহায়িকা আৰু স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্যকৰ্মী (এ এছ এইচ এ) ইত্যাদি তথাকথিত 'স্বেচ্ছাসেৱী' কৰ্মীসকলৰ ওপৰতে সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ সফলতা নিৰ্ভৰ কৰে। তেওঁলোকক এটা পাৰিশ্ৰমিক দিয়া হয় আৰু তেওঁলোকৰ চাকৰিৰ সুৰক্ষা নাই। সংহত শিশু বিকাশ সেৱাৰ সু-পৰিচালনা আৰু লিংগবৈষম্য ৰোধ কৰাৰ স্বাৰ্থত এইসকল লোকৰ কামৰ সুৰক্ষাৰ দাবী নিশ্চয় পূৰণ কৰিব লাগিব।

ধৰি লোৱা হ'ল যে, মানুহ আহিবলগীয়া অংগনবাড়ী কেন্দ্ৰ আৰু ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰই কাম নকৰা হ'ল। লক্ষ্য নিৰ্দ্ধাৰিত জনসংখ্যাক চুব পৰা প্ৰচেষ্টাই এটা পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰে। ওড়িছা আৰু ছট্টিশগড়ত উন্নয়ন খণ্ড প্ৰশিক্ষিত দল, সহায়কাৰী নাৰ্ছ, ধাত্ৰী আৰু অংগনবাড়ী কৰ্মীৰ দ্বাৰা সমৰ্থিত আৰু স্থানীয় সম্প্ৰদায়ৰ দ্বাৰা মনোনিত মিতানিনৰ জৰিয়তে অপৰিপুষ্টি তাৎপৰ্যপূৰ্ণভাৱে হ্ৰাস পাইছে। "কেন্দ্ৰ-ভিত্তিক প্ৰচেষ্টাতকৈ মিতানিন আৰ্হিত কৰা কামে ৰাজ্যখনৰ সকলো গ্ৰাম্য পৰিয়ালক নিজৰ ঘৰতে সেৱা লাভ কৰাত সহায় কৰিছে।" সেই কাৰণে, সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ কাৰ্যসূচীৰ সেৱা দান কামৰ সম্প্ৰদায়সমূহৰ দাবী মতে উৎকৰ্ষ সাধন কৰিবলৈ আৰু একেদৰে অংগনবাড়ী কৰ্মী আৰু স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্যকৰ্মী (আশা)ক এই

ক্ষেত্ৰত তেওঁলোকৰ কৰ্ম সম্পাদন কৰাত অভিপ্ৰেত কৰিবলৈ সমৰ্থন যোগোৱা আৰু পৰ্যালোচনা কৰাৰ বাবে পঞ্চায়তক সুবিধা দিবলৈ ব্যৱস্থা নিশ্চয় কৰিব লাগিব (ছাক্সেনা আৰু শ্ৰীবাস্তৱ ২০০৯)।

**সমূহীয়া মালিকীস্বত্ব, পি আৰ আই আৰু পি পি পি**

বচপন আৰ্হি ৰূপায়ণ কৰা নান্দী ফাউণ্ডেচনে সংহত শিশু বিকাশ সেৱা শক্তিশালী কৰিবলৈ মধ্যপ্ৰদেশৰ ৰতলাম জিলাত অপৰিপুষ্টি তাৎপৰ্যপূৰ্ণভাৱে হ্ৰাস কৰাৰ কাৰণে পাঁচ শাখাযুক্ত কৌশল ব্যৱহাৰ কৰিছে। ই সংহত শিশু বিকাশ সেৱাৰ বাবে দাবী সৃষ্টি কৰাৰ কাৰণে সম্প্ৰদায়সমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰা, নিৰ্বাচিত পঞ্চায়ত সদস্য, গাঁও পৰ্যায়ৰ চৰকাৰী সেৱা আগবঢ়াওঁতা আৰু নাগৰিকৰে গঠিত 'একতা সমূহ' গঠন কৰি সম্প্ৰদায়ভিত্তিক চোৰা-চিতা কৰা ব্যৱস্থাৰ প্ৰৱৰ্তন, সেৱাসমূহত থকা ব্যৱধান যৌথভাৱে চিনাক্ত কৰাৰ কাৰণে জিলা, উন্নয়ন খণ্ড, সমবেত মঞ্চ আদি প্ৰতিষ্ঠাৰ জৰিয়তে পৰিকল্পনা আৰু সেৱা বিতৰণত চৰকাৰী বিভাগ আৰু পি আৰ আই-ৰ মাজত সমন্বয় গঢ়ি তোলা আৰু গাঁও পৰ্যায়ত পৰিৱৰ্তনৰ এজেণ্ট (গ্ৰাম মিত্ৰ) সংবৰ্গৰ উৎকৰ্ষ কৰা; শ্ৰেষ্ঠ গ্ৰাম মিত্ৰ, অংগনবাড়ী কৰ্মী, সহায়কাৰী ব্যক্তি আৰু ধাত্ৰী (এ এন এম). নিৰীক্ষক আৰু সম্প্ৰদায়ক সম্বৰ্দ্ধনা জ্ঞাপন ইত্যাদি অন্তৰ্ভুক্ত কৰিছে।

একেদৰে, ওড়িছাত সংহত শিশু বিকাশ সেৱা চোৰা-চিতা কৰাৰ কাৰণে আৰু শস্যৰ বীজ ক্ৰয় বিকেন্দ্ৰীকৰণ আৰু গ্ৰাম্য সম্প্ৰদায়সমূহ, আত্মসহায়ক গোট আৰু মহিলাসকলৰ দ্বাৰা আহাৰ তৈয়াৰ কৰাৰ কাৰণে অনুসন্ধান কমিটীৰ সংবিধানে সংহত শিশু বিকাশ সেৱাৰ বৃহৎ মালিকীস্বত্ব আৰু উৎকৰ্ষিত ফলাফল দান কৰে।

**বাজেট**

অপৰ্যাপ্ত বাজেট আৰু সময়ত পুঁজি মোকলাই নিদিয়াটোৱে কৰ্ম সাধনত বাধাৰ সৃষ্টি কৰে। কেন্দ্ৰই ৰাজ্যলৈ পুঁজি মোকলাই দিওঁতে বাজেট প্ৰস্তাৱ উত্থাপন, ৰূপায়ণৰ প্ৰমাণ-পত্ৰ আদি দাখিল কৰাৰ প্ৰয়োজনীয়তাৰ কাৰণে পুঁজিৰ প্ৰবাহত বিলম্ব হ'ব পাৰে। ৰাজ্যসমূহেও নিজৰ অংশটো সময়ত মুকলি কৰি নিদিলে কেন্দ্ৰৰ পুঁজি ব্যৱহাৰ কৰাত অসুবিধা আহি পৰে।

ভাৰতত অপৰিপুষ্টি আৰু সৰবৰাহযোগ্য আৰু অসৰবৰাহযোগ্য ৰোগৰ সমস্যা অতি উচ্চ মাত্ৰাৰ। মুঠ ব্যয়ৰ অনুপাত আৰু মুঠ ঘৰুৱা উৎপাদন— উভয় ক্ষেত্ৰতে স্বাস্থ্য যতন সম্পৰ্কীয় ৰাজহুৱা ব্যয়ৰ নিম্নতম স্থানত থকা বিশ্বৰ দেশসমূহৰ ভিতৰত ভাৰত অন্যতম। ভাৰতত স্বাস্থ্য যতনৰ কাৰণে চৰকাৰে ব্যয় কৰা অংশ হ'ল মাত্ৰ ১৯.৬৭%, আনহাতে পৰিয়ালে খৰচ কৰা হাৰ হ'ল ৭১,১৩%। ইয়াৰ বিপৰীতে গ্ৰেট বৃটেইনত মুঠ স্বাস্থ্য যতনৰ চৰকাৰী ব্যয় হ'ল ৮৭%, ফ্ৰান্সত ৮০% আৰু থাইলেণ্ডত ৬৪%।

ৰাজহুৱা স্বাস্থ্য সেৱা শক্তিশালী কৰি তোলা আৰু চৰকাৰে স্বাস্থ্যৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ ০.৯%ৰ পৰা ২.৩%লৈ (ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান নথি-পত্ৰ ২০০৫-২০১২) বৃদ্ধি কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতি অনুসৰি স্বাস্থ্য ব্যৱস্থাৰ 'স্থপতি সংশোধনী' হিচাপে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান গঠন কৰা হৈছিল। সি যি কি নহওক, স্বাস্থ্য খণ্ডৰ এই প্ৰতিশ্ৰুতি পূৰণৰ বাবে দিয়া পুঁজিৰ আৱণ্টন বহুত কম আৰু স্বাস্থ্য খণ্ডৰ 'বিস্তৃত' ব্যাখ্যাত বিশুদ্ধ খোৱাপানী, পয়-প্ৰণালী আদিৰ আৱণ্টনো সংযোজন কৰা হৈছে আৰু সেয়েহে এইবোৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলগীয়া আছে।

**অপূৰ্ণ নিৰ্দ্ধাৰিত লক্ষ্য আৰু বক্ৰ অগ্ৰাধিকাৰ**

অপৰিপুষ্টি, আই এম আৰ, এম এম আৰ দূৰ কৰাৰ লক্ষ্যত এতিয়ালৈকে উপনীত হ'ব পৰা নাই। সংহত শিশু বিকাশ সেৱা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ দৰে আঁচনি থকা সত্বেও অপৰিপুষ্টি আৰু ৰোগৰ সমস্যাৰ হাৰ অতি উচ্চ হৈয়ে আছে। কিছুমান ৰোগ ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানত অন্তৰ্ভুক্ত কৰা হোৱা নাই। পৰিসংখ্যাৰ প্ৰতিবেদনত পুৰুষতকৈ মহিলা ৰোগীৰ সংখ্যাও অধিক পৰিলক্ষিত হৈছে। পুৰুষ আৰু মহিলাৰ মাজত ৰুগ্নতা আৰু মৃত্যুৰ মাজত থকা পাৰ্থক্য আৰু চিকিৎসা আৰু যতনৰ মাজত থকা পাৰ্থক্যও উদ্বেগৰ বিষয়। সি যি কি নহওক, ৰোগভিত্তিক তথ্য বিক্ষিপ্ত।

ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য সেৱাই প্ৰতিষ্ঠানগত প্ৰসৱ আৰু প্ৰসূতিৰ স্বাস্থ্যৰ ওপৰত প্ৰধানতঃ গুৰুত্ব প্ৰদান কৰিছে। প্ৰসূতিৰ মৃত্যু হ্ৰাস কৰা আৰু পুনৰ প্ৰজনন স্বাস্থ্য সেৱা প্ৰদান কৰাটো দৰকাৰ, মহিলাৰ জীৱন ৰক্ষা আৰু সমগ্ৰ জীৱনৰ স্বাস্থ্য ৰক্ষাৰ সম্পৰ্কেও পৰিকল্পনা গ্ৰহণ কৰা দৰকাৰ। ইয়াৰ বাবে পুৰুষ আৰু মহিলাৰ ৰোগৰ সমস্যা আৰু স্বাস্থ্য সম্পৰ্কীয় আচৰণৰ পৰিসংখ্যা পৃথককৈ উত্থাপন কৰা প্ৰয়োজন। স্বাস্থ্য যতন সেৱাৰ ক্ষেত্ৰত থকা ৰোগৰ প্ৰতিৰোধকবোৰ চিনাক্ত কৰি কৌশল গ্ৰহণ কৰা আৰু এই অসুবিধাবোৰ নিৰ্মূল কৰা প্ৰয়োজন।

**(৪৯ পৃষ্ঠাত চাওক)**

# কেন্দ্ৰীয় বাজেট ২০১৪-১৫ ঃ উত্তৰ-পূবলৈ দিয়া আবণ্টন

**ড° গৌৰাঙ্গ কুমাৰ শৰ্মা***

জনসাধাৰণৰ প্ৰতি দায়বদ্ধ আৰু গণতান্ত্ৰিক পদ্ধতিৰে চলা দেশ এখনৰ চৰকাৰৰ কাৰণে বাজেট বা দেশ তথা জনকল্যাণমূলক প্ৰশাসন চলাবলৈ স্থিৰ কৰা অৰ্থ সংকল্প এটা গুৰুত্বপূৰ্ণ বিষয়। অইন দেশৰ তুলনাত ভাৰতৰ চৰকাৰৰ বাবে বছৰেকীয়া বাজেটখন অধিক গুৰুত্বপূৰ্ণ। তাৰ কাৰণ হ'ল আজিকোপতি কোনো চৰকাৰে দেশ বা বিদেশৰ শোষণ নকৰাকৈ, একনায়কত্ববাদ পৰিহাৰ কৰি, ৰপ্তানিৰ ওপৰত নিৰ্ভৰ নকৰি নিজৰ দেশৰ আৰ্থিক বিকাশ ত্বৰান্বিত কৰিব পৰা নাই। ভাৰতেই একমাত্ৰ দেশ যি বহুদলীয় গণতান্ত্ৰিক পদ্ধতিৰ মাজেৰে ৰাইজৰ মানৱীয় অধিকাৰ অব্যাহত ৰাখি আভ্যন্তৰীণ উপভোগৰ ওপৰত নিৰ্ভৰ কৰি আৰ্থিক বিকাশৰ বাবে যত্ন কৰিছে।

যোৱা ১০ জুলাই ২০১৪ তাৰিখে লোকসভাত পেচ কৰা ২০১৪-১৫ চনৰ কেন্দ্ৰীয় বাজেটখনৰ প্ৰতি উত্তৰ-পূব ভাৰতৰ ৰাইজৰ বিশেষ প্ৰত্যাশা আছিল। এই প্ৰত্যাশাৰ কাৰণ হ'ল বৰ্তমান মন্ত্ৰীসভাৰ ভালেকেইগৰাকী সদস্যই অসমৰ জ্বলন্ত সমস্যাবিলাক সমাধানৰ দাবীত চলা বিভিন্ন আন্দোলনত ভাগ লৈছিল আৰু সাধাৰণ ৰাইজৰ সৈতে পোনপটীয়া সম্পৰ্ক ৰক্ষা কৰিছিল।

উত্তৰ-পূব ভাৰত আৰ্থিকভাৱে অনগ্ৰসৰ এলেকা। ইয়াৰ মাটিকালি পৰ্বতীয়া, পৰম্পৰাগত খেতিৰ বাবে অসুবিধাগ্ৰস্ত, জনগোষ্ঠীয় বৈচিত্ৰ্য চূড়ান্ত আৰু চাৰিসীমাৰ ৯৮% বিদেশী ৰাষ্ট্ৰৰ সীমাৰ সৈতে লাগি থকা, মাত্ৰ ২% সীমাহে ভাৰতৰ মূল ভূমিৰ সৈতে সংযুক্ত। তদুপৰি সীমামূৰীয়া এই এলেকাটোত বিগত কেইবা দশকৰ পৰা ৰাষ্ট্ৰবিৰোধী হিংসামূলক কাৰ্যকলাপ চলি আছে। ইয়াত ২৫৮ মান জনগোষ্ঠীয়ে বসবাস কৰে আৰু আঠখন ৰাজ্য আছে। আটাইকেইখন ৰাজ্য কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ ওপৰত নিৰ্ভৰশীল। এনেবোৰ কাৰণতে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ বছৰেকীয়া বাজেটখন পূৰ্বোত্তৰ ভাৰতৰ বাবে অতি গুৰুত্বপূৰ্ণ।

এই বাজেটত বিত্তমন্ত্ৰী অৰুণ জেট্‌লীয়ে উত্তৰ-পূব ভাৰতৰ বাবে ৫৩০০০ কোটি টকা ধাৰ্য কৰিছে। পূৰ্বৰ এন ডি এ চৰকাৰৰ আমোলত বাজেটত বৰাদ্দ কৰা ধনৰ ১০% বাধ্যতামূলকভাৱে পূৰ্বোত্তৰ ভাৰতৰ কাৰণে খৰচ কৰাৰ ব্যৱস্থা কৰা হৈছিল। বছৰটোৰ ভিতৰত এই ধন খৰচ কৰিব নোৱাৰিলে সেয়া পিছৰ বছৰত ব্যৱহাৰ কৰিবলৈ থৈ দিয়াৰ বিধানো আছে।

পূৰ্বোত্তৰ ভাৰত কৃষিপ্ৰধান। এই বাজেটত জৈৱিক কৃষিৰ বিকাশৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰা হৈছে। জৈৱিক কৃষি পদ্ধতি পৰিৱেশৰ অনুকূল আৰু বহনক্ষম বিকাশৰ সহায়ক। এই ধন যদি ঠিকমতে খৰচ কৰা হয়, তেনেহ'লে অতিশয় হিতকৰ হ'ব। তদুপৰি পুছাৰ আৰ্হিত অসমত এটা কৃষি গৱেষণা কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ এই বাজেটত আছে। এই বছৰ তাৰ বাবে ১০০ কোটি টকা ধৰা হৈছে। ভৱিষ্যতে নিশ্চয় অধিক বিনিয়োগ কৰা হ'ব। আজিৰ প্ৰজন্মই খাদ্য সংকটৰ চূড়ান্ত নিৰাশাজনক পৰিস্থিতি পোনপটীয়াকৈ দেখা নাই। ১৯৬৫ চনৰ পাকিস্তান যুদ্ধ প্ৰত্যক্ষ কৰা প্ৰজন্মই পি এল ৪৮০ৰ অধীনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰা আমদানি কৰা দুৰ্গন্ধযুক্ত আটা আৰু চাউলৰ কথা আজিও পাহৰিব পৰা নাই। আমাক কৃষিৰ উন্নতি লাগে। খাদ্য মুদ্ৰাস্ফীতিৰ কথা সকলোৱে কয়। ইয়াৰ ঘাই কাৰণ হ'ল আৰ্থিক অৱস্থা ভাল হোৱা দেখি গাখীৰ, মাংস, কণী, মাছ আদি প্ৰ'টিনযুক্ত দামী খাদ্য কিনিব পৰা মানুহৰ সংখ্যা ভাৰতত বাঢ়িছে। কিন্তু সেই অনুপাতে খাদ্যৰ উৎপাদন বঢ়া নাই। কৃষিৰ বিকাশ অবিহনে খাদ্য-মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ দীৰ্ঘম্যাদী উপায় নাই। বিগত সেউজ বিপ্লৱে পঞ্জাব, হাৰিয়ানাতেই সুফল দেখুৱালে। ধান আৰু মাছ উৎপাদনৰ অনুকূল পূব আৰু পূৰ্বোত্তৰ ভাৰতে সেউজ বিপ্লৱৰ সুফল ভালদৰে নাপালে। গতিকে অসমত কৃষি গৱেষণা কেন্দ্ৰৰ প্ৰস্তাৱ নিশ্চয় আদৰণীয়।

মণিপুৰত এখন ক্ৰীড়া বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ এই বাজেটত আছে। ই এটা প্ৰশংসনীয় প্ৰস্তাৱ। পূৰ্বোত্তৰৰ খিলঞ্জীয়া মানুহখিনিৰ নিসৰ্গজাত ক্ৰীড়া প্ৰতিভা আছে। পলোৰ নিচিনা আমোদজনক খেল মণিপুৰত

*ড° গৌৰাঙ্গ কুমাৰ শৰ্মা গুৱাহাটীস্থিত অসম ইনষ্টিটিউট অৱ মেনেজমেণ্টৰ ফেকাল্টি

আৱিষ্কাৰ হৈছিল। আজি পলো আন্তৰ্জাতিক মান্যতাপ্ৰাপ্ত ক্ৰীড়া আৰু সৈনিক প্ৰশিক্ষণৰ এটা নিৰ্ভৰযোগ্য মাধ্যম। ঈশান্য ভাৰতত ক্ৰীড়াৰ বিকাশে আন্তৰ্জাতিক মৰ্যাদা বঢ়োৱাৰ উপৰিও স্থানীয় নিযুক্তি বৃদ্ধি কৰি উন্নয়ন ত্বৰান্বিত কৰিব। খেলৰ ভাল সুবিধা থাকিলে ৰাষ্ট্ৰবিৰোধী হিংসাত চেমনীয়া আৰু নৱ যুৱকৰ অংশীদাৰিত্ব হ্ৰাস পায়। শান্তি-শৃংখলাৰ স্থায়িত্বৰ বাবেও দেশ এখনত ক্ৰীড়া-সংস্কৃতিৰ বিকাশ হোৱা জৰুৰী।

দেশবিৰোধী বা কেন্দ্ৰবিৰোধী কাৰ্যকলাপ পূৰ্বোত্তৰ ভাৰতত শক্তিশালী হোৱাৰ আন এটা কাৰণ হ'ল সীমামূৰীয়া এলেকাত বিদেশী ৰাষ্ট্ৰৰ টেলিভিছন আৰু ৰেডিঅ'ৰ সবল প্ৰচাৰ। আকাশবাণী আৰু দূৰদৰ্শন ভাৰত-বাংলাদেশ আৰু চীন-ভাৰত সীমান্তত বেচ দুৰ্বল। বিদেশী টিভি আৰু অনাতাঁৰ সম্প্ৰচাৰে সীমান্ত এলেকাৰ মানুহৰ মনত বিৰূপ প্ৰভাৱ পেলায়। সেই দেখি 'অৰুণ প্ৰভা' নামেৰে এটা ২৪×৭ টেলিভিছন চেনেল প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ লৈ বিত্তমন্ত্ৰীয়ে এটা উত্তম দেশপ্ৰেমিক পদক্ষেপ লৈছে। 'অৰুণ প্ৰভা'ই উত্তৰ-পূব ভাৰতত দূৰদৰ্শনৰ প্ৰচাৰ অধিক শক্তিশালী কৰাৰ লগতে ইয়াৰ লোক-সংস্কৃতি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত হোৱাত সহায় কৰিব।

তদুপৰি ৰে'লপথ উন্নয়নৰ বাবে উত্তৰ-পূব ভাৰতত এটা বিশিষ্ট পুঁজি ব্যয় কৰাৰ কথা বিত্তমন্ত্ৰীয়ে বাজেটত কৈছে। এই প্ৰস্তাৱেও উত্তৰ-পূব ভাৰতত যাতায়াত আৰু আন্তঃগাঁথনিৰ বুনিয়াদ সবল কৰিব।

কিছু ত্ৰুটি-বিচ্যুতি থাকিলেও ২০১৪-১৫ চনৰ বাবে মোডী চৰকাৰৰ বাজেট অসম তথা উত্তৰ-পূব ভাৰতৰ প্ৰতি সদয় আৰু সহানুভূতিশীল। ❐

---

**(৩৮ পৃষ্ঠাৰ পৰা)**

আৰু সাধাৰণভাৱে বাছসেৱাত বৈ যোৱা খুঁত আদি। পৌৰ নিগমৰ আয়ুক্তই বাছসেৱা উন্নত কৰিবলৈ এই মতামতসমূহ ব্যৱহাৰ কৰে। উপভোক্তাৰ মতামতে পূৰণ কৰা গুৰুত্বপূৰ্ণ উদ্দেশ্য উপলব্ধি কৰি এ এম চি-য়ে এ বি আৰ টি এছ সম্পূৰ্ণ সাজু হোৱাৰ লগে লগে এই জৰীপক বাছসেৱাৰ অবিচ্ছেদ্য অংশ কৰি লয়। এই জৰীপ বাছসেৱাৰ বিভিন্ন দিশৰ তথ্য সংগ্ৰহৰ বাবে অধিক ব্যাপক কৰি তোলা হয়। এটা বিনামূলীয়া নম্বৰৰ জৰিয়তেও এ এম চি-য়ে অভিযোগসমূহ গ্ৰহণ কৰে। যাত্ৰীৰ সংখ্যা আৰু ৰাজহ সংগ্ৰহ, বাছ চলোৱা আৰু আস্থানত বাছ ৰখোৱা, বাছ আৰু আস্থানৰ চাফ-চিকুণতা, চালক আৰু টিকট দিয়া কৰ্মচাৰীৰ আচৰণ, তেওঁলোকে ইউনিফৰ্ম পৰিধান কৰে নে নাই, বেপৰোৱা গাড়ীচালনা বা অধিক গতিবেগত গাড়ী চালনা কৰিছে নেকি, আস্থান আৰু বাছৰ ভিতৰত ৰাজহুৱা তথ্য ব্যৱস্থা সঠিকভাৱে চলিছে নে নাই; যাত্ৰীসকলে সঠিকভাৱে বাছসেৱা লাভ কৰিছে নে নাই সেই সন্দৰ্ভত তথ্য, তেওঁলোকৰ ভ্ৰমণৰ ধৰণ, বি আৰ টি এছ বাছত উঠিবলৈ আস্থান পাবলৈ কি ধৰণৰ পৰিবহণ ব্যৱস্থা পছন্দ কৰে আৰু বাছত উঠি কিদৰে অৱশেষত গন্তব্যস্থান পায়গৈ সেই সন্দৰ্ভত সবিশেষ সংগ্ৰহ কৰে। এ এম চি-য়ে এই তথ্যসমূহৰ সহায়ত পৰিবহণৰ প্ৰয়োজনীয়তা আৰু যাত্ৰীসকলৰ অগ্ৰাধিকাৰ কেনে ধৰণৰ সেই বিষয়ে অনুধাৱন কৰিব পাৰে।

**সামৰণী মন্তব্য ঃ**

সৰ্বাত্মক আৰু সহযোগিতামূলক সিদ্ধান্ত গ্ৰহণ আৰু শাসনৰ আৱশ্যকতা সকলোতে গ্ৰহণযোগ্য হৈছে যদিও দেশৰ বহু নগৰীয়া স্থানীয় নিকায়ে ইয়াক নীতি নিৰ্দ্ধাৰণৰ অবিচ্ছেদ্য অংগৰূপে এতিয়াও মানি লোৱা নাই। আহমেদাবাদ বাছ ৰেপিড ট্ৰেনজিট ছিষ্টেমে প্ৰদৰ্শন কৰে যে সেৱাৰ উন্নয়নৰ বিভিন্ন স্তৰত যাত্ৰীসকল আৰু অন্য অংশীদাৰক সক্ৰিয়ভাৱে যুক্ত কৰি সেৱাৰ মান উন্নত কৰিব পাৰি। নগৰীয়া স্থানীয় নিকায়-সমূহৰ বিভিন্ন আনুষ্ঠানিক বিসংগতি সেৱা গ্ৰহণ কৰা লোকসকলৰ সৈতে সহযোগিতা সৃষ্টিৰে যে কাৰ্যকৰীভাৱে আঁতৰাব পৰা যায় সেই কথা আহমেদাবাদ পৌৰ নিগমে দেখুৱাবলৈ সক্ষম হৈছে। চৰকাৰৰ ভিতৰত থকা প্ৰচলিত গঠন আৰু কাৰ্য প্ৰণালীয়ে এনে কাৰ্যক উৎসাহিত নকৰিবও পাৰে; তেতিয়া ৰাজহুৱা সেৱা প্ৰদানত নাগৰিকসকলৰ অৰ্থপূৰ্ণ যুক্ত-কৰণৰ বাবে ৰাজ্যিক সংস্থাসমূহে উদ্ভাৱনীমূলক গঠন প্ৰণালী পৰিকল্পনা কৰাটো দায়িত্বৰ ভিতৰত পৰে। তদুপৰি প্ৰকল্পত জড়িত হৈ থকা লোকসকলৰ বাবে নাগৰিক সমাজৰ মাজত সৃষ্টি হোৱা শুভেচ্ছাই ৰাজ্যৰ অন্যান্য প্ৰকল্পসমূহতো সামগ্ৰিকভাৱে আস্থা আৰু শুভেচ্ছা গঢ়ি তোলে। এনে সহযোগিতামূলক প্ৰচেষ্টা অনুকূল অভিজ্ঞতাই নাগৰিক সমাজক ব্যৱহাৰকাৰী আৰু নাগৰিকসকলক অন্যান্য প্ৰকল্পসমূহতো জড়িত কৰি তুলিবলৈ উৎসাহ প্ৰদান কৰে। ❐

# ৰে'ল বাজেট ঃ ২০১৪-১৫

**নৰকান্ত বৈশ্য***

যোৱা ৮ জুলাই তাৰিখে এন ডি এ চৰকাৰৰ ৰে'লমন্ত্ৰী ডি ভি সদানন্দ গৌড়াই নিজৰ প্ৰথমখন ৰে'ল বাজেট দাখিল কৰে। নিৰ্বাচনৰ প্ৰাককালত অনুষ্ঠিত প্ৰচাৰ সভাসমূহত নৰেন্দ্ৰ মোডীয়ে ৰে'ল বিভাগক লৈ ব্যক্ত কৰা বিভিন্ন পৰিকল্পনাই সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেয়েহে এইবাৰৰ ৰে'ল বাজেটক কেন্দ্ৰ কৰি বহু জল্পনা-কল্পনাৰ উদ্ভৱ হৈছিল। অৱশেষত সকলো উৎকণ্ঠাৰ ওৰ পেলাই ৰে'লমন্ত্ৰীয়ে এখন দূৰদৰ্শী চিন্তাধাৰাৰে পুষ্ট ৰে'ল বাজেট দাখিল কৰিবলৈ সক্ষম হয়। বাজেট ভাষণৰ আৰম্ভণিতেই ৰে'লমন্ত্ৰীগৰাকীয়ে কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ এটা শ্লোকৰ উদ্ধৃতি দি কয় যে—

**''প্ৰজাসুখে সুখং ৰাজ্ঞ: প্ৰজানাং চ হিতে হিতম্।**
**নাত্মপ্ৰিয়ং হিতং ৰাজ্ঞ: প্ৰজানাং তু প্ৰিয়ং হিতম্॥''**

অৰ্থাৎ— প্ৰজাৰ সুখেই ৰজাৰ সুখ, তেওঁলোকৰ কল্যাণেই নিজৰ কল্যাণ। নিজৰ সন্তুষ্টিত গুৰুত্ব দিয়াতকৈ ৰজাই প্ৰজাৰ সন্তুষ্টিতহে গুৰুত্ব দিয়া ভাল।

কৌটিল্যৰ এই অৰ্থবহ শ্লোকটিৰে তেওঁ ভাৰতবাসীক বুজাই দিছিল যে সৰ্বসাধাৰণক সন্তুষ্টি দিব পৰাকৈ বাজেটখন প্ৰস্তুত কৰা হৈছে।

সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰায় ৭১৭২টা ষ্টেচন সংযোগী ১২৬১৭ খন যাত্ৰীবাহী ৰে'লৰ জৰিয়তে ২৩ নিযুত যাত্ৰী আৰু ৭৪২১ খন মালবাহী ৰে'লেৰে প্ৰায় ৩ নিযুত মেট্ৰিক টন সামগ্ৰী প্ৰতিদিনে কঢ়িয়াই ভাৰতীয় ৰে'লে ইতিমধ্যে নজিৰ স্থাপন কৰিছে। চীন, ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰইহে বৰ্তমানলৈ এই পৰিমাণৰ সামগ্ৰী পৰিবহণ কৰিছে। ১ লাখ ১৬,০০০ কিলোমিটাৰ ৰে'লপথ, ৬৩৮৭০টা যাত্ৰীবাহী দবা, ২ লাখ ৪০ হাজাৰ মালবাহী দবা আৰু ১৩ লাখ ১০ হাজাৰ কৰ্মচাৰীৰে সমৃদ্ধ ভাৰতীয় ৰে'লৰেৰ দৰে এটা বৃহৎ অনুষ্ঠানৰ বাজেট নিৰ্দ্ধাৰণ বৰ সহজ কথা নহয়। বিগত ১৬টা বছৰে ৰাজনৈতিক দলসমূহে নিজৰ ভোটবেংক হেৰুওৱাৰ ভয়ত ৰে'ল ভাড়া বৃদ্ধিৰ বাবে কোনো দৃঢ় পদক্ষেপ গ্ৰহণ কৰা নাছিল। মাজতে এগৰাকী ৰে'লমন্ত্ৰীয়ে নিজৰ বিবেকৰ বিৰুদ্ধে নগৈ ৰে'ল ভাড়া বৃদ্ধিৰ প্ৰস্তাৱ দাখিল কৰি বাজেট দাখিলৰ পাছদিনাই চাকৰি হেৰুৱাবলগীয়া হৈছিল। কিন্তু, ক্ৰমবৰ্দ্ধমান ডিজেলৰ মূল্য, দৰমহা-পেন্সন, তত্বাৱধান খৰচ ইত্যাদিৰ বাবে ৰে'ল বিভাগৰ ব্যয়ৰ বিপৰীতে আয়ৰ পৰিমাণ দিনে দিনে কমি আহিছিল। উল্লেখযোগ্য যে বৰ্তমান ভাৰতীয় ৰে'ল বিভাগে আয় কৰা প্ৰতিটো টকাৰ বিপৰীতে ৯৪ পইচা খৰচ কৰি আছে। কোৱা বাহুল্য যে প্ৰতিটো টকাৰ বিপৰীতে মাত্ৰ ৬ পইচা লাভ কৰা ভাৰতীয় ৰে'ল বিভাগ আৰ্থিক সংকটৰ বাবে কোঙা হৈ পৰিছিল। গতিকে, ৰে'ল বিভাগটোক আৰ্থিক সংকটৰ পৰা উদ্ধাৰ কৰাটো ৰে'লমন্ত্ৰী গৰাকীৰ বাবে প্ৰত্যাহ্বানস্বৰূপ আছিল। সেয়েহে বাজেট দাখিলৰ কিছুদিন পূৰ্বেই ২৫ জুন, ২০১৪ৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো শ্ৰেণীৰ যাত্ৰী ভাড়া ১৪.২ শতাংশ আৰু মাল ভাড়া ৬.৫ শতাংশ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰা হৈছিল। এই বৃদ্ধিৰ ৪.২ শতাংশ Fuel Adjustment Component আৰু ১০ শতাংশ প্ৰকৃত ভাড়া বৃদ্ধি যাত্ৰী ভাড়াৰ ক্ষেত্ৰত। ঠিক সেইদৰে মাল ভাড়াৰ ক্ষেত্ৰত ১.৪ শতাংশ FAC আৰু ৫.১ শতাংশ প্ৰকৃত ভাড়া বৃদ্ধি। উল্লেখযোগ্য যে যোৱা বছৰৰ ৰে'ল বাজেটত এই ফুৱেল এডজাষ্টমেণ্ট ক'ম্প'নেণ্টৰ প্ৰস্তাৱ ৰখা হৈছিল। এই ভাড়া বৃদ্ধিৰ জৰিয়তে আৰ্থিক সংকটত ভুগি থকা ৰে'ল বিভাগৰ বছৰি ৮০০০ কোটি টকা অতিৰিক্ত আয় হ'ব বুলি ধাৰণা কৰা হৈছে। এই ৰাহি ধনৰাশি যাত্ৰীৰ সা-সুবিধা আৰু সুৰক্ষাৰ বাবে প্ৰধানকৈ ব্যয় কৰা হ'ব বুলি ৰে'লমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছে।

ৰে'লমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰা অনুযায়ী পূৰ্বৰ ৰে'লমন্ত্ৰীসকলে ঘোষণা কৰা আধৰুৱা অথবা আৰম্ভ নোহোৱা প্ৰকল্পসমূহ সম্পূৰ্ণ কৰিবলৈ প্ৰায় ৫ লাখ কোটি টকাৰ প্ৰয়োজন। অৰ্থাৎ পৰৱৰ্তী ১০ বছৰত বছৰে ৫০,০০০ কোটি টকাৰ প্ৰয়োজন। ৰে'লমন্ত্ৰীগৰাকীৰ মতে ইমানদিন প্ৰকল্পসমূহ নিৰ্মাণ কৰি সম্পূৰ্ণ কৰাতকৈ ঘোষণাতহে অধিক গুৰুত্ব দিয়া হৈছিল। বিগত ৩০ বছৰত ঘোষিত মুঠ ৬৭৬টা নতুন প্ৰকল্পৰ ৩১৭টাহে

---

*নৰকান্ত বৈশ্য উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ এগৰাকী বিষয়া

সম্পূৰ্ণ কৰা হৈছে। অৱশিষ্ট ৩৫৯টা প্ৰকল্পৰ বাবে এতিয়াও প্ৰায় ১,৮২,০০০ কোটি টকাৰ প্ৰয়োজন। তদুপৰি, ৯৯টা প্ৰস্তাৱিত নতুন ৰে'লপথৰ বাবে যোৱা ১০ বছৰত ৬০,০০০ কোটি টকা আৱণ্টিত হৈছে আৰু মাত্ৰ এটা ৰে'লপথহে সম্পূৰ্ণ কৰিব পৰা হৈছে। আশ্চৰ্যজনকভাৱে অৰ্দ্ধনিৰ্মিত ৰে'লপথ-সমূহৰ ৪টা ৩০ বছৰ পুৰণি প্ৰকল্প। এই তথ্যসমূহ দাখিল কৰি ৰে'লমন্ত্ৰী-গৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰিছিল যে এনে পৰিস্থিতিত আৰু কিছুমান নতুন প্ৰকল্প ঘোষণা কৰি সদনৰ হাত চাপৰি লাভ কৰাতকৈ পূৰ্বৰ প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাতহে তেওঁ অধিক গুৰুত্ব দিব। ৰে'লমন্ত্ৰীগৰাকীয়ে চলিত বিত্তীয় বৰ্ষৰ বাজেটত ঘোষণা কৰা কেইটামান উল্লেখযোগ্য প্ৰস্তাৱ হৈছে—

★ ভাৰতীয় ৰে'লৰ পৰিকাঠামো উন্নয়নৰ বাবে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ ব্যৱস্থা।
★ মুম্বাই-আহমেদাবাদ খণ্ডত দ্ৰুতবেগী 'বুলেট ট্ৰেইন' প্ৰৱৰ্তন।
★ ৯টা খণ্ডত ৰে'ল গাড়ীৰ গতিবেগ ১৬০-২০০ কিলোমিটাৰ প্ৰতি ঘণ্টা পৰ্যন্ত বৃদ্ধি কৰা।
★ অন্‌লাইন বুকিংযোগে একে সময়তে ১ লাখ ২০ হাজাৰ গ্ৰাহকে প্ৰতি মিনিটত ৭২০০টা টিকট কাটিব পৰাৰ ব্যৱস্থা।
★ ম'বাইল ফোন আৰু ডাকঘৰৰ জৰিয়তে আসন সংৰক্ষণৰ ব্যৱস্থা।
★ অন্‌লাইনযোগে প্লেটফৰ্ম আৰু অসংৰক্ষিত টিকট দিয়াৰ ব্যৱস্থা।
★ ৪০০০ নতুন মহিলা কনিষ্টবল ৰে'ল সুৰক্ষা বলত মকৰল কৰা।
★ দেশৰ সকলো ষ্টেচনতেই ৰিটায়াৰিং ৰূমৰ ব্যৱস্থা কৰা।
★ প্ৰধান ষ্টেচনসমূহত শাৰীৰিকভাৱে বাধাগ্ৰস্ত আৰু বয়োজ্যেষ্ঠসকলৰ বাবে বেটাৰীচালিত বাহনৰ ব্যৱস্থা।
★ ৰে'লগাড়ী আৰু ষ্টেচনসমূহত পৰিশোধিত খোৱাপানীৰ ব্যৱস্থা।
★ কিছুমান নিৰ্বাচিত ট্ৰেইনত ইণ্টাৰনেট আৰু ৱৰ্কষ্টেচন স্থাপন কৰি চলমান কাৰ্যালয় ব্যৱস্থা প্ৰৱৰ্তন কৰা।
★ প্ৰথম শ্ৰেণীৰ ষ্টেচন আৰু ট্ৰেইনসমূহত 'ৱাই ফাই' (Wi-fi) প্ৰৱৰ্তন কৰা।
★ যাত্ৰীৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে দবাসমূহত স্বয়ংক্ৰিয় দৰ্জাৰ ব্যৱস্থা কৰা।
★ যাত্ৰী আৰু সামগ্ৰী সৰবৰাহৰ বাবে পৃথক টাৰ্মিনেল নিৰ্মাণ কৰা।
★ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে ৪০ শতাংশ ধন বৃদ্ধি কৰা আৰু প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে চি চি টি ভি স্থাপন কৰা।
★ ৫৮ খন নতুন ৰে'ল প্ৰৱৰ্তন আৰু ১১ খন ৰে'লৰ যাত্ৰাপথ বৃদ্ধি।
★ ৰে'ল বিভাগত সু-প্ৰশিক্ষিত কৰ্মচাৰী নিয়োগৰ স্বাৰ্থত কাৰিকৰী আৰু অকাৰিকৰী শিক্ষাৰ বাবে এখন 'ৰে'ল বিশ্ববিদ্যালয়' স্থাপন কৰা।
★ ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ জৰিয়তে কিছুমান ষ্টেচনক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰা।
★ এতিয়াও উন্মুক্ত অৱস্থাত থকা দেশৰ ১১,৫৬৩টা লেভেল ক্ৰছিং বন্ধ কৰা।
★ ৰে'লপথৰ নিৰীক্ষণৰ বাবে অত্যাধুনিক বাহনযুক্ত 'আল্ট্ৰাজ'নিক ব্ৰোকেন ৰে'ল ডিটেক্‌চন ছিষ্টেম' (UBRD) প্ৰৱৰ্তন কৰা।
★ ৰে'ল ইঞ্জিনৰ চালকৰ কেবিনসমূহ বাতানুকূল কৰাৰ বাবে ব্যৱস্থা কৰা।
★ পৰৱৰ্তী ৫ বছৰৰ ভিতৰত সম্পূৰ্ণৰূপে কম্পিউটাৰাইজ্‌ড কৰি ভাৰতীয় ৰে'ল বিভাগক 'পেপাৰলেছ' অফিচৰূপে গঢ়ি তোলা।
★ ফল-মূল, শাক-পাচলি, গাখীৰ ইত্যাদিৰ বাবে পৃথক মালবাহী দবাৰ ব্যৱস্থা কৰি কৃষিখণ্ডক উৎসাহিত কৰা।
★ ৰে'ল ষ্টেচন, কাৰ্যালয়, আৱাসগৃহ ইত্যাদিৰ ছাদ (rooftop) ব্যৱহাৰ কৰি সৌৰশক্তি উৎপাদনৰ ব্যৱস্থা কৰা।
★ মুঠ প্ৰয়োজনীয় ইন্ধনৰ ৫ শতাংশ বায়'-ডিজেল ব্যৱহাৰ কৰা ইত্যাদি।

এই ঘোষণাসমূহৰ উপৰিও ৰে'লমন্ত্ৰী গৰাকীয়ে এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল সম্প্ৰসাৰণৰ বাবে ইতিমধ্যে ঘোষিত ২০টা প্ৰকল্পৰ (যাৰ ভিতৰত ১১টা প্ৰকল্প ৰাষ্ট্ৰীয় প্ৰকল্পৰূপে ঘোষিত) বাবে ৫১১৬ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ ৰখা হৈছে। উল্লেখযোগ্য যে এই ধনৰ পৰিমাণ পূৰ্বৰ বাজেটতকৈ ৫৪ শতাংশ বৃদ্ধি কৰা হৈছে। ৰে'লমন্ত্ৰী গৰাকীয়ে ধনৰ পৰিমাণ বৃদ্ধি আৰু সঠিক পৰ্যবেক্ষণৰ জৰিয়তে দুধনৈ-মেন্দিপথাৰ নতুন ৰে'লপথ, লামডিং-বদৰপুৰ-শিলচৰ পথছোৱাত গজ পৰিৱৰ্তন, হাৰমতি-মুৰ্কংচেলেক আৰু বালিপৰা-ভালুকপুং পথছোৱাৰ কাম দ্ৰুতগতিত সম্পন্ন কৰাৰ কথা দোহাৰিছে। তদুপৰি, বগীবিল দলঙৰ দৰে ৰাষ্ট্ৰীয় প্ৰকল্পৰ লেহেম গতিৰ বাবে চিন্তা ব্যক্তি কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৭ খন নতুন ৰে'লগাড়ীও ঘোষণা কৰা হৈছে। এই ৰে'লকেইখন হৈছে—

(১) কামাখ্যা-বেংগালুৰু প্ৰিমিয়াম এক্সপ্ৰেছ।

(২) সাপ্তাহিক নাহৰলাগুন-নতুন দিল্লী এক্সপ্ৰেছ।

(৩) বিহাৰৰ দাৰভাঙ্গা হৈ সাপ্তাহিক কামাখ্যা-কাট্ৰা এক্সপ্ৰেছ। উল্লেখযোগ্য যে এই ৰে'লখনৰ বাবে বৈষ্ণোদেৱী মন্দিৰৰ দৰ্শনাৰ্থীসকলৰ বিশেষ সুবিধা হ'ব। জম্মুৰ পৰা কাট্ৰালৈ কষ্টকৰ বাছ যাত্ৰাৰ পৰিৱৰ্তে এই ৰে'লখন ব্যৱহাৰ কৰি উত্তৰ-পূবৰ যাত্ৰীয়ে পোনে পোনে বৈষ্ণোদেৱী মন্দিৰৰ যাত্ৰাপথত উপস্থিত হ'ব পাৰিব। জম্মুৰ পৰা কাট্ৰালৈ নিৰ্মিত এই নতুন ৰে'লপথছোৱা কিছুদিন আগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশবাসীৰ নামত উৎসৰ্গা কৰিছে।

(৪) দৈনিক গুৱাহাটী-নাহৰলাগুন ইণ্টাৰচিটী এক্সপ্ৰেছ।

(৫) দৈনিক গুৱাহাটী-মেন্দিপথাৰ যাত্ৰীবাহী ৰে'ল।

(৬) দৈনিক উত্তৰ ৰঙাপাৰা-ৰঙিয়া যাত্ৰীবাহী ৰে'ল।

(৭) গুৱাহাটী মুৰ্কংচেলেক ইণ্টাৰচিটী এক্সপ্ৰেছ।

অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ বহু যাত্ৰীৰ দীৰ্ঘদিনীয়া আশা পূৰণৰ লগতে এই ৰে'লকেইখনে চুবুৰীয়া ৰাজ্যকেইখনৰ মাজত সুচল যাতায়াতৰ পৰিৱেশ সৃষ্টি কৰিব। অৱশ্যে, কোহিমা, আগৰতলা আদি ৰাজধানী চহৰলৈ ৰে'ল সংযোগ, অসমৰ পৰা এখন দুৰন্ত এক্সপ্ৰেছ, কামাখ্যা-লোকমান্য তিলকৰ দৰে ৰে'লত পেণ্ট্ৰীকাৰৰ ব্যৱস্থা ইত্যাদি দাবীসমূহৰ প্ৰতি ৰে'লমন্ত্ৰীগৰাকীয়ে বিশেষ গুৰুত্ব দিয়া দেখা নগ'ল। তথাপিও, বহু পৰিমাণে বাস্তৱসন্মত এই ৰে'ল বাজেটখনে ভাৰতীয় অৰ্থনীতি আৰু ৰে'লযাত্ৰীসকললৈ 'অচ্ছে দিন' কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। ❐

---

**(৪৪ পৃষ্ঠাৰ পৰা)**

**সঠিক পৰিসংখ্যা**

চৰকাৰী ব্যৱস্থা আৰু স্বতন্ত্ৰ মূল্যায়নৰ জৰিয়তে দাখিল কৰা ক্ষেত্ৰভিত্তিক পৰিসংখ্যাৰ মাজত ব্যাপক ব্যৱধান আছে। সেয়েহে ক্ষেত্ৰভিত্তিক পৰিসংখ্যাৰ নিয়মিত পৰীক্ষণৰ ব্যৱস্থা থকা উচিত। এই কথাটো অপৰিপুষ্টি, মৃত্যু আৰু ৰোগৰ ক্ষেত্ৰতো প্ৰযোজ্য। এই দিশকেইটাৰ সমস্যাবোৰ প্ৰতিৰোধৰ বাবে ৰূপায়ণ কৰা ব্যৱস্থাৰ উৎকৰ্ষৰ কাৰণে প্ৰশাসনিক ব্যৱস্থাই যুগুত কৰা মাহিলি প্ৰতিবেদনৰ বহুল প্ৰচাৰ আৰু বিশ্লেষণ কৰাৰ কাৰণে মাহেকীয়া পৰ্যালোচনা সভা অনুষ্ঠিত কৰিব লাগে (ছাক্সেনা আৰু শ্ৰীবাস্তৱ, ২০০৯)।

**মৃত্যু পৰ্যালোচনা ঃ** নৱজাতক আৰু প্ৰসূতিৰ মৃত্যুৰ পৰ্যালোচনা আৰু হিচাপ পৰীক্ষণৰ পাচত দ্ৰুত সংশোধনী কাৰ্য আৰু প্ৰচাৰ ব্যৱস্থা কৰিব লাগে (মেহতা আৰু প্ৰতাপ, ২০১৪ : ৮৩)।

**প্ৰশিক্ষণ ঃ** ওড়িছাত বিপদজনক উন্নয়ন খণ্ডসমূহত মেলেৰিয়া নিয়ন্ত্ৰণ কৰিবৰ কাৰণে ৰোগী চিনাক্ত কৰি ফিভাৰ ট্ৰিটমেণ্ট ডিপো (চমুকৈ এফ টি ভি)লৈ প্ৰেৰণ কৰা আদি কাৰ্যত সমৰ্থবান কৰিবলৈ আশা কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হৈছে। সি যি কি নহওক, দ্ৰুত ৰোগ চিনাক্তকৰণ পৰীক্ষাৰ বাবে দৰকাৰী সঁজুলিৰ ঘাটিৰ কাৰণে ৰোগীৰ প্ৰেৰণৰ সংখ্যা অনাৱশ্যকভাৱে বৃদ্ধি হৈছে আৰু চিকিৎসাত বিলম্ব ঘটিছে (৬ষ্ঠ সমূহীয়া পৰ্যালোচনা অভিযান, ২০১২)।

**এক অভিমুখে গতি**

অপৰিপুষ্টি, মৃত্যু আৰু ৰোগ হ'ল খাদ্য আৰু পৰিপুষ্টি, প্ৰতিৰোধ, উৎকৰ্ষ আৰু আৰোগ্যকাৰী স্বাস্থ্য যতন, পৰিপুষ্টি পৰামৰ্শ, বিশুদ্ধ খোৱাপানী আৰু পয়-প্ৰণালী আদিৰ লগত জড়িত হৈ থকা বিষয়।

পি আৰ আই, স্বাস্থ্য, শিক্ষা, ডব্লিউ চি ডি আৰু জল আৰু পয়-প্ৰণালী আদি বিভিন্ন মন্ত্ৰণালয় আৰু বিভাগে এক উদ্দেশ্যৰে ৰূপায়ণ কৰা কাৰ্যসূচী বিকশিত ফলাফল লাভৰ কাৰণে এটা সম্ভৱপৰ ব্যৱস্থা হ'ব পাৰে। ❐

# কেন্দ্ৰীয় বাজেটত কৃষিখণ্ড

**মনোৰঞ্জন বণিক্য***

যোৱা ১০ জুলাইত কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সংসদত দাখিল কৰে। বাজেটত বিশেষকৈ আন্তঃগাঁথনিৰ উন্নয়ন, পথ পৰিবহণ, ৰে'ল পৰিবহণ, বন্দৰসমূহৰ উন্নয়ন, স্বাস্থ্যখণ্ড, শিক্ষাখণ্ড, গ্ৰামীণ আন্তঃগাঁথনিৰ উন্নীতকৰণ, ইন্ধন আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আন্তঃগাঁথনি আৰু নিৰ্মাণ খণ্ডৰ পুনৰ্গঠনৰ জৰিয়তে আৰ্থিক বিকাশ বৃদ্ধি কৰাৰ বাবে বাজেটত ৬২,০০০ কোটি টকা ধাৰ্য কৰা হৈছে। পথ নিৰ্মাণৰ বাবে ৩৮,০০০ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

বাজেটত কৃষিখণ্ডৰ ওপৰত বিশেষভাৱে মনোনিৱেশ কৰা হৈছে। বিত্তমন্ত্ৰীয়ে সংসদত দিয়া বাজেট ভাষণ, কৃষিখণ্ডৰ বিকাশৰ বাবে প্ৰস্তাৱিত পদক্ষেপ, বিভিন্ন আঁচনি আদিৰ পৰা এইটো স্পষ্ট হৈ পৰিছে।

ভাৰত এখন কৃষিপ্ৰধান দেশ। দেশৰ সৰহ সংখ্যক লোক জীৱিকাৰ বাবে পৰোক্ষ বা প্ৰত্যক্ষভাৱে কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰশীল। দেশৰ অধিকাংশ লোকৰ মুখ্য ভোজনৰ উপৰি কৃষিজাত সামগ্ৰীৰ পৰা বহু উদ্যোগত ব্যৱহৃত কেঁচা সামগ্ৰী পোৱা যায়। কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ পৰা আমাৰ দেশে বুজন পৰিমাণৰ বিদেশী মুদ্ৰা অৰ্জন কৰে। ভাৰতীয় অৰ্থনীতিত কৃষিখণ্ডৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

কিছুবছৰ আগতে ভাৰতে খাদ্য-শস্যৰ বাবে আন দেশৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। উল্লেখযোগ্য যে যোৱা দহ বছৰ ধৰি দেশত চমকপ্ৰদ খাদ্যশস্যৰ উৎপাদন বৃদ্ধিৰ ফলত আমাৰ দেশ এতিয়া খাদ্যশস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম হৈছে। দেশত প্ৰৱৰ্তন কৰা সেউজ বিপ্লৱ তথা কৃষি গৱেষণাৰ সফলতাৰ ফলস্বৰূপে কিছুমান ৰাজ্যত ঘেঁহু আৰু ধানৰ উৎপাদনে অভিলেখ সৃষ্টি কৰে। আমাৰ দেশে ঘৰুৱা খাদ্যশস্যৰ চাহিদা পূৰণ কৰাৰ উপৰি ৰপ্তানিকাৰী দেশ হিচাপে পৰিগণিত হৈছে। বৰ্তমান ভাৰত বিশ্বৰ ভিতৰত সৰ্ববৃহৎ চাউল ৰপ্তানিকাৰী আৰু দ্বিতীয় সৰ্ববৃহৎ ঘেঁহু ৰপ্তানিকাৰী দেশ হিচাপে জনাজাত। বাজেট ভাষণত বিত্তমন্ত্ৰীয়ে কৃষিখণ্ডক প্ৰতিযোগিতামূলক আৰু লাভপ্ৰদ কৰিবলৈ কৃষিৰ আধুনিকীকৰণ, কৃষিত প্ৰযুক্তিৰ প্ৰয়োগ তথা ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত বিনিয়োগ বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় দিল্লীৰ পুসাস্থিত ভাৰতীয় কৃষি গৱেষণা পৰিষদ (Indian Council of Agriculture Research) দেশৰ কৃষি গৱেষণাৰ একমাত্ৰ উচ্চ মানবিশিষ্ট প্ৰতিষ্ঠান। যিহেতু স্বাধীনতাৰ পাছত স্থাপন কৰা এইটো ভাৰতৰ একমাত্ৰ গৱেষণাৰ প্ৰতিষ্ঠান, চৰকাৰে এনেধৰণৰ উচ্চ মানবিশিষ্ট দুটা প্ৰতিষ্ঠান স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এনে কৃষি গৱেষণা প্ৰতিষ্ঠান অসমত এটা আৰু ঝাৰখণ্ডত দ্বিতীয়টো স্থাপন কৰা হ'ব। বাজেটত দুয়োটা প্ৰতিষ্ঠানৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰা হৈছে। অন্ধ্ৰপ্ৰদেশ আৰু ৰাজস্থানত এখনকৈ কৃষি বিশ্ববিদ্যালয়, হাৰিয়ানা আৰু তেলেঙ্গানাত এখনকৈ উদ্যানশস্য বিশ্ব-বিদ্যালয় স্থাপনৰ বাবে প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ বাবে ২০০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। কৃষিৰ বিকাশ তথা উৎপাদন বৃদ্ধিৰ বাবে খেতি পথাৰলৈ পানী যোগান অতি আৱশ্যক। আমাৰ দেশৰ কৃষক খেতি-পথাৰৰ পানীৰ বাবে বৰষুণ নাইবা মৌচুমী জলবায়ুৰ ওপৰত নিৰ্ভৰশীল। কিন্তু বৰষুণ নিয়মীয়া নোহোৱা বাবে কৃষক সমস্যাৰ সন্মুখীন হয়। কৃষকসকলক জলসিঞ্চনৰ সুবিধা প্ৰদান কৰিবলৈ বাজেটত ১,০০০ কোটি টকা ধাৰ্য কৰা হৈছে। প্ৰধানমন্ত্ৰী কৃষি সিঁচাই (জলসিঞ্চন) যোজনা হ'ব এই আঁচনিৰ নাম।

কৃষিৰ বিকাশৰ বাবে কৃষকক সহায় কৰিবলৈ ৰাষ্ট্ৰীয়কৃত বেংকৰ বিভিন্ন ঋণ যোজনা আছে। কৃষিৰ বাবে প্ৰদান কৰা বেংকৰ ঋণক 'অগ্ৰাধিকাৰ ক্ষেত্ৰ' ঋণত শ্ৰেণীভুক্ত কৰা হৈছে। ভাৰত চৰকাৰৰ নীতি অনুসৰি বেংকে মঞ্জুৰ কৰা মুঠ ঋণৰাশিৰ ৪০ শতাংশ অগ্ৰাধিকাৰ ক্ষেত্ৰ তথা ১৮ শতাংশ প্ৰত্যক্ষ কৃষিখণ্ডলৈ ঋণ প্ৰদান কৰা সকলো বেংকৰ বাবে বাধ্যতামূলক। ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ৮ লাখ কোটি টকাৰ কৃষি ঋণ বিতৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। যোৱা বছৰৰ কেন্দ্ৰীয় বাজেটত কৃষি ঋণ বিতৰণৰ লক্ষ্য আছিল ৭ লাখ কোটি টকা। কৃষিকক হ্ৰস্বম্যাদী শস্য ঋণ ৭ শতাংশ ৰেহাই সুতৰ হাৰত প্ৰদান কৰা হয়। নিয়মিত সময়ত ঋণৰ কিস্তি আদায় দিয়া কৃষকক অতিৰিক্ত ৩ শতাংশ সুত ৰেহাই দিয়া হয়। ২০১৪-

**(৬৯ পৃষ্ঠাত চাওক)**

***মনোৰঞ্জন বণিক্য পাঞ্জাৱ নেচনেল বেংকৰ অৱসৰপ্ৰাপ্ত মুখ্য জনসম্পৰ্কৰক্ষী পৰিচালক**

# গ্ৰাম্য উন্নয়ন ঃ বাজেট ২০১৪-১৫

**মনোজ দত্ত***

নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে যোৱা ১০ জুলাই তাৰিখে লোকসভাত ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাবে মুঠ ১৭,৯৪,৮৯২ কোটি টকা ব্যয়সাপেক্ষ সাধাৰণ বাজেটখন দাখিল কৰে। অন্যান্য বিভিন্ন শিতানৰ লগতে এইবাৰৰ সাধাৰণ বাজেটখনে গ্ৰামীণ জনতা তথা গ্ৰামাঞ্চলৰ উন্নয়নৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হয়।

**আন্তঃগাঁথনি ঃ**

এইবাৰৰ বাজেটখনত আন্তঃগাঁথনি উন্নয়নত বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা যায়। দেশত ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণৰ বাবে বাজেটত মুঠ ৩৭,৮০০ কোটি টকা নিৰ্দ্ধাৰণ কৰাৰ লগতে পণ্য পৰিহাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ উন্নীতকৰণৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰা হয়। চলিত বিত্তীয় বৰ্ষত মুঠ ৮.৫০০ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হয়। তদুপৰি দেশৰ সামুদ্ৰিক বন্দৰসমূহৰ উন্নীতকৰণৰ বাবেও বিশেষ গুৰুত্ব দিয়া হয়। দেশৰ আন্তঃগাঁথনি উন্নয়ন তথা পথ আৰু জল পৰিবহণৰ উন্নীতকৰণে দেশৰ অন্যান্য প্ৰান্তৰ লগতে গ্ৰামাঞ্চলত বসবাস কৰা জনসাধাৰণক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

**কৃষি ঃ**

কৃষি খণ্ডত বছৰি ৪% হাৰত বিকাশৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি এইবাৰৰ বাজেটখনে দেশৰ কৃষি খণ্ড তথা কৃষকসকলৰ উন্নয়নত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰে। এই ক্ষেত্ৰত বাজেটত অন্তৰ্ভুক্ত কৰা কিছুমান উল্লেখযোগ্য আঁচনি হ'ল—

১) চলিত বিত্তীয় বৰ্ষত বেংকসমূহৰ জৰিয়তে মুঠ ৪ লাখ কোটি টকাৰ কৃষি ঋণ প্ৰদানৰ লক্ষ্য নিৰ্দ্ধাৰণ।

২) অসম আৰু ঝাৰখণ্ডত নতুনকৈ দুখন কৃষি গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰা হয় আৰু ইয়াৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত ১০০ কোটি টকা ধাৰ্য কৰা হয়।

৩) অন্ধ্ৰপ্ৰদেশ আৰু ৰাজস্থানত কৃষি বিশ্ববিদ্যালয় তথা তেলেংগানা আৰু হাৰিয়ানাত উদ্যান শস্য বিশ্ববিদ্যালয় স্থাপনৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত ২০০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হয়।

৪) কৃষি উৎপাদনৰ ক্ষেত্ৰত মূল্যমানৰ উত্থান-পতনৰ পৰিস্থিতি চম্ভালিব পৰাকৈ ৫০০ কোটি টকাৰ মূল্য সুস্থিৰতা পুঁজি গঠনৰ প্ৰস্তাৱ উত্থাপন কৰা হয়।

৫) চলিত বিত্তীয় বৰ্ষত ৫ লাখ ভূমিহীন কৃষকক নাবাৰ্ডৰ জৰিয়তে ঋণ প্ৰদানৰ ঘোষণা কৰা হয়।

৬) কৃষকসকলক বিভিন্ন দিহা-পৰামৰ্শ দিয়া তথা তেওঁলোকৰ বিভিন্ন সমস্যাৰ সমাধানত সহায়ক হোৱাকৈ 'কিষাণ টিভি' নামৰ এটা নতুন টেলিভিছন চেনেল স্থাপন কৰাৰ বাবে মুঠ ১০০ কোটি ধাৰ্য কৰা হয়।

৭) কৃষি খণ্ডৰ সহায়ক হোৱাকৈ নাবাৰ্ডৰ অধীনত দীৰ্ঘম্যাদী গ্ৰাম্য ঋণ গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু প্ৰাৰম্ভিক পৰ্যায়ত এই বাজেটত মুঠ ৫০০০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হয়।

**প্ৰধানমন্ত্ৰী কৃষি সিঞ্চয়ী যোজনা ঃ**

স্বাধীনোত্তৰ কালছোৱাত কৃষি খণ্ডৰ উন্নয়নৰ প্ৰতি যথেষ্ট গুৰুত্ব প্ৰদান কৰি অহা সত্বেও ভাৰতবৰ্ষৰ সিংহভাগ কৃষকে এতিয়াও প্ৰধানতঃ বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰি থাকিব লগা হয়। কৃষি খণ্ডত জলসিঞ্চন ব্যৱস্থাৰ সু-প্ৰয়োগ নিশ্চিত কৰাৰ বাবে এইবাৰৰ বাজেটত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চয়ী যোজনাখন আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰা হয় আৰু ইয়াৰ বাবে ১,০০০ কোটি টকা ধাৰ্য কৰা হয়।

**স্বচ্ছ ভাৰত অভিযান ঃ**

অনাময়ৰ সমস্যা গ্ৰামাঞ্চলৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই এটা প্ৰধান সমস্যা। ২০১৯ চন (মহাত্মা গান্ধীৰ ১৫০ সংখ্যক জয়ন্তী বৰ্ষ)ৰ ভিতৰত ভাৰতবৰ্ষৰ সকলো পৰিয়ালকে সামৰি লোৱাৰ লক্ষ্যৰে

*মনোজ দত্ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'চেণ্টাৰ ফৰ ছ'চিয়েল ৱৰ্ক'ৰ সহকাৰী অধ্যাপক

চৰকাৰে স্বচ্ছ ভাৰত অভিযান আৰম্ভ কৰাৰ ঘোষণা কৰা হয়।

**দীন দয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা ঃ**

সদনত বাজেট উত্থাপন কৰি বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে উল্লেখ কৰে যে অৰ্থনৈতিক উন্নয়নৰ বাবে বিজুলী বাতিৰ আৱশ্যকীয়তাক উপলব্ধি কৰি চৰকাৰে সকলো পৰিয়ালৰ বাবে ২৪ ঘণ্টাই বিজুলী যোগানত গুৰুত্ব প্ৰদান কৰিছে আৰু এই লক্ষ্যৰে দীন দয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা নামৰ এখন নতুন আঁচনি ঘোষণা কৰা হৈছে। উক্ত আঁচনিখনৰ বাবে এইবাৰৰ বাজেটত ৫০০ কোটি টকা ধাৰ্য কৰা হয়।

**প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা ঃ**

অটল বিহাৰী বাজপেয়ীৰ প্ৰধানমন্ত্ৰিত্বৰ সময়ছোৱাত পূৰ্বৰ বিজেপি নেতৃত্বাধীন চৰকাৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাখনক নৰেন্দ্ৰ মোডী নেতৃত্বাধীন বিজেপি চৰকাৰখনেও সমানেই গুৰুত্ব প্ৰদান কৰে আৰু এইবাৰৰ বাজেটত আঁচনিখনৰ বাবে মুঠ ১৪,৩৮৯ কোটি ধাৰ্য কৰা হয়।

**মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিশ্চিতি আঁচনি ঃ**

গ্ৰামাঞ্চলত নিয়োগ সৃষ্টি তথা নিয়োগ নিশ্চিতিৰ ক্ষেত্ৰত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আঁচনিখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এইবাৰৰ বাজেটৰ জৰিয়তে এই আঁচনিখনৰ পৰিসৰ কৃষিখণ্ডলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ জৰিয়তে গ্ৰাম্য নিয়োগ সৃষ্টিৰ লগতে কৃষিৰ উৎপাদন বৃদ্ধিত সহায় কৰিব বুলি আশা কৰা হৈছে।

**ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান ঃ**

ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত পূৰ্বৰ ১৫০ খন জিলাৰ উপৰিও নতুনকৈ ১০০ খন জিলাৰ গ্ৰামাঞ্চলৰ মহিলাসকলৰ বাবে আত্মসহায়ক গোটৰ মাধ্যমেৰে ৪% হাৰত ঋণ প্ৰদানৰ প্ৰস্তাৱ কৰা হয়। তদুপৰি গ্ৰামাঞ্চলৰ যুৱকসকলৰ ঔদ্যোগিক দক্ষতা বৃদ্ধিৰ বাবে বাজেটত ১০০ কোটি টকা ধাৰ্য কৰা হয়।

**জলচ্ছেদ উন্নয়ন ঃ**

জলচ্ছেদ উন্নয়নৰ ওপৰত এইবাৰৰ বাজেটত গুৰুত্ব প্ৰদান কৰি চৰকাৰে নীড়আঁচল নামৰ এখন নতুন আঁচনিৰ প্ৰস্তাৱ কৰে আৰু ইয়াৰ বাবে বাজেটত ২,১৪২ কোটি টকা ধাৰ্য কৰে।

**বিশুদ্ধ খোৱাপানী ঃ**

খোৱাপানীৰ যোগান গ্ৰাম্য ভাৰতবৰ্ষৰ বাবে এতিয়াও প্ৰত্যাহ্বান হৈয়ে আছে। আৰ্ছেনিক. ফ্ল'ৰাইড তথা অন্য ৰাসায়নিক পদাৰ্থমুক্ত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে ৰাষ্ট্ৰীয় গ্ৰাম্য খোৱাপানী আঁচনিৰ অধীনত মুঠ ৩,৬০০ কোটি টকা ধাৰ্য কৰা হয়। ইয়াৰ জৰিয়তে সমূহীয়া খোৱাপানী বিশুদ্ধকৰণ প্ৰকল্প নিৰ্মাণৰ জৰিয়তে খোৱাপানীৰ যোগান নিশ্চিত-কৰণত গুৰুত্ব দিয়া হৈছে।

**সমূহীয়া ৰেডিঅ' কেন্দ্ৰ ঃ**

সমূহীয়া ৰেডিঅ' কেন্দ্ৰসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এইবাৰৰ বাজেটত মুঠ ৬০০টা সমূহীয়া ৰেডিঅ' কেন্দ্ৰক উদগনি যোগোৱাৰ বাবে মুঠ ১০০ কোটি টকা ধাৰ্য কৰা হয়।

তদুপৰি এইবাৰৰ বাজেটত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, ক্ষুদ্ৰ উদ্যোগ আদিৰ প্ৰতি যথেষ্ট গুৰুত্ব দিয়া হয় আৰু ই গ্ৰামাঞ্চলসমূহক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে। আনহাতে গ্ৰামাঞ্চলসমূহত ইণ্টাৰনেট তথা অন্যান্য তথ্য প্ৰযুক্তিৰ সেৱাসমূহৰ সম্প্ৰসাৰণত এই বাজেটখনে গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। ❒

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# লখিমপুৰ জিলাৰ পৰ্যটনৰ সমল আৰু পৰ্যটন উদ্যোগ বিকাশৰ সম্ভাৱনা

**যতীন শইকীয়া***

অসমৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন সীমামূৰীয়া জিলা হ'ল লখিমপুৰ। ১৯৭১ চনতে লখিমপুৰ জিলা হিচাপে ঘোষিত হয়। হিমালয় পৰ্বতমালাৰ পাদদেশত অৱস্থিত লখিমপুৰ অলেখ নদ-নদী, জান-জুৰি, বিল আৰু প্ৰাচীন দ'ল-দেৱালয়, মঠ-মন্দিৰেৰে পৰিপূৰ্ণ জিলা। জিলাখনৰ পূবা-পশ্চিমাকৈ দৈৰ্ঘ্য ১৩০ কিলোমিটাৰ আৰু উত্তৰা-দক্ষিণাকৈ ৩৫ কিলোমিটাৰ। লখিমপুৰ জিলাখন কৃষিপ্ৰধান। ভৌগোলিক অৱস্থান আৰু প্ৰাকৃতিক পৰিৱেশ তথা পৰিস্থিতিৰ কাৰণে জিলাখনত আজিলৈকে উদ্যোগ গঢ়ি উঠা নাই। চৰকাৰে বিভিন্ন কাৰণত লখিমপুৰক শূন্য উদ্যোগ জিলা হিচাপে ঘোষণা কৰি থৈছে। জিলাখনত যাতায়াত অতি পুতৌলগা অৱস্থাত আছে। চীনা যুদ্ধৰ পাচত ৰঙাপৰাৰ পৰা মুৰ্কংচেলেকলৈকে ৰে'ললাইন নিৰ্মাণ কৰি সৰ্বসাধাৰণ লোকৰ সুবিধা কৰিলে। বৰ্তমান লাইনটো ব্ৰডগজলৈ ৰূপান্তৰৰ কাম চলি আছে। বগীবিল দলংখন সম্পূৰ্ণ হৈ উঠিলে উজনি অসমত উত্তৰ আৰু দক্ষিণ পাৰৰ মাজত সংযোগ স্থাপন হ'ব আৰু জিলাখনত অৰ্থনৈতিক প্ৰগতিয়ে নতুন মাত্ৰা লাভ কৰিব বুলি আশা কৰা হৈছে। জিলাখনৰ মাজেদি ৫২নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ গৈছে। অন্য জিলাৰ লগত যাতায়াত সংযোগকাৰী এইটোৱেই একমাত্ৰ পথ।

জিলাখন হিমালয়ৰ পাদদেশত অৱস্থিত হোৱাৰ কাৰণে আপাত দৃষ্টিত প্ৰাকৃতিক দৃশ্যাৱলী খুবেই মনোৰম। ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰে'ল লাইনৰ উত্তৰে সেউজ পাহাৰ আৰু দক্ষিণে শ্যামল পথাৰে পৰ্যটকক সততে আকৰ্ষণ কৰে।

বিশ্বত উদাৰীকৰণ ব্যৱস্থা আৰম্ভ হোৱাৰে পৰা বিভিন্ন দেশে পৰ্যটনক উদ্যোগ হিচাপে গ্ৰহণ কৰিছে আৰু এই উদ্যোগৰ পৰা দেশসমূহ আৰ্থিকভাৱে বহু পৰিমাণে উপকৃত হৈছে। এই ক্ষেত্ৰত আমাৰ দেশো পিছ পৰি থকা নাই। দক্ষিণাত্যৰ কেইবাখনো ৰাজ্যৰ লগতে জম্মু আৰু কাশ্মীৰ, গোৱা ইত্যাদি ৰাজ্যসমূহৰ উপাৰ্জনৰ অন্যতম পথ হ'ল পৰ্যটন উদ্যোগ।

সৌন্দৰ্য পিপাসু মানুহক মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই যুগে যুগে আকৰ্ষণ কৰি আহিছে। তদুপৰি প্ৰাচীন সংস্কৃতি, সভ্যতা আৰু স্থাপত্য বিদ্যাৰ বিষয়ে জানিবৰ কাৰণেও বিশ্বৰ অলেখ লোকে বিভিন্ন অঞ্চল ভ্ৰমণ কৰাৰ কথাও ইতিহাসত উল্লেখ আছে। অন্যান্য উদ্যোগ নথকা ৰাজ্য বা জিলাত পৰ্যটন উদ্যোগে বিশেষ ভূমিকা গ্ৰহণ কৰি আৰ্থিক উন্নয়নত উল্লেখযোগ্য অৱদান আগবঢ়াব পাৰে। লখিমপুৰ এখন উদ্যোগবিহীন জিলা হ'লেও জিলাখনত থকা প্ৰাকৃতিক সৌন্দৰ্য আৰু প্ৰাচীন সমলসমূহক লৈ পৰ্যটন উদ্যোগ গঢ়ি তুলিব পৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি পৰ্যটনৰ কাৰ্যক্ষম নেটৱৰ্ক গঢ়ি তুলিব পাৰিলে অচিৰেই জিলাখনৰ আৰ্থিক দিশৰ উন্নতি সাধন হ'ব বুলি আশা কৰিব পৰা যায়।

লখিমপুৰ জিলাখনৰ প্ৰাচীন ঐতিহ্যসমূহ বিভিন্ন এলেকাত সিঁচৰতি হৈ থকাৰ কাৰণে আৰু পৰ্যটকৰ সুবিধাৰ কাৰণে এইবোৰক দুটা ভাগত ভাগ কৰি ল'ব পৰা যায়। জিলাখনৰ সদৰ উত্তৰ লখিমপুৰৰ পশ্চিমে বিহপুৰীয়া, ঐতিহ্য-মণ্ডিত নাৰায়ণপুৰ, হাৰমতি, লালুক ইত্যাদি মফস্বলীয় চহৰসমূহ অৱস্থিত। এই চহৰসমূহ উত্তৰ লখিমপুৰ মহকুমাত অৱস্থিত। উত্তৰ-পূবে ঢকুৱাখনা মহকুমা আৰু দক্ষিণে মাজুলী মহকুমা। লোহিত-খাবলু নদীয়ে উত্তৰ লখিমপুৰ আৰু মাজুলী মহকুমাক বিভক্ত কৰিছে। দলং নোহোৱাৰ কাৰণে দুয়োটা মহকুমাৰ মাজত যাতায়াত ব্যৱস্থা শোচনীয় হৈ আছে। উত্তৰ লখিমপুৰ মহকুমাৰ সদৰ, উত্তৰ লখিমপুৰক পৰ্যটনৰ কেন্দ্ৰস্থল কৰি ল'লে তাৰ পৰা উজনি-নামনিৰ পৰ্যটনৰ স্থানসমূহ ভ্ৰমণ কৰিবলৈ সুবিধা হ'ব। নামনি লখিমপুৰৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহ বিহপুৰীয়া, নাৰায়ণপুৰ অঞ্চলত সিঁচৰতি হৈ আছে। তাৰ ভিতৰত উল্লেখনীয় স্থান, মঠ-মন্দিৰ, দ'ল-দেৱালয়সমূহ হ'ল— (১) শক্তিপীঠ মুঢ়া ভগা দ'ল। তাত নিয়মীয়াকৈ পূজা-পাতল চলি থাকে। নাওবৈচা অঞ্চলত অৱস্থিত। (২) দেওঘৰ, মুঢ়াভগা দ'লৰ ওচৰতে অৱস্থিত। (৩) লোণপানী দ'ল— লালুক মৌজাৰ লোণপানী জানৰ কাষত। (৪) কেঁচাইখাতি বা পোতা গোঁসানীৰ থান—

*যতীন শইকীয়া অসম চৰকাৰৰ সমবায় বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী

নাওবৈচা মৌজাৰ দ'লহাট অঞ্চলত অৱস্থিত। (৫) ফুলবাৰী দেৱালয় আৰু মাঘনোৱা দ'ল— নাওবৈচা মৌজাৰ ফুলবাৰী অঞ্চলত অৱস্থিত। (৬) পেটুৱা গোঁসানীৰ থান— ঢলপুৰ অঞ্চলত অৱস্থিত। (৭) শৈৱ মন্দিৰ— নাওবৈচাৰ লথৌত অৱস্থিত। (৮) খৰামোচাৰ বাঢ়ৈ পুখুৰী সত্ৰ— বিহপুৰীয়া খৰাপথাৰ অঞ্চলত অৱস্থিত। (৯) নাহৰআটী থান— বিহপুৰীয়া। (১০) চাংগীনী থান— লুইতৰ পাৰত অৱস্থিত। (১১) বেলগুৰি সত্ৰ— মহাপুৰুষ শংকৰদেৱে প্ৰতিষ্ঠা কৰা বেলগুৰিৰ পকা দ'ল। (১২) পিঠাগুৰিৰ পকাদ'ল। (১৩) ঐতিহাসিক স্থান— হাৰমতি। (১৪) ডিক্ৰুং এলেকাৰ কাদলি পুখুৰী। (১৫) ঢলপুৰৰ একাদহীয়া পুখুৰী।

উত্তৰ লখিমপুৰৰ উজনিৰ বিভিন্ন এলেকাত থকা দ'ল-দেৱালয়-থানসমূহ হ'ল— (১) ঢকুৱাখনাৰ ঐতিহাসিক বাসুদেৱ থান, (২) নগৰৰ সমীপৰ বৈঠাৰতী থান, (৩) ঢকুৱাখনাৰ হাৰ্হি নদীৰ পাৰৰ হাৰ্হি দেৱালয়, (৪) ঘাৰমৰা সত্ৰৰ সমীপৰ নীল দেৱালয়— ইয়াত একালত নৰবলি দিয়া দা সংৰক্ষিত হৈ আছে, (৫) তেলাহী মৌজাৰ বৰথান, (৬) বগীনদীৰ পদুমণি থান— ইতিমধ্যে পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ চৰকাৰে সজাই-পৰাই তুলিছে। (৭) ঘাৰমৰা সত্ৰ— চুতীয়া সম্প্ৰদায়ৰ ৰজাসকলে পৰিধান কৰা সা-সামগ্ৰী সংৰক্ষিত কৰি ৰখা হৈছে। (৮) নগৰৰ মাজত অৱস্থিত পঞ্চানন দেৱালয়, নগৰৰ সমীপতে অৱস্থিত শিৱ আৰু গণেশ মন্দিৰ দুয়োটাই ইতিমধ্যে পৰ্যটকৰ কেন্দ্ৰবিন্দু হৈ আছে।

লখিমপুৰৰ বিভিন্ন স্থানত ৩৪ খনমান সৰু-বৰ সত্ৰ আছে। উত্তৰ লখিমপুৰ মহকুমাৰ সমগ্ৰ উত্তৰ অঞ্চলত অৱস্থিত ইতিহাস প্ৰসিদ্ধ গোঁহাইকমল আলিৰ অৱশিষ্ট দেখা যায়। অৰুণাচল সীমান্তৱৰ্তী অঞ্চলত অৱস্থিত প্ৰায় ৮০ কিলোমিটাৰ দীঘল আলিটোৱে নৰনাৰায়ণ ৰজাৰ সুকৰ্মৰ স্বাক্ষৰ আজিও বহন কৰি আছে।

লখিমপুৰৰ পৰ্যটকৰ কাৰণে সবাতোকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য ঐতিহাসিক সমল হ'ল— বিহপুৰীয়াৰ পৰা উত্তৰ দিশে অৱস্থিত মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰী। চৰকাৰে ইতিমধ্যে মহাপুৰুষজনাৰ জন্মস্থানখন পৰ্যটকৰ কাৰণে আকৰ্ষণীয় কৰি তোলাৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

লখিমপুৰ জিলাত মুঠ ১৯ খন নদী আছে। তাৰ ভিতৰত সোৱণশিৰি নদী আৰু ডিক্ৰুং নদী প্ৰধান। জিলাখনত ৯০ খন বিল আৰু ১৫টামান বৃহৎ জলাশয় আছে। সেইবিলাকত ঋতুভেদে পৰিভ্ৰমী চৰাই আহি ভৰি পৰেহি।

ঢকুৱাখনা মহকুমাত অৱস্থিত বৰদৈবাম বনাঞ্চলক পক্ষী উদ্যান হিচাপে চৰকাৰে ঘোষণা কৰিছে। তাৰৈ পক্ষী পৰ্যবেক্ষণ কৰিবলৈ বহু পৰ্যটকৰ সমাগম হয়।

আধুনিক আৰু বিজ্ঞানসন্মতভাৱে লখিমপুৰত পৰ্যটন কেন্দ্ৰ স্থাপন কৰি পৰ্যটন উদ্যোগৰ বিকাশ সাধন কৰিব পৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

হাৰমতিৰ পৰা বান্দৰদোৱাইদি অৰুণাচলৰ ৰাজধানী ইটানগৰলৈ সহজে যাব পৰা যায়। ঠিক তেনেদৰে উত্তৰ লখিমপুৰৰ পৰা ৫২নং ৰাষ্ট্ৰীয় ঘাইপথেদি জোনাই হৈ পাছিঘাটলৈ যাব পৰা যায়। তদুপৰি চিলাপথাৰ হৈ বিখ্যাত মালিনী থানলৈ যোৱাৰ ব্যৱস্থা আছে। মালিনী থানত প্ৰতি বছৰে চ'ত মাহত সপ্তাহজোৰা এখন মেলা বহে। তালৈ দেশ-বিদেশৰ পৰা বহু সাধু-সন্ন্যাসীৰ সমাগম হোৱাৰ লগতে পৰ্যটকো আহে। লখিমপুৰত পৰ্যটন কেন্দ্ৰ স্থাপন কৰিলে সেই ঐতিহাসিক স্থানসমূহ পৰিদৰ্শন কৰা সহজ হৈ উঠিব।

একালত সোৱণশিৰি আৰু ডিক্ৰুং নদীৰ বালিৰ পৰা সোণ আহৰণ কৰা হৈছিল। খৰালি কালত নদীকেইখনৰ বালি-চাপৰিসমূহৰ বালি জিক্‌মিকাই থাকে আৰু জিলাখনৰ নৈ-উপনৈসমূহৰ পাৰত কহুঁৱা ফুলি বৰফৰ নদী যেন হৈ থাকে।

অনাগত দিনত বগীবিল দলং সম্পূৰ্ণ হৈ উঠিলে আৰু গেৰুকামুখৰ জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ সম্ভৱ হৈ উঠিলে দুয়োটা প্ৰকল্প জিলাখনৰ পৰ্যটকৰ কাৰণে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠিব বুলি নিশ্চিতভাৱে আশা কৰা যায়।

লখিমপুৰক বিভিন্ন জনগোষ্ঠীৰ মহামিলনৰ স্থান বুলি আখ্যা দিব পাৰি। জিলাখনৰ বিভিন্ন অঞ্চলত বসবাস কৰা জনগোষ্ঠীসমূহৰ বাসস্থান, জীৱন ধাৰণৰ পদ্ধতি পৰ্যবেক্ষণ কৰিবলগীয়া। মিচিংসকলৰ চাংঘৰৰ ঐতিহ্য পৰ্যটকৰ কাৰণে বেচ উপভোগ্য। জনগোষ্ঠীসমূহৰ জাতীয় উৎসৱসমূহৰ উদ্‌যাপন পদ্ধতিও আকৰ্ষণীয়। পৰ্যটন উদ্যোগৰ বিস্তাৰে ৰাজ্যখনৰ বাৰে ৰহণীয়া সাংস্কৃতিক পৰম্পৰা অধিক অৰ্থবহ কৰি তুলিব পাৰে।

দেশ-বিদেশৰ পৰ্যটকৰ অংশগ্ৰহণে উৎসৱসমূহ বৰ্ণময় কৰি তোলে। কামাখ্যা ধামত আজিকালি লোকাৰণ্য হৈ পৰাৰ দৰে ঢকুৱাখনাৰ ফাট বিহু, মিচিং-দেউৰীসকলৰ লোক-উৎসৱসমূহত দেশৰ বহু লোকে অংশগ্ৰহণ কৰা দেখা যায়। পৰ্যটন উদ্যোগে তেনে উৎসৱসমূহ অধিক আকৰ্ষণীয় আৰু সমৃদ্ধিশালী কৰি তুলিব।

আমি আশাকৰোঁ চৰকাৰে লখিমপুৰত শীঘ্ৰে পৰ্যটন কেন্দ্ৰ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিব। জিলাখনত পৰ্যটন উদ্যোগ বিকশিত হ'লে উদ্যোগহীন জিলাখনত কৰ্মসংস্থাপনৰ পথো মুকলি হ'ব। ❐

# সামূহিক পৰিৱেশ গঠনত ভূজলৰ প্ৰভাৱ

**ড° অৰ্পণ দত্ত***

এই নিবন্ধৰ মূল বিষয়লৈ যোৱাৰ পূৰ্বে ভূজলৰ সৃষ্টি আৰু অৱস্থান-ৰূপ সন্দৰ্ভত কিছু কথা আলোচনা কৰাটো যুগুত হ'ব যেন ভাব হৈছে। কিয়নো, অঞ্চল একোটাৰ ভূজলৰ অৱস্থিতি আৰু সেই জলৰ প্ৰকৃতিয়ে সেই অঞ্চলৰ বিশেষকৈ জনস্বাস্থ্য, কৃষি আৰু মীন ক্ষেত্ৰকে ধৰি কিছু আনুষংগিক ক্ষেত্ৰৰ পৰিৱেশ সৃষ্টিত প্ৰত্যক্ষ অথবা পৰোক্ষ প্ৰভাৱ পেলায়। উল্লেখযোগ্য যে, ভূজল সকলো ঠাইতে পোৱাটো সম্ভৱ নহয় আৰু পোৱা ঠাইতো এই জলৰ মান-পৰিমাণ সুকীয়া হয়। সেয়েহে ভূজলৰ উৎপত্তি আৰু অৱস্থানৰ বিষয়ে অৱগত হোৱাটো প্ৰয়োজনীয়।

**ভূজলৰ উৎপত্তি আৰু অৱস্থান ঃ**

ব্যৱহাৰিক অৰ্থত, মাটিৰ মাজত বা তাৰ তলত থকা গেছীয় স্তৰ বা শিলত আৱদ্ধ হৈ থকা পানী ভাগক ভূজলৰ আখ্যা দিয়া হয়। এই পানীভাগ বিভিন্ন প্ৰকাৰৰ প্ৰৱেশ্য স্তৰ, যেনে— মাটি, বালি, গ্ৰেভেল আৰু ব'ল্ডাৰৰ মাজত আৱদ্ধ হোৱাৰ উপৰিও প্ৰৱেশ্য অৱস্থাপ্ৰাপ্ত গেদীয়/ৰূপান্তৰিত শিল আৰু ক্ষয়ীপ্ৰাপ্ত গাঁথনিৰ মাজত অৱস্থান কৰা দেখা যায়। অৱশ্যে এইখিনি পানীৰ অৱস্থান যিভাৱেই পোৱা নাযাওক কিয়, বিশ্বৰ মুঠ জলভাণ্ডাৰৰ তুলনাত আহৰণযোগ্য ভূজলৰ পৰিমাণ তেনেই নগণ্য বুলিব পাৰি। কিয়নো, পৃথিৱীৰ মুঠ জলৰাশিৰ যি সামান্য অংশ (প্ৰায় ১ শতাংশ) ভূগৰ্ভত সঞ্চিত হয় তাৰো মাত্ৰ ০.৬৪ শতাংশ ভাগহে আহৰণযোগ্য; বাকীখিনি অধিক গভীৰতা বা শিলৰ মাজত থকা হেতুকে ইয়াৰ আহৰণ অৰ্থনৈতিক দিশত লাভ-জনক নহয়। গতিকে ইমান কম পৰিমাণে থকা পানীৰ ওপৰতে আজি বিশ্ববাসী নিৰ্ভৰশীল হ'ব লগা হৈছে। লক্ষ্যণীয় যে ভূজলৰ মূল উৎস হৈছে বৃষ্টিপাত। তাৰ বাহিৰেও অৱশ্যে ঠাইবিশেষে কোনো পৃষ্ঠীয় জলবাহী উৎস (যেনে— নদী, নিজৰা, হ্ৰদ আদি)ৰ লগত সংযোজিত হোৱাটো সম্ভৱ। অৱশ্যে অৱস্থা যিয়েই নহওক কিয়, কোনো স্থানত ভূজলৰ অৱস্থান সম্ভৱ হ'বলৈ হ'লে তাত কমেও একোটা ভূজলবাহী স্তৰ, অৰ্থাৎ ভূজলবাহক থকাটো অপৰিহাৰ্য।

**জনস্বাস্থ্য ক্ষেত্ৰত ভূজলৰ প্ৰভাৱ ঃ**

এইটো অনস্বীকাৰ্য যে অঞ্চল একোটাৰ জনসাধাৰণৰ স্বাস্থ্যৰ সুৰক্ষাৰ ক্ষেত্ৰত ভূজলৰ প্ৰভাৱ অত্যন্ত বেছি। কাৰণ, সুস্বাস্থ্যৰ অন্যতম প্ৰধান সমল হৈছে পৰিষ্কাৰ আৰু বিশুদ্ধ পানী। এইটো সকলোৰে জ্ঞাত যে পৰিষ্কাৰৰ দিশত পৃষ্ঠীয় জলৰ তুলনাত ভূজলক ভালেখিনি পৰিষ্কাৰ অৱস্থাত পোৱা যায়। কিয়নো ভূজলভাগ মাটি বা গেদীয় মাধ্যমৰ জৰিয়তে নিঃসৰিত হোৱা হেতুকে সাধাৰণতেই পৰিস্ৰাৱনৰ দ্বাৰা পৰিষ্কাৰ হোৱাৰ পৰিৱেশ ৰচিত হয়। সেই বুলি কিন্তু এইটোও নহয় যে পৰিষ্কাৰ পানী মাত্ৰেই বিশুদ্ধ হ'ব। প্ৰকৃততে ভূজলৰ বিশুদ্ধতা নিৰ্ভৰ কৰে অঞ্চল একোটাৰ ভূস্তৰৰ প্ৰকৃতি, কাষৰীয়া অঞ্চলৰ শিলাস্তৰৰ সংযুক্তি আৰু জনসাধাৰণৰ ব্যৱহৃত অনাময় ব্যৱস্থা তথা উদ্যোগবৰ্জিত পদাৰ্থৰ বিসৰ্জনৰ স্থিতিৰ ওপৰত। গতিকে এইটো অনুমেয় হৈ উঠে যে ভূজলৰ বিশুদ্ধতা হ্ৰাস প্ৰাকৃতিক অথবা কৃত্ৰিম উপায়েৰে ঘটাটো সম্ভৱ। উল্লেখৰ নিষ্প্ৰয়োজন যে পানী এবিধ সৰ্বগ্ৰাহী দ্ৰাৱক হোৱাত ই সকলো বস্তুকে কম-বেছি পৰিমাণে দ্ৰৱ নাইবা প্ৰলম্বৰনৰ ৰূপত গ্ৰহণ কৰি লৈ নিজে অশুদ্ধতাৰ কবলত পৰাটো সহজতৰ হৈ উঠে। সাধাৰণতে এনে প্ৰক্ৰিয়াৰে ভূজলত ঘটা আইৰণৰ আধিক্য (> ০.৩ মিলিগ্ৰাম/ লিটাৰ) ই পানীত এটি অবাঞ্ছিত গন্ধ বিলোৱাৰ উপৰিও অঞ্চলবিশেষৰ লোকক পেটৰ অসুখৰ সন্মুখীন কৰোৱাৰ লগতে দাঁতৰ গুৰিত ক'লা দাগ পেলায়। তেনেকৈ ফ্লোৰাইডৰ মাত্ৰা ১.৫ মিলিগ্ৰাম/লিটাৰৰ বেছি থকা পানী দীৰ্ঘদিনলৈ সেৱন কৰি থাকিলে জনসাধাৰণৰ দাঁত আৰু হাড়ৰ ফ্লোৰ'ছিছ ঘটাই ব্যাপক দুৰ্ভোগ ভোগাব পাৰে। কোৱা বাহুল্য, ভূজলত ঘটা ফ্লোৰাইডৰ আধিক্যই আমাৰ ৰাজ্যৰ কাৰ্বি আংলং জিলাৰ বিস্তৃত এলেকাৰ উপৰিও সীমামূৰীয়া নগাঁও জিলাৰ অংশবিশেষৰ জনসাধাৰণক ফ্লোৰ'ছিছত ভোগাই বহু লোককে যে অকাল বাৰ্ধক্যৰ গৰাহলৈ ঠেলিব ধৰিছে সেই কথা এতিয়া বহলোৱাৰ প্ৰয়োজন নাই। একেদৰে, অসমৰ ভূজলত উচ্চ মাত্ৰাৰ (৫.৭ মিলিগ্ৰাম/লিটাৰ)লৈ তথাকথিত লেহেমীয়া বিহ আৰ্ছেনিকৰ উপস্থিতি সাব্যস্ত কৰাৰ বাতৰিয়েও সকলোকে শংকিত কৰিছে। এইবিধ ক্ষতিকাৰক উপাদানৰ পানীত গ্ৰহণীয় মাত্ৰা কেৱল ০.০১ মিলিগ্ৰাম/লিটাৰহে। গতিকে অসমৰ

*অৰ্পণ দত্ত অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত ভূ-বিজ্ঞানী আৰু বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধ লিখক

পানীত পোৱা ইমান উচ্চ নিৰিখৰ আৰ্ছেনিকৰ উপস্থিতিৰ প্ৰতি স্বাভাৱিকতে জনসাধাৰণ চিন্তিত হোৱাৰ যুক্তি আছে। উল্লেখ নকৰিলেও হয় যে আৰ্ছেনিক-সমৃদ্ধ ভূজল সেৱনৰ ফলত আমাৰ চুবুৰীয়া দেশ বাংলাদেশ আৰু তেনেকৈ প্ৰতিবেশী ৰাজ্য পশ্চিমবংগৰ বৃহৎ অঞ্চল সামৰি যোৱা কেইবছৰমানৰ আগলৈ ব্যাপক হাৰত হোৱা আৰ্ছেনিক'ছিছ ৰোগে যি শাৰীৰিক তথা সামাজিক সমস্যাৰ সৃষ্টি কৰিছিল সেয়া অনুধাৱন কৰিলে সঁচাই বিস্মিত নহৈ নোৱাৰি। পিছে সেই পানীৰ পৰা আৰ্ছেনিক দূৰীকৰণৰ আধুনিক প্ৰযুক্তি প্ৰয়োগৰ জৰিয়তে সম্প্ৰতি বহুখিনি সমস্যা দূৰ কৰাটো সম্ভৱ হোৱাত ভুক্তভোগীয়ে কিছু সকাহ লাভ কৰিব পাৰিছে। সেয়েহে সৰ্বাধিক আৰ্ছেনিক পোৱা তিতাবৰ অঞ্চলৰ ভূজলৰ পৰা আৰ্ছেনিক আঁতৰোৱাৰ প্ৰয়াস আৰু উচ্চ মাত্ৰাত আৰ্ছেনিক পোৱা নলী নাদৰ পানী ত্যাগ কৰিবলৈ লোৱাত বিপদৰ আশংকা ভালেখিনি কমি যাব বুলি আশা কৰিব পাৰি।

প্ৰণিধানযোগ্য, ভূজলত পোৱা ফ্লোৰাইড আৰু আৰ্ছেনিক প্ৰাকৃতিক-ভাৱেই প্ৰোথিত। কিন্তু ইয়াৰ বিপৰীতে প্ৰধানকৈ জনসাধাৰণৰ অমনোযোগিতাৰ বাবে সহজভাৱে বিসৰ্জন দিয়া মল-মূত্ৰস্থলীৰ কাষতে কৰা ভূজলৰ আহৰণৰ ফলত, অৰ্থাৎ কৃত্ৰিমভাৱে ভূজলত নাইট্ৰেটৰ আধিক্য (> ৪৫ মিলিগ্ৰাম/লিটাৰ)ৰ হেতুকে গৰ্ভৱতী মহিলাই নীলা শিশু (blue child) প্ৰসৱ কৰাৰ দৰে ঘটনা ঘটাটো সম্ভৱ হৈ উঠে। আমাৰ দেশৰ বিহাৰ আৰু উত্তৰ প্ৰদেশৰ অঞ্চলবিশেষত তেনে শিশু প্ৰসৱৰ বতৰা ইতিমধ্যে প্ৰকাশ পাইছেই। সেই একেদৰে উদ্যোগ বিশেষৰ দাঁতিকাষৰীয়া ঠাইত অনিয়ন্ত্ৰিত ৰূপত গোট খোৱা উদ্যোগবৰ্জিত দ্ৰব্য আৰু কীটনাশকৰ অৱশেষে ঠাইবিশেষত মাজে-সময়ে সমস্যাৰ সৃষ্টি কৰাৰ বতৰা পোৱা যায়। এনে কাৰণতে আজিৰ পৰা এটা দশকৰ পূৰ্বে দাক্ষিণাত্যত প্ৰস্তুত কৰা দুটা ব্ৰেণ্ডৰ শীতল পানীয়ৰ বটলত উচ্চ মাত্ৰাত কীটনাশক পোৱাৰ বতৰাই সকলোকে স্তম্ভিত কৰি তুলিছিল। সেই শংকা যে এতিয়া শেষ হৈছে তাক এতিয়াও ন-দি কোৱা টান। কীটনাশকৰ দৰেই উদ্যোগবৰ্জিত কেড্‌মিয়াম, সীহ, পাৰা আদিৰ অৱশেষেও ভূজলক প্ৰদূষিত কৰি আঞ্চলিকভিত্তিত ব্যাপক শাৰীৰিক সমস্যাৰ সৃষ্টি কৰাটো সম্ভৱ।

**মীনক্ষেত্ৰত ভূজলৰ প্ৰভাৱ ঃ**

কোনো কোনো সময়ত, বিশেষকৈ পাহাৰীয়া ঠাইত ভূজলে মীনক্ষেত্ৰৰ পৰিৱেশ ৰচনাত ইতিবাচক ভূমিকা গ্ৰহণ কৰে। ঘাইকৈ শিলাস্তৰত গঢ় লোৱা অৱতলীয় গঠনে ভূজল অৱস্থানৰ অনুকূল পৰিৱেশ গঠনৰ সূচনা কৰে। তেতিয়া হ্ৰদৰ ৰূপ ধৰা সজ্জাটোত গোট খোৱা ভূজলে মীন পালনৰ সুবিধা কৰি দিয়ে। মন কৰিব লগা যে এনে হ্ৰদৰ পানীভাগ মুখ্যতঃ ভূজল হোৱাত ঋতু পৰিৱৰ্তনৰ ওপৰত ইয়াৰ ভাণ্ডাৰৰ পৰিমাণ নিৰ্ভৰশীল নোহোৱাৰ ফলত হ্ৰদৰ পানীৰ পৰিমাণৰ তাৰতম্যও তেনেদৰে নঘটে। মন কৰিবলগা এইটোও যে আমাৰ ৰাজ্যৰ বেছিভাগ ৰজাদিনীয়া বৰপুখুৰীৰ পানীও ভূজলবাহী স্তৰৰ লগত সংযোজিত হৈ থকাত বাৰিষা খৰালি পানীৰ পৰিমাণ প্ৰায় একেধৰণেই থকাত সেইবিলাকত মীনক্ষেত্ৰ গঢ়াৰ পূৰ্ণ সম্ভাৱনা আছে।

**কৃষিক্ষেত্ৰত ভূজলৰ প্ৰভাৱ ঃ**

কৃষিক্ষেত্ৰত ভূজলৰ প্ৰভাৱ বিশেষভাৱে পৰিলক্ষিত হয়। এইটো সত্য যে বছৰৰ সকলো সময়তে কৃষি সম্ভৱ কৰাৰ বাবে পথাৰত পানী যোগান অপৰিহাৰ্য। এনে কামত ভূজলৰ প্ৰয়োগ কেৱল সুবিধাজনকেই নহয়, সুচলো। কিয়নো, স্বস্থানৰ মাটিৰ তলৰ পৰাই ইয়াক আহৰণ কৰি বছৰৰ সকলো ঋতুতে খেতিত পানী যোগাৰাটো সম্ভৱ। সেয়ে হ'লেও অৱশ্যে দীৰ্ঘদিনৰ বাবে কৰা ভূজলৰ প্ৰয়োগে কৃষিভূমিত ছ'ডিয়ামৰ পৰিমাণ বৃদ্ধি কৰি অযথা কৃষি অনুপযোগী কৰাটো সম্ভৱ হ'ব পাৰে। সেয়ে তেনে মাটিত সময়ে সময়ে ছ'ডিয়াম শোষণ অনুপাত (Sodium Absorption Ratio, সংক্ষেপে SAR) নিৰ্ণয়ৰ ব্যৱস্থা কৰাটো জৰুৰী হৈ পৰে। ছ'ডিয়ামৰ দৰেই ভূজলৰ জৰিয়তে কৃষিক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলোৱা কেইবিধমান মৌল হৈছে— মলিব্‌ডেনাম, ছেলেনিয়াম, ফ্লোৰিন, লিথিয়াম আৰু বোৰণ। বিশেষকৈ বোৰণ আৰু লিথিয়ামৰ আধিক্যই টেঙাজাতীয় ফল, তামোল, দানাদাৰ শস্য, আলফা-আলফা, বীট, খাজুৰী আৰু পৰ্ণপত্ৰী ফলৰ শ্ৰীবৃদ্ধি হোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে বুলি পোহৰলৈ আহিছে।

**অন্যান্য ক্ষেত্ৰত ভূজলৰ প্ৰভাৱ ঃ**

ভূজলবাহক একোটা যদি মাটিৰ পৰা তেনেই সামান্য গভীৰতাত অৱস্থিত হয় আৰু সেই মাটিভাগ যদি পাৰগামী (permeable) হয়, তেতিয়া তেনে স্থান জলাবদ্ধ অৱস্থাৰ উদ্ভৱ হৈ ভূমিভাগ বাসস্থান বা কৃষিৰ বাবে অনুপযোগী হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। তেনেকৈ, ভূগৰ্ভৰ পৰা মাত্ৰাধিক ভূজল আহৰণৰ হেতুকে ভূমি অৱনমন ঘটাও অৱধাৰিত হৈ পৰে। তাৰ প্ৰমাণ ইতিমধ্যে বিশ্বৰ কেইবাখনো জলবহুল মহানগৰত প্ৰত্যক্ষ কৰাৰ বতৰা পোৱা গৈছে। তেনে কেইখনমান মহানগৰ হৈছে— মেক্সিকো, কালিফৰ্ণিয়া, ছাংহাই, আমাৰ দেশৰ কলিকতা ইত্যাদি। এতেকে, এনে দিশৰ বিষয়েও আমি সচকিত হোৱাৰ প্ৰাসংগিকতা আছে। ❐

উত্তম অনুশীলন

# হাজিয়া মাৰ্জিয়া— কাৰ্গিলৰ এক ৰাজনৈতিক প্ৰেৰণা

**আজৰা খাতুন***

অলপতে অনুষ্ঠিত লোকসভাৰ নিৰ্বাচনত আমেথি সমষ্টিৰ পৰা ৰাহুল গান্ধীক প্ৰত্যাহ্বান জনাই স্মৃতি ইৰাণীয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। প্ৰিয়ঙ্কা গান্ধীয়েও বিৰোধী পক্ষৰ প্ৰক্ষেপিত প্ৰধানমন্ত্ৰী প্ৰাৰ্থীগৰাকীক প্ৰত্যাহ্বান জনাই কাৰ্যতঃ প্ৰায় প্ৰতিদিনে বাতৰিৰ শিৰোনামা অধিকাৰ কৰিছিল। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়েও নিৰ্বাচন আয়োগৰ স'তে যুঁজিছিল। ঠিক তেনেকৈ জয়াললিতা জয়াৰাম, সুষমা স্বৰাজ, বৃন্দা কাৰাট, শ্বাজিয়া ইলমি, উমা ভাৰতী, মায়াৱতী আদি অনেক। তালিকাখন কিছু দীঘল আৰু আবেদনময়। এই বিখ্যাত ব্যক্তিসকলৰ তালিকাত দেশৰ অন্যান্য প্ৰান্তৰ পুৰুষ নেতাৰ দ্বাৰা অৱদমিত বহু মহিলা ৰাজনৈতিক নেত্ৰীয়ে নিজৰ নাম সন্নিৱিষ্ট কৰিছে। তেওঁলোকে জনসাধাৰণ আৰু প্ৰচাৰ মাধ্যমৰ সমৰ্থনত এটা পৰ্যায়ত তেওঁলোকৰ প্ৰতিযোগিতাৰ সংগ্ৰাম চলাই নিছে। মহানগৰসমূহৰ পৰা হাজাৰ হাজাৰ মাইল দূৰত্বত কেইবাবছৰ আগৰ পৰা, পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিৰুদ্ধে এখন নীৰৱ যুঁজ অব্যাহত আছে। এই সংগ্ৰামে প্ৰচাৰৰ দাবী কৰা নাই, কিন্তু নিজৰ মানুহৰ সমৰ্থন বিচাৰে।

উত্তৰ ভাৰতৰ ৰাজ্য জম্মু আৰু কাশ্মীৰৰ জহকালিৰ ৰাজধানী শ্ৰীনগৰৰ পৰা ২১৩ কিলোমিটাৰ দূৰত কাৰ্গিল আৰু বৰফাবৃত লাডাখ অৱস্থিত। প্ৰচাৰ মাধ্যমৰ পোহৰ নপৰা কাৰ্গিলত লোকসভাৰ নিৰ্বাচনৰ সময়ছোৱাত হঠাৎ প্ৰচাৰ মাধ্যমৰ চকু পৰিল, অৱশ্যে নিৰ্বাচনৰ পাচতেই অনুমান কৰা মতে এই উৎসাহ অদৃশ্যও হ'ল। এই পশ্চাদভূমিত নিৰ্বাচন আৰু পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা সদায়েই এটা আনটোৰ সংগী আৰু মহিলাৰ সম অধিকাৰৰ বিৰুদ্ধে অতিশয় স্পষ্টভাৱে পক্ষপাতিত্ব প্ৰদৰ্শন কৰে। এই সকলো অমান্য কৰি প্ৰশাসনত প্ৰত্যাহ্বান জনাই নিজৰ শক্তিৰ প্ৰতি আকৰ্ষণ কৰি আগবাঢ়ি অহা মহিলাসকলৰ ভিতৰত ৫১ বছৰ বয়সীয়া হাজিয়া মাৰ্জিয়াও অন্যতম। কাৰ্গিল নগৰৰ পৰা ২৫ কিলোমিটাৰ দূৰত অৱস্থিত ডুমেইল নামৰ গাঁওখনৰ বাসিন্দা এই উদ্যোগী মহিলাগৰাকীয়ে গাৰ্হস্থ্য ক্ষেত্ৰৰ পৰা ৰাজনীতিৰ জগতত যাত্ৰাৰ আৰম্ভণি কৰিলে।

১৯৯৯ চনৰ যুদ্ধৰ বাবে জনাজাত হৈ পৰা এই অঞ্চলটোৰ পঞ্চায়ত নিৰ্বাচনসমূহত মহিলাৰ বাবে আসন সংৰক্ষণ নকৰা পৰ্যন্ত পঞ্চায়ত আৰু আন স্থানীয় ৰাজনৈতিক সংগঠনত কাচিৎহে মহিলা দেখা পোৱা গৈছিল। সংৰক্ষণৰ ব্যৱস্থাক সুবিধা হিচাপে গ্ৰহণ কৰি হাজিয়াই ২০০২ চনত ডুমেইল কল'নিৰ পৰা পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰিলে। কিন্তু পৰিৱেশৰ অসমৰ্থন আৰু নিদাৰুণ মৌখিক অভিযুক্ততাই তেওঁক এই প্ৰক্ৰিয়াৰ পৰা বাহিৰত থাকিবলৈ বাধ্য কৰিলে।

কাৰ্গিলত লাডাখ স্বায়ত্বশাসিত পাৰ্বত্য উন্নয়ন পৰিষদ প্ৰৱৰ্তন কৰাৰ সময়ত ২০০৩ চনত তেওঁৰ আশাই এটা নতুন দিশ পালে। এই পাৰ্বত্য পৰিষদখন ৩০ জন কাউন্সিলৰেৰে গঠিত। ইয়াৰে ২৬ জন সংশ্লিষ্ট সমষ্টিসমূহৰ পৰা পোনপটীয়াকৈ নিৰ্বাচিত আৰু আন ৪ জনক প্ৰধান সংখ্যালঘু আৰু মহিলাৰ মাজৰ পৰা মনোনীত কৰা হয়। এই পাৰ্বত্য পৰিষদখনৰ উদ্দেশ্য হ'ল জিলা প্ৰশাসনত স্বচ্ছতা আৰু জবাবদিহিতা নিশ্চিত কৰি উন্নয়নমূলক কামৰ নিয়মানুসাৰ পৰিদৰ্শনৰ আনুষ্ঠানিক টোকা তৈয়াৰ কৰা। তৃণমূল পৰ্যায়ত কাউন্সিলাৰ আৰু ছাৰপাঞ্চে যুগুত কৰা কাৰ্য আঁচনিক বিশ্বাসত লৈ উন্নয়ন খণ্ডৰ মুখ্য কাৰ্যালয়ত মুখ্য কাৰ্যবাহী কাউন্সিলৰ আৰু কাৰ্যবাহী কাউন্সিলৰৰ উপস্থিতিত পৰ্যালোচনা কৰা হয়। পাৰ্বত্য পৰিষদৰ আৰ্হি পোনপ্ৰথম ১৯৯৫ চনত লেহ জিলাত দাৰ্জিলিং পাৰ্বত্য উন্নয়ন পৰিষদৰ আৰ্হিত গ্ৰহণ কৰা হয়। ইয়াৰ পাচত ২০০৩ চনত কাৰ্গিল জিলাত সেই অঞ্চলৰ লোকৰ বিস্তৃত উন্নয়নৰ বাবে লাডাখ স্বায়ত্তশাসিত পাৰ্বত্য উন্নয়ন পৰিষদ বাস্তৱায়িত কৰা হয়। হাজিয়াই নৱগঠিত পৰিষদখনৰ সদস্য হৈ নিজৰ অঞ্চলটোৰ উন্নয়নৰ কামত মনোনিৱেশ কৰিবলৈ এই সুবিধাটো গ্ৰহণ কৰাৰ পৰা বিৰত

নাথাকি আগবাঢ়ি আহিল, কাৰণ তেওঁ জানিছিল সমাজলৈ পৰিৱৰ্তন অনাৰ বাবে এইটো এটা সুযোগ।

"আপোনাৰ যদি ৰাজনৈতিক ক্ষমতা থাকে তেনেহ'লে আপোনাৰ সামৰ্থ্যৰ সন্দৰ্ভত কোনেও প্ৰশ্ন নকৰে আৰু ইয়াৰ বাবে বসবাসৰ বাবে সমাজখন সুন্দৰ ঠাই হৈ পৰে"— এই কথাত তেওঁ বিশ্বাস কৰে। তথাপি তেওঁৰ সংগ্ৰাম অব্যাহত আছে, কাৰণ তেওঁ অবিৰত-ভাৱে কিছুমান কাৰণ লক্ষ্য নিৰ্দ্ধাৰণ কৰি লৈছে— যিবোৰৰ যুক্তি নিৰ্ভৰ শিপা আৰু মত নাই।

হাজিয়াক দুটা অন্তৰায়ে নিৰাশ কৰিব পৰা নাছিল। ইৰাণত কেইবা বছৰো বাস কৰি ভাৰতলৈ ঘূৰি আহি নিজৰ গাঁৱৰ একমাত্ৰ প্ৰাথমিক বিদ্যালয়খনৰ জৰাজীৰ্ণ অৱস্থা দেখি তেওঁ যন্ত্ৰণা অনুভৱ কৰিছিল। সমাজৰ হিতৰ কাৰণে তেওঁৰ বৰঙণি হিচাপে নিজৰ ঘৰটোৰ তলৰ মহলাটো প্ৰাথমিক বিদ্যালয়লৈ ৰূপান্তৰিত কৰিলে আৰু ইয়াতে তেওঁ প্ৰায় ১৭ বছৰ শিক্ষাদান কৰিলে।

এয়াই সকলো নাছিল। তেওঁ নিজৰ সম্প্ৰদায়ক এই উদগনিত জড়িত কৰিবলৈ মনস্থ কৰিলে। এখন উপযুক্ত প্ৰাথমিক বিদ্যালয়ৰ বাবে এডোখৰ দখলহীন সমূহীয়া ভূমিদানৰ বাবে গাঁওবাসীক সৈমান কৰাবলৈ চেষ্টা কৰিলে। অবিৰত সংগ্ৰাম সত্বেও এই মহান কামত তেওঁক সহায় কৰিবলৈ স্থানীয় কৰ্তৃপক্ষ আৰু গাঁওবাসীক সৈমান কৰাব নোৱাৰিলে। "লা ইল্‌মি অৰ্থাৎ জ্ঞানৰ অভাৱত জনসাধাৰণে এখন বিদ্যালয় আৰু শিক্ষাৰ গুৰুত্ব বুজি পাবলৈ ব্যৰ্থ হ'ল"— তেওঁ কৈছিল। ২০০৮ চনৰ নৱেম্বৰ মাহত কাৰ্গিলৰ লাডাখ স্বায়ত্বশাসিত পাৰ্বত্য উন্নয়ন পৰিষদৰ দ্বিতীয় নিৰ্বাচনত তেওঁৰ প্ৰচেষ্টাই সুফল লাভ কৰিলে আৰু তেওঁ পৰিষদৰ ইতিহাসত প্ৰথমগৰাকী মহিলা সদস্য হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল।

"সকলো লোকৰে ৰাজনীতিত অংশগ্ৰহণ আৰু নিজৰ বিধিগত কৰ্তৃত্বৰ বিবেচনাপূৰ্ণ ব্যৱহাৰ কৰাৰ অধিকাৰ আছে। মই বস্তুবাদী মতবাদ বিশ্বাস নকৰো। মই সদায় সামাজিক কাম কৰা আৰু সম্প্ৰদায়ৰ প্ৰগতি আনিবলৈ কাম কৰাটোতহে গুৰুত্ব দিওঁ" দৃঢ় হাজিয়াৰ কণ্ঠত শক্তি আৰু বল ধ্বনিত হৈছিল।

পৰিষদৰ সদস্য হিচাপে চাৰি বছৰ কাম কৰি ক্ষমতাত থকা সময়ছোৱাত হাজিয়াই নিজৰ মূল্যবোধ সঁচা প্ৰমাণ কৰিলে। তেওঁ কয়— "দক্ষতা আৰু অৱস্থাক অনুমোদন কৰাটো উচিত নহয়। মই মোৰ কৰ্তব্যক সন্মান কৰো আৰু এজন বিষয়া হিচাপেই নহয় সচেতন নাগৰিক হিচাপেও নিজক বিবেচনা কৰোঁ।" তেওঁ কাৰ্যকালত কেইবাটাও পানীৰ লো খন্দা, পকী ফুটপাথ, বহুমুখী বিদ্যালয়ত কম্পিউটাৰ, গৱেষণাগাৰ, মহিলাৰ চাকৰিৰ সুবিধা আৰু ভালেমান মহিলা আত্মসহায়ক গোটলৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছিল। "প্ৰত্যেকজনী ছোৱালীৰে কৰ্মক্ষেত্ৰলৈ ওলাই অহা আৰু মাৰ্জিতভাৱে তথা নম্ৰতাৰে কাম কৰা আৰু উদাহৰণযোগ্য নাগৰিক হোৱাৰ অধিকাৰ আছে"— হাজিয়াই এনেদৰে কয়।

হোছেইন নামৰ এজন স্থানীয় লোকে হাজিয়াৰ বিষয়ে এনেদৰে কয়— "আমি দেখা মহিলাসকলৰ ভিতৰত তেওঁ এগৰাকী শক্তিশালী মহিলা। তেওঁ নিজৰ মতামত আগবঢ়াবলৈ অলপো সংকোচ নকৰে। বিশেষকৈ কাৰ্যালয়ত পুৰুষৰ ভিতৰত সংখ্যালঘু হৈও তেওঁৰ মত প্ৰকাশত সংকোচ নাই। তেওঁ সজোৰে সমাজৰ হিতৰ কাৰণে চিন্তা কৰে। কেনোৱে তেওঁৰ বিৰুদ্ধে মন্তব্য নকৰে— বিশেষকৈ তেওঁলোকে যেতিয়া জানিব পাৰে যে হাজিয়াই শুদ্ধ কাৰণতে থিয় দিছে আৰু যথা সময়ত কাম কৰাৰ সামৰ্থ্য তেওঁৰ আছে।"

বৰ্তমান তেওঁ কোনো ৰাজনৈতিক গোটৰ সক্ৰিয় সদস্য নহয় যদিও জনসাধাৰণৰ প্ৰয়োজনত বিশেষকৈ মহিলা আৰু শিশুৰ কাৰণে স্বেচ্ছামূলক সহায় আৰু সমৰ্থন আগবঢ়ায়। তেওঁৰ ভগ্নীৰ কাপোৰ বিক্ৰী আৰু উলৰ হাতমোজা, মোজা, মাফলাৰ আদি পৰম্পৰাগত সাজ-পোছাক বিক্ৰী কৰা ব্যৱসায়িক কামতো হাজিয়াই সহায় কৰে।

কাৰ্গিলৰ গাভৰু ছোৱালীৰ বাবে ইতিমধ্যে উৎসাহৰ কাৰণ হৈ পৰা হাজিয়াই মহিলাসকল পৰিয়াল চম্ভালা আৰু ঘৰুৱা কামৰ বাবেহে উপযুক্ত বুলি পুৰুষ আৰু মহিলাৰ মাজত থকা ভুল ধাৰণাক মিছা প্ৰমাণিত কৰিছে। তেওঁ জীৱনৰ প্ৰতি খোজত মহিলাই পুৰুষৰ সমানে কান্ধত কান্ধ মিলাই আগবাঢ়িব পাৰে আৰু কাৰ্যালয়ত পুৰুষতকৈ অধিক দক্ষ হ'ব পাৰে বুলি প্ৰমাণ কৰিছে। কাৰ্গিল সমাজৰ বাবে তেওঁ লাভ কৰা কৃতিত্ব আজিকালিৰ ৰাজনৈতিক নেতাই নিজৰ স্থান আৰু খ্যাতি ৰাজহুৱাভাৱে দাবী কৰা কাৰ্যতকৈ বেছি প্ৰশংসনীয়। ❒

উদ্ভাৱনী যাত্ৰা

# কপাহ তোলা যন্ত্ৰ

**নাটুভাই আৰ ৰাধেৰ**

গুজৰাটৰ ভালেমান ঠাইত শুষ্কভূমিত কপাহ খেতি কৰা হয়। এই কপাহ চপোৱাটো কষ্টসাধ্য। গুজৰাটৰ সুৰেন্দ্ৰ-নগৰ জিলাৰ এৰাৰাড়াৰ ৪০ বছৰীয়া শ্ৰমিক নাটুভাই-এ তেওঁৰ কামৰ পদ্ধতিৰ পৰিৱৰ্তন সাধন কৰি এই কপাহ তোলা সমস্যাৰ সমাধান কৰিব পাৰিছে। তেওঁৰ যন্ত্ৰই কেৱল কপাহ তোলাই নহয়, কপাহৰ বলবোৰৰ পৰা কপাহ পৃথক কৰিবও পাৰে। নাটুভাইৰ পৰিয়ালত আছে তেওঁৰ মাক, পত্নী আৰু দুটা ল'ৰা-ছোৱালী। ৬টা সন্তানৰ সবাতোকৈ কনিষ্ঠ নাটুভাই পৰিয়ালৰ বৰ মৰমৰ সন্তান। সৰুৰে পৰাই তেওঁ যন্ত্ৰ-পাতিৰ বিষয়ে আৰু এইবোৰৰ কাম-কাজৰ বিষয়ে জানিবলৈ অতি আগ্ৰহী আছিল আৰু এই আগ্ৰহেই তেওঁৰ বাবে কপাহ চপোৰা যন্ত্ৰ আৱিষ্কাৰৰ বাট মুকলি কৰিলে।

ভাৰতৰ আন আন ঠাইৰ দৰে নাৰোদা ৰাজপুত সমাজতো বাল্য বিবাহৰ প্ৰচলন আছে। সেয়ে পৰিয়ালৰ লোকে নাটুভাইৰো নিচেই কম বয়সতে পুষ্পাবেনৰ সৈতে বিয়া পাতি দিলে। এবছৰৰ পিছত নাটুভাইক মেহচানা জিলাৰ কাড়িৰ এখন ব'ৰ্ডিং স্কুললৈ পঢ়িবলৈ পঠিয়ালে, যিখন স্কুলত এতিয়া তেওঁৰ পুত্ৰই পঢ়ি আছে। ইতিমধ্যে তেওঁৰ ককায়েককেইজন চাকৰি পাই ঘৰৰ পৰা বাহিৰলৈ ওলাই আহিল। ডাঙৰ ককায়েকজন ঠিকাদাৰ আৰু তেওঁ আহমেদাবাদত ব্যৱসায় কৰে। তেওঁৰ পিছৰজনো শিক্ষকৰ চাকৰি পাই ডাচাদালৈ আহিল। দেউতাকৰ বাবে কৃষিকৰ্ম অকলে চলাই নিয়াটো কঠিন হৈ পৰিল আৰু নাটুভাইক কৃষিকৰ্মত সহায় কৰিবলৈ ক'লে। অতি বাধ্য পুত্ৰ নাটুভাই-এ শিক্ষা আধৰুৱাকৈ সামৰি দেউতাকৰ কামত সহায় কৰিবলৈ ল'লে। দেউতাকে বুজিছিল যে শিক্ষা কেৱল চাকৰিৰ অৰ্থেই নহয়, ই ব্যক্তিক মূল্যবোধৰো জ্ঞান দিয়ে। নাটুভাই-য়েও সেইটোকে জানিছিল। নাটুভাইৰ দেউতাক ৰাতুভাই গাঁওখনৰ এজন সন্মানীয় ব্যক্তি আছিল আৰু তেওঁৰ ১৫০ একৰতকৈও অধিক মাটি আছিল। নাটুভাইয়ে কয় যে তেওঁৰ দেউতাকক সকলোৱে ভাল পাইছিল কাৰণে শ্ৰমিকসকল তেওঁৰ অনুগত আছিল আৰু গোটেই জীৱনজুৰি তেওঁৰ কাম-কাজ কৰি দিছিল। তেওঁৰ কাৰণে আন চাকৰিতকৈ কৃষিকৰ্ম অধিক লাভজনক আৰু সেয়ে কৃষিকৰ্মক জীৱিকা হিচাপে গ্ৰহণ কৰিছিল। তেওঁৰ উপাৰ্জন পুতেকহঁতৰ চাকৰিতকৈ যথেষ্ট বেছি আছিল। দেউতাক ঢুকোৱাৰ পাচত মাটিখিনি ভাগ হয় আৰু নাটুভাইৰ ভাগত পৰে ৬০ একৰ মাটি। তেওঁ মাটিৰ ব্ৰ'কাৰ হিচাপেও কাম কৰে। খেতি চপোৱাৰ পিছত গাঁৱৰ লোকসকলে ৰাম মন্দিৰত বহি বিভিন্ন আলাপ-আলোচনাৰ লগত কৃষিৰ বিষয়েও আলোচনা কৰে আৰু নাটুভাইয়ে ইয়াত অংশগ্ৰহণ কৰে।

**কপাহ চপোৰা যন্ত্ৰৰ ইতিবৃত্ত**

সুৰেন্দ্ৰনগৰ, আহমেদাবাদ আৰু ৰাধনপুৰ জিলা গুজৰাটৰ মধ্যত অৱস্থিত আৰু এই জিলাকেইখনত কপাহেই হৈছে প্ৰধান খেতি। পানীৰ নাটনিৰ কাৰণে কপাহৰ এবিধ স্থানীয় বীজ, কল্যাণ-ভি-৭৯৭, যিটো শঙ্কৰ নামে জনাজাত— সেইবিধ কপাহৰ খেতি ব্যাপকভাৱে কৰা হয়। নাটুভাইৰ গাঁও এৰাৰাড়াতো এইবিধ কপাহৰ খেতি হয়। ৯ৰ পৰা ১০ মাহৰ ভিতৰত এই কপাহ উৎপাদনক্ষম হয়। বাৰিষাৰ সময়ত ইয়াৰ গুটি সিঁচা হয় আৰু মাৰ্চৰ পৰা এপ্ৰিলৰ ভিতৰত খেতি চপোৰা হয়। শ্ৰমিকৰ দ্বাৰা কপাহ চপোৰা হয় যদিও সকলো ঠাইতে একে সময়তে খেতি চপাবৰ হয় কাৰণে শ্ৰমিক পাবলৈ টান হয়। আনহাতে সময়ত খেতি নচপালে কপাহবোৰ বেয়া হৈ যায়। প্ৰায়েই শ্ৰমিকেও পইচা বেছি বিচাৰে। বিভিন্ন উদ্যোগো স্থাপন হোৱাত শ্ৰমিক-সকলে সেই উদ্যোগবোৰতহে কাম কৰিবলৈ বিচাৰে। ইপিনে যিহেতুকে কৃষকসকলৰ কাৰণে এইটোৱেই একমাত্ৰ উপাৰ্জনৰ পথ, সেয়ে যিকোনো প্ৰকাৰে খেতি চপাবই লাগিব। নাটুভাইৰ দেউতাকৰ ৮০ একৰ খেতিত শ্ৰমিক নিয়োজিত কৰাটো এটা সমস্যা হৈ পৰিল। সেয়ে কপাহ চপোৰা কামত তেওঁ নিজকে জড়িত কৰে। তেওঁ দেখিলে যে শ্ৰমিকসকল যথেষ্ট কৰ্মপটু যদিও আশা কৰা ধৰণে কপাহ তোলা নহয়। এইখিনিতে কপাহ চপোৰা যন্ত্ৰৰ কথাটো তেওঁৰ মনলৈ আহে। যন্ত্ৰটোৰ আৰ্হি প্ৰস্তুত কৰাৰ সময়ছোৱাতে এটা দুৰ্ঘটনাত পতিত হৈ তেওঁৰ পত্নীৰ মৃত্যু ঘটে, যিটোৱে তেওঁক গভীৰ মনোবেদনা দিয়ে। পিছলৈ পৰিয়ালৰ লোকে নাবুবেন নামৰ এগৰাকী বিধৱাক তেওঁলৈ বিয়া কৰাই আনে। নাবুবায়ে নাটুভাই আৰু কিশোৰ ধৰ্মেন্দ্ৰৰ

সম্পূৰ্ণ আদৰ-যত্ন কৰে। পিছলৈ তেওঁৰ এজনী ছোৱালী জন্ম হয়। তাইৰ নাম ৰাখে ৰবিনা। ইতিমধ্যে মনসুখ পেটেল নামৰ এজন আৱিষ্কাৰকে উদ্ভাৱন কৰা চেতক নামৰ স্বয়ংক্ৰিয় যন্ত্ৰটোৰ কথা নাটুভায়ে শুনিছিল, যিটো যন্ত্ৰই কপাহ উদ্যোগত বিপ্লৱ সৃষ্টি কৰিছিল। এইটোৱে তেওঁক বিশেষ অনুপ্ৰেৰণা যোগাইছিল। তেওঁ যন্ত্ৰটো উদ্ভাৱন কৰাৰ কাৰণে ব্যস্ত হৈ পৰিছিল আৰু প্ৰায় ১০-১২ লাখ টকা খৰচ কৰিছিল। প্ৰথম আৰ্হি যন্ত্ৰটো বিফল হোৱাৰ পিছত তেওঁৰ ঘৈণীয়েকে আৰু ধন খৰচ নকৰিবলৈ কৈছিল আৰু ল'ৰা-ছোৱালীহালৰ পঢ়া-শুনাৰ প্ৰতি মনযোগ দিবলৈ খাটনি ধৰিছিল। নাটুভাইয়ে অতীত সুঁৱৰি কয়— কেতিয়াবা ঘৰৰ পৰা ঘৰুৱা বস্তু আনোঁগে বুলি বজাৰলৈ ওলাই যায় কিন্তু ঘূৰোতে হাতত লৈ আহে লোহাৰ যন্ত্ৰপাতিৰ অংশ। এইটো বেছিদিনলৈ কিন্তু নিটিকিল। কিয়নো ইতিমধ্যে ১০ লাখৰো অধিক টকা ব্যয় হ'ল যদিও সফলতাৰ কোনো নিশ্চয়তা পোৱা নাছিল। সকলোৱে সমালোচনা কৰাত তেওঁ প্ৰায় তিনি বছৰলৈ কাম বন্ধ ৰাখিলে। ২০০৪ত 'সৃষ্টি' নামৰ এটা সংস্থাই বিত্ত যোগানৰ আশ্বাস দিয়াত তেওঁ পুনৰ উদ্যম পালে। এন আই এফ আৰু জি আই এ এন-এও মঞ্জুৰি ডেৰ লাখ টকালৈ বৃদ্ধি কৰিলে। ইয়াৰেই তেওঁ যন্ত্ৰটো উন্নত কৰি তুলিলে।

এটা যন্ত্ৰ সাজিব পৰা কাৰিকৰী অৰ্হতা নাটুভাইৰ নাছিল যদিও তেওঁ অতি দৃঢ় মনৰ আছিল আৰু কাম কৰি কাম শিকাৰ কথাটোত বিশ্বাস কৰিছিল। তেওঁৰ দৃঢ় ধাৰণা আছিল যে ইচ্ছা থাকিলে উপায় ওলায়। কেতিয়াবা তেওঁ খেতিপথাৰত ঘণ্টাৰ পিছত ঘণ্টা বহি কপাহৰ বলবোৰ ঠাৰিৰ পৰা কেনেকৈ এৰুৱাব পাৰি সেই বিষয়ে চিন্তা কৰিছিল। এটা সময়ত তেওঁৰ মনলৈ এটা স্পষ্ট ভাব আহিল আৰু তাৰে আধাৰত আৰ্হি প্ৰস্তুত কৰাত লাগিল। তেওঁ বুজিলে যে ঠাৰিৰ পৰা চিঙিবৰ কাৰণে যন্ত্ৰৰ দ্বাৰা গছজোপাত জোকাৰণিৰ সৃষ্টি কৰিব লাগিব। ইয়াৰ কাৰণে তেওঁ সা-সঁজুলি কিনি আনি ঘৰতে এটা কাৰখানা সাজি ল'লে। যিবোৰ যন্ত্ৰাংশ তেওঁৰ কাৰখানাত সাজিব নোৱাৰিছিল সেইবোৰ গুজৰাটৰ চৰকাৰী ঔদ্যোগিক কেন্দ্ৰত নিজে দিহা দি প্ৰস্তুত কৰাই আনিছিল। তেওঁ ভাবিছিল, তেওঁক এজন সহায়কাৰীৰ দৰকাৰ, যাৰ লগত বিষয়সমূহ আলোচনা কৰিব পাৰে। সেয়ে বন্ধু য়াছিন ভাইক সহযোগী কৰি ল'লে। ইয়াৰ পিছত এই যন্ত্ৰটো উন্নত কৰি প্ৰস্তুত কৰোঁতে দুবছৰ সময় লাগিল।

**কপাহ চপোৱা যন্ত্ৰ**

এই যন্ত্ৰটোৰ দ্বাৰা কপাহৰ বলবোৰ গছৰ পৰা চিঙি এটা ডাঙৰ চেম্বাৰত সংগ্ৰহ কৰা হয়। ট্ৰেক্টৰৰ ওপৰত লগাই লোৱা এই যন্ত্ৰটো হাইড্ৰ'লিক ব্যৱস্থাৰে গছৰ উচ্চতা অনুযায়ী উঠোৱা-নমোৱা কৰিব পাৰি। ট্ৰেক্টৰৰ ওপৰত লগোৱা এই যন্ত্ৰটোৰ চাৰিটা অংশ আছে— ভাইব্ৰেটৰ, কনভেয়াৰ ট্ৰে, ছাক্সন পাম্প আৰু ষ্ট'ৰেজ কেবিন। প্ৰত্যেকবাৰতে ভাইব্ৰেটৰ ডিস্ক্ ঘূৰাৰ লগে লগে গছজোপাত এটা ডাঙৰ জোকাৰণি দিয়ে ফলত কপাহৰ বলবোৰ কনভেয়াৰৰ ওপৰত পৰি যায়। কনভেয়াৰে এইবোৰক যন্ত্ৰটোৰ পিছৰ অংশলৈ লৈ যায়, য'ত ছাক্সন পাম্পৰ জৰিয়তে ওলোৱা কপাহখিনি ষ্ট'ৰেজ বক্সত জমা কৰেগৈ। কপাহৰ বলবিলাক ঘূৰি থকা চকাৰ জৰিয়তে সংগ্ৰহ কৰা হয় আৰু কপাহ গছৰ দুটা শাৰীৰ মাজেদি ট্ৰেক্টৰখন চলাই লৈ যাওঁতে সোঁৱে-বাঁৱে দুয়োফালেই কপাহ সংগ্ৰহ কৰিব পাৰি। কপাহৰ বলবোৰ ছাক্সন পাইপৰ জৰিয়তে টানি লৈ যোৱা হয়। যন্ত্ৰটোৰ কাৰ্যকাৰিতা সন্তোষজনক বুলি প্ৰমাণিত হ'ল। এই যন্ত্ৰটো ডিজেলৰ জৰিয়তে চলাব পৰা যায় আৰু এবিঘা মাটিৰ কপাহ চপাবলৈ ১ লিটাৰ ডিজেলৰ প্ৰয়োজন হয়। ট্ৰেক্টৰৰ সৈতে সংযোজিত হৈ থাকে কাৰণে অতিৰিক্ত শক্তিৰো প্ৰয়োজন নহয়।

আই আই টি, খৰগপুৰৰ কৃষি আৰু খাদ্য বিভাগে যন্ত্ৰটোৰ সন্দৰ্ভত পৰীক্ষা-নিৰীক্ষা চলাই আছে আৰু অনুমোদন প্ৰক্ৰিয়াও বৰ্তমান চলি আছে। এটা বিশেষ সংস্থাই জানিবলৈ দিছে যে সাধাৰণতে উপলব্ধ যন্ত্ৰৰ তুলনাত নাটুভাইয়ে উদ্ভাৱন কৰা যন্ত্ৰটো পৃথক আৰু উন্নত, যিটো স্থানীয় পৰিৱেশৰ অনুকূল। এন আই এফ-এ নাটুভাইৰ নামত পেটেণ্টৰ কাৰণে আবেদন কৰিছে। তুলনামূলকভাৱে এই যন্ত্ৰটো কম মূল্যৰ। নাটুভাইয়ে কয়— ৪০ টকাৰ এক লিটাৰ ডিজেলেৰে তেওঁ এঘণ্টাত ৩ বিঘা মাটিৰ কপাহ চপাব পাৰে অৰ্থাৎ প্ৰায় ৬০০ কিলোগ্ৰাম কপাহ— যিটো শ্ৰমিকে চপালে এদিনত হয় মাত্ৰ ১০০ কিলোগ্ৰাম আৰু খৰচ হয় প্ৰতি ২০ কিলোগ্ৰামত ৩০-৪০ টকা। সেয়ে এই যন্ত্ৰৰ প্ৰয়োগে পইচা আৰু সময় দুয়োটা ৰাহি কৰে। ৬০-৭০ হাজাৰ টকা খৰচ কৰি এই যন্ত্ৰটো ট্ৰেক্টৰত লগাই ল'ব পৰা যায়। ধনী কৃষকে নিজেই কিনি ল'ব পাৰে আৰু আনসকলে একেলগে মিলি বা ভাড়ালৈ আনিও ব্যৱহাৰ কৰিব পাৰে। যন্ত্ৰটোৰ সামান্য পৰিৱৰ্তন ঘটাই ইয়াক বিট কপাহ চপোৱা যন্ত্ৰৰ ৰূপ দিয়াৰ কথাও নাটুভায়ে চিন্তা কৰি আছে।

**সমৰ্থন আৰু স্বীকৃতি**

নাটুভাই আৰু তেওঁ উদ্ভাৱন কৰা যন্ত্ৰৰ বিষয়টো প্ৰচাৰ মাধ্যম, চৰকাৰী বিষয়া আৰু জনসাধাৰণৰ মাজতো আলোচিত হ'ল। ২০০৫ চনত উত্তৰ গুৱাহাটী নাৰোডা

**(৬৬ পৃষ্ঠাত চাওক)**

# শিশুৰ নৈতিকতা গঠনত পৰিয়াল আৰু শিক্ষাৰ ভূমিকা

**অৰুণিমা বৰা***

সুন্দৰ আচৰণ, প্ৰতিটো শুদ্ধতাৰ প্ৰতি অনুৰাগী, আদৰ্শৰ অনুগামী, এনেবোৰ সুস্থ মানসিক প্ৰকৃতিকে নৈতিকতা বুলি ক'ব পাৰি। প্ৰকৃততে এটি নৱজাত শিশুৱে নৈতিকতা অথবা অনৈতিকতা কোনো আচৰণেই লগত লৈ নাহে। বিকাশ কালত দৈহিকভাৱে পোৱা সুখ-দুখদায়ক, বিভিন্ন অভিজ্ঞতাৰ পৰিণতিত লাভ কৰা ভাল-বেয়া, আনন্দ-বেজাৰ, শুদ্ধ-অশুদ্ধৰ চেতনা-বোধক শিশুৰ নৈতিক চেতনা লাভৰ উৎস বুলি ভাবিব পাৰি। সমনীয়াই কান্দিলে নিজেও কন্দা, পৰাধৰা কৰি নিজে পোৱা বেদনা আনেও পোৱা বুলি ভাবি লোৱা স্বভাৱ শিশুৰ মাজত দেখা পোৱা যায়। এনে বিভিন্ন পৰিস্থিতিত ভিন্ন অনুভূতি অভিজ্ঞতাৰে লাহে লাহে আগবাঢ়ি আহি ক্ৰমে লোক আৰু সমাজৰ সংস্পৰ্শৰ মাজেৰে নৈতিক চেতনা লাভ কৰিবলৈ সক্ষম হয়। এই চেতনাক ছন্দ দিয়াৰ মূলতেই আছে অভ্যাস গঠন, অনুশীলন আৰু যিকোনো পৰিস্থিতিতে শুদ্ধ প্ৰয়োগকৰণৰ যোগে বিকাশৰ ব্যৱস্থা, প্ৰতিটো ক্ৰিয়া, পাই অহা জীৱনৰ মান আৰু অভ্যাসৰ পৰিণতি অনুসাৰেহে শিশুৰ মনত চেতনাবোধ জাগি উঠে। এই ক্ষেত্ৰত আহি পৰা সামাজিকীকৰণৰ ভূমিকাত কৰ্তৃত্বশীল আৰু অনুকৰণীয় ব্যক্তি হিচাপে শিশুৱে পোনেই মাক-দেউতাক আৰু পৰিয়ালৰ লোকৰ আচৰণসমূহকে নৈতিকতাৰ মানস্বৰূপে গ্ৰহণ কৰে। সেয়ে এই পৰিৱেশৰ মুখ্য ভূমিকাত অৱতীৰ্ণ হয় শিশুটোৰ মাক-দেউতাক আৰু বিকাশৰ প্ৰথম চ'ৰা হ'ল জন্মলাভ কৰা ঘৰখন, চৌপাশে থকা সামাজিক পৰিৱেশ। এতেকে মাক-দেউতাক, পৰিয়ালেই এটি শিশুৰ নৈতিক ভাবক প্ৰথমে জীপাল কৰে।

নিৰ্ভৰশীল সুস্থিৰ সুৰক্ষিত পৰিৱেশে শিশুক বিশ্বাসী, ধৈৰ্যশীল, উৎসাহী হ'বলৈ শিকায়। সন্তোষজনক মৰম-চেনেহৰ মাজত ডাঙৰ-দীঘল হোৱা শিশুৱে সকলো গ্ৰহণযোগ্য আচৰণ প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। আনুগত্যশীল পৰিৱেশত শিশুৱে সন্মান আৰু ভক্তিৰ মোল বুজে আৰু সকলোৰে প্ৰতি বন্ধুভাৱাপন্ন হয়। সেয়ে এটি শিশুৰ নৈতিক প্ৰমূল্যৰ আদিপাঠ তাৰ পৰিয়াল আৰু সমগ্ৰ পৰিৱেশটোৰ সকলো ব্যক্তি। বংশগতিৰ অসুস্থ প্ৰভাৱসমূহো অনুকূল পৰিৱেশ পালে সুস্থ ৰূপত গঢ় লৈ উঠে। প্ৰতিটো শিশু তাৰ মাকৰ ওপৰত দৈহিক-মানসিক আটাইবোৰ প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত অধিক নিৰ্ভৰশীল। এনে অৱস্থাত সি পোৱা ইতিবাচক প্ৰতিক্ৰিয়াসমূহৰ জৰিয়তেও মানৱীয় অনুভূতিবোৰৰ বিকাশ সম্ভৱ হৈ পৰে। সাধাৰণতে শিশুবোৰে মাক-দেউতাকৰ কৰ্তৃত্ব মানি চলে, সেয়ে মাকৰ হাক-বচন, উচিত-অনুচিত, মৃদু শাস্তি আদি সমূহৰ মাজত নৈতিক-অনৈতিক বিচাৰ কৰিব পৰা হয়। সেই অৱস্থাত এনে উপযুক্ত পৰিৱেশ ৰচনা কৰি শিশুৰ সহজাত প্ৰবৃত্তিসমূহৰ উচ্চমান বিশিষ্টৰূপে নৈতিক চৰিত্ৰ গঠনত সহায় কৰিব পাৰি। খেলা-ধূলা, ছবি আঁকা, নাচ-গান, অন্যান্য সৃজনী প্ৰতিভা, সামাজিক, সাংস্কৃতিক বিচাৰ-বুদ্ধিৰ বিকাশ ঘটাই, নতুন সৃষ্টিৰ পূৰ্থঠ আৰু দৃঢ় অভিব্যক্তিৰ প্ৰেৰণা যোগাই শিশুৰ বাহ্যিক আৰু আভ্যন্তৰীণ ক্ষমতা বিকাশৰ পথ সুচল কৰিব পৰা যায়।

প্ৰয়োজনীয় আৰু বঞ্চিত ক্ৰিয়া আচৰণৰ অনুশীলন, অভ্যাস গঠনৰ দৰে শিশু চৰিত্ৰত লাভ কৰা প্ৰতিভাক যত্ন সহকাৰে গঢ় দিয়াৰ ক্ষেত্ৰত পিতৃ-মাতৃসকল সদায় সজাগ থাকি উপযুক্ত পৰিৱেশ দিয়াটো বাঞ্চনীয়। যি কোনো ভাল-বেয়া আচৰণৰ পৰিণতিত আহি পৰা মৃদু শাস্তি অথবা পুৰস্কাৰৰ ভূমিকা শিশুৰ নৈতিক চেতনা লাভৰ আন এটা উপাদান। ইয়াৰ মাজেৰেই নীতি-নিয়ম সম্বন্ধে, ধৰ্মীয় চেতনা, সৌন্দৰ্য, অনুশাসন, মূল্যবোধ বিচাৰ সম্বন্ধে শিশু সচেতন হৈ উঠে। মুক্তভাৱে কৰিবলৈ দিয়া বিশ্লেষণৰ জৰিয়তে আত্মতৃপ্তি লাভ কৰে আৰু সিয়ে মানসিক আৰু বৌদ্ধিক উন্নতিত সহায় হৈ পৰেগৈ। ডাঙৰৰ বাধা প্ৰদান, নিৰ্দেশ যেনে— তালৈ নাযাবা, সেইটো বেয়া, এইটো ভাল ইত্যাদিৰ ফলতেই শিশুৰ নৈতিক চেতনাই সাৰ পাই উঠে। এনে প্ৰয়োজনীয় অনুশাসন ব্যৱস্থাৰ ফলস্বৰূপে সুস্থ-অসুস্থ পৰিৱেশ

*অৰুণিমা বৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ গৱেষিকা ছাত্ৰী

সম্বন্ধে অনুভৱ কৰিব পৰা হয়। শিশু এটিৰ সজ আচৰণ— ঐক্যভাৱ, স্বাৰ্থ ত্যাগ, সহানুভূতি, প্ৰজ্ঞা, পৰস্পৰৰ প্ৰতি উদাৰ ভাব আদি নৈতিক দিশসমূহ সুন্দৰভাৱে বিকশিত হৈ সময়ত ব্যক্তিত্বসম্পন্ন পুৰুষ-মহিলা হিচাপে গঢ় লৈ উঠাত প্ৰথমেই ঘৰ, পৰিয়াল, পৰিৱেশ, সমাজ, শিক্ষা, শিক্ষক, স্কুল পাঠ্যক্ৰম আটাইখিনিয়ে এটি অনুকূল পৰিৱেশ সৃষ্টি কৰি দিব লাগিব। সহজাত গুণসমূহ মুক্তভাৱে আয়ত্ত কৰি চৈতন্যও বিকশাই তোলাৰ দায়িত্ব উক্ত ব্যৱস্থাৰ ওপৰত ন্যস্ত থাকে।

বৰ্তমান সমাজত যিবোৰ উচ্ছৃংশলতা পৰিলক্ষিত হয় সেইবোৰ ৰোধ কৰাৰ কোনো বাট বিচাৰি নাপাই আমি হাহাকাৰ কৰোহঁক। প্ৰকৃত অৰ্থত শিশুৰ স্বভাৱজাত নৈতিক মূল্যবোধক অৱক্ষয়ৰ দিশলৈ ঠেলি দিয়াৰ বাবে দায়ী জ্যেষ্ঠসকল। আদৰ্শ, শুদ্ধ দৃষ্টিভংগীৰ স্খলন আৰম্ভ হয় পোনতে ঘৰখনতেই। কিয়নো শিশুৱে সদায় পৰিয়ালৰ লোকসকলক অনুকৰণ কৰে। মাক-দেউতাকে সদায় সঁচা কথা ক'বা, চুৰি নকৰিবা, আনক ভক্তি-সন্মান কৰিবা আদি কথাবোৰ ভাটৌৰ দৰে আয়ত্ত কৰিবলৈ শিকায়; অথচ নিজেই মিছা কথা ক'বলৈ অনুপ্ৰাণিত কৰে। বহুতে আকৌ সৰু ল'ৰা-ছোৱালীৰ সমুখতে খোজনীয়াক ধমক দি খেদে, পশু-পক্ষীক অনাহকত শাস্তি দিয়া দেখুৱায়। আনহাতে নিজৰ ল'ৰাতকৈ পিছপৰা শিশু এটিৰ উন্নতিত কৃত্ৰিম ভালপোৱা দেখুৱাই পাচত কোনো এটি খুঁত ধৰিহে সন্তুষ্টি লাভ কৰে। এচাম লোকে নিজৰ সন্তানক যিকোনো প্ৰতিযোগিতাতে নমাই দি বেলাটোতে সৃজনী প্ৰতিভাৰ ফল হকে-বিহকে লাভ কৰিবলৈ উদ্বাউল হৈ পৰে। পৰিণতিত বোজা ব'ব নোৱাৰা শিশুৱে অতি চাপত সমতা হেৰুৱাই পেলায়। অকণমান মন কৰিলেই, ইয়াৰ প্ৰমাণ পোৱা যায়।

মাক-দেউতাকৰ মৰমৰ পৰা বঞ্চিত শিশুৰ মন সদায় বিষাদগ্ৰস্ত, তাতে বহুতো পিতৃ-মাতৃ বা পৰিয়ালৰ সদস্যসকলে ছোৱালী শিশুতকৈ ল'ৰা-শিশুৰ ওপৰত গুৰুত্ব দিয়ে। খোৱা-বোৱা, প্ৰয়োজনীয় বস্তু দিয়াৰ বেলিকা ছোৱালীৰ ক্ষেত্ৰত বৈষম্য দেখা যায়। প্ৰায়বোৰ পৰিয়ালতে ছোৱালীক ল'ৰাবোৰৰ আলপৈচান ধৰিবলৈ বাধ্য কৰোৱা হয়। পঢ়া-শুনাৰ ক্ষেত্ৰতো একেই ভাব। অভিভাৱকৰ এনে নিৰ্দয় পক্ষপাতে ভাই-ভনীৰ মাজত মৰম-আদৰ, মিলা-প্ৰীতিৰ দিশত বিভেদ আনে। এনে মাক-দেউতাকৰ বিচ্ছেদে শিশুক অপৰাধ জগতৰ বাট দেখুৱায়। বহু পৰিয়ালত অভিভাৱকে শিশুক দেখুৱাই ধূমপান কৰা, মাদক দ্ৰব্য খোৱা অথবা ল'ৰা-ছোৱালীৰ হাতেৰে তেনে বস্তু অনোৱা আদি অপকৰ্ম কৰি থাকে।

পিতৃ-মাতৃৰ অজ্ঞতায়ো শিশুৰ কৌতুহলী প্ৰতিভা অকালতে শেষ কৰে। প্ৰশ্ন কৰি থকা শিশুক সন্তুষ্ট কৰিব নোৱাৰি 'কিমান সোধা' বুলি দাবী-ধমকিৰে মুখ বন্ধ কৰি থয়। এনে কাৰ্য শিশুৰ মানসিক উন্নতিৰ অন্তৰায় হয়।

সমাজৰ এক শ্ৰেণীৰ লোকে দৰিদ্ৰতাৰ সুযোগ লৈ বহু শিশুৰ ওপৰত দমনমূলক নীতি চলাই থাকে। হোটেল, ঘৰ, ভাটা, কাৰখানা আদিত বনকৰা শিশুক হেয়জ্ঞান কৰি কামৰ অধিক বোজা জাপি দিয়ে। হোটেলত চাহ যোগোৱা শিশুটিক কোনো লোকেই মৰমেৰে নামাতে, আনকি ঘৰত বনকৰা ল'ৰা-ছোৱালীকো পেট ভৰাই খাবলৈ অথবা ঘৰৰ সদস্যই খোৱা ভাল খাদ্যৰ ভাগ নিদিয়ে। মানুহৰ হেয় হোৱা এনে শিশুৱেই ভৱিষ্যতে অনৈতিক কাৰ্য কৰিবলৈ বাধ্য হয়। কোনো সতীয়া মাতৃয়ে আকৌ নিজৰ সন্তানক বেছি গুৰুত্ব দি সতীয়া সন্তানক প্ৰাপ্যৰ পৰা বঞ্চিত কৰা কাৰ্যই সমাজত অপৰাধীৰ সংখ্যা বঢ়াই তোলে।

ল'ৰা-ছোৱালীক বাহিৰলৈ আনি সমাজ, দেশাচাৰ, সংস্কৃতি আদিৰ সৈতে সৰুৰে পৰা চিনাকি কৰালেহে সেই সমূহৰ প্ৰতি সিহঁত শ্ৰদ্ধাশীল হয়, কিন্তু বহু অভিভাৱকে ভাল পৰিৱেশৰ নামত নিজৰ ল'ৰা-ছোৱালীবোৰক ঘৰৰ ভিতৰতে আৱদ্ধ কৰি ৰাখিব খোজে। ব্যক্তিত্ব বিকাশৰ কোনো সুযোগেই সিহঁতে গ্ৰহণ কৰিব নোৱাৰা হৈ পৰে।

আজিকালি বিত্তবান লোকে নিজৰ সন্তানক অপৰ্যাপ্ত সুবিধা দি সমাজত বিসংগতিৰ সৃষ্টি কৰিছে। সৰু কালৰ পৰাই মটৰ, মটৰ চাইকেল আদি দি সন্তুষ্টি লাভ কৰাৰ পৰিণতিত আৰ্থিকভাৱে দুৰ্বল সমনীয়াৰ লগত মিলা-প্ৰীতিৰ দূৰত্ব কমাই আনিছে, অপৈণত চালনাত দুৰ্ঘটনাৰ সংখ্যা বঢ়াইছে। প্ৰয়োজনতকৈ অধিক অৰ্থ যোগানে কোমল মনক বিকাৰগ্ৰস্ত কৰি অপ-সংস্কৃতিৰ দুৱাৰহে মুকলি কৰিছে।

শিশুসকলৰ স্বাভাৱিক বুদ্ধি বৃত্তিসমূহ উপযুক্তভাৱে বিকাশমুখী হোৱাৰ ক্ষেত্ৰত বিদ্যালয়ৰ ভূমিকাও গুৰুত্বপূৰ্ণ। প্ৰাথমিক স্তৰৰ পৰাই কোমল মনৰ শিশুসকলক বিজ্ঞানসন্মতভাৱে শিক্ষা দিয়াৰ যথেষ্ট আৱশ্যকতা আছে। ইয়াৰ বাবে শিক্ষকসকলৰ দায়িত্ব, কৰ্তব্য অধিক। প্ৰকৃত শিক্ষকজনে শিক্ষাদান দিবলৈ যাওঁতে প্ৰথমে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পৰাটোৱে আচল কথা। ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা আৰু শাৰীৰিক-মানসিক অৱস্থা, পৰিৱেশ অথবা বংশগতি, অংগখুঁত— এই সকলো দিশৰ প্ৰতি চকু ৰাখি শিক্ষা

দিব পৰাটোহে প্ৰকৃত শিক্ষকৰ কৰ্তব্য। সকলো বিষয়তে শিক্ষকজনৰ ব্যুৎপত্তি থকাটোও বাঞ্চনীয়।

শিশুক আকৃষ্ট কৰিব পৰা, নিৰাপত্তা অনুভৱ কৰিব পৰাকৈ এখন বিদ্যালয়ৰ সৰ্বদিশৰ উৎকৃষ্টতা বৰ্তমান শিক্ষকৰ ওপৰতেই ন্যস্ত। ভাল লগা শিক্ষকৰ আচৰণে ছাত্ৰক গঠনমূলক ক্ৰিয়া-কলাপৰ প্ৰতি অনুপ্ৰেৰণা যোগায়। গ্ৰহণযোগ্য সকলো কথাই শিক্ষকৰ পৰা আহৰণ কৰি মুক্তভাৱে সকলো সমস্যা ব্যক্ত কৰিব পৰা হয়।

বৰ্তমান চৰকাৰে শিক্ষাৰ বাবে বহু আঁচনি প্ৰস্তুত কৰি উন্নত মানৰ শিক্ষাৰ ব্যৱস্থা কৰিছে। ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিবৰ বাবে দক্ষতাৰ ভিত্তিত শিক্ষক নিযুক্ত দি উন্নত মানৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। স্কুলঘৰ নিৰ্মাণ, পাঠ্যপুথি, সা-সৰঞ্জাম, ভোজন, সমবেশ আদি বিভিন্ন দিশৰ উন্নতিৰ বাবে যথেষ্ট ধন আগবঢ়াইছে। সুপৰিকল্পিতভাৱে শিক্ষাক আগবঢ়াই নিবলৈ সমাজ জড়িতকৰণ বাধ্যতামূলক কৰা হৈছে। মানৱতাৰ গুণসমূহ সকলো পৰ্যায়ৰ লোকে আয়ত্ত কৰি নিজৰ নিজৰ সেৱা নিষ্ঠাৰে আগবঢ়াই গ'লে সমাজত গুণী-জ্ঞানী ব্যক্তিৰ সংখ্যা নিশ্চয় বাঢ়িব। ❐

---

**(৩৪ পৃষ্ঠাৰ পৰা)**

উন্নয়ন সম্ভৱপৰ হ'ব। উৎপাদনী বিকাশ আৰু চহৰ উন্নয়ন শক্তিশালী কৰি তুলিব লাগিব যাতে বাণিজ্যিক আৰু পৰিৱেশ সংৰক্ষণৰ বিষয়ত দেশৰ সৰ্বাত্মক প্ৰচেষ্টা প্ৰতিফলিত হয়। বিশেষ অৰ্থনৈতিক মণ্ডল আৰু ঔদ্যোগিক খণ্ডৰ উন্নয়নৰ লগতে উদ্যোগ আৰু চহৰ উন্নয়নৰ ক্ষেত্ৰত সুদক্ষ ব্যৱস্থাপনাৰ প্ৰয়োজন হ'ব। উৎপাদনী খণ্ডত নতুন বিনিয়োগ বৃদ্ধিৰ উদ্দেশ্যে এবছৰৰ আগতে ঘোষণা কৰা কৰ উদগনি আঁচনিও আগবঢ়াইছে। বিদ্যুৎ খণ্ডটোৰ কাৰণেও কৰৰ ক্ষেত্ৰত উদগনি দিছে।

বাজেটত আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ৰাজহুৱা-অনাচৰকাৰী খণ্ডৰ সহযোগিতাত গুৰুত্ব দিয়া হৈছে। মূল কথা হৈছে— এই সকলোবোৰৰ সক্ষম আৰু সুস্থ পৰিচালনা।

**বিনিয়োগৰ প্ৰবাহ বৰ্তাই ৰখাৰ সমস্যা**

এই বাজেটৰ পূৰ্বৰ বাজেটতো কৃষি আৰু আন্তঃগাঁথনিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। তদুপৰি সামগ্ৰিক বিকাশ, দৰিদ্ৰতা নিবাৰণ, খাদ্য সুৰক্ষা, কৃষকক যথোচিত লাভ প্ৰদান, উৎপাদন বৃদ্ধি আদিও কেতবোৰ গুৰুত্বপূৰ্ণ লক্ষ্য আছিল। বিগত বছৰকেইটাত উৎপাদনী খণ্ডত জিডিপি-ৰ ১৭ শতাংশৰ পৰা ২৫ শতাংশলৈ বৃদ্ধি কৰি আৰু ১০ কোটি কৰ্মসংস্থান সৃষ্টি কৰি বিপ্লৱৰ সূচনা কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। একাদশ আৰু দ্বাদশ পৰিকল্পনাত বিনিয়োগ বৃদ্ধিৰ কাৰণে আন্তঃগাঁথনিৰ উন্নয়নক অগ্ৰাধিকাৰ দিয়া হৈছিল যদিও আশানুৰূপ সুফল লাভ হোৱা নাই। এই ক্ষেত্ৰত ভূমি অধিগ্ৰহণ, পৰিৱেশ সুৰক্ষা নিশ্চয়তা আৰু দুৰ্নীতি প্ৰধান অন্তৰায়। তদুপৰি কেতবোৰ বিষয়ত ৰাজনৈতিক সহমত গঠন কৰাটোও এটা জটিল সমস্যা। দ্বাদশ পৰিকল্পনাত তিনিটা বিকল্প পথ প্ৰদৰ্শন কৰা হৈছে ঃ উচ্চ হাৰৰ বিকাশৰ ধাৰাবাহিকতা ৰক্ষা, মধ্যম হাৰৰ বিকাশ আৰু আনটো হৈছে বাৰ্ষিক আৰ্থিক বিকাশ প্ৰায় ৫ শতাংশত ৰখা। সঠিক আনুষ্ঠানিক প্ৰক্ৰিয়া আৰু দক্ষ পৰিচালনাৰ প্ৰয়োজন ভাৰসাম্যহীনতা দূৰ কৰা আৰু বিনিয়োগৰ সক্ৰিয়তা বৃদ্ধি কৰাৰ কাৰণে। বিনিয়োগৰ ক্ষেত্ৰৰ আঁসোৱাহবোৰ দূৰ কৰাৰ এটা ব্যৱস্থাৰ বাবে বাজেটত প্ৰস্তাৱ কৰা হৈছে। বিনিয়োগত অসমতা, আঞ্চলিক বৈষম্য আদি ৰাজনৈতিকভাৱে সমাধান কৰিব লাগিব। মাটি, পানী আৰু বিশুদ্ধ বায়ুৰ বৰ্দ্ধিত চাহিদাৰ জোৰা মাৰিবলৈ ক্ষিপ্ৰ ব্যৱস্থাৰ প্ৰয়োজন। চৰকাৰী ব্যয়ৰ পৰিসৰ বৃদ্ধি কৰিলে নতুন বিনিয়োগৰ পৰিৱেশো উন্নত হ'ব। এই স্থিতিত উপনীত হোৱালৈকে বৰ্তমান চলিত ব্যৱস্থাৱলীৰ জৰিয়তে সকলো খণ্ডতে অনা-চৰকাৰী সম্পদৰ প্ৰয়োগ অপৰিহাৰ্য হ'ব। বিশেষকৈ অনা-চৰকাৰী খণ্ডৰ বিনিয়োগ বৃদ্ধিৰে উচ্চ হাৰৰ বিকাশৰ ধাৰাবাহিকতা ৰক্ষাৰ কাৰণে অতিকৈ প্ৰয়োজন হৈছে নীতিসমূহৰ সুসমন্বিত আৰু সুদক্ষ ৰূপায়ণ আৰু বিকাশৰ অৰ্থে পূৰ্বতকৈও অধিক প্ৰয়োজন হৈছে বিধিজাত আৰু প্ৰশাসনিক দৃঢ় পদক্ষেপ। ❐

# উদ্যান শস্যৰ উন্নয়ন আৰু স্ব-নিয়োজন

অঞ্জন বৰা*

পৰিসংখ্যা মতে বৰ্তমান অসমত প্ৰায় ২০ লক্ষ নিবনুৱা আছে। ইয়াৰ বাহিৰেও অপঞ্জীয়নভুক্ত আৰু কিছুসংখ্যক নিবনুৱা আছে। গাঁৱৰ অৰ্ধশিক্ষিত আৰু অশিক্ষিত নিবনুৱাৰ সংখ্যা হিচাপ কৰিলে এই সংখ্যা হয়তো আৰু কেবালক্ষ বৃদ্ধি পাব। সম্প্ৰতি চৰকাৰী চাকৰিৰ ক্ষেত্ৰখন অতি সীমিত তথা সংকুচিত হৈ অহাৰ ফলত এই বৰ্দ্ধিত হাৰত বাঢ়ি অহা সকলো শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে চৰকাৰী-ভাৱে সংস্থাপন পোৱাটো সম্ভৱ নহয়। আকৌ ইয়াৰ সমান্তৰালভাৱে উপাৰ্জনৰ ক্ষেত্ৰ-সমূহো সংকুচিত হৈ অহাত গ্ৰামাঞ্চলৰ হাজাৰ হাজাৰ নিবনুৱা যুৱক-যুৱতী চহৰমুখী হোৱাৰ উপৰিও ভাৰতৰ আন উন্নত চহৰসমূহলৈ কৰ্মসংস্থাপনৰ বাবে ঢাপলি মেলিছে আৰু আন একাংশ যুৱক-যুৱতী বিপথগামী হোৱাৰ ফলত সমাজত উচ্ছৃঙ্খলতাই দেখা দিছে।

এনে পৰিস্থিতিত এই ভয়াবহ নিবনুৱা সমস্যা সমাধানৰ বাবে স্বনিয়োজনেই হ'ল একমাত্ৰ পথ আৰু এই স্বনিয়োজন হ'ব লাগিব উদ্যোগ আৰু কৃষিখণ্ডৰ জৰিয়তে। কিন্তু উদ্যোগৰ ক্ষেত্ৰত অসম এতিয়াও বহু পিছপৰা, তদুপৰি উদ্যোগ খণ্ডৰ যোগেদি স্ব-নিয়োজনৰ ক্ষেত্ৰত বিভিন্ন বাধা আছে যেনে মূলধন আৰু অন্যান্য আন্তঃগাঁথনি— যাতায়াত ব্যৱস্থা, বিজুলী, বজাৰ আদি। গতিকে সকলো দিশ চালি-জাৰি চালে দেখা যায় যে এই বৃহৎ সংখ্যক নিবনুৱাক কৃষিখণ্ডত নিয়োগ কৰাৰ বাহিৰে আন বিকল্প নাই। গ্ৰামাঞ্চলত বিভিন্ন কৰ্ম আঁচনিৰ দ্বাৰা কৃষিভিত্তিক উদ্যোগ স্থাপন কৰি কৰ্ম-সংস্থাপনৰ জৰিয়তে নৱ-প্ৰজন্মক কৃষি-খণ্ডলৈ আকৰ্ষিত কৰিব নোৱাৰিলে গত্যন্তৰ নাই। আকৌ এই কৃষিখণ্ডত নিবনুৱাসকলৰ স্বনিয়োজনৰ লাভজনক আৰু সম্ভাৱনাময় দিশটো হৈছে উদ্যান শস্য— যিটো খণ্ডত কৃষকসকলৰ উপৰিও লক্ষ লক্ষ নিবনুৱা যুৱক-যুৱতীক নিয়োগ কৰাৰ বিপুল সম্ভাৱনা আছে। তুলনামূলকভাৱে কৃষিখণ্ডত পথাৰ শস্যতকৈ উদ্যান শস্যই অধিক কৰ্ম-সংস্থাপনৰ সৃষ্টি কৰিব পাৰে। অৰ্থনৈতিক-ভাৱে এক হেক্টৰ মাটিৰ পৰা বৈজ্ঞানিক পদ্ধতিত খেতি কৰি ৪-৫ টন ধানৰ বিপৰীতে ৪০-৫০ টনতকৈও বেছি শাক-পাচলি বা ফল-মূল উৎপাদন কৰি বছৰেকত ১.৫-২.০ লক্ষ টকা পৰ্যন্ত উপাৰ্জন কৰিব পাৰি।

বৰ্তমান উদ্যান শস্য উৎপাদনত বিশেষকৈ দুটা মূল ক্ষেত্ৰত অসমৰ লক্ষ লক্ষ শিক্ষিত-অশিক্ষিত নিবনুৱাক নিয়োগ কৰি স্বাৱলম্বিতাৰ এক নতুন অধ্যায় গঢ়ি ৰাজ্যৰ আৰ্থিক উন্নতিৰ ভেঁটি সবল কৰিব পাৰি। ক্ষেত্ৰ দুটা হ'ল— (১) ব্যৱসায়িক ভিত্তিত উদ্যান শস্যৰ উৎপাদন আৰু (২) উৎপাদিত উদ্যান শস্যৰ উদ্বৃত্ত কেঁচা সামগ্ৰীৰে কৃষি উদ্যোগ গঢ়া। বিশেষকৈ উদ্যান শস্যৰ পামভিত্তিক কৃষি পদ্ধতিৰদ্বাৰা উৎপাদন বৃদ্ধিৰ লগতে বিপণন প্ৰক্ৰিয়া সুচল কৰিব পাৰিলে স্ব-নিয়োজনৰ পথ বহু পৰিমাণে প্ৰশস্ত হ'ব। পৰ্যাপ্ত পৰিমাণে কেঁচা সামগ্ৰী উৎপাদন-ৰদ্বাৰা উদ্যান শস্যভিত্তিক উদ্যোগ স্থাপন কৰিব পাৰিলে গ্ৰাম্য অঞ্চলত যুৱক-যুৱতী-সকলৰ কৰ্ম-সংস্থাপনৰ পথ বহু পৰিমাণে সুচল হ'ব।

সাধাৰণতে উদ্যান শস্য বুলিলে ফল-মূল আৰু শাক-পাচলিকে বুজায় যদিও ফুল আৰু সৌন্দৰ্যবৰ্ধক উদ্ভিদ, আলু-জাতীয় শস্য, ঔষধি আৰু সুগন্ধিদায়ক গছ, মছলাজাতীয় আৰু বাগিচা শস্য, ফল-মূল আৰু শাক-পাচলি সংৰক্ষণ আদি বিষয়ক সামৰি ই কৃষি বিজ্ঞানৰ এটা অন্যতম শাখা। অসমৰ মাটি, জলবায়ু আৰু পৰিৱেশ বিভিন্ন উদ্যান শস্যৰ কাৰণে অনুকূল। অসম উপক্ৰান্তীয় জলবায়ুৰ দ্বাৰা প্ৰভাৱান্বিত। সেয়েহে যিবিলাক ক্ৰান্তিয় শস্যই সাধাৰণ শীত সহ্য কৰিব পাৰে আৰু যিবিলাক শীত অঞ্চলৰ শস্যৰ কাৰণে অতিমাত্ৰা শীতৰ আৱশ্যক নহয়, সেই সকলোবোৰ উদ্যান শস্যৰ খেতি অসমত অনায়াসে কৰিব পাৰি। উদ্যান শস্য সম্পৰ্কে এটা সমূহীয়া ধাৰণা সকলো অসমীয়াৰে বিদ্যমান, অসমীয়া মানুহৰ ঘৰে ঘৰে থকা বাৰীবোৰেই ইয়াৰ প্ৰমাণ। অসমত ঋতুভিত্তিক বিভিন্ন ফল-মূল, গোটেই বছৰজুৰি প্ৰায় ষাঠি বিধ শাক-পাচলি, নানা ঋতুত ফুলা অনেক বৰণৰ ফুল, আদা, জালুক, হালধি, ধনিয়া আদি নানা ধৰণৰ মছলা, আলু, কচু, কাঠ

*অঞ্জন বৰা বৰপেটাৰ হাউলীস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যান শস্য বিভাগৰ বিশেষজ্ঞ

আলু, শিমলু আলু আদি আলুজাতীয় পাচলি, বাগিচা শস্য যেনে তামোল, পাণ, নাৰিকল আদিৰ খেতি কৰা হয়। তদুপৰি অসমৰ হাবিয়ে-বননিয়ে বিভিন্ন সুগন্ধি গছ, বহুবিধ আপুৰুগীয়া ঔষধি উদ্ভিদ, বিভিন্ন বৰণীয়া ফুল স্বাভাৱিকভাৱে হৈ থকা দেখা যায়। সেই বাবে অসমত উদ্যান শস্যৰ সম্ভাৱনীয়তা অতি উজ্বল। প্ৰাকৃতিক উপাদান আৰু জৈৱ-বৈচিত্ৰ্যৰ ক্ষেত্ৰত অসম অতি চহকী। আমাৰ পূৰ্বপুৰুষসকলেও ইয়াৰ সুবিধা গ্ৰহণ কৰি বিভিন্ন উদ্যান শস্যৰ খেতিৰ জৰিয়তে অতি লাভৱান হৈছিল। বৰ্তমান প্ৰজন্মৰ এই ক্ষেত্ৰত অনীহা দেখিবলৈ পোৱা গৈছে। তেওঁলোকে অনুকূল পৰিৱেশৰ সদ্ব্যৱহাৰ কৰি উদ্যান শস্যৰ যোগেদি আত্মসংস্থাপনৰ বাট উলিয়াই ল'ব পাৰে। উদ্যান শস্যৰ খেতিৰ পৰা পোৱা উৎপাদন আন আন পথাৰ শস্যৰ খেতিৰ উৎপাদনতকৈ বহুত বেছি কাৰণে ইয়াৰ খেতি অতি লাভজনক। অসমত আজিও অনুকূল প্ৰাকৃতিক পৰিৱেশত পুৰণি পদ্ধতিৰে খেতি কৰি ঠাইবিশেষে ব্যৱসায়িক সাফল্য লাভ কৰা দেখা যায়। এই ক্ষেত্ৰত উন্নত প্ৰযুক্তি প্ৰয়োগৰদ্বাৰা অধিক সফল হ'ব পৰাৰ উপৰি বহু লোকৰ নিয়োগ সৃষ্টিৰ যথেষ্ট সম্ভাৱনা দেখা যায়। উন্নত প্ৰযুক্তি প্ৰয়োগৰদ্বাৰা উৎপাদন বৃদ্ধি হোৱাৰ ফলত উৎপাদিত সামগ্ৰীৰ সংগ্ৰহ, মজুতকৰণ, যোগান, সৰবৰাহ, বিপণন আদিৰ বাবে বহু লোকৰ প্ৰয়োজন হ'ব আৰু ইয়াৰ দ্বাৰা বিভিন্ন ধৰণৰ সংস্থাপনৰ পথ মুকলি হ'ব। ইয়াৰ লগে লগে সমান্তৰালভাৱে শস্য উৎপাদনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যেনে বীজ, পুলি-পোখা, বিভিন্ন সা-সঁজুলি, সাৰ, কীটনাশক দ্ৰব্য আদিৰ চাহিদা বাঢ়িব আৰু ইয়াৰদ্বাৰাও বহু লোক নিয়োজিত হ'ব পাৰিব।

বৰ্তমান সামাজিক পৰিৱৰ্তনৰ ফলত আমাৰ সমাজত কিছুমান উদ্যান শস্যৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। এই চাহিদা আন ৰাজ্যৰ পৰা আমদানিকৃত সামগ্ৰীৰে পূৰাব লগা হৈছে। উদাহৰণ হিচাপে ফুল আৰু ফুলজাত সামগ্ৰীৰ কথা উনুকিয়াব পাৰি। বিভিন্ন সামাজিক অনুষ্ঠান যেনে বিয়া-সবাহ, পূজা-পাৰ্বণ, সভা-সমিতি, মাংগলিক কাৰ্য আদিত ইয়াৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিছে। এই চাহিদালৈ চাই ফুল খেতিৰদ্বাৰা বহু নিবনুৱা যুৱক-যুৱতী নিয়োজিত হোৱাৰ সম্ভাৱনা দেখা যায়। তদুপৰি বিভিন্ন উদ্যোগত কেঁচা সামগ্ৰী হিচাপে আজিকালি উদ্যান শস্যৰ ব্যাপক ব্যৱহাৰ দেখিবলৈ পোৱা গৈছে। গ্ৰাম্য অঞ্চলত উদ্যোগ স্থাপন সংস্থাপনৰদ্বাৰা কৰি গাঁৱৰ যুৱক-যুৱতীসকলক নগৰমুখী প্ৰব্ৰজনৰ পৰা ওভতাই আনিব পাৰি। উদাহৰণ হিচাপে ফল-মূলৰপৰা বহুতো খাদ্য-সামগ্ৰী প্ৰস্তুত কৰা থলুৱা উদ্যোগ স্থাপন কৰিব পাৰি। এই উদ্যোগৰ জৰিয়তে বিভিন্ন পদ্ধতিৰে ফল-মূলৰ-পৰা বেলেগ বেলেগ খাদ্যদ্ৰব্য প্ৰস্তুত কৰি অৱতৰত সেইবোৰৰ সোৱাদ লোৱাৰ উপৰি অধিক দামত বিক্ৰী কৰিব পৰা যায়। ফল-মূলৰ পৰা জাম, জেলী, চৰবত, মাৰমালেদ, ফলৰ ৰস, মোৰাব্বা, চিপচ্, চাটনি, চচ্, আচাৰ আদি তৈয়াৰ কৰাৰ কাৰণে ক্ষুদ্ৰ বা বৃহৎ উদ্যোগ স্থাপন কৰিব পাৰি।

উদ্যান শস্যৰ খেতিত ইমানবোৰ সুবিধা থকা সত্বেও অসমত ইয়াক জীৱিকাৰ উপায় হিচাপে গ্ৰহণ কৰা হোৱা নাই। অসমত উদ্যান শস্য এতিয়া বাৰীভিত্তিক খেতি হৈয়ে আছে, সেয়েহে উদ্যান শস্যৰে আবৃত মাটিকালিৰ পৰিমাণ আৰু উৎপাদন আন আন ৰাজ্যৰ তুলনাত এতিয়াও কম। বৰ্তমান সময়ত সমগ্ৰ বিশ্বজুৰি উদ্যান শস্যৰ প্ৰসাৰ আৰু উন্নয়নত যথোচিত গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ভাৰতবৰ্ষৰ কেইখনো প্ৰদেশ যেনে মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটক, কেৰালা আদি ৰাজ্যই উদ্যান শস্যৰ খেতিৰ যোগেদি বৃহৎ পৰিমাণৰ ৰাজহ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। এই ৰাজ্যবোৰত উদ্যান শস্যভিত্তিক বিভিন্ন উদ্যোগো গঢ়ি উঠিছে আৰু সেইবোৰৰ যোগেদি বহুলোকৰ কৰ্ম-সংস্থাপনৰ বাট মুকলি হৈছে। অসমতো উদ্যান শস্যভিত্তিক কৃষিৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰি বিপণন ব্যৱস্থা সুচল কৰিব পাৰিলে স্বনিয়োজনৰ পথ প্ৰশস্ত হ'ব। গতিকে দেখা যায় যে অসমত স্বনিয়োজনৰ বাবে উদ্যান শস্য খণ্ডত এক বৃহৎ ক্ষেত্ৰ পৰি আছে।

উদ্যান শস্যৰ জৰিয়তে কেনেকৈ আত্মসংস্থাপনৰ পথ মুকলি কৰি অৰ্থনৈতিক স্বাৱলম্বনৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰিব পাৰি তাৰে কেইটামান উপায় উল্লেখ কৰা হ'ল—

★ ব্যৱসায়ভিত্তিত বিভিন্ন উদ্যান শস্যৰ উৎপাদন (যেনে ফল-মূল, শাক-পাচলি, ফুল, ঔষধ আৰু সুগন্ধি উদ্ভিদ, মছলাজাতীয় আৰু বাগিচা শস্য) কৰি আৰ্থিকভাৱে লাভৱান হ'ব পাৰি।

★ উদ্যান শস্যত স্ব-নিয়োজনৰ আন এক লাভজনক উপায় হ'ল নাৰ্ছাৰী ব্যৱসায়। নাৰ্ছাৰী ব্যৱসায়ৰ জৰিয়তে উন্নত মানৰ বীজ, পুলি-পোখা আদি ৰোপণ সামগ্ৰীৰ যোগান ধৰি যথেষ্ট লাভৱান হ'ব পাৰি।

★ সবল আত্মসহায়ক গোটে চৰকাৰী সাহায্যৰ জৰিয়তে 'শীত-তাপ নিয়ন্ত্ৰিত সংৰক্ষণ ভঁৰাল বা হিমঘৰ' স্থাপন কৰি উপাৰ্জনৰ বাট উলিয়াই ল'ব পাৰে।

★ কম খৰচতে প্ৰস্তুত কৰি লোৱা সেউজ গৃহত অৱতৰত শাক-পাচলিৰ খেতি কৰি অধিক দামত

বিক্ৰী কৰি আৰ্থিকভাৱে লাভৱান হ'ব পাৰি।

★ ফল-মূল আৰু শাক-পাচলি বিভিন্ন উপায়ৰে সংৰক্ষণ আৰু সংশাধন কৰি জাম্‌, জেলী, ফলৰ ৰস, চচ্‌, আচাৰ, পাপৰ, বিস্কুট, পাউদাৰ আদি প্ৰস্তুত কৰি মহিলা আত্মসহায়ক গোটে আত্মসংস্থাপনৰ বাট উলিয়াই ল'ব পাৰে।

★ বৰ্তমান অসমত ফুলৰ চাহিদালৈ চাই পুষ্প-সজ্জাকে আদি কৰি বিভিন্ন পুষ্পজাত সামগ্ৰী প্ৰস্তুত কৰি আৰ্থিকভাৱে লাভৱান হ'ব পাৰে।

★ নিবনুৱা যুৱক-যুৱতীৰে গঠিত আত্মসহায়ক গোটে কম ঠাইতে কম পৰিশ্ৰম আৰু কম মূলধন খটুৱাই খাদ্যোপযোগী কাঠফুলা উৎপাদন কৰি লাভৱান হ'ব পাৰে।

★ বিভিন্ন উদ্যান শস্যৰ উৎপাদিত সামগ্ৰীৰ বিপণনৰ জৰিয়তে পৰোক্ষ-ভাৱে হ'লেও বহুতো নিবনুৱা যুৱকে সংস্থাপন পাব পাৰে।

★ উদ্যান শস্যৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় বিভিন্ন সা-সঁজুলি, যন্ত্ৰপাতি, সাৰ, ৰাসায়নিক পদাৰ্থ আদিৰ বিপণনৰদ্বাৰাও বহু নিবনুৱা যুৱক স্বনিয়োজিত হ'ব পাৰে।

এইবিলাকৰ উপৰি উদ্যান শস্যৰ লগত জড়িত আন কিছুমান আনুষঙ্গিক উদ্যোগ যেনে— বাঁহ-বেতৰ সামগ্ৰী নিৰ্মাণ, মছলা উদ্যোগ, নাৰিকলৰ গছৰ আঁহৰ পৰা প্ৰস্তুত নানা সামগ্ৰী, চুপাৰি উদ্যোগ আদি কুটীৰ শিল্পৰ সহায়তো বিভিন্ন ধৰণৰ নিয়োগৰ সৃষ্টি কৰিব পাৰি। ❐

---

**(৬০ পৃষ্ঠাৰ পৰা)**

ৰাজপুত সমাজে তেওঁক সম্বৰ্দ্ধনা জনালে। ২০০৬ চনত জিলাখনৰ অতি প্ৰগতিমুখী কৃষক হিচাপে তেওঁ চৰ্দাৰ পেটেল কৃষি পুৰস্কাৰ লাভ কৰে। ২০০৭ চনত তেওঁৰ উদ্ভাৱনৰ কাৰণে 'সৃষ্টি' সন্মান লাভ কৰে। বাৰিষাৰ আগতে কৃষকসকল মিলিত হৈ উদযাপন কৰা 'বৈশাখ সুঠ টিজ' উৎসৱতো তেওঁ অংশগ্ৰহণ কৰে। গুজৰাটৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰতিনিধি দিলীপ চাংহানী তথা তেওঁৰ সৈতে যোৱা কেইগৰাকীমান বিজ্ঞানীৰ সৈতেও নাটুভাই আলোচনাত মিলিত হয়। যন্ত্ৰটোৰ সফল প্ৰস্তুতিত চৰকাৰী সাহায্যও প্ৰদান কৰা হ'ব বুলি তেওঁলোকে নাটুভাইক আশ্বাস প্ৰদান কৰে। ২০১২ বৰ্ষত তেওঁ ৰাষ্ট্ৰীয় ষষ্ঠ দ্বিবাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠানত ৰাষ্ট্ৰীয় উদ্ভাৱন সম্পৰ্কীয় সংস্থাৰ গুজৰাট ৰাজ্যিক বঁটা লাভ কৰে।

বিত্তীয় সংকটৰ কাৰণে নাটুভাইৰ কাম-কাজ বন্ধ হৈ পৰোতে উদ্ভাৱনী কৰ্মত উৎসাহ যোগোৱা 'সৃষ্টি' নামৰ সংস্থাটোৱে তেওঁলৈ সাহায্য আৰু সমৰ্থন আগবঢ়ায়। তদুপৰি জি আই এ এন আৰু এন আই এফ-এ কাৰিকৰীভাৱে সাহায্য আগবঢ়ায়। এই মঞ্জুৰি পোৱাৰ পাচত তেওঁ দুই তৰপীয়া হাইড্ৰ'লিক গিয়েৰ ছিষ্টেম সন্নিৱিষ্ট কৰি যন্ত্ৰটো উন্নত কৰে। কাষৰীয়া গাঁওসমূহেও তেওঁক সম্বৰ্দ্ধনা জনায় আৰু তেওঁৰ উদ্ভাৱনক স্বীকৃতি দি বঁটা বাহন আগবঢ়ায়। তেওঁৰ সমাজখনে পইচা-পাতিৰেও সহায় আগবঢ়াব খুজিছিল যদিও আত্মসন্মানবোধৰ কাৰণে তেওঁ সেই সাহায্য কোমলভাৱেই প্ৰত্যাখ্যান কৰিছিল। বহুতো লোকে তেওঁৰ যন্ত্ৰ কিনাৰ প্ৰতিও আগ্ৰহ প্ৰকাশ কৰিলে। গাঁওবাসীয়ে কয়, পইচা খৰচ হ'লেও এই যন্ত্ৰ কিনিব লাগিব। কাৰণ ইয়াৰদ্বাৰা পইচা আৰু সময় দুয়োটাই ৰাহি হ'ব। এগৰাকী বয়সীয়াল ব্যক্তিয়ে কয়, এইটো এটা অতি জটিল আৰু কৌশলপূৰ্ণ যন্ত্ৰ আৰু গোটেই অঞ্চলটোৰ ভিতৰত কেবল নাটুভাইৰহে এনে এটা যন্ত্ৰ উদ্ভাৱনৰ ক্ষমতা আছে। আন এগৰাকীয়ে কৈছে, "কষ্টৰ ফল সদায়ে মিঠা হয়। নাটুভায়ে সেই ফল পাইছে।" নাটুভাইৰ যন্ত্ৰটোৱে নিজে নিজেই বজাৰ দখল কৰিব পাৰিছে। ফাৰ্গুচন ট্ৰেক্টৰৰ ডিলাৰ প্ৰকাশভাই কে ডধিয়াই জনায় যে মানুহে যন্ত্ৰটোৰ কাৰণে ডেৰ লাখ টকা বা ততোধিক দিবলৈ প্ৰস্তুত। তেওঁ কয় যে কৃষকে যেতিয়া এটা থ্ৰেচাৰ মেচিনৰ কাৰণে এক লাখ পঁচিশ হাজাৰ টকা ব্যয় কৰিব পাৰে তেনে স্থলত এই বহুমুখী কাৰ্যকাৰিতাৰ যন্ত্ৰটোৰ কাৰণে দুই বা আঢ়ৈ লাখ টকা ব্যয় কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। কিয়নো শ্ৰমিকৰ বাবদ হ'ব লগা ব্যয় ৰাহি হ'ব কাৰণে এই ধনৰ সোনকালেই জোৰা মাৰিব পৰা যাব।

**ভৱিষ্যৎ আঁচনি**

যন্ত্ৰটোৰ সম্পূৰ্ণ আৰ্হি প্ৰস্তুত হ'লেই নাটুভায়ে তেওঁৰ গাঁৱত এটা উৎপাদনী কাৰখানা স্থাপনৰ আঁচনি লৈছে। যি হেতুকে তেওঁৰ যথেষ্ট ভূমি-সম্পত্তি আছে আৰু বিদ্যুতৰো সমস্যা নাই, তেওঁ গাঁৱতে এই কাৰখানাটো স্থাপন কৰা সুবিধাজনক হ'ব বুলি ভাবিছে। যন্ত্ৰটোত কপাহ মজুত ৰখা এডোখৰ ঠাই সংলগ্ন কৰাৰ কথা চিন্তা কৰিছে। তদুপৰি নাটুভায়ে চুম্বকৰ জৰিয়তে চলা মটৰ গাড়ী উদ্ভাৱনৰ কথাটোও চিন্তা কৰি আছে, যিটো সোনকালেই কৰিব পাৰিব বুলি প্ৰতিশ্ৰুতি দিছে। ❐

# মস্তিষ্কৰ মাৰাত্মক বেমাৰ— আলঝেইমাৰ

ড° প্ৰদীপ কুমাৰ দাস*

আলঝেইমাৰ হ'ল নিজকে পাহৰি যোৱা এবিধ মাৰাত্মক বেমাৰ। আটাইতকৈ ডাঙৰ কথাটো হ'ল এই বেমাৰৰ কোনো চিকিৎসা নাই। আলঝেইমাৰ ৰোগৰ কোনো অসমীয়া পৰিভাষা নাই। এই বেমাৰক 'চিত্তভ্ৰংশ' বুলি নাম দিব পাৰি। স্মৃতিশক্তি, বাক্‌শক্তি, চিন্তাশক্তি, বুদ্ধি-বৃত্তি আৰু মনন শক্তি লোপ পোৱাই এই বেমাৰৰ বৈশিষ্ট্য।

পুৰণি কালৰ পৰাই এই বেমাৰ মানুহৰ মাজত আছিল। কিন্তু এই বেমাৰক লৈ মানুহে মূৰ ঘমোৱা নাছিল। ১৯০৭ চনত অৰ্থাৎ বিংশ শতিকাৰ আৰম্ভণিতে জাৰ্মান চিকিৎসক Alois Alzheimerয়ে পোন প্ৰথমবাৰৰ বাবে এই বেমাৰৰ কথা উল্লেখ কৰে। প্ৰথমে তেওঁ একাৱন্ন বছৰীয়া এগৰাকী মহিলাৰ শৰীৰত এই বেমাৰৰ লক্ষণ দেখা পায়। তাৰ পাচত তেওঁ এই বেমাৰৰ কথা সদৰি কৰে। তেতিয়াৰে পৰা এই বেমাৰৰ নাম 'আলঝেইমাৰ' দিয়া হয়। অৰ্থাৎ ই হ'ল এবিধ বাৰ্ধক্যজনিত বেমাৰ। বহু চিকিৎসকে এই বেমাৰক আলঝেইমাৰ ডিমেনছিয়াও বোলে। আলঝেইমাৰ হ'ল মস্তিষ্কৰ বেমাৰ। এই বেমাৰত ভোগা ব্যক্তিসকলৰ বুদ্ধি, মেধা, চিন্তা, বিবেচনা, যুক্তি-তৰ্ক ক্ষমতা, আৱেগ-অনুভূতি লোপ পায়। সেই বাবেই এই বেমাৰক ডিমেনছিয়া অৰ্থাৎ 'চিত্তভ্ৰংশ' বেমাৰ বুলি কোৱা হয়।

দেখা যায় যে আমাৰ মস্তিষ্কৰ বিসংগতি ঘটিলেই আলঝেইমাৰ ৰোগ হ'ব পাৰে। এই বিসংগতি অৱশ্যে বয়স বঢ়াৰ লগে লগে বৃদ্ধি পায়। এই বিসংগতি পৰ্যায়ক্ৰমে দেহত দেখা দিয়ে। ৰোগৰ অন্তিম অৱস্থাত অৱশ্যে সম্পূৰ্ণৰূপে চিত্তবৃত্তি হৈ পৰে। আলঝেইমাৰ ৰোগৰ উপসৰ্গবোৰ প্ৰতিজন সচেতন ব্যক্তিয়ে জানি থোৱা দৰকাৰ।

আলঝেইমাৰ ৰোগৰ প্ৰথম উপসৰ্গ হ'ল মনত ৰখা শক্তি আৰু স্মৰণ শক্তি হ্ৰাস। বৰ্তমানৰ কথা পাহৰি নগ'লেও পুৰণি কথাবোৰ লাহে লাহে পাহৰি যায়। আলঝেইমাৰ ৰোগীয়ে স্মৃতি ৰোমন্থন কৰিব নোৱাৰে। আনকি নিজৰ জন্ম তাৰিখ পৰ্যন্ত পাহৰি যায়। অৱশ্যে অতীতৰ কিবা এটা কথা পাহৰি গ'লেও যদি হঠাৎ মনত পৰে, তেতিয়া তাক আলঝেইমাৰ ৰোগ বুলি ক'ব নোৱাৰি। কাৰণ বয়স বঢ়াৰ লগে লগে আমাৰ স্মৃতিশক্তি কিছু পৰিমাণে লোপ পায়।

দ্বিতীয়তে আলঝেইমাৰ ৰোগীৰ নাম বিস্মৃতি ঘটে। অৰ্থাৎ নামজাতীয় শব্দৰ স্মৃতিচাৰণৰ অসুবিধাই দেখা দিয়ে। মানুহ, দ্ৰব্য, স্থান আদিৰ নাম আৰু পৰিভাষাজাতীয় শব্দ যথাসময়ত বা যথাস্থানত মনত নপৰে। কথা কোৱাত কিছু পৰিমাণে জড়তা আহে। বাক্যবোৰ হয় অসংলগ্ন আৰু অত্যধিক যতিসম্পন্ন। উপযুক্ত শব্দ মনত নপৰাৰ ফলত অধিকাংশ বাক্যই অসম্পূৰ্ণ হৈ পৰে। কালক্ৰমত চুলি, দাঁত, হাড় আদিৰ নামো লাহে লাহে পাহৰিবলৈ আৰম্ভ কৰে। ফলত কথা কোৱাৰ পৰা বিৰত থাকিব লগা হয়। অকল কথা কোৱাই নহয়, ক্ৰমশঃ লেখা-পঢ়াৰ ক্ষমতাও লোপ পাবলৈ ধৰে। এই ৰোগৰ অন্তিম স্তৰত সামাজিক ভাব-বিনিময় অসম্ভৱ হৈ পৰে।

এই ৰোগৰ তৃতীয় স্তৰ হ'ল দিগ্‌ভ্ৰান্ত হোৱা। ইয়াৰ ফলত ৰোগীজনে নিজৰ ঘৰলৈ যোৱা ৰাস্তা-ঘাট চিনি নোপোৱা হয়। লাহে লাহে সোঁ-বাওঁৰ অৰ্থ বুজি নোপোৱা হয়। আনকি নিজৰ শোৱা বিচনাত মূৰ কোনফালে দিব লাগে তাকো পাহৰি যায়। অৱশেষত নিজৰ কাপোৰ-কানি পিন্ধিব নোৱাৰা অৱস্থা হয়। আলঝেইমাৰ ৰোগীৰ মস্তিষ্কৰ পাৰ্শ্বখণ্ডত থকা স্নায়ুকোষৰ মৃত্যু ঘটা বা বিকল হোৱাৰ ফলতেই এনেকুৱা হয়।

চতুৰ্থতে ভ্ৰম বাতুলতা হ'ল এই ৰোগৰ আন লক্ষণ। ইয়াক আমি 'বয়সৰ ভীমৰতি' বুলিও কওঁ। এই ৰোগত আক্ৰান্ত হোৱা ৰোগীয়ে বেছিভাগ ক্ষেত্ৰতে ভ্ৰম কৰা দেখা যায়। লাহে লাহে ৰোগীয়ে সকলোকে সন্দেহৰ চকুৰে চাব ধৰে। আনকি নিজৰ স্ত্ৰী-পুত্ৰ-কন্যাৰ ওপৰতো সন্দেহ কৰা হয়। তেওঁলোকে তেওঁৰ বিৰুদ্ধে চক্ৰান্ত কৰা বুলিও মনত ভাব হয়। সন্দেহৰ বশৱৰ্তী হৈ ৰোগীয়ে চোৰাংচোৱাগিৰি কৰিবলৈ আৰম্ভ কৰি দিয়ে। এইবিলাক অমূলক ভয় আৰু সন্দেহৰ বাবে ৰোগী হৈ পৰে দুশ্চিন্তাগ্ৰস্ত আৰু অস্থিৰতাৰ চিকাৰ। অৱশেষত ৰোগীয়ে মানসিক ভাৰসাম্য হেৰুৱাই পেলায়। ইয়াৰ বাবে মনোবিদ চিকিৎসকৰ আশ্ৰয় ল'ব লগা হয় কিম্বা মানসিক চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া অৱস্থাপ্ৰাপ্ত হয়। চিকিৎসালয়ত থকা শতকৰা কুৰিজন ৰোগীয়েই হ'ল আলঝেইমাৰ ৰোগত ভোগা ৰোগী।

পঞ্চমতে, আলঝেইমাৰ ৰোগত ভোগা ৰোগীৰ চলন ভংগীৰ বিসংগতিয়ে দেখা দিয়ে। এই বিসংগতি ৰোগীৰ শেষ অৱস্থাত দেখা দিয়ে। আনকি হাত-ভৰিৰ জোৰ, পেশীৰ

*ডাঃ প্ৰদীপ কুমাৰ দাস গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক

সবলতা আদি থকা সত্ত্বেও ৰোগীয়ে নিজে চলা-ফুৰা কৰিবলৈ অসুবিধা পায়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ওপৰত উল্লেখ কৰা উপসৰ্গ আটাই-কেইটা আলঝেইমাৰ ৰোগীৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'বও পাৰে। কিন্তু নিজকে পাহৰি যোৱা কিম্বা কথাই প্ৰতি ভুল কৰাই হ'ল আলঝেইমাৰ ৰোগীৰ প্ৰধান লক্ষণ।

আলঝেইমাৰ ৰোগৰ কাৰণ কি? এই ৰোগ হোৱাৰ কাৰণ চিকিৎসা বিজ্ঞানীসকলে আজিলৈকে ঠিৰাং কৰিব পৰা নাই। তথাপি চিকিৎসকসকলে আনুমানিক ভিত্তিত ক'ব খোজে যে মস্তিষ্কৰ বিসংগতি আৰু 'স্নায়ুজট' এই বেমাৰৰ মূল কাৰণ। লগতে চিকিৎসক-সকলে আন এটা কথাও নিৰ্ণয় কৰিবলৈ সক্ষম হৈছে যে আলঝেইমাৰ হ'ল বয়সৰ ৰোগ। এইখিনিতে ক'ব পাৰি যে আলঝেইমাৰ ৰোগৰ সকলো লক্ষণে দেখা দিয়া ৰোগীৰ সংখ্যা অতি কম। দ্বিতীয়তে সকলো জ্যেষ্ঠ মানুহৰ যে এই বেমাৰ হ'ব তাৰ কোনো অৰ্থ নাই। উদাহৰণস্বৰূপে বিখ্যাত বুদ্ধিজীৱী নিৰোদ চন্দ্ৰ চৌধুৰীৰ কথাকে ক'ব পাৰি। শত বছৰ গৰকা এই ব্যক্তিজনৰ মননশীলতা শেষ বয়সলৈ অক্ষুণ্ণ আছিল। জৰ্জ বাৰ্ণাৰ্ড শ্ব, খুশৱন্ত সিং আদি ব্যক্তিসকলৰ ৯০ বছৰ অতিক্ৰম কৰাৰ পাচতো মস্তিষ্ক আছিল অতি উৰ্বৰ। আশী বছৰ অতিক্ৰম কৰা আৰু মেধাশক্তিৰ পৰিচয় দিয়া বহু ব্যক্তি বিশ্বত আজিও বিৰাজমান। বিশ্বৰ প্ৰেক্ষাপটত চাৰ্চিলৰ নামটোও ল'ব পাৰি। এনে উদাহৰণ বিশ্বত বহুতো আছে। অসমতো এনে ব্যক্তি নোহোৱা নহয়। প্ৰয়াত শৰৎ চন্দ্ৰ সিংহ ৯০ বছৰ বয়সলৈকে সজীৱ হৈ আছিল। আশী বছৰ অতিক্ৰম কৰিও মস্তিষ্ক সজীৱ হৈ থকা আন দুজন ব্যক্তি হ'ল সাহিত্যিক হোমেন বৰগোহাঞি আৰু ড° লক্ষ্মীনন্দন বৰা। বয়সত আলঝেইমাৰ ৰোগৰ চিকাৰ হৈছিল স্বনামধন্য কবি প্ৰয়াত নজৰুল ইছলাম, বিখ্যাত সাঁতোৰবিদ মিহিৰ সেন আদি। এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰাচীন ভাৰতীয় ঋষি-মুনিসকলে বহু বছৰ জীয়াই থকাৰ সঞ্জীৱনী বিদ্যা আয়ত্ত কৰিব পাৰিছিল যদিও জৰা-ব্যাধিক তেওঁলোকে জয় কৰিব পৰা নাছিল। অৰ্থাৎ মস্তিষ্ক তেওঁলোকৰ ঠিক আছিল যদিও শৰীৰত প্ৰৌঢ়ত্বই দেখা দিছিল। এই ক্ষেত্ৰত প্ৰয়াত ড° ভূপেন হাজৰিকাৰ কথাকে উদাহৰণ-স্বৰূপে ল'ব পাৰি। কাৰণ আশী বছৰ অতিক্ৰম কৰিও তেওঁৰ মন আৰু মননশীলতা আছিল অক্ষত। কিন্তু ব্যাধিয়ে তেওঁৰ শৰীৰত পীড়া দিছিল।

সি যি কি নহওক, আলঝেইমাৰ ৰোগৰ মূল কাৰণ হ'ল মস্তিষ্কৰ ভাৰসাম্যহীনতা। এটি পূৰ্ণবয়স্ক মানৱ মস্তিষ্কৰ গড় ওজন হ'ল এক কিলোগ্ৰাম তিনিশ গ্ৰাম। কিন্তু এজন আলঝেইমাৰ ৰোগীৰ ক্ষেত্ৰত দেখা যায় যে শেষ অৱস্থাত মস্তিষ্কৰ ওজন শতকৰা কুৰি ভাগৰ বেছি কমি যায়। অৱশ্যে বয়স বঢ়াৰ লগে লগে প্ৰত্যেক মানুহৰে মগজু বা মস্তিষ্কৰ ওজন কমি যায়। কুৰি বছৰ বয়সীয়া মানৱৰ মগজুত থাকে এহেজাৰ কোটি স্নায়ুকোষ। ইয়াৰ পাচত যিকোনো কাৰণতেই দৈনিক প্ৰায় পাঁচ হাজাৰকৈ মগজুৰ স্নায়ুকোষ কমি গৈ থাকে। দেহৰ যিকোনো ঠাইত স্নায়ুকোষ কমি গ'লে পুনৰ উদ্ধাৰ কৰিব পাৰি। কিন্তু মগজুৰ পূৰ্ণাঙ্গ স্নায়ুকোষৰ মৃত্যু হ'লে তাক পুনৰ জীৱিত কৰিব নোৱাৰি। ইয়াৰ ফলতেই মস্তিষ্কৰ ওজন লাহে লাহে কমি গৈ থাকে। তথাপি ৯০ বছৰ বয়সলৈকে কিছুমান মানুহৰ মগজুৰ বহু কোষ বাচি থাকে আৰু ইয়াৰ ফলত এই সকল লোকৰ মগজুৰ উৰ্বৰা শক্তি একেবাৰে শেষ হৈ নাযায়। বৰ্তমান আধুনিক চিকিৎসা পদ্ধতিৰ সহায়ত আমি আমাৰ মগজু কেনে আছে পৰীক্ষা কৰি চাব পাৰো। ইয়াৰে এটা হ'ল মস্তিষ্কৰ গাণনিক স্তৰ চিত্ৰন (C.T. Scan) আৰু আনটো হ'ল চৌম্বক অনুনাদ স্তৰ চিত্ৰন (M.R.I. Scan)। এই বিষয়ে চিকিৎসা বিজ্ঞানীসকলে গৱেষণা কৰি ইয়াৰ বহল ব্যাখ্যা আগবঢ়াবলৈ সক্ষম হৈছে।

মস্তিষ্কত স্নায়ু প্ৰেৰকৰ মাত্ৰা কম-বেছি হ'লেই বিভিন্ন ৰোগৰ সৃষ্টি হ'ব পাৰে। আলঝেইমাৰ ৰোগত স্নায়ু প্ৰেৰকৰ মাত্ৰা কম হোৱা দেখা যায়। স্নায়ু প্ৰেৰক হ'ল কিছুমান ৰাসায়নিক পদাৰ্থ। আনহাতে বিদ্যুৎ পৰিবাহিতা হ'ল স্নায়ুতন্ত্ৰৰ এটি বিশেষ গুণ যাৰ সাহায্যত স্নায়ুৰ মাধ্যমত অনবৰতে দেহৰ এটা প্ৰত্যংগৰ পৰা আনটো প্ৰত্যংগলৈ খবৰ বিয়পি পৰে। দুটি স্নায়ুৰ সংযোগ স্থলত থাকে সামান্য এটি ফাঁক। এই ফাঁকৰ মাজেদি বিদ্যুৎ পৰিবাহিত হ'ব নোৱাৰে। কিন্তু ইয়াত থকা ৰাসায়নিক পদাৰ্থৰ সহায়ত স্নায়ুৰ সংযোগ ঘটে আৰু খবৰ প্ৰেৰণ কৰাত সহায়ক হয়। ই হ'ল স্নায়ুপ্ৰেৰক। এই স্নায়ুপ্ৰেৰকত থকা দুটি ৰাসায়নিক পদাৰ্থ যেনে এচিটাইল কোলিন আৰু কোলিন এচিটাইল ট্ৰান্সফাৰেজ কমি গ'লেই আলঝেইমাৰ ৰোগ হ'ব পাৰে বুলি বিজ্ঞানীয়ে অনুমান কৰিব পাৰিছে।

আলঝেইমাৰ ৰোগৰ কাৰণ বিচাৰি বিজ্ঞানীসকলে পাইছে জিনতত্ত্ব। ইয়াৰ গুৰিতে ক্ৰম'জ'মৰ বিসংগতি। হাজাৰ হাজাৰ জিন মিলি সৃষ্টি হয় একো একোটা ক্ৰম'জ'ম। মানৱ কোষৰ ৪৬টা ক্ৰম'জ'মত মুঠতে লক্ষাধিক জিন আছে। এই ক্ৰ'মোজমৰ মাজতেই লুকাই থাকে এটা বা একাধিক দুষ্ট জিন। এই জিনক চিনাক্ত কৰা দুঃসাধ্য কাম যদিও ১৪ নম্বৰ ক্ৰ'ম'জমত ইয়াক ধৰা

পেলোৱাটো সম্ভৱ হয়। বিজ্ঞানীসকলে ইয়াৰ নাম দিলে প্ৰজৰা-১। বংশগত আলঝেইমাৰ ৰোগীৰ শতকৰা ৮০ ভাগকে এই জিনটোৰ বাবে দায়ী কৰা হ'ল। বাকী থকা বিশজনৰ বাবেও দোষী কৰা হ'ল এবিধ জিনক। এই জিনবিধৰ নাম দিয়া হ'ল প্ৰজৰা-২। এই জিনটোক বিচাৰি পোৱা হ'ল এক নম্বৰ ক্ৰম'জ'মত। কিন্তু বংশগত আলঝেইমাৰ ৰোগীৰ বাবে প্ৰজৰা জিনক দোষী বুলি ভাবিলেও এনঝেইমাৰ ৰোগীৰ বাবে আন এবিধ জিনকো দোষী কৰা হ'ল। এই জিনবিধৰ নাম দিয়া হ'ল এপোলাইপো প্ৰোটিন-ই। এই জিনক উনৈশ নম্বৰ ক্ৰম'জ'মত পোৱা গ'ল।

কিছুবছৰ পূৰ্বে ষ্টেন্‌লি প্ৰুছিনাৰ নামৰ এজন মাৰ্কিন বিজ্ঞানীয়ে আলঝেইমাৰ ৰোগক সংক্ৰমণজনিত ৰোগ বুলি চিহ্নিত কৰাৰ প্ৰয়াস কৰিলে। তেওঁৰ মতে ভাইৰাছ সদৃশ কোনো অণুজীৱ সম্ভৱতঃ এই ৰোগৰ কাৰণ। এই জীৱকণাক তেওঁ নাম দিলে 'প্ৰায়ণ'। প্ৰায়ণ কণা আৱিষ্কাৰৰ বাবে প্ৰুছিনাৰক ১৯৯৭ চনত নোবেল বঁটাৰে পুৰস্কৃত কৰা হয়।

আলঝেইমাৰ ৰোগৰ কাৰণ দৰ্শাই নানা ধৰণৰ তত্ত্বৰ কথা কোৱা হৈছে যদিও, বিজ্ঞানীসকলে এতিয়ালৈকে এই ৰোগৰ মূল কাৰণ আৱিষ্কাৰ কৰিবলৈ সক্ষম হোৱা নাই। মস্তিষ্ক নিৰোগী কৰি ৰাখিবলৈ চিকিৎসা বিজ্ঞানীসকলে নানা ধৰণৰ ঔষধ ৰোগীসকলক খোৱাৰ বাবে উপদেশ দিছে। ইয়াৰ ভিতৰত আছে ভিটামিন-বি, ভিটামিন-ই, ভিটামিন-চি, লেছিথিন, কোলিন আদি জাতীয় ঔষধ। লগতে আছে ট্ৰেজিড'ন, হেলোপেৰিডল, থায়োৰিডাজিন, ট্ৰেজিড'ন জাতীয় ঔষধ। আলঝেইমাৰ ৰোগৰ কাৰণ বিচাৰি বিজ্ঞানীসকলে সমগ্ৰ বিশ্বতে বহুল পৰিমাণে গৱেষণা কাৰ্য চলাইছে। আশা কৰা হৈছে যে অদূৰ ভৱিষ্যতে আলঝেইমাৰৰ ঔষধ আৱিষ্কাৰ কৰি এই ৰোগ নিৰাময় কৰিব পৰা যাব। ❒

---

**(৫০ পৃষ্ঠাৰ পৰা)**

১৫ বৰ্ষতো এই সুবিধা অব্যাহত ৰখা কথা বাজেটত ঘোষণা কৰা হৈছে।

কৃষি ভূমিৰ গুণমানৰ হ্ৰাস সকলোৰে বাবে চিন্তাৰ বিষয়। চৰকাৰে বাজেটত কৃষকক 'ভূমি স্বাস্থ্য কাৰ্ড' (Soil health card) প্ৰদান কৰাৰ প্ৰস্তাৱ কৰিছে। ইয়াৰ বাবে ১০০ কোটি টকা বাজেটত ধাৰ্য কৰা হৈছে। কৃষিজাত সামগ্ৰী তথা খাদ্যশস্যৰ সংৰক্ষণৰ বাবে ভঁৰাল ব্যৱস্থা, শীতল ভাণ্ডাৰ আদি আন্তঃগাঁথনি ব্যৱস্থা অতি প্ৰয়োজন। এনে সুবিধা তথা আন্তঃগাঁথনি প্ৰদান কৰাৰ বাবে 'ভঁৰাল গৃহ আন্তঃগাঁথনি'ৰ অধীনত ৫,০০০ কোটি টকা আবণ্টন কৰা হৈছে। বাজেটত 'এগ্ৰি টেক্ ইন্‌ফ্ৰা ফাণ্ড' গঠনৰ বাবে ১০০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। সমগ্ৰ দেশতে ১০০টা ভ্ৰাম্যমাণ ভূমি পৰীক্ষা পৰীক্ষাগাৰ স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ বাবে ৫৬ কোটি টকা আবণ্টন কৰা হৈছে। কৃষিত দীৰ্ঘকালীন বিনিয়োগক উৎসাহিত কৰাৰ বাবে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামীণ বিকাশ বেংক (নাবাৰ্ড)ত দীৰ্ঘকালীন গ্ৰাম্য ঋণ নিধি স্থাপন কৰা হৈছে। এই নিধিৰ জৰিয়তে সমবায় বেংক আৰু গ্ৰামীণ বিকাশ বেংকক ঋণৰ পুনৰ্বিত্তৰ সমৰ্থন কৰা হয়। ইয়াৰ বাবে ৫,০০০ কোটি টকা ধাৰ্য কৰা হৈছে। নাবাৰ্ডৰ জৰিয়তে ৫ লাখ ভূমিহীন খেতিয়কক বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব।

শীতল গৃহ, ভাণ্ডাৰ ব্যৱস্থা আদি আন্তঃগাঁথনিৰ অভাৱত আমাৰ দেশৰ অধিকাংশ কৃষক উৎপাদিত কৃষিজাত সামগ্ৰী সৰহ দিনলৈ সংৰক্ষণ কৰিবলৈ অসমৰ্থ। ফলত তেওঁলোকে কম মূল্যতে কৃষিজাত সামগ্ৰী বিক্ৰী কৰিবলৈ বাধ্য হয়। মূল্যৰ অস্থিৰতা কৃষকৰ বাবে চিন্তনীয় বিষয়। কৃষকে যাতে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰিব পাৰে তাৰ বাবে এই বাজেটত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বাজেটত কৃষিজাত সামগ্ৰীৰ সুস্থিৰতাৰ বাবে ৫০০ কোটি টকা বিনিয়োগেৰে মূল্য সুস্থিৰতা নিধি স্থাপনৰ প্ৰস্তাৱ বাজেটত সন্নিৱিষ্ট কৰা হৈছে।

সঠিক সময়ত বিভিন্ন শস্যৰ খেতি আৰু কৃষি সম্পৰ্কীয় তথ্য যোগানৰ বাবে কিষাণ টেলিভিছন স্থাপনৰ ব্যৱস্থা কৰা হ'ব। টেলিভিছনত প্ৰচাৰিত বিভিন্ন কথিকা, সাক্ষাৎকাৰ, কৃষি সম্পৰ্কীয় বা-বাতৰি, কৃষি বিশেষজ্ঞৰ দ্বাৰা আলোচনা, দিহা-পৰামৰ্শ আদিৰ দ্বাৰা বহু কৃষক লাভান্বিত হ'ব বুলি আশা প্ৰকাশ কৰিব পাৰি। টেলিভিছন স্থাপনৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰা হৈছে।

বাজেটত দেশীয় গৰু-ছাগলী প্ৰজনন আৰু আভ্যন্তৰীণ মীন পালনৰ নীলা বিপ্লৱৰ বাবে ৫০ কোটি টকা ধাৰ্য কৰা হৈছে। সকলো পৰিয়ালক বেংক সেৱা প্ৰদান কৰিবলৈ অহা ১৫ আগষ্টত এটা নিৰ্দ্ধাৰিত সময়ৰ কাৰ্যসূচী আৰম্ভ কৰা হ'ব। এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে— সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকক সবলীকৰণ কৰা। মহিলা, লঘু, সীমান্ত কৃষক, শ্ৰমিকক এই আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব। কৃষি বিকাশৰ বাবে বাজেটত প্ৰস্তাৱিত বিনিয়োগ তথা বিভিন্ন আঁচনি আৰু পদক্ষেপ কৃষিখণ্ডৰ ৪ শতাংশ হাৰৰ বৃদ্ধিৰ লক্ষ্যত উপনীত হ'ব বুলি বিত্তমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে। ❒

# ভাৰতৰ কৃষিৰ বিকাশ আৰু সমস্যা

**জয়ন্ত কুমাৰ শৰ্মা***

ৰাষ্ট্ৰৰ মুঠ জনসংখ্যাৰ ৬৫ শতাংশ জড়িত কৃষি তথা আনুসঙ্গিক ক্ষেত্ৰৰ ৰাষ্ট্ৰৰ মুঠ উৎপাদনত অৰিহণা ১৯৮২-৮৩ বৰ্ষৰ ৩৬.৪ শতাংশৰ পৰা বৰ্তমান (২০১১-১২) ১৪ শতাংশলৈ হ্ৰাস পালে। প্ৰত্যক্ষভাৱে ৬৫ শতাংশ জড়িত এই খণ্ডই বিদেশী মুদ্ৰা অৰ্জনত ১০ শতাংশ বহনৰ লগতে ২০১২ বৰ্ষত ভাৰত বিশ্বৰ সৰ্বোচ্চ চাউল ৰপ্তানিকাৰী ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ল। উল্লেখযোগ্য যে ভাৰত হ'ল বিশ্বৰ সৰ্বোচ্চ পাচলি, গাখীৰ, মৰাপাট, উৎপাদন কৰা ৰাষ্ট্ৰ। ঘেঁহু, ধান, শুকান ফল, ঘাঁহজাত, মাছ, কণী, নাৰিকল উৎপাদনত দেশখন দ্বিতীয় সৰ্বোচ্চ উৎপাদনকাৰী ৰাষ্ট্ৰলৈ পৰিৱৰ্তন হৈছে। ২০১১-১২ বৰ্ষত ৰাষ্ট্ৰই ২৫৯.৩২ নিযুত টনলৈ খাদ্য-শস্যৰ উৎপাদন বৃদ্ধি কৰিছিল যদিও তাৰ পিছৰ বছৰ ২০১২-১৩ বৰ্ষত ২৫০.১৫ নিযুত টনলৈ হ্ৰাস পালে। বিগত ছবছৰৰ মুখ্য কেইবিধমান খাদ্য-শস্যৰ লগতে মুঠ খাদ্য-শস্যৰ পৰিমাণ তালিকা-১ত উল্লিখিত ধৰণৰ।

ৰাষ্ট্ৰত খাদ্য-শস্য উৎপাদনৰ পৰিপ্ৰেক্ষিতত জনমূৰি খাদ্যৰ পৰিমাণ বৃদ্ধি পালেও বৰ্দ্ধিত জনসংখ্যাৰ অনুপাতত আশানুৰূপ নহয় বা গতানুগতিকতাত ব্যাপক অনিয়ম ৰূপেহে প্ৰতীয়মান হয়। ২০০২ বৰ্ষত জনমূৰি খাদ্যৰ পৰিমাণ প্ৰতিদিনে ৪৯৪.১ গ্ৰামৰ পৰা ২০০5 বৰ্ষত ৪২২.৪ গ্ৰামলৈ হ্ৰাস পালে। ২০১১ বৰ্ষত এই পৰিমাণ ৪৬৩ গ্ৰামলৈ বৃদ্ধি পালেও পৰ্যাপ্ত নহয়।

দেশত সপ্তম পৰিকল্পনা কালত (১৯৮৫-১৯৯০ৰ ভিতৰত) আৰ্থিক বিকাশৰ হাৰ গড় ৬.০ শতাংশৰ বিপৰীতে একাদশ পৰিকল্পনা কাল (২০০৭-২০১২)ৰ ভিতৰত ৭.৯ শতাংশলৈ বৃদ্ধি পালে। ২০১২-১৩ বৰ্ষত বিকাশৰ হাৰ মাত্ৰ ৪.৫ শতাংশ তথা ২০১৩-১৪ বৰ্ষত ৫ শতাংশতে সীমাবদ্ধ থাকিব। ৰাষ্ট্ৰৰ এই বিকাশৰ হাৰ মূলতঃ কৃষি তথা আনুসঙ্গিক ক্ষেত্ৰৰ বিকাশৰ স্তৰৰ ওপৰত নিৰ্ভৰ কৰে। 'তালিকা-২'ত কৃষি খণ্ড আৰু আনুসঙ্গিক ক্ষেত্ৰৰ লগত জিডিপি-ৰ তুলনামূলক ধাৰণা আগবঢ়োৱা হ'ল।

দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰথম দুবছৰত ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষত ২৫৯ নিযুত টন, তথা ২৫০ নিযুত টন হ'ল। অথচ এই দুবছৰত আৰ্থিক বিকাশৰ হাৰ ৫ শতাংশৰ তলত থাকিল।

| **শস্য** (নিযুত টন/বেল্চ) | ২০০৭-০৮ | ২০০৮-০৯ | ২০০৯-১০ | ২০১০-১১ | ২০১১-১২ | ২০১২-১৩ |
|---|---|---|---|---|---|---|
| ধান | ৯৬.৬৯ | ৯৯.১৮ | ৮৯.১০ | ৯৫.৯৮ | ১০৫.৩১ | ১০১.৮০ |
| ঘেঁহু | ৪০.৭৫ | ৪০.০৩ | ৩৩.৫৫ | ৪৩.৪০ | ৪২.০৪ | ৩৮.৪৭ |
| মুঠ খাদ-শস্য | ২১৬.০১ | ২১৯.৯০ | ২০৩.৪৫ | ২২৬.২৫ | ২৪২.২৩ | ২৩২.৫৬ |
| মাহজাত | ১৪.৭৬ | ১৪.৫৭ | ১৪.৬৬ | ১৮.২৪ | ১৭.০৯ | ১৭.৫৭ |
| সৰ্বমুঠ খাদ্য-শস্য | ২৩০.৭৮ | ২৩৪.৪৭ | ২১৮.১০ | ২৪৪.৪৯ | ২৫৯.৩৩ | ২৫০.১৫ |
| তৈলজাত | ২৯.৭৫ | ২৭.৭২ | ২৪.৮৮ | ৩২.৪৮ | ২৯.৮০ | ২৯.৪৬ |
| কপাহ (বেলচ্) | ২৫.৮৮ | ২২.২৮ | ২৪.০২ | ৩৩.০০ | ৩৫.২০ | ৩৩.৮০ |

ভাৰতত খাদ্য-শস্যৰ উৎপাদন পূৰ্বৰ তুলনাত বৃদ্ধি হ'ল যদিও এছিয়াৰ ভালেসংখ্যক ৰাষ্ট্ৰৰ তুলনাত ভাৰতৰ উৎপাদন কম ৰূপেহে প্ৰতীয়মান হয়। এটা দশকৰ সময়ত উৎপাদনৰ তুলনামূলক ধাৰণা 'তালিকা-৩'ত উল্লিখিত ধৰণৰ।

তদুপৰি দেশৰ হেক্টৰে প্ৰতি উৎপাদন ৩ মেট্ৰিক টনৰ বিপৰীতে চীনৰ ৬.০৬ মেট্ৰিক টন তথা ভিয়েটনামৰ ৪.৪৮ মেট্ৰিক টন। ৰাষ্ট্ৰত প্ৰয়োজনীয় হাৰত উৎপাদন নোহোৱাৰ মুখ্য কেইটামান কাৰণ হ'ল—

★ প্ৰাকৃতিক দুৰ্যোগ তথা ব্যাপক জলবায়ুৰ পৰিৱৰ্তনে ৰাষ্ট্ৰত কৃষি

*জয়ন্ত কুমাৰ শৰ্মা তিতাবৰস্থিত নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক

তালিকা - ২

| পঞ্চবাৰ্ষিক পৰিকল্পনা | মুঠ ঘৰুৱা উৎপাদন | কৃষিৰ বিকাশ |
|---|---|---|
| সপ্তম পৰিকল্পনা | ৬.০ | ৩.২ |
| অষ্টম পৰিকল্পনা | ৬.৭ | ৪.৭ |
| নৱম পৰিকল্পনা | ৫.৫ | ২.১ |
| দশম পৰিকল্পনা | ৭.৮ | ২.৬ |
| একাদশ পৰিকল্পনা | ৭.৯ | ৩.৩ |

খণ্ডত ব্যাপক কু-প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে ১ৰ পৰা ৪ ডিগ্ৰী চেণ্টিগ্ৰেড উত্তাপ বৃদ্ধিৰ ফলত ধানৰ উৎপাদন ৪৯ শতাংশ পৰ্যন্ত, আলুৰ উৎপাদন ৪০ শতাংশ পৰ্যন্ত হ্ৰাস পাব পাৰে। ১৯৯১ চনত সিংহা আৰু স্বামীনাথনৰ মতে ২° চেণ্টিগ্ৰেড পৰ্যন্ত উত্তাপ বৃদ্ধিয়ে হেক্টৰে প্ৰতি ০.৭৫ টন ধানৰ উৎপাদন হ্ৰাস কৰে। পূব ভাৰতৰ ২৬৬.২ লাখ হেক্টৰ ধান কৃষি অঞ্চলৰ প্ৰায় ৫০ লাখ হেক্টৰ আৰু ৮৭.৪ লাখ হেক্টৰ ভূমি বান আৰু খৰাঙৰ কবলত পৰে। উত্তাপ বৃদ্ধি, বান, খৰাঙৰ কবলত পৰি ভাৰতত কৃষিৰ উৎপাদন গতানুগতিকতালৈ পৰিৱৰ্তন হৈছে। সমগ্ৰ ৰাষ্ট্ৰৰ বছৰি প্ৰায় ১৮৮ নিযুত হেক্টৰ ভূমি বিভিন্ন অৰক্ষয়ৰ কবলত পৰে। জল আৰু বতাহৰ দ্বাৰা অৰক্ষয় ভূমি ১৪৮.৯ তথা ১৩.৫ নিযুত হেক্টৰ ভূমি।

★ প্ৰাকৃতিক দুৰ্যোগ বা অন্য ক্ষয়-ক্ষতিৰ পৰা কৃষিভূমিক ৰক্ষা কৰিবলৈ শস্য বীমা আঁচনিৰে এতিয়াও ৰাষ্ট্ৰৰ বৃহৎ সংখ্যক ৰাজ্যক সামৰি লোৱা নাই। উত্তৰ প্ৰদেশৰ ২৭ শতাংশ, মধ্য প্ৰদেশৰ ২২ শতাংশ, অন্ধ্ৰ প্ৰদেশৰ ৩০ শতাংশ, পঞ্জাৱৰ ২৬ শতাংশ, কেৰালাৰ ১৯ শতাংশ তথা বিহাৰৰ ৪ শতাংশ কৃষকৰ ভূমিহে বীমা আঁচনিৰে সামৰি লৈছে।

তালিকা - ৩

| ১৯৯০-৯৯ৰ ভিতৰত উৎপাদনৰ হাৰ। (১৯৮৯-৯১ ভেটি) | | | | |
|---|---|---|---|---|
| **দেশ** | **কৃষি** | **উদ্ভিদ** | **ফল-মূল** | **পোহনীয়া জীৱ** |
| ভাৰত | ২.৬১ | ২.১৭ | ৩.৯৮ | ৩.৪৫ |
| পাকিস্তান | ৩.৩১ | ৩.৭৮ | ৪.০০ | ৪.৯৪ |
| মালয়েছিয়া | ২.৮১ | ৫.৮৯ | -০.৫২ | ৪.৮৮ |
| ভিয়েটনাম | ৫.৪৮ | ৩.২৪ | ২.৮১ | ৬.২০ |
| চীন | ৫.৩৬ | ৭.৭২ | ১১.৮৪ | ৪.৩১ |

★ ভাৰতীয় কৃষিত উন্নত প্ৰযুক্তিৰে কৃষিজাত উৎপাদনৰ হাৰ ভালেখিনি বৃদ্ধি পালে। তথাপিও কৃষি খণ্ডত জলসিঞ্চনৰ অভাৱ এতিয়াও অব্যাহত আছে। ১৯৫০-৫১ চনৰ ভাৰতৰ জলসিঞ্চনৰ ভূমি ২২.৬ নিযুত হেক্টৰৰ পৰা ২০০৬-০৭ বৰ্ষত ১০২.৮ নিযুত হেক্টৰলৈহে বৃদ্ধি পালে। ভাৰত নিৰ্মাণৰ অধীনত অতিৰিক্ত ২০০৯-১০ চনত ১০ নিযুত হেক্টৰ, ২৯১০-১১ আৰু ২০১১-১২ বৰ্ষত জলসিঞ্চন ভূমি ৭৩ লাখ হেক্টৰলৈ বৃদ্ধি কৰে। সম্প্ৰতি ৰাষ্ট্ৰৰ ৪৪ শতাংশ ভূমিতহে জলসিঞ্চনৰ সুবিধা আছে।

★ চীন দেশে হেক্টৰে প্ৰতি ধানৰ উৎপাদন ৬২৬৫ কিলোগ্ৰাম তথা যুক্তৰাষ্ট্ৰই উৎপাদন কৰে ৭৬৯৪ কিলোগ্ৰাম। ইয়াৰ বিপৰীতে ভাৰতে উৎপাদন কৰে মাত্ৰ ৩১২৪ কিলোগ্ৰাম। অন্য কেতবোৰ উৎপাদনৰ ক্ষেত্ৰতো ব্যাপক বৈষম্য পৰিলক্ষিত হয়। ইয়াৰ মূলতে উন্নত বীজ, কৃষিভূমিত সাৰৰ ব্যৱহাৰ আশানুৰূপ নহয়।

★ কৃষি খণ্ডৰ বিশেষ অগ্ৰাধিকাৰেৰে বিভিন্ন খণ্ডৰ পৰা কৃষি ঋণ ১৯৭১-৭২ৰ ৮৮৩ কোটি টকাৰ পৰা ২০০৭-০৮ বৰ্ষলৈ ২২০ ভাগ বৃদ্ধিৰে ১৯৪,৯৫৩ কোটি টকালৈ বৃদ্ধি পালে। বিভিন্ন শিতানৰ পৰা কৃষি ঋণৰ হাৰৰ বিগত ৭ বছৰৰ ৰূপ (তালিকা-৪)ত উল্লেখ কৰা হ'ল।

★ বিগত কিছু বছৰত কৃষকলৈ ঋণৰ হাৰ আনুষ্ঠানিক খণ্ডৰ পৰা হ্ৰাস পোৱাৰ বিপৰীতে, অনানুষ্ঠানিক খণ্ডৰ পৰা বৃদ্ধি পালে। তথাপিও কৃষি ঋণ গ্ৰহণ কৰি, সময়ত পৰিশোধ কৰিব নোৱাৰা বা শস্য পথাৰৰ বিস্তৰ ক্ষতি হোৱাত, কৃষকৰ আত্মহত্যাৰ হাৰ দেশত বৃদ্ধি পাইছে। ২০১২ বৰ্ষত মৃত্যুৰ সংখ্যা আছিল ১৩,৭১৪। কৃষকৰ মৃত্যুৰ হাৰ অধিক হোৱাৰ মুখ্য কাৰণ হ'ল, ফচলৰ অনিষ্ট হোৱা,

তালিকা - ৪

| উৎস | ১৯৫১ | ১৯৬১ | ১৯৭১ | ১৯৮১ | ১৯৯১ | ২০০৮ |
|---|---|---|---|---|---|---|
| অপ্ৰতিষ্ঠান | ৯২.৭ | ৮১.৩ | ৬৮.৩ | ৩৬.৮ | ৩৩.৬ | ৩০.৫ |
| পুঁজিপতি | ৬৭.৭ | ৪৯.২ | ৩৬.১ | ১৬.১ | ১৭.৫ | ২২.৫ |
| প্ৰতিষ্ঠান | ৭.৩ | ১৮.৭ | ৩১.৭ | ৬৩.২ | ৬৬.৩ | ৬৯.৫ |
| সমবায় সমিতি | ৩.৩ | ২.৬ | ২২ | ২৯.৮ | ২৩.৬ | ৩০.৬ |
| বাণিজ্যিক বেংক | ০.৯ | ০.৬ | ২.৪ | ২৮.৪ | ৩৫.২ | ২৯.৫ |
| অন্যান্য | — | — | — | — | ৩.১ | — |
| সৰ্বমুঠ | ১০০ | ১০০ | ১০০ | ১০০ | ১০০ | ১০০ |

বতৰৰ অস্বাভাৱিক পৰিৱৰ্তন, ঋণ সময়ত পৰিশোধ কৰিব নোৱাৰা আদি অন্যান্য ভালেসংখ্যক কাৰণ।

ভাৰত সম্প্ৰতি বিশ্বৰ দ্বিতীয় সৰ্বোচ্চ ক্ষিপ্ৰ অৰ্থনীতিৰ দেশ তথা ২০১৩-১৪ বৰ্ষত খাদ্য-শস্যৰ উৎপাদন ২৬৩ নিযুত টনলৈ বৃদ্ধিৰ আশা কৰা হৈছে। তথাপিও ৰাষ্ট্ৰত সম্প্ৰতি কম নিযুত লোক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত হ'ব বুলি আশা কৰা হৈছে। অথচ এতিয়াও বৃহৎসংখ্যক লোকে দৰিদ্ৰতা আৰু দুৰ্ভিক্ষত দিন অতিবাহিত কৰিছে। ১৯৭৪ চনতেই খাদ্য আৰু কৃষি সংগঠন চমুকৈ এফ এ-ৰ পৰা প্ৰকাশিত তথ্য অনুসৰি ১৯৮৪ৰ ভিতৰত কোনো শিশু, মহিলা বা পুৰুষ ভোকাতুৰ অৱস্থাত

তালিকা - ৫ (শতাংশ হাৰত)

| ভূমিৰ শ্ৰেণী বিভাগ | ক্ষুধাতুৰ | দৰিদ্ৰতা |
|---|---|---|
| ভুমিহীন | ৪৯ | ৫৪ |
| ০.৫ হেক্টৰৰ কম | ৩২ | ৩৮ |
| ০.৫ - ১ হেক্টৰ | ২৪ | ২৭ |
| ১.০ - ২ হেক্টৰ | ১৭ | ১৯ |
| ২.০ - ৪ হেক্টৰ | ১২ | ১৪ |
| ৪ হেক্টৰৰ অধিক | ১২ | ১৩ |

কৃষিভূমি থকা বা ভূমিহীন লোকসকল ক্ষুধাতুৰ তথা দৰিদ্ৰতাৰ কৰাল গ্ৰাসত আছে। (তালিকা-৫)

২০১৩-১৪ বৰ্ষত ৰাষ্ট্ৰৰ উৎপাদন ২৬৩ নিযুত টনেৰে ৰাষ্ট্ৰৰ প্ৰায় ১৪০ বিচনালৈ যাব নালাগিব। লগতে পুষ্টিহীনতা আঁতৰ কৰিবলৈও ব্যাপক ব্যৱস্থা গ্ৰহণ কৰি আহিছে। অথচ ২০০৫-০৬ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ টোকা অনুসৰি ৰক্তাল্পতাত আক্ৰান্ত ১৫-৪৯ বছৰৰ বিবাহিত মহিলাৰ হাৰ ১৯৯৮-৯৯ বৰ্ষৰ ৫৩.৯ শতাংশৰ পৰা ২০০৫-০৬ বৰ্ষত ৫৮.২ শতাংশলৈ বৃদ্ধি পালে। ৫ বছৰৰ তলৰ অতি নিশকতীয়া শিশুৰ হাৰ ১৯৯৫-২০০০ৰ ভিতৰত ৪৪.৯ শতাংশ। ক্ষুধাতুৰ আৰু পুষ্টিহীনতা বিষয়ক নান্দী ফাউণ্ডেচনে ১১২ খন গ্ৰাম্য জিলাত চলোৱা সমীক্ষা মতে ৫ বছৰৰ তলৰ ৪২ শতাংশ শিশু কম ওজনৰ তথা ৫৯ শতাংশ শিশু দুৰ্বল। আন এটা টোকা অনুসৰি ২০০৫-০৬ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ টোকা অনুসৰি ১৫-৪৯ বছৰৰ ৩৩ শতাংশ মহিলাৰ দৈহিক ভৰ সূচাংক বি এম আই স্বাভাৱিকতকৈ কম। ৬-৩৫ মাহৰ ভিতৰৰ ৭৮.৯ শতাংশ শিশু ৰক্তাল্পতাত আক্ৰান্ত। ৪০.৪ শতাংশ শিশুৰ (৩ বছৰৰ তলৰ) ওজন কম। এনেকৈয়ে দৰিদ্ৰতা, দুৰ্ভিক্ষ আদি সমূহ ৰাষ্ট্ৰত খাদ্য আহৰণৰ অভাৱেই অন্যতম কাৰণ।

কৃষিৰ আন্তঃগাঁথনিৰ বিকাশ অবিহনে সামগ্ৰিক ৰাষ্ট্ৰীয় বিকাশ সম্ভৱ নহয়। কৃষি মন্ত্ৰীয়ে ২০১৪ৰ আগভাগত ৰাজ্যসভাত প্ৰকাশ কৰা অনুসৰি আন্তঃগাঁথনিৰ অভাৱত ৰাষ্ট্ৰত ৪৪ হেজাৰ কোটি টকা লোকচান হয়। ইয়াৰ ভিতৰত বছৰি ফল আৰু পাচলি অনিষ্ট হয় ১৩,৩০৯ কোটি টকাৰ। দ্বাদশ পৰিকল্পনা কালত (২০১২-২০১৭) ক্ষিপ্ৰ, ধাৰণক্ষম আৰু সামগ্ৰিক বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ খাদ্য নিৰাপত্তাৰ যোগাৰ, অধিক খাদ্য আহৰণ, উৎপাদনৰ প্ৰয়োজন। সেয়েহে কৃষি হ'ল গ্ৰাম্য অৰ্থনীতিৰ বিকাশৰ চালিকা শক্তি। ❐